# অসমীয়া আধুনিক গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

## (পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ বিশেষ উল্লিখনসহ)

**বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষা শাখাৰ অসমীয়া বিভাগৰ পৰা এম. ফিল ডিগ্ৰীৰ আংশিক প্ৰয়োজন পূৰ্তিৰ বাবে প্ৰদত্ত ক্ষুদ্ৰ গৱেষণা-গ্ৰন্থৰ সংক্ষিপ্ত-সাৰ**


তত্ত্বাৱধায়ক

Dr. Daisy Rani Deka
Asstt. Professor & Research Guide
Department of Assamese
Bodoland University, Kokrajhar
15/02/2021

**ড° ডেইজী ৰাণী ডেকা**
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
কোকৰাঝাৰ, বি টি আৰ, অসম

গৱেষক

Kaushik Thakuria

**কৌশিক ঠাকুৰীয়া**
ৰোল নং ঃ MPLAS 19001
পঞ্জীয়ন নং ঃ ASS00311of 2019/2020
অসমীয়া বিভাগ, বড়োলেণ্ড বিশ্ববিদ্যালয়,
কোকৰাঝাৰ, বি টি আৰ, ২০২১

# অসমীয়া আধুনিক গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

## (পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ বিশেষ উল্লিখনসহ)

## সংক্ষিপ্ত-সাৰ

### ১.০ বিষয়ৰ পৰিচয়

অসমীয়া গীতি-সাহিত্যৰ ইতিহাস বৰ প্ৰাচীন আৰু ঐতিহ্যমণ্ডিত। লোক-সাহিত্যৰ বুকুতে অসমীয়া গীতি-সাহিত্যৰ ভেঁটি নিৰ্মিত হোৱা পৰিলক্ষিত হয়। অসমীয়া সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন চৰ্যাপদকে আদি কৰি পৰৱৰ্তী সময়ত গুৰু দুজনাৰ দ্বাৰা সৃষ্ট আধ্যাত্মিক ভাৱ সম্পন্ন বৰগীত, নাটৰ গীত, ভটিা গীত ইত্যাদিৰ মাজেৰে অসমীয়া গীতি-সাহিত্যই বিশিষ্ট ৰূপ লাভ কৰে। ৰোমাণ্টিক যুগতো লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা আদিৰ হাতত বিকাশ লাভ কৰা অসমীয়া আধুনিক গীতি-সাহিত্যই নব্য বিষয়বস্তু আৰু আংগিকেৰে সমৃদ্ধি লাভ কৰা পৰিলক্ষিত হয়।

অসমীয়া আধুনিকৰ গীতি-সাহিত্যক পৰিপুষ্ট কৰি তোলা গীতিকাৰসকলৰ ভিতৰত অন্যতম দুগৰাকী হ'ল পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈ দুয়োগৰাকী গীতিকাৰৰ গীতসমূহত সততে লক্ষ্য কৰা যায় অতীতৰ গৰিমাৰ প্ৰতি শ্ৰদ্ধা, স্বজাতিৰ প্ৰতি প্ৰেম, প্ৰকৃতিৰ বৰ্ণনা, নৰ-নাৰীৰ হৰ্ষ-বিষাদ, সাংস্কৃতিক ঐতিহ্যৰ উপৰিও তদানীন্তন সমাজ ব্যৱস্থাক জাগ্ৰত কৰাৰ সবল মানসিকতা। গীতিকাৰ দুগৰাকীৰ গীত চৰ্চাৰ সময় আৰু অন্যান্য দুই-এটি উপাদানৰ মাজত কিছু ব্যৱধান থাকিলেও, দুয়োগৰাকীৰে গীতসমূহত ঐতিহ্যচেতনাৰ দিশটোৰ লগতে সমাজ সচেতনতাৰ মনোভংগীয়েও গীতসমূহক অভিনৱত্ব প্ৰদান কৰিছে।

ঐতিহ্যচেতনা কোনো এটা জাতিৰ জাতীয় জীৱনৰ বাবে অনুপ্ৰেৰণাৰ উৎস। ইতিহাসক পাহৰি যোৱা সমাজ এখনে কেতিয়াও নিজকে ভালদৰে প্ৰতিষ্ঠাপিত কৰিব নোৱাৰে আৰু স্বাভিমানো বৰ্তাই ৰখাত অপাৰগ হয়। এই প্ৰসংগতে সাহিত্যৰ সৈতে ঐতিহ্যচেতনাৰ দিশটোও ওতঃপ্ৰোতভাৱে সম্পৰ্কিত।?

ঐতিহ্যচেতনা এক ব্যাপক অভিজ্ঞতাৰ সমষ্টি। ই পূৰ্বপুৰুষসকলৰ পৰা পৰম্পৰাগতভাৱে আহৰণ কৰা সম্পদ হোৱাৰ বিপৰীতে কঠোৰ পৰিশ্ৰমৰ মাজেৰেহে আহৰণ কৰা এক গভীৰ উপলব্ধি। যিয়ে বৰ্তমানৰ মাজত অতীতৰ অৱস্থিতি অনুভৱ কৰায়। ঐতিহ্যৰ ধাৰণাটো প্ৰাচীন মূল্যবোধৰ সৈতে জড়িত। সংক্ষেপে ক'বলৈ গ'লে ঐতিহাসিক বিৱৰ্তনৰ মাজেদি বৈ যোৱা সাংস্কৃতিক আৰু বৌদ্ধিক মূল্যবোধেই। মন কৰিবলগীয়া যে অতীতৰ আটাইবোৰ ঘটনা বা নীতি-নিয়মৰ সমষ্টিয়েই ঐতিহ্য হ'ব নোৱাৰে। ঐতিহ্য হ'ল অতীতৰ তেনেধৰণৰ সামাজিক কাৰ্য, ধ্যান-ধাৰণা, চিন্তাচেতনা যিবোৰ পৰৱৰ্তী কালৰ সমাজ এখনৰ বিকাশৰ পথত কল্যাণকামী ভূমিকা গ্ৰহণ কৰে। আমাৰ নিৰ্বাচিত দুয়োগৰাকী গীতিকাৰৰ গীতবোৰত প্ৰকাশিত ঐতিহ্যচেতনা একমাত্ৰ পৰম্পৰা আশ্ৰয়ী সংযুতিৰ সমষ্টি হোৱাৰ বিপৰীতে অতীতৰ মূল্যবোধসম্পন্ন ধ্যান-ধাৰণা, চিন্তা-চেতনাৰ সহায়ত এখন নৱ্য বিকশিত কল্যাণকামী সমাজ প্ৰতিষ্ঠাৰ মানসিকতাও স্পষ্ট।

সুস্থ সামাজিক মাধ্যম হিচাপে গীতসমূহে অতীতৰপৰা কাৰ্যনিৰ্বাহ কৰি আহিছে। নিজৰ জন্মভূমি আৰু জাতীয় সমাজ-সংস্কৃতিৰ প্ৰতি থকা প্ৰবল হাবিয়াস আৰু দেশ তথা ৰাষ্ট্ৰৰ প্ৰতি থকা নৈতিক দায়বদ্ধতাৰে নিৰ্বাচিত দুয়োগৰাকী গীতিকাৰৰ গীতসমূহ মহীয়ান। ভাৰতীয় তথা অসমীয় সমাজ ব্যৱস্থাক সংগঠিত কৰি নৈতিকভাৱে উত্তোৰণ ঘটোৱা দুয়োগৰাকীৰে গীতসমূহৰ অন্যতম বৈশিষ্ট্য। আমাৰ এই ক্ষুদ্ৰ গৱেষণা-গ্ৰন্থত পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত ঐতিহ্যচেতনা আৰু সামাজিক চেতনাই কিদৰে ভূমুকি মাৰিছে, সেই সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

## ২.০ গৱেষণাৰ বিষয় নিৰ্বাচন

অসমীয়া সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈ দুটি উল্লেখযোগ্য নাম। কবিতা, নাটক, উপন্যাস ইত্যাদি বিভাগৰ উপৰিও গীত সৃষ্টিটো দুয়োগৰাকী সাহিত্যিকৰে অৱদান অতুলনীয়। গীতিকাৰ দুগৰাকীৰ স্বৰচিত গীতসমূহে অসমীয়া গীতি-সাহিত্যক সমৃদ্ধিশালী কৰি তুলিছে। অতীত ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা, স্বদেশপ্ৰেম, প্ৰকৃতিৰ নৈসৰ্গিক বৰ্ণনা, মানৱৰ সুখ-দুখ, সাংস্কৃতিক ঐতিহ্য, সমসাময়িক সমাজ ব্যৱস্থাক জাগ্ৰত গীতসমূহে জনমানসত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। গীতিকাৰ দুগৰাকীৰ গীতসমূহ বিভিন্ন ফালৰপৰা সমৃদ্ধিশালী হোৱাৰ পিছতো একো একোটা মৌলিক দৃষ্টিভংগী আগত ৰাখি গীতসমূহৰ বিদ্যায়তনিক আলোচনা হোৱা এতিয়ালৈ আমাৰ দৃষ্টিগোচৰ হোৱা নাই। আমাৰ গৱেষণাৰ বিষয় হিচাপে নিৰ্বাচন কৰা হৈছে অসমীয়া আধুনিক গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন (পাৰ্বতিপ্ৰসাদ বৰুৱা নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ বিশেষ উল্লিখনসহ)।

## ৩.০ গৱেষণা বিষয়ৰ উদ্দেশ্য আৰু গুৰুত্ব

অসমীয়া সাহিত্যৰ পৰিপুষ্টিত গীত-সাহিত্যই আৰম্ভণিৰেপৰা বিশেষ স্থান অধিকাৰ কৰি থকা পৰিলক্ষিত হয়। গীতৰ প্ৰতি থকা মানৱৰ আকুলতাই গীতি-সাহিত্যক জনপ্ৰিয়তা প্ৰদান কৰাৰ লগতে, ইয়াৰদ্বাৰা গীতিকাৰসকলে সমাজৰ বিভিন্ন ধৰণৰ ইতিবাচক দিশ সম্পৰ্কে সজাগ সচেতনতাৰ পোষকতা কৰাৰ উপৰিও জাতীয় ঐতিহ্যৰ প্ৰসাৰতাতো গুৰুত্ব আৰোপ কৰা দেখা যায়। অসমীয়া আধুনিক গীতক অনন্য মাত্ৰা প্ৰদান কৰা পাৰ্ৱতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতসমূহতো জাতীয় চেতনা আৰু সমাজ-সাংস্কৃতিক চেতনাৰ দিশটিয়ো সাৱলীল ৰূপত প্ৰতিভাত হোৱা দেখা যায়। আমাৰ ক্ষুদ্ৰ গৱেষণা গ্ৰন্থত পাৰ্ৱতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত ঐতিহ্যচেতনাৰ লগতে সমাজচেতনায়ো কিদৰে ভূমুকি মাৰিছে সেই সম্পৰ্কে আলোচনা কৰাৰ প্ৰযত্ন কৰা হৈছে।

## ৪.০ গৱেষণা বিষয়ৰ পৰিসৰ

অসমীয়া গীতি-সাহিত্যক স্বকীয় সৃষ্টিৰাজিৰে সমৃদ্ধ কৰা গীতিকাৰসকলৰ মাজৰ অন্যতম দুগৰাকী হ'ল পাৰ্ৱতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈ। অসমীয়া সাহিত্য ভাণ্ডাৰলৈ দুয়োগৰাকী সাহিত্যিকে কবিতা, গীতি-নাটক, লোক-সংস্কৃতি ইত্যাদি বিভাগত যথেষ্ট অৰিহণা আগবঢ়াইছে। ইয়াৰোপৰি দুয়োগৰাকী সাহিত্যিকৰ গীতসমূহেও অসমীয়া গীতি-সাহিত্যিক স্বকীয়তা প্ৰদান কৰিছে। আমাৰ গৱেষণা গ্ৰন্থৰ সীমাৱদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি গীতিকাৰ দুগৰাকীৰ গীতসমূহত ঐতিহ্যচেতনা আৰু সমাজচেতনাৰ দিশ দুটিয়ে কিদৰে প্ৰকাশি উঠিছে, সেই সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

## ৫.০ অধ্যয়নৰ পদ্ধতি

আমাৰ এই গৱেষণা গ্ৰন্থখনি প্ৰস্তুত কৰোঁতে মূলতঃ বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

## ৬.০ তথ্য সংগ্ৰহ

গৱেষণাৰ বিষয়ৰ প্ৰাথমিক উৎস হিচাপে পাৰ্ৱতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীত সমগ্ৰকে আদি কৰি অন্যান্য স্বকীয় সৃষ্টিৰাজিক নিৰ্বাচন কৰা হৈছে। গৌণ উৎস হিচাপে বিভিন্ন লেখক বা সমালোচকে গীতিকাৰ দুগৰাকীৰ গীত সম্পৰ্কে ৰচনা কৰা গ্ৰন্থ বা প্ৰবন্ধসমূহ লোৱা হৈছে। ইয়াৰোপৰি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল, কোকৰাঝাৰ জিলা পুথি ভঁৰাল, বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰৰপৰা বিভিন্ন কিতাপ-পত্ৰৰ সহায় লোৱা হৈছে।

## ৭.০ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা

'অসমীয়া আধুনিক গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' (পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ বিশেষ উল্লিখনসহ) শীৰ্ষক বিষয় সম্পৰ্কে এতিয়ালৈ কোনো বিদ্যায়তনিক তথা প্ৰণালীবদ্ধ গৱেষণা হোৱা নাই। কিন্তু দুয়োগৰাকী গীতিকাৰৰ গীত সম্পৰ্কে সামান্য বিষয়ক সাঙুৰি দুই-এখন গ্ৰন্থ তথা গৱেষণাকৰ্ম সম্পন্ন হোৱা দেখা যায়।

পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীত সম্পৰ্কে অসম সাহিত্য সভাই বৰুৱাৰ জন্ম শতবাৰ্ষিকীত কৰবী ডেকা হাজৰিকাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা 'পাৰ্বতিপ্ৰসাদ বৰুৱাৰ কৃতি আৰু কৃতিত্ব' শীৰ্ষক গ্ৰন্থত কিছু আলোচনা কৰা দেখা যায়। ইয়াৰোপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা বৈকুণ্ঠ ৰাজবংশীয়ে 'পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু ৰুদ্ৰৰাম বৰুৱাৰ গীতি-সাহিত্যৰ এটি তুলনামূলক অধ্যয়ন' শীৰ্ষক গৱেষণা গ্ৰন্থখনিতো বৰুৱাৰ গীত সম্পৰ্কে কিছু আলোচনা আগবঢ়োৱা পৰিলক্ষিত হয়। দিলীপ কুমাৰ দত্তৰ 'নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী' (১৯৮৫), ৰেণু ভূঞা শৰ্মাৰ 'নিৰ্মলপ্ৰভাৰ গীত আৰু কবিতা' (২০১২), পৰাগ কুমাৰ ভট্টাচাৰ্যৰ 'নিৰ্মলপ্ৰভাৰ অনুপম আভা' গ্ৰন্থত নিৰ্মলপ্ৰভা বৰদলৈৰ গীত সম্পৰ্কে কিছু কথা আলোচনা কৰা পৰিলক্ষিত হয়। ইয়াৰোপৰি কৰবী ডেকা হাজৰিকাই সম্পাদনা কৰা 'সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপটত অসমীয়া গীত আৰু গীতি কবিতা' শীৰ্ষক গ্ৰন্থখনত পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈ গীত সম্পৰ্কে কিছু আলোচনা কৰা পৰিলক্ষিত হয়। এতিয়ালৈকে পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ ঐতিহ্যচেতনা আৰু সমাজচেতনা সম্পৰ্কে গৱেষণা কৰ্ম সম্পন্ন হোৱা আমাৰ দৃষ্টিগোচৰ হোৱা নাই। সেয়ে আমাৰ এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনত দুয়োগৰাকী গীতিকাৰৰ গীতত প্ৰতিফলিত হোৱা ঐতিহ্যচেতনা আৰু সমাজচেতনাৰ সামগ্ৰিক দিশ সম্পৰ্কে প্ৰণালীবদ্ধ অধ্যয়ন চলোৱাৰ প্ৰচেষ্টা কৰা হৈছে।

## ৮.০ অধ্যায় বিভাজন

অৱতৰণিকা

প্ৰথম অধ্যায় ঃ অসমীয়া আধুনিক গীতৰ ধাৰা

দ্বিতীয় অধ্যায় ঃ অসমীয়া আধুনিক গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা

তৃতীয় অধ্যায় ঃ পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা

চতুৰ্থ অধ্যায় ঃ নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা

পঞ্চম অধ্যায় ঃ উপসংহাৰ

গ্ৰন্থপঞ্জী

পৰিশিষ্ট (ক) ঃ আলোকচিত্ৰ

পৰিশিষ্ট (খ) ঃ পাৰ্বতিপ্ৰসাদ বৰুৱাৰ জীৱনৰ বিশেষ ঘটনাপঞ্জী

পৰিশিষ্ট (গ) ঃ আলোকচিত্ৰ

পৰিশিষ্ট (ঘ) ঃ নিৰ্মলপ্ৰভা বৰদলৈৰ জীৱনৰ বিশেষ ঘটনাপঞ্জী

ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনৰ প্ৰথম অধ্যায়টি হ'ল 'অসমীয়া আধুনিক গীতি-সাহিত্যৰ ধাৰা', এই অধ্যায়ত গীতৰ স্বৰূপ সম্পৰ্কে উল্লেখ কৰি লোক-সাহিত্যৰ বুকুতে আত্মপ্ৰকাশ কৰা লোকগীতে আইনাম, বিয়ানাম ইত্যাদিৰ মাজেৰে ক্ৰমবিকশিত হৈ শংকৰদেৱ-মাধৱদেৱৰ দ্বাৰা সৃষ্ট বৰগীতসমূহত নতুন ৰূপ লাভ কৰে। আকৌ ৰোমাণ্টিক যুগত বিভিন্ন বিষয়বস্তু আৰু ধাৰাৰে গীত ৰচনাৰদ্বাৰা অসমীয়া গীতি-সাহিত্য সমৃদ্ধ হৈ উঠে। লোক-সাহিত্যৰ দিনৰে পৰা সাম্প্ৰতিক সময়লৈকে এই সুদীৰ্ঘ সময়ছোৱা সমৃদ্ধ হোৱা অসমীয়া গীতৰ ধাৰাবাহিকতা সম্পৰ্কে আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

অসমীয়া আধুনিক গীতৰ ঐতিহ্যচেতনা আৰু সমাজচেতনা শীৰ্ষক দ্বিতীয় অধ্যায়টিত ঐতিহ্যচেতনাৰ স্বৰূপ আৰু সমাজচেতনাৰ স্বৰূপ সম্পৰ্কে চমুকৈ দাঙি ধৰি অসমীয়া আধুনিক গীতৰ আৰম্ভণি পৰ্বৰপৰা একবিংশ শতিকাৰ আগভাগলৈকে সৃষ্ট গীতসমূহত ঐতিহ্যচেতনা আৰু সমাজচেতনাৰ প্ৰসংগই কিদৰে ভুমুকি মাৰিছে সেই সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে। গৱেষণা কৰ্মৰ পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি অসমীয়া আধুনিক গীতৰ আৰম্ভণি কালৰ পৰা বৰ্তমানলৈকে নিৰ্বাচিত কেইগৰাকীমান গীতিকাৰৰ গীতত ঐতিহ্যচেতনাৰ ভিন্ন সমল আৰু সমাজচেতনাৰ দৃষ্টিভংগীয়ে কিদৰে প্ৰকাশি উঠিছে সেই সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

তৃতীয় অধ্যায় 'পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা' এই অধ্যায়টিত পাৰ্বতিপ্ৰসাদ বৰুৱাৰ বংশলতা, পাৰিৱাৰিক জীৱন, কৰ্মজীৱন সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে। তদুপৰি পাৰ্বতিপ্ৰসাদ বৰুৱাৰ সৃষ্টিৰাজিসমূহৰ পৰিচয় সন্নিৱিষ্ট কৰা হৈছে। সমান্তৰালভাৱে বৰুৱাৰ গীতত প্ৰকাশি উঠা ঐতিহ্যচেতনাৰ ভিন্ন দৃষ্টিকোণ যেনে— আধ্যাত্মিক ঐতিহ্য, ইতিহাস আশ্ৰিত ঐতিহ্যচেতনা, সাংস্কৃতিক ঐতিহ্যচেতনা ইত্যাদিৰ প্ৰসংগই কিদৰে প্ৰতীয়মান হৈছে তাৰ সবিশেষ আলোকপাত কৰাৰ লগতে সমাজচেতনাৰ ভিন্ন অনুষংগই যেনে— অৰ্থনৈতিক চেতনা, স্বদেশ-স্বজাতিৰ

চেতনা, ৰাজনৈতিক চেতনা, সমন্বয় চেতনা, পৰিৱেশ চেতনা, সাংস্কৃতিক চেতনা, মানৱীয় চেতনা, মূল্যবোধ চেতনা ইত্যাদি দিশৰ উপস্থাপন বৰুৱাৰ গীতসমূহত কিদৰে প্ৰতিফলিত হৈছে সেই সম্পৰ্কে আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

চতুৰ্থ অধ্যায় 'নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা' এই অধ্যায়টিত নিৰ্মলপ্ৰভা বৰদলৈৰ বংশলতা, পাৰিবাৰিক জীৱন, কৰ্মজীৱন সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে। তদুপৰি নিৰ্মলপ্ৰভা বৰদলৈৰ সৃষ্টিৰাজিসমূহৰ পৰিচয় সন্নিৱিষ্ট কৰা হৈছে। সমান্তৰালভাৱে বৰদলৈৰ গীতত প্ৰকাশি উঠা ঐতিহ্যচেতনাৰ ভিন্ন দৃষ্টিকোণ যেনে— আধ্যাত্মিক ঐতিহ্য, ইতিহাস আশ্ৰিত ঐতিহ্যচেতনা, সাংস্কৃতিক ঐতিহ্যচেতনা ইত্যাদিৰ প্ৰসংগই কিদৰে প্ৰতীয়মান হৈছে তাৰ সবিশেষ আলোকপাত কৰাৰ লগতে সমাজচেতনাৰ ভিন্ন অনুষংগই যেনে— অৰ্থনৈতিক চেতনা, স্বদেশ-স্বজাতিৰ চেতনা, ৰাজনৈতিক চেতনা, সমন্বয় চেতনা, পৰিৱেশ চেতনা, নাৰী চেতনা, সাংস্কৃতিক চেতনা, মানৱীয় চেতনা, মূল্যবোধ চেতনা ইত্যাদি দিশৰ উপস্থাপন বৰদলৈৰ গীতসমূহত কিদৰে প্ৰতিফলিত হৈছে সেই সম্পৰ্কে আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

ইয়াৰ পিছত ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনত ক্ৰমে উপসংহাৰ, গ্ৰন্থপঞ্জী আৰু পৰিশিষ্ট খণ্ড সন্নিবিষ্ট কৰা হৈছে।

# অসমীয়া আধুনিক গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

(পাৰ্ব্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ বিশেষ উল্লিখনসহ)

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষা শাখাৰ অসমীয়া বিভাগৰ পৰা এম. ফিল ডিগ্ৰীৰ আংশিক প্ৰয়োজন পূৰ্তিৰ বাবে প্ৰদত্ত ক্ষুদ্ৰ গৱেষণা গ্ৰন্থ

কৌশিক ঠাকুৰীয়া

২০২১

# ASOMIYA ADHUNIK GITOT AITIHYA CHETONA ARU SAMAJ CHETONA : ETI BISLESANATMAK ADHYAYAN

**(Parvatiprasad Baruah aru Nirmalprava Bordolir Gitor Bises Ulikhansaha)**

A dissertation Submitted to Bodoland University fulfillment of the requirment for the degree of Master of Philosophy in Assamese


**Kaushik Thakuria**

Enrollment No. MPLASM19P001

Registration No. ASS00311of 2019/2020

Department of Assamese

School of Languages

Bodoland University, Kokrajhar, BTR, Assam, 2021

# DECLARATION

I, Mr. Kaushik Thakuria bearing Registration No. ASS00311of 2019/2020 a Research Scholar under Bodoland University, Kokrajhar, BTR have written and submitted the dissertation entitled 'অসমীয়া আধুনিক গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' (পাৰ্ৱতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ বিশেষ উল্লিখনসহ) **"ASOMIYA ADHUNIK GITOT AITIHYA CHETONA ARU SAMAJ CHETONA : ETI BISLESANATMAK ADHYAYAN" (Parvatiprasad Baruah aru Nirmalprava Bordolir Gitor Bises Ulikhansaha)** under the guidence of Dr. Daisy Rani Deka, Assistant Professor, Dept. of Assamese, Bodoland University, Kokrajhar, BTR. for the fulfilment of the requirements of the Master of Philosophy degree. I declare that this is my original research work. The dissertation or any part of this has not been submitted to any other University or Institution for any other research degree and award.

*Signature of Candidate*

Kaushik Thakuria

**(Kaushik Thakuria)**

Date : 15/02/2021

Place : Kokrajhar

**Dr. Daisy Rani Deka,** MA, B.ed, PhD
Assistant Professor and Research Guide,
Dept. of Assamese, Bodoland University,
Kokrajhar, BTR. Assam
Pin. : 783 370
Phone No. : 8822486652
E-mail : daisyneelabh27@gmail.com

**ড° ডেইজী ৰাণী ডেকা,** এম এ, বিএড, পিএইচ ডি
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়, কোকৰাঝাৰ, অসম, বি টি আৰ
পিন ঃ ৭৮৩৩৭০
ভ্ৰাম্যভাষ ঃ ৮৮২২৪৮৬৬৫২
ই-মেইল ঃ daisyneelabh27@gmail.com

# TO WHOM IT MAY CONCERN

This is to certify that the dissertation entitled **'অসমীয়া আধুনিক গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' (পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ বিশেষ উল্লিখনসহ) "ASOMIYA ADHUNIK GITOT AITIHYA CHETONA ARU SAMAJ CHETONA : ETI BISLESANATMAK ADHYAYAN" (Parvatiprasad Baruah aru Nirmalprava Bordolir Gitor Bises Ulikhansaha) :** written and submitted by Mr. Kaushik Thakuria, a regular M.Phil Student bearing Registration No. ASS00311of 2019/2020 of the Dept. of Assamese, Bodoland University, Kokrajhar, BTR for award of the Degree of Master of Pholosophy, is a record of original reserch work done by him under my guidance and supervision. To the best of my knowledge, the dissertation has not been submitted to any other university Institution for any research degree and award.

Dr. Daisy Rani Deka
Asstt. Professor & Research Guide
Department of Assamese
Bodoland University, Kokrajhar
15/02/2021

**(Dr. Daisy Rani Deka)**

Assistant Professor dept. of Assamese
Bodoland University,
Kokrajhar, BTR. Assam

Date :

Place :

# পাতনি

মানৱৰ কলাত্মক অভিব্যক্তিৰ মাধ্যম হিচাপে সমগ্ৰ বিশ্বতে গীতে এক ঐতিহাসিক স্থান দখল কৰি আছে। সভ্যতাৰ আৰম্ভণিতেই দেশ-জাতি-সম্প্ৰদায় নিৰ্বিশেষে সকলো লোকৰ মাজতে গীতি-সাহিত্যই আত্মপ্ৰকাশ লাভ কৰা দেখা যায়। বিশ্বৰ সকলো ভাষাৰ সাহিত্যৰ সমান্তৰালভাৱে অসমীয়া সাহিত্যৰো শুভাৰম্ভণি হৈছিল গীত বা গীতিধৰ্মী স্বয়ংক্ৰিয় কাব্যিক প্ৰকাশৰ জৰিয়তেই। আৱহমান কালৰেপৰা আমাৰ সাহিত্য-সংস্কৃতিৰ জগতখনত গীতসমূহে এখন সুকীয়া আসন গ্ৰহণ কৰি আছে। লোক-সাহিত্যৰ যুগৰেপৰা আধুনিক অসমীয়া গীতৰ সময়ছোৱালৈকে গীতি সাহিত্যই ন ন বিষয়বস্তু আৰু ভাৱবস্তুৰে ক্ৰমবিকশিত হোৱা পৰিলক্ষিত হয়। আধুনিক অসমীয়া গীতক স্বকীয় বিশিষ্টতাৰে গতি প্ৰদান কৰা অন্যতম দুজন গীতিকাৰ হ'ল পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈ। দুয়োজন গীতিকাৰৰদ্বাৰা সৃষ্ট গীতৰ পাঠ্যাংশৰ অৰ্থময়তা আৰু ব্যঞ্জনাধৰ্মী ভাৱগাম্ভীৰ্যই আমাৰ মন-মগজুক আলোড়িত কৰি তোলে। দুয়োগৰাকী গীতিকাৰৰ গীতসমূহ অধ্যয়ন কৰিলে দেখা যায় যে অতীত গৰিমাৰ প্ৰতি শ্ৰদ্ধা, স্বজাতিৰ প্ৰতি প্ৰেম, প্ৰকৃতিৰ বৰ্ণনা, নৰ-নাৰীৰ হৰ্ষ-বিষাদ, সাংস্কৃতিক দিশ ইত্যাদিৰ উপৰি দুয়োগৰাকী গীতিকাৰৰ গীতিলেখাসমূহত 'ঐতিহ্যচেতনা' আৰু 'সমাজচেতনা'ৰ দিশটোও প্ৰতিভাত হৈ উঠা দেখা যায়। মন কৰিবলগীয়া যে উক্ত বিষয়সমূহৰ এতিয়ালৈকে কোনো প্ৰণালীবদ্ধ আলোচনা হোৱা নাই। সেয়ে আমাৰ এই গৱেষণা কৰ্মত গীতিকাৰ দুজনৰ গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনাৰ দিশ দুটিয়ে কিদৰে আত্মপ্ৰকাশ লাভ কৰিছে, সেই সম্পৰ্কে আলোচনা কৰাৰ এক প্ৰয়াস কৰা হৈছে।

আধুনিক অসমীয়া গীতক সমৃদ্ধ কৰাৰ ক্ষেত্ৰত পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ অৱদান অনস্বীকাৰ্য। এই দুয়োগৰাকী গীতিকাৰৰে গীতি সাহিত্যক এক সুকীয়া দৃষ্টিভংগীৰে প্ৰণালীবদ্ধভাৱে মূল্যায়ণ কৰাৰ মানসেৰে "আধুনিক অসমীয়া গীতত 'ঐতিহ্যচেতনা' আৰু 'সমাজচেতনা' ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন "পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ বিশেষ উল্লিখিনসহ)" শীৰ্ষক বিষয়টি গৱেষণাৰ বাবে বাছি লোৱা হৈছে। আমাৰ এই গৱেষণাকৰ্মৰ অগ্ৰগতিৰ সময়ছোৱাত সমগ্ৰ বিশ্বকে স্থৱিৰ কৰি তোলা কোভিড-১৯ৰ সংহাৰে গৱেষণা কৰ্মতো বিৰূপ প্ৰভাৱ পেলায়। যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা সত্বেও আমি গৱেষণাকৰ্ম সম্পন্ন কৰিব লগা হোৱাত বিষয় সম্পৰ্কীয় সূক্ষ্ম দিশ কেতবোৰ বৈ যোৱাটো নিতান্তই স্বাভাৱিক। আমাৰ এই গৱেষণাকৰ্মত অজানিতে বৈ যোৱা ভুল-

ত্ৰুটি আৰু সীমাৰদ্ধতা সবিনয়ে স্বীকাৰ কৰিছোঁ।

আমাৰ এই অধ্যয়নত বহুতো গুণী-জ্ঞানী ব্যক্তিৰ সহায়-সহযোগিতা আৰু শুভাশিসেৰে আমি ধন্য হৈছোঁ। আমাৰ গৱেষণাৰ তত্ত্বাৱধায়ক বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° ডেইজীৰাণী ডেকা বাইদেউৰে গৱেষণাকৰ্মৰ প্ৰতিটো পদক্ষেপতে অকৃত্ৰিম সহায় আগবঢ়োৱাৰ বাবে তেখেতৰ ওচৰত আমি চিৰকৃতজ্ঞ। আমাৰ অধ্যয়নত বিভিন্ন ব্যস্ততাৰ মাজত থকা সত্ত্বেও সকলো ক্ষেত্ৰতো আমাক সু-পৰামৰ্শ দি অনুপ্ৰাণিত কৰা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° বিভূতিলোচন শৰ্মা ছাৰ, ড° ৰাতুল ডেকা ছাৰ আৰু দীপামণি বৈশ্য বাইদেউলৈ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। গৱেষণা কৰ্মৰ প্ৰতিটো মুহূৰ্ততে উৎসাহ-অনুপ্ৰেৰণাৰ লগতে আন্তৰিকতাৰে সহযোগিতা আগবঢ়োৱা মা, দেউতা, দাদা, ভাইটিকো আমি কৃতজ্ঞতা জনাইছোঁ।

গৱেষণামূলক বা বিদ্যায়তনিক কাম-কাজৰ বাবে পুথিভঁৰালৰ অৱদান সৰ্বজনবিদিত। এই দিশত আমাক বিশেষভাৱে উপকৃত কৰিছে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পদ্মশ্ৰী মদাৰাম ব্ৰহ্ম গ্ৰন্থাগাৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ, গুৱাহাটীৰ অসম সাহিত্য সভাৰ গ্ৰন্থাগাৰ, গুৱাহাটীৰ জিলা পুথিভঁৰাল, কোকৰাঝাৰ জিলা পুথিভঁৰাল, ধুবুৰী জিলা পুথিভঁৰাল, বিলাসীপাৰা মহাবিদ্যালয়ৰ ড° বাণীকান্ত কাকতি গ্ৰন্থাগাৰ, বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰ, বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰে। এই সুযোগতে উক্ত অনুষ্ঠানৰ সমূহ কৰ্মচাৰীলৈ আমি শলাগ জ্ঞাপন কৰিছোঁ। সদৌ শেষত অশেষ কষ্ট স্বীকাৰ কৰি মুদ্ৰ লিখনৰ জৰিয়তে গ্ৰন্থখনি সজাই-পৰাই তোলাৰ বাবে বুবুলদাক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**কৌশিক ঠাকুৰীয়া**

# সংক্ষিপ্ত ৰূপ

| | |
|---|---|
| অনুঃ | অনুবাদ |
| খৃঃ | খৃষ্টাব্দ |
| খৃঃ পূঃ | খৃষ্টপূৰ্ব |
| গুৱাঃ | গুৱাহাটী |
| সম্পাঃ | সম্পাদক, সম্পাদনা |
| সংস্কঃ | সংস্কৰণ |

# সূচীপত্র


| | | |
|---|---|---|
| পাতনি | | ০.১-০.২ |
| সংক্ষিপ্ত ৰূপ | | ০.৩ |
| | ০.০০ অৱতৰণিকা | I-III |
| | ০.০১. বিষয়ৰ পৰিচয় | i |
| | ০.০২. গৱেষণাৰ বিষয় নিৰ্বাচন | i |
| | ০.০৩. গৱেষণা বিষয়ৰ উদ্দেশ্য আৰু গুৰুত্ব | i |
| | ০.০৪. গৱেষণা বিষয়ৰ পৰিসৰ | ii |
| | ০.০৫. অধ্যয়নৰ পদ্ধতি | ii |
| | ০.০৬. তথ্য সংগ্ৰহ | ii |
| | ০.০৭. পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা | ii |
| প্ৰথম অধ্যায় | ১.০০. আধুনিক অসমীয়া গীতৰ ধাৰা | ১-১৬ |
| | ১.০১.১ গীতৰ স্বৰূপ | ১ |
| | ১.০১.২ অসমীয়া আধুনিক গীতৰ ক্ৰমবিকাশ | ১ |
| দ্বিতীয় অধ্যায় | ২.০০ আধুনিক অসমীয়া গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা | ১৭-৫২ |
| | ২.০১.১ ঐতিহ্যচেতনা | ১৭ |
| | ২.০১.২ সমাজচেতনা | ১৮ |
| | ২.০১.৩ অসমীয়া আধুনিক গীতত ঐতিহ্যচেতনা | ১৯ |
| | ২.০১.৪ অসমীয়া আধুনিক গীতত সমাজচেতনা | ৩৪ |
| তৃতীয় অধ্যায় | ৩.০০ পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা | ৫৩-৮২ |
| | ৩.০১.১ পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ জন্ম আৰু ব্যক্তিগত জীৱন | ৫৩ |
| | ৩.০১.২ পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ সাহিত্যকৃতি | ৫৫ |
| | ৩.০১.৩ পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ গীতত ঐতিহ্যচেতনা | ৫৫ |
| | ৩.০২.১ আধ্যাত্মিক ঐতিহ্যচেতনা | ৫৫ |
| | ৩.০২.২ সাংস্কৃতিক ঐতিহ্যচেতনা | ৫৯ |
| | ৩.০২.৩ ইতিহাস আশ্ৰিত ঐতিহ্যচেতনা | ৬৪ |
| | ৩.০৩.০ পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ গীতত সমাজচেতনা | ৭০ |
| | ৩.০৩.১ অৰ্থনৈতিকচেতনা | ৭০ |
| | ৩.০৩.২ স্বদেশ-স্বজাতিচেতনা | ৭১ |
| | ৩.০৩.৩ ৰাজনৈতিকচেতনা | ৭১ |
| | ৩.০৩.৪ নৈতিকচেতনা | ৭৩ |
| | ৩.০৩.৫ সমন্বয়চেতনা | ৭৪ |
| | ৩.০৩.৬ পৰিৱেশচেতনা | ৭৫ |
| | ৩.০৩.৭ সাংস্কৃতিকচেতনা | ৭৫ |
| | ৩.০৩.৮ মানৱীয়চেতনা | ৭৭ |
| | ৩.০৩.৯ মূল্যবোধচেতনা | ৭৮ |
| চতুৰ্থ অধ্যায় | ৪.০০ ৪.০০নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা | ৮৩-১১৬ |
| | ৪.০১.১ নিৰ্মলপ্ৰভা বৰদলৈৰ জন্ম আৰু ব্যক্তিগত জীৱন | ৮৩ |
| | ৪.০১.২ নিৰ্মলপ্ৰভা বৰদলৈৰ সাহিত্য কৃতি | ৮৪ |

৪.০২.০০ নিৰ্মল প্ৰভা বৰদলৈৰ গীতত ঐতিহ্যচেতনা ৮৫
৪.০২.১ আধ্যাত্মিক ঐতিহ্যচেতনা ৮৫
৪.০২.২ ইতিহাস আশ্ৰিত ঐতিহ্যচেতনা ৮৮
৪.০২.৩ সাংস্কৃতিক ঐতিহ্যচেতনা ৯৪
৪.০২.৪ সমাজচেতনা ১০২
৪.০২.৫ অৰ্থনৈতিকচেতনা ১০২
৪.০২.৬ ৰাজনৈতিকচেতনা ১০৩
৪.০২.৭ সাংস্কৃতিকচেতনা ১০৪
৪.০২.৮ স্বদেশ স্বজাতিচেতনা ১০৫
৪.০২.৯ নাৰীচেতনা ১০৬
৪.০২.১০ সমন্বয়চেতনা ১০৮
৪.০২.১১ সাম্যবাদীচেতনা ১১০
৪.০২.১২ মানৱীয়চেতনা ১১২
৪.০২.১৩ নৈতিকচেতনা ১১৩

**পঞ্চম অধ্যায় ঃ উপসংহাৰ** ১১৭-১২২

**গ্ৰন্থপঞ্জী** ১২৩-১২৫

**পৰিশিষ্ট** ১২৬-১২৯

# ০.০০ অৱতৰণিকা

**০.০১. বিষয়ৰ পৰিচয় ঃ**

অসমীয়া গীতি-সাহিত্যৰ ইতিহাস প্ৰাচীন আৰু ঐতিহ্যমণ্ডিত। লোক-সাহিত্যৰ বুকুতে অসমীয়া গীতি-সাহিত্যৰ ভেঁটি নিৰ্মাণ  হোৱা পৰিলক্ষিত হয়। অসমীয়া সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন চৰ্যাপদকে আদি কৰি পৰৱৰ্তী সময়ত গুৰু দুজনাৰ দ্বাৰা সৃষ্ট আধ্যাত্মিক ভাবসম্পন্ন বৰগীত, নাটৰ গীত, ভটিমা, পাঁচালী গীত ইত্যাদিৰ মাজেৰে অসমীয়া গীতি-সাহিত্যই বিশিষ্ট ৰূপ লাভ কৰে। ৰোমাণ্টিক যুগতো লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা আদিৰ হাতত অসমীয়া আধুনিক গীতি-সাহিত্যই নব্য বিষয়বস্তু আৰু আংগিকেৰে সমৃদ্ধি লাভ কৰিছিল।

সুস্থ সামাজিক মাধ্যম হিচাপে গীতসমূহে অতীতৰেপৰা অন্যতম ভূমিকা গ্ৰহণ কৰি আহিছে। নিজৰ জন্মভূমি আৰু জাতীয় সমাজ-সংস্কৃতিৰ প্ৰতি থকা প্ৰবল হাবিয়াস আৰু দেশ তথা ৰাষ্ট্ৰৰ প্ৰতি থকা নৈতিক দায়বদ্ধতাৰে নিৰ্বাচিত দুয়োগৰাকী গীতিকাৰৰ গীতসমূহ মহীয়ান। ভাৰতীয় তথা অসমীয়া সমাজ ব্যৱস্থাক সংগঠিত কৰি নৈতিকভাৱে উত্তৰণ ঘটোৱা দুয়োগৰাকীৰে গীতসমূহৰ অন্যতম বৈশিষ্ট্য। আমাৰ এই গৱেষণা-পত্ৰত পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত ঐতিহ্যচেতনা আৰু সামাজিক চেতনাই কিদৰে স্থান লাভ কৰিছে, সেই সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

**০.০২. গৱেষণাৰ বিষয় নিৰ্বাচন ঃ**

অসমীয়া সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈ দুটি উল্লেখযোগ্য নাম। কবিতা, নাটক ইত্যাদি বিভাগৰ উপৰিও গীত সৃষ্টিতো দুয়োগৰাকী সাহিত্যিকৰে অৱদান অতুলনীয়। গীতিকাৰ দুগৰাকীৰ স্বৰচিত গীতসমূহে অসমীয়া গীতি-সাহিত্যক সমৃদ্ধিশালী কৰি তুলিছে। অতীত ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা, স্বদেশপ্ৰেম, প্ৰকৃতিৰ নৈসৰ্গিক বৰ্ণনা, মানৱৰ সুখ-দুখ, সাংস্কৃতিক ঐতিহ্য, সমসাময়িক সমাজ ব্যৱস্থাক জাগ্ৰত গীতসমূহে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। গীতিকাৰ দুগৰাকীৰ গীতসমূহ বিভিন্ন দিশৰ পৰা সমৃদ্ধিশালী হোৱাৰ পিছতো একো একোটা মৌলিক দৃষ্টিভংগী আগত ৰাখি গীতসমূহৰ বিদ্যায়তনিক আলোচনা হোৱা এতিয়ালৈ আমাৰ দৃষ্টিগোচৰ হোৱা নাই। সেয়েহে অসমীয়া আধুনিক গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন (পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ বিশেষ উল্লিখনসহ)। বিষয়টো আমাৰ গৱেষণাৰ বিষয় হিচাপে নিৰ্বাচন কৰা হৈছে।

**০.০৩. গৱেষণা বিষয়ৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

অসমীয়া সাহিত্যৰ পুৰিপুষ্টিত গীতি-সাহিত্যই আৰম্ভণিৰেপৰা বিশেষ স্থান অধিকাৰ কৰি থকা পৰিলক্ষিত হয়। গীতৰ প্ৰতি থকা মানৱৰ আকুলতাই গীতি-সাহিত্যক জনপ্ৰিয়তা প্ৰদান কৰাৰ লগতে ইয়াৰ দ্বাৰা গীতিকাৰসকলে সমাজৰ বিভিন্ন ধৰণৰ ইতিবাচক দিশ সম্পৰ্কে সজাগ-সচেতনতাৰ পোষকতা কৰাৰ উপৰিও জাতীয় ঐতিহ্যৰ প্ৰসাৰতো গুৰুত্ব আৰোপ

কৰা দেখা যায়। অসমীয়া আধুনিক গীতক অনন্য মাত্ৰা প্ৰদান কৰা পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতসমূহতো জাতীয় চেতনা আৰু সমাজ-সাংস্কৃতিক চেতনাৰ দিশটিয়ো সাৱলীল ৰূপত প্ৰতিভাত হোৱা দেখা যায়। পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈ গীতৰ ভিন্ন দৃষ্টিকোণ সম্পৰ্কে আলোচনা কৰাৰ যথেষ্ট অৱকাশ আছে যদিও পৰ্যাপ্ত পৰিমাণে আলোচনা হোৱা এতিয়ালৈকে পৰিলক্ষিত হোৱা নাই। আমাৰ ক্ষুদ্ৰ গৱেষণা গ্ৰন্থ পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত ঐতিহ্য চেতনাৰ লগতে সমাজ চেতনাইয়ো কিদৰে ভূমুকি মাৰিছে সেই সম্পৰ্কে আলোচনা কৰাৰ প্ৰযত্ন কৰা হৈছে।

**০.০৪. গৱেষণা বিষয়ৰ পৰিসৰ ঃ**

অসমীয়া গীতি-সাহিত্যক স্বকীয় সৃষ্টিৰাজিৰে সমৃদ্ধ কৰা গীতিকাৰসকলৰ মাজৰ অন্যতম দুগৰাকী হ'ল পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈ। অসমীয়া সাহিত্য ভাণ্ডাৰলৈ দুয়োগৰাকী সাহিত্যিকো কবিতা, নাটক, লোক-সংস্কৃতি ইত্যাদি বিভাগত যথেষ্ট অৰিহণা আগবঢ়াইছে। ইয়াৰোপৰি দুয়োগৰাকী সাহিত্যিকৰ গীতসমূহেও অসমীয়া গীতি-সাহিত্যক স্বকীয়তা প্ৰদান কৰিছে। দুয়োগৰাকী গীতিকাৰৰে গীতৰ বিষয়বস্তু, ছন্দ, অলংকাৰ, ভাষা ইত্যাদি দিশ সম্পৰ্কে বিজ্ঞানসন্মত আৰু প্ৰণালীবদ্ধ অধ্যয়নৰ যথেষ্ট থল আছে যদিও আমাৰ ক্ষুদ্ৰ গৱেষণা-পত্ৰৰ সীমাৱদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি গীতিকাৰ দুগৰাকীৰ গীতসমূহত ঐতিহ্যচেতনা আৰু সমাজচেতনাৰ দিশ দুটিয়ে কিদৰে প্ৰকাশি উঠিছে, সেই সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

**০.০৫. অধ্যয়নৰ পদ্ধতি ঃ**

আমাৰ এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰোঁতে মূলতঃ বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনিৰ প্ৰস্তুতিৰ প্ৰসংগত নিৰ্দ্ধাৰণ কৰি লোৱা কেতবোৰ নীতি এনেধৰণৰ— (ক) প্ৰাসংগিক টোকা তথা উৎস নিৰ্দেশ প্ৰতিটো অধ্যায়ৰ শেষত দিয়া হৈছে। (খ) উৎসৰ ক্ষেত্ৰত প্ৰথমতে গ্ৰন্থৰ লেখকৰ নাম উল্লেখ কৰি উৎসৰ নাম দিয়া হৈছে। (গ) গ্ৰন্থপঞ্জীখন অসমীয়া, বাংলা আৰু ইংৰাজী এই তিনিটা ভাগত ভাগ কৰি লেখকৰ উপাধি বৰ্ণাক্ৰমত গ্ৰন্থসমূহ উল্লেখ কৰা হৈছে। (ঘ) গ্ৰন্থ আৰু আলোচনী-পত্ৰিকা আদিৰ নামত বেঁকা (ইটালিক) আখৰ ব্যৱহাৰ কৰা হৈছে।

**০.০৬. তথ্য সংগ্ৰহ ঃ**

গৱেষণাৰ বিষয়ৰ প্ৰাথমিক উৎস হিচাপে পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীত সমগ্ৰকে আদি কৰি অন্যান্য স্বকীয় সৃষ্টিৰাজিক নিৰ্বাচন কৰা হৈছে। গৌণ উৎস হিচাপে বিভিন্ন লেখক বা সমালোচকে গীতিকাৰ দুগৰাকীৰ গীত সম্পৰ্কে ৰচনা কৰা গ্ৰন্থ বা প্ৰৱন্ধসমূহ লোৱা হৈছে। বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল, কোকৰাঝাৰ জিলা পুথিভঁৰাল, বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰৰপৰা বিভিন্ন কিতাপ-পত্ৰৰ সহায় লোৱা হৈছে।

**০.০৭. পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

***'অসমীয়া আধুনিক গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন'*** (পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ বিশেষ উল্লিখনসহ) শীৰ্ষক বিষয় সম্পৰ্কে এতিয়ালৈ কোনো বিদ্যায়তনিক তথা প্ৰণালীবদ্ধ গৱেষণা হোৱা নাই। কিন্তু দুয়োগৰাকী গীতিকাৰৰ গীত সম্পৰ্কে সামান্য বিষয়ক সাঙুৰি দুই-এখন গ্ৰন্থ তথা গৱেষণাকৰ্ম

সম্পন্ন হোৱা দেখা যায়।

পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীত সম্পৰ্কে অসম সাহিত্য সভাই বৰুৱাৰ জন্ম শতবাৰ্ষিকীত কৰবী ডেকা হাজৰিকাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা 'পাৰ্বতিপ্ৰসাদ বৰুৱাৰ কৃতি আৰু কৃতিত্ব' শীৰ্ষক গ্ৰন্থত কিছু আলোচনা কৰা দেখা যায়। ইয়াৰোপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা বৈকুণ্ঠ ৰাজবংশীয়ে 'পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু ৰুদ্ৰৰাম বৰুৱাৰ গীতি-সাহিত্যৰ এটি তুলনামূলক অধ্যয়ন' শীৰ্ষক গৱেষণা গ্ৰন্থখনিতো বৰুৱাৰ গীত সম্পৰ্কে কিছু আলোচনা আগবঢ়োৱা পৰিলক্ষিত হয়। দিলীপ কুমাৰ দত্তৰ 'নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী' (১৯৮৫), ৰেণু ভূঞা শৰ্মাৰ 'নিৰ্মলপ্ৰভাৰ গীত আৰু কবিতা' (২০১২), পৰাগ কুমাৰ ভট্টাচাৰ্যৰ 'নিৰ্মলপ্ৰভাৰ অনুপম আভা' গ্ৰন্থত নিৰ্মলপ্ৰভা বৰদলৈৰ গীত সম্পৰ্কে কিছু কথা আলোচনা কৰা পৰিলক্ষিত হয়। ইয়াৰোপৰি কৰবী ডেকা হাজৰিকাই সম্পাদনা কৰা 'সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপটত অসমীয়া গীত আৰু গীতি কবিতা' শীৰ্ষক গ্ৰন্থখনত পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈ গীত সম্পৰ্কে কিছু আলোচনা কৰা পৰিলক্ষিত হয়। এতিয়ালৈকে পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ ঐতিহ্যচেতনা আৰু সমাজচেতনা সম্পৰ্কে গৱেষণা কৰ্ম সম্পন্ন হোৱা আমাৰ দৃষ্টিগোচৰ হোৱা নাই। সেয়ে আমাৰ এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনত দুয়োগৰাকী গীতিকাৰৰ গীতত প্ৰতিফলিত হোৱা ঐতিহ্যচেতনা আৰু সমাজচেতনাৰ সামগ্ৰিক দিশ সম্পৰ্কে প্ৰণালীবদ্ধ অধ্যয়ন চলোৱাৰ প্ৰচেষ্টা কৰা হৈছে।

## প্ৰথম অধ্যায়

# ১.০০. আধুনিক অসমীয়া গীতৰ ধাৰা

### ১.০১.১ গীতৰ স্বৰূপ ঃ

মানৱ সভ্যতা-সংস্কৃতিৰ আদি স্তৰতেই হয়তো দেশ-জাতি-সম্প্ৰদায় নিৰ্বিশেষে প্ৰতিটো শ্ৰেণীৰ লোকৰ মাজতে গীতি-সাহিত্যৰ অংকুৰণ ঘটিছিল। মানৱ মনৰ ভাৱানুভূতিক শব্দৰ দ্বাৰা কণ্ঠেৰে আত্মপ্ৰকাশ কৰাৰ যি সহজাত প্ৰবৃত্তি, তাৰ ফলতেই গীতধৰ্মী সাহিত্যৰ সৃষ্টি। এই সম্পৰ্কত মহেশ্বৰ নেওগে মন্তব্য আগবঢ়াইছে এনেদৰে—সেই ভাবটো যেন আনকো কৈ দিম, আন এজনকো যেন এই আনন্দৰ এফেৰি ভাগ দিম, এই আশাৰ উন্মাদনা এটা বুকুখন হেঁচা মাৰি ধৰে। এই যে আত্মপ্ৰকাশ আৰু আত্মপ্ৰসাৰৰ হেঁপাহটো, সিয়েই কাব্যৰ আৰম্ভণি গীতিকা।[১] সাধাৰণ অৰ্থত আমি গীত বুলি ক'লে স্বৰ আৰু লয়যুক্ত একশ্ৰেণীৰ কবিতা বা পদ্যকে বুজোঁ, যাৰ প্ৰকাশৰ ঘাই মাধ্যম হ'ল সুৰ। এই গীত শব্দটিৰ মূল সংস্কৃত 'গীতম' শব্দ। *'শব্দকল্পদ্ৰুম'* কোষ গ্ৰন্থত 'গীতম' শব্দটিৰ ব্যুৎপত্তিগত অৰ্থ এনেদৰে নিৰূপণ কৰা হৈছে। 'গিয়তে ইতি গৈ গানে ভাৱে ক্তঃ'।[২] অৰ্থাৎ যি গোৱা হয় সেয়ে গীত। 'হেমকোষ' অভিধানতো গীত শব্দটিৰ আভিধানিক অৰ্থ এনেদৰে নিৰূপিত কৰা হৈছে 'সুৰ লগাই গোৱা পদ্য'।[৩] গীতত সুৰৰ প্ৰভাৱ থকাৰ লগতে কথা, ছন্দ, তাল ইত্যাদিৰ সংমিশ্ৰণে গীতক প্ৰাণৱন্ত কৰি তোলে। সমান্তৰালভাৱে এই গীতৰ মাজেৰে প্ৰকাশিত হৈ উঠে ব্যক্তি হৃদয়ৰ ভাবানুভূতি আৰু আবেগ-অনুভূতিৰ সমাহাৰ।

### ১.০১.২ অসমীয়া আধুনিক গীতৰ ক্ৰমবিকাশ ঃ

বিশ্বৰ অন্যান্য ভাষাৰ সাহিত্যৰ দৰে অসমীয়া গীতি-সাহিত্যৰো শুভাৰম্ভণি ঘটে মৌখিক গীত বা

গীতিধৰ্মী কাব্যিক প্ৰকাশ ভংগীৰ জৰিয়তে। লিখিত ৰূপ লাভ কৰাৰ বহু পূৰ্বৰ পৰাই অসমীয়া গীতি-সাহিত্যই মৌখিক ৰূপত সংৰক্ষিত হৈ থকা পৰিলক্ষিত হয়। আনকি এই গীতি-সাহিত্যসমূহ লিখিত পৰম্পৰা লাভ কৰাৰ পৰৱৰ্তী সময়ছোৱাতো বহু গীত-মাত মৌখিক পৰম্পৰাত ৰচিত হোৱা দেখা যায়। অনাখৰী চহা সমাজখনৰ পৰম্পৰাগত ৰীতি-নীতি, ক্ৰিয়া-প্ৰতিক্ৰিয়া, লোকধৰ্ম, আৱেগ-উচ্ছাস, আধ্যাত্মিক অনুভূতি, বিশ্বাস, অন্ধ-বিশ্বাস ইত্যাদিৰ লগতে মানৱ মনৰ বিভিন্ন অৱস্থাৰ বিভিন্ন ভাৱনাৰ অভিব্যক্তিয়ো এই গীতসমূহত সাৱলীলভাৱে প্ৰতিফলিত হোৱা দেখা যায়। বিয়ানাম, আইনাম, বিহু নাম, টোকাৰী গীত, বনগীত, দেহ বিচাৰৰ গীত, গোৱালপৰীয়া লোকগীত, নাঙেলী গীত, হোলী গীত, নাও খেলৰ গীত, বৰশী বোৱা গীত, কুঁহিয়াৰ পেৰা গীত, গছ কটা গীত, শীতলা আইৰ নাম, অপেচৰী সবাহৰ গীত, নাহৰৰ ঝুনা, পৰুৱাৰ ঝুনা, মণি কোঁৱৰৰ গীত ইত্যাদিৰে পৰিপূৰ্ণ তথা সমৃদ্ধ অসমীয়া গীতি-সাহিত্যই নিজকে ন-ৰূপত প্ৰতিষ্ঠিত কৰি ৰাখিবলৈ সক্ষম হোৱা দেখা যায়। এই মৌখিক কাব্যিক পৰম্পৰাৰ সমান্তৰালভাৱে লিখিত ৰূপৰ গীতি-ধৰ্মী অন্যান্য সৃষ্টি কৰ্মৰো এক চহকী ঐতিহ্য লক্ষ্য কৰা যায়। নৱম-দশম শতিকামানতে বৌদ্ধ সিদ্ধাচাৰ্যসকলে ৰচনা কৰা *‘চৰ্যাপদ’*নামৰ দোহাবোৰতে আৰম্ভ হোৱা এই পৰিক্ৰমা পৰৱৰ্তী কালৰ ৰামায়ণী আৰু মহাভাৰতীয় কাহিনী গাঁথা আৰু ওজাপালি সংগীতৰ মাজেৰে বাট বুলি আহি প্ৰায় ত্ৰয়োদশ-ষষ্ঠদশ শতিকাৰ কালছোৱাত ৰচিত বৰগীত, ভটিমা, ঘোষা, পদ, জিকিৰ-জাৰীৰ এক বৰ্ণাঢ্য পৰম্পৰাৰে অসমীয়া সংগীতৰ চিৰযুগমীয়া সৌধ নিৰ্মাণ হৈছিল।[৪]

হেচমন্দ্ৰ গোস্বামীয়ে অসমীয়া সাহিত্যৰ প্ৰাচীনতম কালটোক গীতি যুগ বুলি অভিহিত কৰিছে আৰু এই যুগটোৰ সময় খৃষ্টীয় ৬০০-৮০০ ৰ ভিতৰত নিৰূপণ কৰিছে।[৫] ইয়াৰ বিপৰীতে ‘অসমীয়া সাহিত্যৰ বুৰঞ্জীত লেখক প্ৰয়াত ডিম্বেশ্বৰ নেওগ প্ৰমুখ্যে সাহিত্যৰ বুৰঞ্জী লেখকসকলে অসমীয়া লোকগীতৰ উৎপত্তি কাল খৃষ্টীয় ষষ্ঠ বা সপ্তম শতিকালৈ পিছুৱাই নিবলৈ বিচাৰে, কিন্তু কাকতি প্ৰমুখ্যে আনকেইগৰাকীমান পণ্ডিতৰ মতে এনেবোৰ মৌখিক সাহিত্যৰ উৎপতিকাল খৃষ্টিয় দশম শতিকাৰ আগলৈ কোনোপধ্যেই নিব নোৱাৰি। তেওঁলোকৰ মতে এনে গীত-মাতক যুগ নিৰপেক্ষ সাহিত্য বুলি অভিহিত কৰিব পাৰি।’[৬] তদুপৰি উক্ত বিষয়টি সম্পৰ্কে সত্যেন্দ্ৰ নাথ শৰ্মাই মতামত দিছে এনেদৰে— বৰ্তমান যিখিনি মৌখিক লোকগীতে

অসমীয়া সাহিত্যৰ সৌষ্ঠৱ আৰু শোভাবৰ্দ্ধন কৰিছে, সেইখিনিক বৰ্তমান ৰূপত কোনোমতেই বৈষ্ণৱ যুগৰ আগলৈ ঠেলিব নোৱাৰি।[৭] অৰ্থাৎ অসমীয়া গীতি-সাহিত্যৰ উদ্ভৱকাল সম্পৰ্কে পণ্ডিতসকলৰ মাজত মতানৈক্য স্পষ্ট। মানৱৰ মুখে মুখে প্ৰচলিত হৈ অহা অসমীয়া মৌখিক গীতি-সাহিত্যই ঊনবিংশ শতিকাৰ শেষৰ সময়ছোৱাতহে লিখিত ৰূপ পৰিগ্ৰহণ কৰাৰ ফালে আগবঢ়া দেখা যায়। এই সন্দৰ্ভত তফজ্জুল আলীয়ে মতামত দিছে এইদৰে—অসমীয়া ভাষাত মৌখিক গীত-মাতবোৰ ঊনৈশ শতিকাৰ কোন ভাগৰ পৰাই সংগৃহীত, লিখিত আৰু প্ৰকাশিত হৈছিল।[৮] অসমীয়া গীতি-সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন হিচাপে আমি সহজীয়া বৌদ্ধ সিদ্ধাচাৰ্যসকলৰ দ্বাৰা সৃষ্ট গীত-পদ অৰ্থাৎ চৰ্যাপদলৈ আঙুলিয়াব পাৰোঁ। এই চৰ্যাপদসমূহ চৰ্যাগীতিকোষ গ্ৰন্থত সন্নিবিষ্ট হৈ আছে। মন কৰিবলগীয়া যে 'চৰ্যাচৰ্য বিনিশ্চয়' তথা 'চৰ্যাগীতকোষ'ৰ মতে লুই পাদ সৰ্বপ্ৰথম সিদ্ধাচাৰ্য। লুইপাদ প্ৰাচীন কামৰূপৰ অধিবাসী আছিল। চৰ্যাপদ ৰচিয়তা আন আন কামৰূপী সিদ্ধাচাৰ্যসকল হ'ল—সৰহপাদ, দাৰিকপাদ, কাহ্নুপাদ বা কৃষ্ণাচাৰ্য পাদ, কুক্কৰী পাদ, ঢেণ্ঢেন পাদ, মহীধৰ পাদ আৰু ডোম্পীপাদ। এওঁলোকৰ নিচিনা ভুলুকপাদ, শান্তিপাদ, ভাদে পাদ, বিৰুৱাপাদ, কম্বলাম্বৰ পাদ, গুণ্যৰীপাদ, চাটিল্লপাদ, প্ৰভৃতি সিদ্ধাচাৰ্য সকলো প্ৰাচীন কামৰূপৰ ব্যক্তি আছিল বুলি বিশ্বাস কৰিব পাৰি।[৯] উক্ত কথাৰ পৰা প্ৰাচীন কামৰূপ যে গীত চৰ্চাৰ অন্যতম কেন্দ্ৰবিন্দু আছিল, সেই কথা সহজেই অনুমান কৰিব পাৰি। ইয়াৰ পৰৱৰ্তী সময়ছোৱাত 'প্ৰাক্-শংকৰী' যুগৰ কবি মাধৱ কন্দলীকৃত অসমীয়া ৰামায়ণৰ লৱ-কুশই পৰিৱেশন কৰা গীতৰ কথাংশই চতুৰ্দশ শতিকাৰ লিখিত গীতি-সাহিত্যৰ সমান্তৰালভাৱে অথবা তাৰো আগৰেপৰা বৈষ্ণৱ সম্প্ৰদায়ৰ, পাঞ্চালী সাহিত্য ৰূপে অভিহিত এলানি গীতি-সাহিত্য সমাজত জনপ্ৰিয় আছিল। এই পাঞ্চালী সাহিত্যখিনি আছিল গীত আৰু বৰ্ণনামূলক পদৰ সমষ্টি। কবি দুৰ্গাবৰৰ *গীতি-ৰামায়ণ,* পীতাম্বৰৰ *'ঊষা পৰিণয়'* আৰু সুকবি নাৰায়ণদেৱৰ *পদ্মপুৰাণ* আদি পাঞ্চালী কবিসকলৰ ৰচনাখিনি অসমীয়া গীতি-সাহিত্যৰ ইতিহাসত বিশিষ্ট সংযোজনৰূপে স্বীকৃত।[১০]

শংকৰী যুগ বা বৈষ্ণৱ যুগতো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত বৰগীত, ভটিমা, গুণমালা, কীৰ্তন, নাটৰ গীত ইত্যাদি আৰু মাধৱদেৱ বিৰচিত বৰগীত, নামঘোষা, নাটৰ গীত, ভটিমা আদিয়ে অসমীয়া গীতি-সাহিত্যক অনন্য মাত্ৰা প্ৰদান কৰিছে। শংকৰদেৱৰ পিছৰ সময়ছোৱাত *'কাণখোৱা'* আৰু *'ঘুনুচা কীৰ্তন'*

নামৰ দুখন কাব্যৰে শ্ৰীধৰ কন্দলিয়ে নিচুকণি গীতৰ আৰ্হিত গীত ৰচনা কৰি অসমীয়া গীতি-সাহিত্যক সমৃদ্ধ কৰা দেখা যায়। তদুপৰি খ্ৰীষ্টীয় সোতৰ শতিকাত শ্ৰীৰাম আতা, যদুমণি দেৱ, দৈত্যাৰি ঠাকুৰ, ৰামচৰণ ঠাকুৰ, ৰামানন্দ দ্বিজ, ভৱানীপুৰীয়া গোপাল আতা আদিয়ে গীত চৰ্চা কৰাৰ তথ্য পোৱা যায়। শংকৰদেৱৰ অনুৱৰ্তী যুগত আহোম ৰাজন্য বৰ্গৰ পৃষ্ঠপোষকতাতো কিছুমান গীত ৰচিত হৈছিল; যিবোৰৰ ঘাই ৰস আছিল শৃংগাৰ। আহোম ৰজা ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ ৰাজসভাৰ কবি কবিৰাজ চক্ৰৱৰ্তী আৰু কবিচন্দ্ৰ দ্বিজে ৰচনা কৰি যোৱা লৌকিক গীত-মাতখিনিৰ ওপৰত জয়দেৱৰ *'গীত গোৱিন্দ'* কাব্যৰ প্ৰভাৱ আছে। কবিৰাজ চক্ৰৱৰ্তীয়ে জয়দেৱৰ *'গীত গোৱিন্দ'* কাব্যখন অসমীয়ালৈ ভাঙনি কৰিছিল। এইক্ষেত্ৰত কবিক অনুপ্ৰেৰণা যোগাইছিল বৰৰজা ফুলেশ্বৰী আৰু স্বৰ্গদেউ শিৱসিংহই। শংকৰদেৱৰ উত্তৰকালীন যুগত শাক্ত, শৈৱ পৰম্পৰাৰ গীতো কিছু পোৱা যায়। আহোম ৰজা শিৱসিংহ আৰু ৰুদ্ৰসিংহ আদিৰ পৃষ্ঠপোষকতাত এই ভাৱৰ গীতে অসমীয়া গীতি জগতত প্ৰৱেশ কৰে। ৰজা ৰুদ্ৰসিংহ আৰু শিৱসিংহই নিজেও এনে গীত পদ ৰচনা কৰিছিল।[১১] তদুপৰি তদানীন্তন সময়ছোৱাত মুছলমানসকলৰ আগমণ তথা সঘন অসম আক্ৰমণ অসমৰ সৈতে ৰাজনৈতিক সম্পৰ্ক স্থাপন কৰাৰ সমান্তৰালভাৱে সাংস্কৃতিক সমন্বয়ৰো বাট মুকলি কৰে। সেই সময়তে আজান পীৰকে আদি কৰি কেইজনমান পীৰে ইছলাম ধৰ্মক মহাত্ম্য আৰু প্ৰসাৰৰ বাবে জিকিৰ আৰু জাৰী গীতসমূহৰ সৃষ্টি কৰে; সিয়ে অসমীয়া গীতি-সাহিত্যৰ ধাৰাটোক শক্তিশালী কৰি তোলাত বিশেষ ভূমিকা পালন কৰা দেখা যায়।

ঊনবিংশ শতিকাৰ তৃতীয়-চতুৰ্থ দশকত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে বৃটিছসকলৰদ্বাৰা অসম অধিকাৰ আৰু আমেৰিকান ৱেপ্টিষ্ট মিছনেৰীসকলে অসমত আৰম্ভ কৰা সাহিত্য-সংস্কৃতি-ভাষা চৰ্চাই অসমৰ সামাজিক-সাংস্কৃতিক জীৱনত প্ৰভাৱ বিস্তাৰ কৰাৰ লগতে গীত ৰচনাৰ ক্ষেত্ৰতো কিছু নতুনত্ব কঢ়িয়াই অনা পৰিলক্ষিত হয়। 'বেপ্টিষ্ট মিছনেৰীসকলে শিৱসাগৰৰপৰা অৰুণোদই কাকত প্ৰকাশ কৰি অসমীয়া সাহিত্যত 'সংবাদ পত্ৰ'ৰ ইতিহাস আৰম্ভ কৰা এচাম নতুন লেখকৰ সৃষ্টি কৰাৰ উপৰি অসমীয়া ভাষা, শিক্ষা, সংস্কৃতি আদি কেউদিশত আধুনিকতাৰ উন্মেষ ঘটালে। মিছনেৰীসকলে খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ অৰ্থে পশ্চিমীয়া ধাৰাৰ ধৰ্মীয় সংগীতৰ প্ৰৱৰ্তন কৰে। ইংৰাজী Hymn বা Psalm জাতীয় প্ৰাৰ্থনা গীতৰ অসমীয়া অনুবাদ নাইবা সেই

আৰ্হিত নতুনকৈ অসমীয়া ভাষাত ৰচিত গীত গীৰ্জাসমূহত ধৰ্মীয় উপলক্ষ্যত গোৱাৰ বাবে ৰচিত হয়। সেই সময়ছোৱাত ৩৭৮টা গীতৰ এটা সংকলন 'খ্ৰীষ্টীয় ধৰ্মগীত (Chirstain Hymnal in Assamese) প্ৰকাশিত হৈছিল (৫ম তাঙৰণ, ১৯৭২ চন) এনে গীতৰ প্ৰখ্যাত লেখকসকল আছিল নেথান ব্ৰাউন, মাইলছ ব্ৰন্সন, নিধিলিৱাই ফাৰৱেল ইত্যাদি।[১২] অসমীয়া খৃঃ ধৰ্মীয় গীত ৰচনাৰ সমান্তৰালভাৱে বংগদেশীয় যাত্ৰাৰ প্ৰভাৱেও অসমীয়া গীতক প্ৰভাৱিত কৰাৰ লগতে তদানীন্তন গীতিকাৰসকলেও বঙালী ভাৱ, ভাষা, সুৰৰ ঠাঁচত গীত চৰ্চা কৰা দেখিবলৈ পোৱা যায়। যাৰ ফলত ঊনৈশ শতিকাৰ এছোৱা সময়ত অসমীয়া গীতেও কিছু জনপ্ৰিয়তা হেৰুওৱাৰ অতিক্ৰম হৈছিল যদিও অৰুণোদয় কাকতৰ পাততেই আধুনিক অসমীয়া গীতি-সাহিত্যই ন-ৰূপত আত্মপ্ৰকাশ কৰিবলৈ সুযোগ পোৱা পৰিলক্ষিত হয়। অৰ্থাৎ ঊনবিংশ শতিকাৰ শেষছোৱা আৰু বিংশ শতিকাৰ আৰম্ভণিছোৱাত অসমীয়া গীতি-সাহিত্যই ভিন্ন ভাৱ আৰু বিষয়বস্তুৰ সংযোজনেৰে উত্তৰণৰ দিশলৈ আগবাঢ়ে।

'জোনাকী' কাকতৰ যোগেদি প্ৰৱাহিত হোৱা পশ্চিমৰ 'ৰোমাণ্টিচিজিম'ৰ ঢলে অসমীয়া সাহিত্যৰ পূৰ্বৰ আধ্যাত্মিক আৰু অতীন্দ্ৰিয় আদৰ্শৰ বান্ধোন ভাঙি নব্য চিন্তা-চেতনাৰ পথ মুকলি কৰে। ৰমন্যাসৰ প্ৰভাৱৰ ফলতে বংগদেশৰ সৈতে অসমীয়াৰ সংস্কৃতিৰ সম্পৰ্ক স্থাপিত হয় আৰু অসমীয়া গীতি-সাহিত্য বঙলা গীত-মাতৰ দ্বাৰা প্ৰভাৱিত হয়। বঙলা গীতৰ আৰ্হিতেই লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু পদ্মনাথ গোহাঞি বৰুৱাই তেওঁলোকৰ গীতবোৰ ৰচনা কৰিছিল।[১৩] মন কৰিবলগীয়া যে তদানীন্তন সময়ছোৱাত ভালেসংখ্যক বঙলা গীত-মাত অসমীয়া ভাষালৈ অনুবাদ কৰিয়ো অসমীয়া গীতি-সাহিত্যৰ ভঁৰাল টনকিয়াল কৰা দেখা যায়। বঙলা ভাষা, ভাৱ, সুৰ ইত্যাদিৰ পয়োভৰ তথা আগ্ৰাসনৰ সন্ধিক্ষণতে অসমৰ জাতীয় চেতনাৰ প্ৰতি দায়বদ্ধ কেইগৰাকীমান সচেতন ব্যক্তিয়ে সম্পূৰ্ণ অসমীয়া ভাষাত গীত চৰ্চা কৰিবলৈ আগবাঢ়ি আহে। 'অসমীয়া মানুহৰ মুখে মুখে বঙলুৱা গীত শুনি সত্যনাথ বৰা, লক্ষ্মীনাথ বেজবৰুৱা, বেণুধৰ ৰাজখোৱা, আনন্দ চন্দ্ৰ আগৰৱালা, ৰজনীকান্ত বৰদলৈ, চন্দ্ৰধৰ বৰুৱা, নবীন চন্দ্ৰ বৰদলৈ, হেমচন্দ্ৰ গোস্বামী প্ৰভৃতিয়ে বেজাৰ পাইছিল আৰু থলুৱা অসমীয়া গীতৰ প্ৰতি আদৰ বঢ়াবলৈ যত্ন কৰিছিল।[১৪] অসমীয়া গীতৰ এই জয়যাত্ৰাত হাত উজান দিয়া গীতিকাৰসকলৰ ভিতৰত প্ৰথমেই নাম ল'ব লাগিব

সত্যনাথ বৰাৰ। তেওঁ প্ৰকাশ কৰি উলিওৱা গীতি সংকলন *'গীতাৱলী'* (১৮৮৮) খনেই প্ৰথম অসমীয়া সংকলিত গীতৰ পুথি।

আধুনিক অসমীয়া গীতি-সাহিত্যৰ ক্ৰমবিকাশত লক্ষ্মীৰাম বৰুৱাৰ বিশেষ অহিৰহণা থকা পৰিলক্ষিত হয়। "ঊনবিংশ শতিকাৰ শেষৰ দুটা দশক আৰু কুৰি শতিকাৰ প্ৰথমটো দশকত যিবোৰ গীতি ৰচনাৰ সৃষ্টি হৈছিল; সেইবোৰ বহু কাৰণত আছিল প্ৰয়োজন সাপেক্ষ। উক্ত সময়ছোৱাত যিসকল গীতিকাৰে গীত ৰচনা কৰিছিল, তেওঁলোকৰ ৰুচিতকৈয়ো তদানীন্তন সময়, পৰিস্থিতি আৰু জাতীয় স্বাৰ্থইহে সাহিত্যৰ আনবোৰ শাখাৰ দৰে গীতি-সাহিত্য সৃষ্টিত উদগণি যোগাইছে। পশ্চিমীয়া ইংৰাজী শিক্ষাৰে শিক্ষিত কবিসকলে সচৰাচৰ জগতৰ বুকুত সৌন্দৰ্যৰ অনুসন্ধান কৰিবলৈ গৈ দেখিছিল বিদেশী শক্তিৰ লুণ্ঠনত স্বদেশ আৰু স্বজাতিৰ বিপৰ্যস্ত ৰূপ। সেই ৰূপত ধৰা পেলাইছিল দেশ মাতৃৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু প্ৰাচীন ঐতিহ্য। এই ৰূপ প্ৰত্যক্ষ কৰি তেওঁলোকৰ হৃদয়ত অংকুৰিত হ'ল জাতীয়তাবাদী চেতনা। জাতীয় চেতনাৰে অনুপ্ৰাণিত হৈ জোনাকী আলোচনীৰ পাতত সাহিত্যৰ ভিন ভিন ঠালৰ মাধ্যমেদি শোষণকাৰী বিদেশী শক্তিৰ বিৰুদ্ধে প্ৰকাশ কৰিলে তীব্ৰ বৈপ্লৱিক উষ্মা। এনে পটভূমিত যিখিনি গীতি-সাহিত্য সৃষ্টি হ'ল, তাৰ প্ৰধান সুৰ হ'ল মানুহৰ সামূহিক কল্যাণ আৰু কৃষক, বণুৱা, নিপীড়িতজনৰ প্ৰতি আন্তৰিক সহানুভূতি। অসমৰ অতীত ঐতিহ্যৰ সোঁৱৰণ পৰাধীনতাৰ বান্ধোন চিঙাৰ স্পৃহা আদি ভিন ভিন অনুষংগ গীতি-সাহিত্যৰ ঘাই সুৰৰূপে বিন্যস্ত হ'ল।[১৫] এইক্ষেত্ৰত কুৰি শতিকাৰ প্ৰথমটো দশকতে প্ৰকাশ পোৱা লক্ষ্মীৰাম বৰুৱাৰ *'সংগীত কোষ'* (১৯০৯) আৰু *'সংগীত সাধনা'* (১৯১৩) অসমীয়া গীতি-সাহিত্যলৈ অন্যতম সংযোজন। বৰুৱাৰ গীতসমূহেই আধুনিক অসমীয়া গীতি-সাহিত্যৰ ধাৰাটোৰ শুভাৰম্ভণি কৰে বুলি ক'ব পাৰি। মন কৰিবলগীয়া যে সংগীতকোষ গ্ৰন্থখনিত ভিন্ন ভাৱবস্তুৰ গীতে স্থান লাভ কৰা পৰিলক্ষিত হয়। বিষয় অনুসৰি সংগীতকোষ গ্ৰন্থত ধৰ্ম-সংগীত, লোক-সংগীত, জাতীয়-সংগীত, প্ৰণয়-সংগীত, পুৰণি সংগীত, ৰহস্য সংগীত, বিবিধ সংগীত ইত্যাদি ভাগত সমগ্ৰ গীতখিনিক ভগাই লোৱা হৈছে। *সংগীতকোষ* গ্ৰন্থখনৰ গুৰুত্ব সম্পৰ্কত নগেন শইকীয়াই মতামত আগবঢ়াইছে এইদৰে— নিঃসন্দেহে সংগীতকোষ আধুনিক অসমীয়া সংগীতৰ প্ৰথমটি লাইখুঁটি।[১৬]

প্ৰাক্ স্বাধীনতা কালছোৱাত আধুনিক গীতি-সাহিত্যত নব্য গতি প্ৰগতি সূচল কৰা গীতিকাৰসকলৰ মাজৰ অন্যতম এগৰাকী হ'ল কীৰ্তিনাথ বৰদলৈ। কেৱল ৰাগ সংগীতৰে চিন্তা-চৰ্চাৰ মাজত আবদ্ধ হৈ নাথাকিল লুইতৰ দুয়োপাৰৰ লোক-সংগীতৰ মুখেৰে গীত-মাত ৰচনা কৰাৰ সাহসী প্ৰচেষ্টা কৰিছিল কীৰ্তিনাথ বৰদলৈয়ে।[১৭] কীৰ্তিনাথ বৰদলৈয়ে *'কামৰূপীয়া সংগীত'* (১৯৩৭), *'সুৰ পৰিচয়'* (১৯৩৭), *'সুখ সংগ্ৰহ'* নামৰ গীতৰ পুথি ৰচনা কৰাৰ উপৰি লুইত কোঁৱৰ (১৯৩১) আৰু *'মেঘালী'*নামৰ গীতি নাটিকাৰ দ্বাৰাও অসমীয়া গীতি-সাহিত্যক পৰিপুষ্ট কৰিছে।

অসমীয়া আধুনিক গীতক প্ৰতিষ্ঠিত কৰাৰ ক্ষেত্ৰত অম্বিকাৰায়চৌধুৰীৰ গীতৰ মাজেৰে বিশেষতঃ জাতীয়তাবাদী ভাৱধাৰাই গা কৰি উঠা পৰিলক্ষিত হয়। 'বৰপেটাত জন্মগ্ৰহণ কৰা অম্বিকাগিৰীৰ সংগীতৰ ভিত্তি ৰচিত হৈছিল এহাতে বৰগীত, নাম-কীৰ্তন আদিৰে সমৃদ্ধ সত্ৰীয়া পৰিৱেশত আৰু আনহাতে যাত্ৰা বৈঠকীৰ 'ওস্তাদী' বাতাৱৰণত। পিছত গুৱাহাটীলৈ অহা তৰুণ অম্বিকাগিৰীৰ বিপ্লৱী চিত্তত গভীৰভাৱে ৰেখাপাত কৰিলে স্বদেশী আন্দোলনৰ পটভূমিত ৰচিত চিত্তোদ্দীপক বাংলা গীতে।'[১৮] এনে ধৰণৰ অনুপ্ৰেৰণা আৰু প্ৰভাৱৰ বশৱৰ্তী হৈ অম্বিকাগিৰী ৰায়চৌধুৰীয়ে 'চেতনাৰ কণ্ঠ বীণা (১৯১৮), বেণু, বন্দো কি ছন্দেৰে (১৯৫৮) আদি গীতৰ পুথিৰে অসমীয়া গীতি-সাহিত্যক এক উচ্চ স্থানত স্থাপন কৰা অম্বিকাগিৰী ৰায়চৌধুৰীয়ে ১৯২৬ চনত পাণ্ডুত বহা ভাৰতীয় কংগ্ৰেছৰ ৪৬ সংখ্যক অধিৱেশনৰ উদ্বোধনী অনুষ্ঠানত পৰিৱেশন কৰা তেওঁৰ 'আজি বন্দো কি ছন্দেৰে' গীতটিৰে ভাৰত বিয়পা খ্যাতি অৰ্জন কৰিছিল।'[১৯] কমলানন্দ ভট্টাচাৰ্যৰ আধুনিক অসমীয়া গীতি-সাহিত্যলৈ বিশেষ অৱদান আছে। তেওঁৰ গীতসমূহত জাতীয়তাবাদী মনোভংগী প্ৰকাশ পোৱাৰ লগতে লোক জীৱনৰ সৈতে জড়িত সমলসমূহৰো সুন্দৰ সংযোজন দেখিবলৈ পোৱা যায়। তেওঁৰ এটি অন্যতম জনপ্ৰিয় গীত হ'ল 'বিলত তিৰেবিৰাই পদুমৰ পাহি ঐ' শীৰ্ষক গীতটি। এই গীতটিৰ জৰিয়তে কমলানন্দ ভট্টাচাৰ্যই অসমৰ সংগীত জগতত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। অসমীয়া সংগীতৰ ক্ষেত্ৰখনলৈ ভট্টাচাৰ্যই 'বাউলী', 'নাৱৰীয়াৰ সুৰ' আৰু 'বিয়াল্লিছৰ ছহীদ' নামৰ তিনিখন গীতৰ পুথিৰ জৰিয়তে গীতি-সাহিত্যক টনকিয়াল কৰি তুলিবলৈ সক্ষম হৈছে।

'গীত শতদল' (১৯৫৬) শীৰ্ষক গীতৰ পুথিৰ স্ৰষ্টা মিত্ৰদেৱ মহন্তই আধুনিক অসমীয়া গীতি-সাহিত্যত

স্বদেশ প্ৰেম, ভক্তিভাৱ মূলক ভালেমান গীতৰ বৰঙণি আগবঢ়াইছে। কবিয়ে অসম সাহিত্য সভাক উদ্দেশ্য কৰি লিখা 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক গীতটি গীতিকাৰজনাৰ স্বদেশ প্ৰেম আৰু মাতৃভাষাৰ প্ৰতি থকা সশ্ৰদ্ধ অনুৰাগৰ সৰ্বোত্তম নিদৰ্শন।[২০] অসমীয়া সংগীত জগতৰ অন্যতম এটি নাম হ'ল পদ্মধৰ চলিহা। পদ্মধৰ চলিহাৰ 'ফুলনি' (১৯২৪) 'স্বৰাজ সংগীত' (১৯২১) আৰু 'গীত লাহৰী'ত (১৯২৮) স্বদেশ প্ৰেমৰ গীতৰ উপৰি প্ৰকৃতিপ্ৰেম, আধ্যাত্মিক ভাব আৰু জনজীৱনৰ প্ৰতি সহানুভূতিৰ সুৰ শুনা যায়।[২১] অসমীয়া গীতি-সাহিত্যলৈ অনবদ্য বৰঙণি আগবঢ়োৱা আন এগৰাকী গীতিকাৰ হ'ল উমেশ চন্দ্ৰ চৌধুৰী। চৌধুৰীয়ে 'প্ৰতিধ্বনি', 'দেৱধ্বনি' আৰু 'মন্দাকিনী' নামৰ তিনিখন গীতৰ পুথি অসমীয়া সংগীত জগতলৈ আগবঢ়াই অসমীয়া সংগীতৰ ধাৰাটোক শক্তিশালী কৰি তুলিছে।

অসমীয়া গীতি-সাহিত্যৰ এটি পৰিচিত নাম হ'ল নলিনীবালা দেৱী। দেৱীৰ গীতসমূহত স্বদেশ প্ৰেম আৰু ৰহস্যবাদী চিন্তাই বিশেষভাৱে আত্মপ্ৰকাশ লাভ কৰা পৰিলক্ষিতহয়। দেৱীৰ 'জাগৃতি' আৰু 'অলকানন্দা' নামৰ গীতৰ পুথি দুখনে আধুনিক অসমীয়া গীতি-সাহিত্যক সমৃদ্ধ কৰি তুলিছে। অসমীয়া আধুনিক গীতি-সাহিত্যত প্ৰসন্নলাল চৌধুৰীৰ গীতসমূহে বিশেষ আসন অধিকাৰ কৰি আছে। তেওঁ ১৯২৫ চনত 'হোলী গীত' শীৰ্ষক এখনি গীতৰ পুথি সংকলন কৰি উলিয়াইছিল আৰু উক্ত গ্ৰন্থখনত তেওঁৰ কিছুমান স্বৰচিত গীতো সন্নিৱিষ্ট হৈছিল। কবিৰ সমগ্ৰ গীতি ৰচনা তেওঁৰ ৰচনাৱলীত (২০০৭) সংকলিত হৈছে।[২২] চৌধুৰীৰ গীতসমূহত প্ৰকৃতিৰ বৰ্ণনাৰ লগতে বিপ্লৱী চেতনাও মূৰ্তমান হোৱা পৰিলক্ষিত হয়। আনহাতে, ডিম্বেশ্বৰ নেওগৰ 'সঁফুৰা' নামৰ গীতৰ পুথিখনেও অসমীয়া গীতৰ ধাৰাটোক শক্তিশালী কৰি ৰাখিছে।

আধুনিক অসমীয়া গীতৰ ক্ষেত্ৰখনত ন ন কলা-কৌশলৰ সম্প্ৰয়োগ কৰি অসমীয়া গীতক সমৃদ্ধ কৰা গীতিকাৰসকলৰ ভিতৰত জ্যোতিপ্ৰসাদ আগৰৱাল হ'ল অন্যতম। জ্যোতিপ্ৰসাদৰ গীত সম্পৰ্কে বীৰেন ফুকনদেৱে মন্তব্য আগবঢ়াইছে— জ্যোতিপ্ৰসাদ বিদেশলৈ গৈছিল। পাশ্চাত্য সংগীত তেওঁ শুনিছিল আৰু তাৰ বিষয়ে কিছু অধ্যয়নো কৰিছিল। খ্যাতনামা সংগীত ৰচক (কম্পেজাৰ)সকলৰ 'চিম্ফনী' শুনাৰ সৌভাগ্য তেওঁৰ ঘটিছিল আৰু পাশ্চাত্য সংগীতৰ প্ৰধান বৈশিষ্ট্য হাৰ্মনী (Harmony) আৰু কাউণ্টাৰ পইণ্টৰ (Counter point) বিষয়ে কিছু জ্ঞান আহৰণ কৰাৰ সুযোগো পাইছিল। কিন্তু পাশ্চাত্য সংগীত আগুৱাই

গৈছে হাৰ্মনী আৰু কাউণ্টাৰ পইণ্টৰ দিশত। ভাৰতীয় সংগীতৰ মূল আধাৰ হ'ল সুৰ (মেল'ডি)। কোনো এটা সুৰক (মেল'ডি) আধাৰ হিচাপে লৈ হাৰ্মনী (একে সময়তে একাধিক স্বৰৰ প্ৰকাশ) আৰু কাউণ্টাৰ পইণ্ট একেলগে একাধিক স্বৰ সংযোজনৰ প্ৰকাশ ব্যৱহাৰ কৰি সংগীত সৃষ্টি কৰাত পশ্চিমীয়া সংগীতজ্ঞসকল অভ্যস্ত। জ্যোতিপ্ৰসাদে পাশ্চাত্য আৰু ভাৰতীয় সংগীতৰ মাজৰ এই মৌলিক পাৰ্থক্যখিনি ভালদৰে উপলব্ধি কৰিব পাৰিছিল কাৰণেই হাৰ্মনী, কাউণ্টাৰ পইণ্ট আদিৰ ব্যৱহাৰ তেওঁৰ সংগীত সৃষ্টিত কেতিয়াও দেখিবলৈ পোৱা নাযায়। অৱশ্যে পাশ্চাত্য সংগীতৰ কৌশল (টেকনিক) কিছু পৰিমাণে আমাৰ সংগীতত ব্যৱহাৰ কৰাৰ প্ৰচেষ্টা জ্যোতিপ্ৰসাদে চলাইছিল।[২৩] অৰ্থাৎ পশ্চিমীয়া সংগীতৰ সুৰৰ সৈতে থলুৱা লোকগীতৰ সুৰৰ সংমিশ্ৰণত জ্যোতিপ্ৰসাদ আগৰৱালাই আগবঢ়োৱা গীতখিনিক অসমীয়া গীতি-সাহিত্যত 'জ্যোতি সংগীত' বুলি নামকৰণ কৰা হয়। আগৰৱালাই শোণিতকুঁৱৰী নাটকখনত সন্নিবিষ্ট কৰা 'গছে গছে পাতি দিলে ফুলৰে শৰাই' শীৰ্ষক গীতটি আধুনিক অসমীয়া গীতি-সাহিত্যৰ অন্যতম সম্পদ। তদুপৰি কাৰেঙৰ লিগিৰী, লভিতা ইত্যাদি নাটকত ব্যৱহাৰ কৰা গীতকেইটিয়েও অসমীয়া গীতৰ ধাৰাটোক পৰিপুষ্ট কৰি তুলিছে। তেওঁৰ গীতসমূহ আমাৰ জাতীয় সংগীত সাহিত্যত মণি-মুকুতাস্বৰূপ হৈ থাকিব।[২৪]

জ্যোতি-প্ৰসাদ আগৰৱালাৰ সমসাময়িক আন এগৰাকী গীতিকাৰ পাৰ্বতিপ্ৰসাদ বৰুৱাৰ আধুনিক অসমীয়া গীতি-সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আছে। বৰুৱাই তেখেতৰ গীতৰ মাজত অসমৰ থলুৱা লোকগীত মাত যেনে— আইনাম, বিয়ানাম, নিচুকণি গীত, বিহু গীত, টোকাৰী গীত আদিৰ সুৰ তথা ভাবৰ সংমিশ্ৰণ ঘটাই ৰচনা কৰা গীতসমূহে আধুনিক অসমীয়া সংগীতৰ ধাৰাটোক আকৰ্ষণীয় আৰু শক্তিশালীৰূপত উপস্থাপন কৰা পৰিলক্ষিত হয়।

আধুনিক অসমীয়া গীতি-সাহিত্যক গতিশীল কৰি তোলাত অনবদ্য অৱদান আগবঢ়োৱা গীতিকাৰসকলৰ ভিতৰত বিষ্ণুপ্ৰসাদ ৰাভা অন্যতম। তথাকথিত সমাজ-ৰাজনৈতিক অৱস্থাৰ ওপৰত বিদ্ৰোহ, জাতি-জনগোষ্ঠীয় সমন্বয় আৰু মানৱীয় চেতনাৰে পৰিপূৰ্ণ ৰাভাৰ গীতসমূহে আধুনিক অসমীয়া গীতৰ ধাৰাটিক সমৃদ্ধ কৰি তুলিছে। ৰাভাৰ 'হে বিপ্লৱী বীৰ অধিনায়কহে', 'অ' অসমীয়া ডেকা দল', 'দিয়া অগ্নিবাণী বিপ্লৱৰ, ভাঙ ভাঙ ভাঙ লোহাৰ শিকলি ভাঙ' ইত্যাদি গীতৰ জৰিয়তে বিপ্লৱী চিন্তা-চেতনাই পৰিস্ফুট

হৈ উঠা দেখিবলৈ পোৱা যায়।

চল্লিশৰ দশকৰ শেষৰফালে সমগ্ৰ ভাৰতবৰ্ষকে স্বাধীনতাৰ উকমুকনিয়ে কোবাই যায়। যাৰ ফলত অন্যান্য ক্ষেত্ৰৰ লগতে সংগীতৰ ক্ষেত্ৰখনতো ন ন দৃষ্টিভংগীয়ে গা কৰি উঠা পৰিলক্ষিত হয়। সমান্তৰালভাৱে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ব্যাপক সম্প্ৰসাৰণেও আধুনিক গীতি-সাহিত্যক প্ৰভাৱিত কৰা দেখা যায়। “স্বাধীনতা লাভৰ সময়ৰপৰা সাম্প্ৰতিক সময়লৈকে অসমৰ সংগীত জগতত যিবিলাক নতুন কৌশল তথা কলাৰ সংযোজন ঘটিছে তাৰ ভিতৰত লেখত ল’বলগীয়া হ’ল আধুনিক গণ মাধ্যমৰ লগত সমাজ সংযোগ স্থাপন। স্বাধীনতাৰ পূৰ্বে গীত আদি সম্প্ৰচাৰৰ ক্ষেত্ৰত একমাত্ৰ আধুনিক গণ মাধ্যম আছিল গ্ৰামোফোন ৰেকৰ্ড। অ’ত ত’ত দুই-এঘৰত ৰেডিঅ’ আছিল যদিও কোনো থলুৱা অনাতাঁৰ কেন্দ্ৰ নাছিল। ইংৰাজসকলৰ লাভালাভৰ বাবে মাত্ৰ কলিকতা অনাতাঁৰ কেন্দ্ৰৰপৰা এটি কম সময়ৰ বাবে অসমীয়া অনুষ্ঠান প্ৰচাৰিত হৈছিল। সেয়েহে গণ মাধ্যম হিচাপে অসমৰ সমাজ-সংস্কৃতিত ৰেডিঅ’ৰ ব্যৱহাৰ অতি নগণ্য আছিল। ঠিক তেনেদৰে সেই সময়ত চলচ্চিত্ৰ নিৰ্মাণ কৰাটো আছিল অতি বিৰল ঘটনা। অৱশ্যে ত্ৰিশৰ দশকৰ পৰাই বঙালী আৰু হিন্দী চলচ্চিত্ৰৰ যোগেদি অসমীয়া গীতলৈ কিছু আধুনিকতাৰ আমদানি হৈছিল।”[২৫]

১৯৪৭ চনত দেশৰ স্বাধীনতাপ্ৰাপ্তিৰ লগে লগে অনাতাঁৰ কেন্দ্ৰসমূহৰ স্থাপনত গুৰুত্ব দিয়া পৰিলক্ষিত হয়। ফলস্বৰূপে অসমতো “১৯৪৮ চনত শ্বিলং-গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ লগে লগে পৰিস্থিতিৰ আমূল পৰিৱৰ্তন ঘটিল। সংগীত সৃষ্টি আৰু পৰিৱেশলৈ আহিল অসাধাৰণ বিস্তৃতি।”[২৬] সমান্তৰালভাৱে বঙালী গীত-মাতৰো প্ৰভাৱ কমি আহিব ধৰিলে। এইদৰে আধুনিক অসমীয়া গীতে ঠন ধৰি উঠা পৰিলক্ষিত হয়। পদ্মধৰ চলিহা, উমেশ চন্দ্ৰ চৌধুৰীয়ে আৰম্ভণি কৰা গীতৰ সুঁতিত জ্যোতিপ্ৰসাদ, পাৰ্বতিপ্ৰসাদ বৰুৱা, বিষ্ণু ৰাভা আদি গীতিকাৰে আধুনিক অসমীয়া গীতক উচ্চ অসমত অধিষ্ঠিত কৰা দেখা যায়। এই সন্দৰ্ভত জ্যোতিপ্ৰসাদ আগৰৱালাই মন্তব্য দিছে— “এই ভাৰতীয় আধুনিক সংগীতৰ এটা লক্ষ্য কৰিবলগীয়া কথা হৈছে যে; ই নিখিল ভাৰততে একে ৰূপেৰেই প্ৰকাশিত হৈছে। আধুনিক এটা বঙালী, অসমীয়া বা মাৰাঠী গীতৰ পাৰ্থক্য আগৰ হিচাপত নাই বুলিলেও হয়।”[২৭] গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ স্থাপনে অসমীয়া গীতক অধিক গতিশীলতা প্ৰদান কৰাত সহায় কৰে আৰু ন ন গীতিকাৰসকলেও গীত ৰচনা কৰিবলৈ

আগবাঢ়ি আহে। এই গীতিকাৰসকলৰ ভিতৰত দৰ্পনাথ শৰ্মা, ৰুদ্ৰ বৰুৱা, কেশৱ মহন্ত আৰু লক্ষ্যহীৰা দাস অন্যতম। মন কৰিবলগীয়া যে অসমীয়া গীতত নতুন প্ৰৱাহৰ উন্মেষ কৰা গীতিকাৰসকলৰ ভিতৰত আনন্দিৰাম দাস অগ্ৰণী। বিহুগীতৰ সুৰ আৰু কথা আৰোপ কৰি দাসে 'বনগীত'নামেৰে নব্য গীতৰ ধাৰা এটিৰ আৰম্ভণি কৰা পৰিলক্ষিত হয়। তদুপৰি আনন্দিৰাম দাসৰ "বিৰহী' (১৯৩৭), 'সুৰ নিজৰা' (১৯৩৮), 'ৰক্তাঞ্জলি' (১৯৮৮), 'নন্দন' (১৯৮৮) গীতৰ পুথিত ঠাই পেৱা গীতবোৰৰ মাজেৰে কবিৰ স্বদেশানুৰাগী, ভক্তিভাব, প্ৰণয় উদ্বেশ তথা অসমৰ প্ৰকৃতি জগতৰ অফুৰন্ত ৰূপৰাশি প্ৰকাশি উঠিছে।"[২৮] এইখিনি সময়ছোৱাতে মিত্ৰদেৱ মহন্তই সৰ্বমুঠ এশটা গীতৰ সন্নিৱেশৰে 'গীতি-শতদল' নামৰ গীত সংকলনখনিয়ে অসমীয়া গীতৰ জয়যাত্ৰাত যথেষ্ট বৰঙণি আগবঢ়োৱা দেখা যায়। সমান্তৰালভাৱে গীতিকাৰ মুক্তিনাথ বৰদলৈয়ে 'কুমকুম', 'ফুল-চন্দন', 'গুঞ্জন' আৰু দৰ্পনাথ শৰ্মাৰদ্বাৰা ৰচিত 'ইন্দ্ৰমালতী', 'কৰবী' আদি গীতৰ পুথিয়ে আধুনিক অসমীয়া গীতি-সাহিত্যক সমৃদ্ধ কৰিছে।

অসমীয়া গীতি-সাহিত্যলৈ স্বকীয় বৈশিষ্টতাৰে গীত চৰ্চা কৰা গীতিকাৰসকলৰ ভিতৰত অন্যতম এজন হ'ল পুৰুষোত্তম দাস। তফজ্জুল আলিয়ে দাসৰ গীত সম্পৰ্কে এনেদৰে কৈছে— "ভাব, ভাষা আৰু প্ৰকাশভংগীলৈ চাই পুৰুষোত্তম দাসক আধুনিক যুগৰ উৎকৃষ্ট গীতিকাৰ বুলিবই লাগিব।"[২৯] 'শ্ৰীময়ী অসমীৰ শীতৰ বুকুত উঠে উছৱৰ মধু আলোড়ন' শীৰ্ষক গীতটিৰ স্ৰষ্টা পুৰুষোত্তম দাসে সুৰবাণী, ত্ৰিবেণী, শ্ৰীময়ী নামৰ তিনিখন গীতৰ পুথি অসমীয়া গীতি-সাহিত্যলৈ আগবঢ়াই গীতৰ ধাৰাটোক শক্তিশালী কৰি তোলা পৰিলক্ষিত হয়। পুৰুষোত্তম দাসৰ সমসাময়িক আন এগৰাকী গীতিকাৰ ৰুদ্ৰৰাম বৰুৱাই অসমীয়া আধুনিক গীতত ন ৰূপত প্ৰতিষ্ঠা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বৰুৱাৰ— 'তাঁতৰ দোৰে পতি চলায় মনে পতি', 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি' ইত্যাদি গীতে আধুনিক গীতৰ ধাৰাটোক জীপাল কৰি ৰাখিছে। "বহুসংখ্যক গীত ৰচনাৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা ৰুদ্ৰ বৰুৱাৰ গীতসমূহ কলংপৰীয়া গীত (১৯৬৮) আৰু ৰুদ্ৰ বৰুৱাৰ গীত (১৯৮৪) পুথিত সংকলিত হৈছে।"[৩০] ৰুদ্ৰ বৰুৱাৰ গীতসমূহৰ জৰিয়তে অসমীয়া সমাজ জীৱন তথা অসমৰ সাংস্কৃতিক ক্ষেত্ৰ বা দিশটোৰে আত্মপ্ৰকাশ লাভ কৰা দেখা যায়। বৰুৱাৰ গীত সম্পৰ্কে ৰাম গোস্বামীয়ে কৈছে— "অসমৰ পুৰণি গৌৰৱৰ লগত আমাক চিনাকি কৰি

দি আমাৰ জাতীয় মৰ্যাদা নিৰূপণ কৰিবল যত্ন কৰিছিল। অসমৰ লোক সমাজৰ সাৰ্থক আবেদন গাঁও অঞ্চলৰ সহজ-সৰল ধৰ্মতত্ত্ব, দেহতত্ত্ব, সাংসাৰিক জীৱনৰ বিচিত্ৰ, সুখ-দুখ, আশা-আকাংক্ষা এই গীতসমূহে ব্যক্ত কৰিছে।"[৩১] এইখিনি সময়ছোৱাৰে আন এগৰাকী গীতিকাৰ হ'ল লক্ষ্যহীৰা দাস। আধুনিক অসমীয়া গীতক অনাতাঁৰ কেন্দ্ৰযোগে বহুলভাৱে প্ৰচাৰিত কৰা গীতিকাৰসকলৰ ভিতৰত লক্ষ্যহীৰা দাস অন্যতম। দাসে "প্ৰথমা' (১৯৪১), 'সুৰ সেতু' (১৯৫৬), 'গীতালি' (১৯৬০) আৰু 'ময়ূৰ পংখী' (১৯৬৮) নামৰ গীতৰ জৰিয়তে অসমীয়া গীতি-সাহিত্যৰ জগতখনলৈ অৱদান আগবঢ়াইছে।"[৩২]

পঞ্চাশৰ দশকৰ এগৰাকী গীতিকাৰ বিশেষকৈ চলচ্চিত্ৰ আৰু অনাতাঁৰ কেন্দ্ৰৰ বাবে গীত ৰচনা কৰি সমাদৰ লাভ কৰা 'কেশৱ মহন্ত'ই আধুনিক অসমীয়া গীতক নতুন গতি প্ৰদান কৰে। কেশৱ মহন্তৰ— "ৰ'দ জিকমিক' (১৯৬৪) আৰু 'দিশ ধৰলী বৰণ' (১৯৭০) নামৰ গীতি সংকলনকেইটি অসমীয়া গীতি-সাহিত্যৰ অতি মূল্যৱান সম্পদ।"[৩৩] এই সময়ছোৱাতে অসমীয়া গীতি-সাহিত্যত নতুন দিগন্তৰ সূচনা কৰে ভূপেন হাজৰিকা। জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰত্যক্ষ সান্নিধ্য লাভ কৰাৰ উপৰি বিদেশত অধ্যয়ন কৰাৰ অভিজ্ঞতাই হাজৰিকাৰ গীতসমূহক নতুন গতি প্ৰদান কৰাৰ লগতে আধুনিক অসমীয়া গীততো পশ্চিমীয়া সংগীতৰ নানা ধৰণৰ সুৰৰ সমাৱেশ দেখা যায়। তদুপৰি হাজৰিকাৰ গীতত মানৱীয় প্ৰমূল্যবোধ, উদাৰনৈতিক চিন্তা আৰু প্ৰখৰ সামাজিক চেতনাই আত্মপ্ৰকাশ কৰা পৰিলক্ষিত হয়। 'মানুহে মানুহৰ বাবে', 'সাগৰ সংগমত কতনা সাঁতুৰিলো, 'বুকু হম হম কৰে মোৰ আই', 'অগ্নিযুগৰ ফিৰিঙতি মই', 'দোলা হে দোলা' আদি হাজৰিকাৰ অপূৰ্ব সৃষ্টি। এনে ধৰণৰ গীত সৃষ্টিৰ বাবে আধুনিক অসমীয়া গীতে সৰ্বভাৰতীয় প্ৰেক্ষাপটত খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। হাজৰিকাৰ এতিয়ালৈকে প্ৰকাশিত গীতৰ পুথিসমূহ হৈছে— "জিলিকাব লুইতৰ পাৰ' (১৯৫২), 'সংগ্ৰাম লগ্নে আজি' (১৯৬২), 'আগলি বাঁহৰে লাহৰী গগনা' (১৯৬৪) আৰু বহ্নিমান ব্ৰহ্মপুত্ৰ (১৯৮০)।"[৩৪] পঞ্চাশ আৰু যাঠিৰ মাজ ভাগত নৱকান্ত বৰুৱাই গীতিকাৰ হিচাপে আত্মপ্ৰকাশ কৰে আৰু 'মনৰ সৱৰ' নামৰ গীত সংকলনখন প্ৰকাশ কৰি অসমীয়া আধুনিক গীতক সমৃদ্ধ কৰে। নৱকান্ত বৰুৱাৰ পৰৱৰ্তী সময়ত আধুনিক অসমীয়া গীতক শক্তিশালী কৰি তোলাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে গীতিকাৰ তফজ্জুল আলিয়ে। "সাতশৰো অধিক গীত ৰচনা কৰা

তফজ্জুল আলিয়ে 'মন্দাক্রান্ত' (১৯৫৭), 'অঘৰী ককাইদেউৰ গীত' (১৯৫৯) আৰু 'অনুষ্টুপ' (১৯৬২) নামৰ তিনিখন গীতৰ পুথি অসমৰ সংগীত সাহিত্যলৈ আগবঢ়ায়।"[৩৫]

ষাঠিৰ দশকৰে আন এগৰাকী গীতিকাৰ নিৰ্মলপ্ৰভাৰ বৰদলৈয়ে আকাশবাণীৰ যোগেদি আত্মপ্ৰকাশ কৰি আধুনিক অসমীয়া গীতক পুৰিপুষ্টি প্ৰদান কৰে। পাঁচশৰো অধিক গীতৰ স্ৰষ্টা "নিৰ্মলপ্ৰভাৰ গীতত আছে বলিষ্ঠ ভাষা, বলিষ্ঠ আশা, বলিষ্ঠ আশ্ৰয় আৰু বলিষ্ঠ প্ৰত্যয়। প্ৰকৃতি, প্ৰেম, ঐতিহ্য চেতনা, জীৱন জিজ্ঞাসা, নাৰী মনৰ কামনা-বাসনা আধ্যাত্মিক শক্তিকে ধৰি গণ জীৱনৰ সংগ্ৰাম, আপোন দেশৰ কেঁচা মাটিৰ পৰশ সকলো বিষয়কে তেওঁৰ গীতে সামৰি লৈছে। নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰকাশিত গীতৰ পুথি তিনিখন— 'সোণ বৰণী আই' (১৯৮০), 'সুৰযমুখী' (১৯৮৫) আৰু 'ফুলৰ এই মেলাতে' (২০০২)।" বৰদলৈৰ 'বৰ্ষা ঋতু ভাল পাওঁ মই', 'ছায়াঘন সৰলৰে পাত', 'মই এই মাটিৰে ল'ৰা', 'কি নাম দি মাতিম তোমাক', 'কাজলতা তোমাৰ নাম শীতলতা নাই' ইত্যাদি গীতে অধুনিক অসমীয়া গীতৰ ধাৰাটিক অধিক গতিশীল আৰু জনপ্ৰিয় কৰি তোলাত ব্যাপকভাৱে সহায় কৰে।

"পঞ্চাশৰ দশকৰ শেষ ভাগৰপৰা ষাঠিৰ দশকৰ ভিতৰত আত্মপ্ৰকাশ কৰা আন কেইবাগৰাকীমান উল্লেখযোগ্য গীতিকাৰ হ'ল— 'গীতিমালঞ্চ' আৰু 'সোণালী'ৰ ৰচিয়তা লীলা গগৈ, 'সুৰৰ কবিতা' ৰচিয়তা সূৰ্য বৰা, সতীশ দাসৰ 'ক মনবৰ কাই কচোন', 'সন্ধ্যা যেতিয়া তুলসীৰ তল', 'মইলমতী নদীৰ পাৰত মধুমতী গাঁও' ইত্যাদি ইদ্ৰিছ আলীৰ 'এই পুৰাতন মাটিৰ প্ৰেমত', 'শুনিছোঁ ময়ো আকাশ মাথোন', 'কৰে পখী কিয়নো তই' ইত্যাদি গীত আৰু 'নিৰিবিলি' (১৯৭০) নামৰ গীতৰ পুথিখন, ৰত্ন ওজাৰ 'মেঘৰ আঁৰতে কিনো লুকাভাকু', 'এই নদীৰ সিপাৰতে কিনো ফুল ফুলে' ইত্যাদি, শ্যামানন্দ বৈশ্যৰ 'স্বাগতম বাসন্তিকা', 'আঘোণৰ পথাৰে মাতে ঐ ৰিঙিয়াই', 'অ' জংকি নেমেলিবি নাও' আদি। উমেশ দত্তৰ 'এই পৃথিৱীৰ পাৰে পাৰে মই', 'তোমাৰ স্বপ্ন কাজলসনা দুটি চকু' ইত্যাদি, ক্ষীৰদাকান্ত বিষয়াৰ 'বিৰিখে পেলালে কুঁহ ঐ মইনা', 'আৰেগক বোকোচা বব মই নোৱাৰোঁ' আদি, 'সুৰৰ কবিতা' নামৰ গীতি সংকলনৰ ৰচিয়তা সূৰ্য বৰা, সুৰকাৰ মুকুল বৰুৱা, 'মোৰ গীতে গীতে সুৰ গাঁঠি গাঁঠি', 'ভাৰতৰ নুমলী জী হেনো এইখন অসম দেশ' (উৰিষ্যাৰ গায়ক অক্ষয় মহাদিয়ে গাইছে) আদি, নগেন বৰাৰ 'শাহু আহিব দুটি চুমা দুগালতে লৈ',

ভগগিৰি ৰায় চৌধুৰীৰ ‘কোৱা কোন পিনে যাওঁ’, ‘বন্তি জ্বলাব কোনে’, ‘কুঁৱলী শীতৰ হিম সৰা ৰাতি’ আদি, যতীন বৰাৰ ‘ই যে কৃষ্ণ লীলা তৃষ্ণা নদীৰ পাৰ’, ‘চাপ্ৰা বহুদূৰ’, ‘গুম গুম গাম গাম ব্যস্ত চেই পাম’ আদি গীতবোৰৰ দৰে বহুতো গীতিকাৰৰ গীতে সময়ে সময়ে অসমৰ সংগীতাকাশ সুৰলা কৰি তুলিছিল।”[৩৬]

ইয়াৰ পৰৱৰ্তী সময়ছোৱাত ইদ্ৰিছ আলী আৰু দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ গীতে আধুনিক অসমীয়া গীতক ন-ৰূপ প্ৰদান কৰে। “ইদ্ৰিছ আলীৰ ‘নিৰিবিলি’ আৰু ‘সুৰমিতা’ নামেৰে দুটি গীতৰ সংকলনো প্ৰকাশ পায়।”[৩৭] সত্তৰৰ দশকত পৰাগ কুমাৰ ভট্টাচাৰ্য, হেমন্ত গোস্বামী, বিৰিঞ্চি কুমাৰ মেধি, হীৰেন গোহাঁই, কীৰ্তকমলা ভূঞা, নীলকান্ত শৰ্মা, গুণমণি বৰা ইত্যাদি গীতিকাৰৰ হাতত আধুনিক অসমীয়া গীতে গতিশীলতা লাভ কৰা পৰিলক্ষিত হয়। এইখিনি সময়ছোৱাতে অপূৰ্ব বেজবৰুৱাই ‘অ’ মাইজান তোকে দেখা পাই’, ‘কপৌ পাহি তোৰে খোপাত ইমান ধুনীয়া দেখি’ আদি গীত ৰচনা কৰি অসমীয়া গীতক জনপ্ৰিয় কৰি তোলাত উল্লেখযোগ্য ভূমিকা পালন কৰা দেখা যায়। তদুপৰি মণ্মথ বৈশ্য, দীপালী কাকতি, গীতা হাতীকাকতি, সূৰ্য কুমাৰ ৰাজা, খগেন মহন্ত, ফজলুল কৰিম ইত্যাদি গীতিকাৰে আকাশবাণীৰ যোগেদি আত্মপ্ৰকাশ কৰি আধুনিক অসমীয়া গীতৰ ধাৰাটোক অধিক শক্তিশালী কৰি তোলে। এনেদৰে ন ন ৰূপত ক্ৰমবিকশিত হৈ থকা আধুনিক অসমীয়া গীতি-সাহিত্যত নব্বৈৰ দশকত টেলিভিছনৰ আগমনে বিৰূপ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। সমসাময়িকভাৱে জনসমাজত আকাশবাণীৰ সমাদৰো হ্ৰাস পাবলৈ ধৰে। গীত ৰচনাৰ ক্ষেত্ৰখনো সীমিত হৈ পৰা দেখা যায়। “সৰহভাগ গীতৰে বিষয়বস্তু যৌৱন সুলভ ৰোমাণ্টিক প্ৰেম, নিৰুত্তাপ স্বদেশ প্ৰেম, পৰ্যৱেক্ষণশীল, প্ৰকৃতিপ্ৰীতি, কৃষক বণুৱাৰ আন্তৰিকতাবিহীন সহানুভূতি আৰু ফোপোলা বিপ্লৱৰ ধ্বনি। তদুপৰি জীৱনৰ প্ৰত্যক্ত অভিজ্ঞতাহীন ভাব-প্ৰৱণতা, ড্ৰয়িং ৰূমৰ নিৰাপদ আশ্ৰয়ত থাকিও জনতাৰ প্ৰাণৰ সঁহাৰিৰ সন্ধান আজি যেন এয়াই আধুনিক গীতি-কবিতাৰ অনুভূতি আৰু আৱেগ। তদুপৰি জীৱনৰ তৰাং আৰু তৰল অভিজ্ঞতাৰ প্ৰকাশৰ বাবে যেন আধুনিক গীত সহজ মাধ্যম। তাতে আকৌ হিন্দী চিনেমাৰ গীতৰ কেৱল সুৰেই নহয় কথায়ো নিঃশব্দে ভাষান্তৰিত হৈ আমাৰ গীতৰ মাজত অনুপ্ৰৱেশ কৰা দেখা গৈছে। কোনোৱে আকৌ ‘আৰ ছিগা চুলি তাৰ চিগা চুলি বান্ধি যাওঁ নেঘেৰি খোপা’ ধৰণৰ ৰচনাৰে গীতি-সাহিত্যলৈ বৰঙণি যোগাবলৈ যত্ন কৰিছে।”[৩৮] আধুনিক অসমীয়া গীতৰ এনে

এক সন্ধিক্ষণৰ মাজতো এচাম নবীন গীতিকাৰে গীতৰ ধাৰাটোক সচেতনভাৱে আগুৱাই লৈ যোৱা পৰিলক্ষিত হয়। এওঁলোকৰ ভিতৰত ‘নহ’লে পৰিচয় হিয়াৰে চিনাকি জানো কোনো হ’ব পাৰে’ শীৰ্ষক গীতৰ স্ৰষ্টা হেমন্ত দাস, ‘মন হিৰা দৈ চাইকেল নহয় টিলিঙা/মন হিৰা দৈ ডেকা নহয় পিলিঙা’ গীতৰ স্ৰষ্টা দ্বীপেন বৰুৱা; ‘গা গা আজি গাই যা এই গীতকে গা যা যা নাচি নাচি নিজক পাহৰি যা’ শীৰ্ষক গীতৰ স্ৰষ্টা এলি আহমেদ অন্যতম। সমান্তৰালভাৱে লোকনাথ গোস্বামী, মুকুল বৰুৱা, হেমন্ত গোস্বামী, কৰবী ডেকা হাজৰিকা, গুণীন ৰাজখোৱা, নুৰুল হক, কুইন দাস, জয়ন্ত বৰুৱা, শিৱপ্ৰসাদ ভট্টাচাৰ্য, ইমৰান শ্বাহ আদি গীতিকাৰে আধুনিক অসমীয়া গীত ৰচনাৰে আধুনিক গীতৰ ধাৰাটিক প্ৰাণৱন্ত কৰি তোলা পৰিলক্ষিত হয়।

তদুপৰি আধুনিক অসমীয়া গীতত দুই-তিনি দশক ধৰি খলকনিৰ সৃষ্টি কৰা উদীয়মান গীতিকাৰসকলৰ ভিতৰত ‘সোণেৰে সজোৱা পঁজা যদি খহি যায়/ কোনে আজি সাজিবহি পাৰিব দুনাই’ শীৰ্ষক গীতৰ স্ৰষ্টা জুবিন গাৰ্গ অন্যতম। উদীয়মান গীতিকাৰসকলৰ ভিতৰত আন এগৰাকী হ’ল ‘মাজুলীৰ এজনী ছোৱালীয়ে দুখ পালে’ শীৰ্ষক গীতটিৰ স্ৰষ্টা মানস ৰবীন। তদুপৰি মহেন্দ্ৰ হাজৰিকা, অংগৰাগ মহন্ত, দিগন্ত ভাৰতী, জিতুল সোণোৱাল, কপিল ঠাকুৰ, বিপিন চাওদাং, মৌচম গগৈ প্ৰভৃতি গীতিকাৰ তথা কণ্ঠশিল্পীৰ আশাশুধীয়া প্ৰচেষ্টাত আধুনিক অসমীয়া গীতৰ ধাৰাটিক অধিক শক্তিশালী আৰু বিস্তৃত ৰূপ প্ৰদান কৰাৰ লগতে গীতসমূহক জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰতো বিশেষ বৰঙণি আগবঢ়াইছে।

---

**প্ৰসংগটীকা ঃ**

১। মহেশ্বৰ নেওগ, *অসমীয়া গীতি-সাহিত্য*, পৃষ্ঠা-১
২। ৰাধাকান্তদেৱ, *শব্দকল্পদ্ৰুম*, পৃষ্ঠা-৩২৮
৩। হেমচন্দ্ৰ বৰুৱা, *হেমকোষ*, পৃষ্ঠা-৪২৩
৪। ডেইজী ৰাণী ডেকা, *অসমীয়া গীতি-সাহিত্যৰ ধাৰা*, উমেশ দাস, (সম্পাঃ) *সাহিত্য-সংস্কৃতিৰ মুকুট*, পৃষ্ঠা-২৭
৫। হেমচন্দ্ৰ গোস্বামী, *অসমীয়া সাহিত্যৰ চানেকী*, পৃষ্ঠা-২৫
৬। তফজ্জুল আলি, *অসমীয়া আধুনিক গীতৰ সংগীতকাৰসকল*, পৃষ্ঠা-৩
৭। সত্যেন্দ্ৰ নাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃষ্ঠা-১৮
৮। তফজ্জুল আলী, *পূৰ্বোল্লিখিত গ্ৰন্থ*, পৃষ্ঠা-৩

৯। ডেইজী ৰাণী ডেকা, *অসমীয়া গীতি-সাহিত্যৰ ধাৰা,* উমেশ দাস, (সম্পাঃ) *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-২৯
১০। বৈকুণ্ঠ ৰাজবংশী, *পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু ৰুদ্ৰ বৰুৱাৰ গীতি সাহিত্য ঃ এক তুলনামূলক অধ্যয়ন,* অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, পৃষ্ঠা-২১
১১। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১১
১২। অজন্তা দাস, *ভূপেন হাজৰিকাৰ গীতি সাহিত্যত নাৰী ঃ এটি আলোচনা,* অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, পৃষ্ঠা-২৭
১৩। তফজ্জুল আলী, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৫
১৪। পৰীক্ষিত হাজৰিকা, *সাহিত্য আলোচনা,* পৃষ্ঠা-১৪১
১৫। বৈকুণ্ঠ ৰাজবংশী, *পূৰ্বোল্লিখত গ্ৰন্থ,* পৃষ্ঠা-১৪
১৬। নগেন শইকীয়া, *'ভূমিকা', সংগীত সাধনা লক্ষ্মীৰাম বৰুৱা,* পৃষ্ঠা-১৫
১৭। বৈকুণ্ঠ ৰাজবংশী, *পূৰ্বোল্লিখত গ্ৰন্থ,* পৃষ্ঠা-১৬
১৮। বীৰেন্দ্ৰ নাথ দত্ত, *অসমীয়া সংগীতৰ ঐতিহ্য,* পৃষ্ঠা-৭৯
১৯। বৈকুণ্ঠ ৰাজবংশী, *পূৰ্বোল্লিখত গ্ৰন্থ,* পৃষ্ঠা-১৮
২০। বৈকুণ্ঠ ৰাজবংশী, *পূৰ্বোল্লিখত গ্ৰন্থ,* পৃষ্ঠা-১৮
২১। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৯
২২। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৯
২৩। নৱজ্যোতি শৰ্মা, *উত্তৰ স্বাধীনতা যুগৰ অসমীয়া সাহিত্য,* উমেশ দাস (সম্পাঃ), *পূৰ্বোল্লিখত গ্ৰন্থ* পৃষ্ঠা-৩৯
২৪। পৰীক্ষিত হাজৰিকা, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৪০
২৫। বীৰেন্দ্ৰনাথ দত্ত, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৮৯
২৬। *উল্লিখিত গ্ৰন্থ*
২৭। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৯০
২৮। বৈকুণ্ঠ ৰাজবংশী, *পূৰ্বোল্লিখত গ্ৰন্থ,* পৃষ্ঠা-২২
২৯। তফজ্জুল আলী, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১২
৩০। বৈকুণ্ঠ ৰাজবংশী, *পূৰ্বোল্লিখত গ্ৰন্থ,* পৃষ্ঠা-২৪
৩১। *উল্লিখিত গ্ৰন্থ*
৩২। নৱজ্যোতি শৰ্মা, *উত্তৰ স্বাধীনতা যুগৰ অসমীয়া সাহিত্য,* উমেশ দাস, (সম্পাঃ) *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৪২
৩৩। *উল্লিখিত গ্ৰন্থ*
৩৪। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৪৩
৩৫। *উল্লিখিত গ্ৰন্থ*
৩৬। ৰেণু ভূঞা শইকীয়া, *ড° নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতা আৰু গীত,* পৃষ্ঠা-৩
৩৭। নৱজ্যোতি শৰ্মা, *উত্তৰ স্বাধীনতা যুগৰ অসমীয়া সাহিত্য,* উমেশ দাস, (সম্পাঃ) *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৪৫
৩৮। *উল্লিখিত গ্ৰন্থ*

# দ্বিতীয় অধ্যায়

# ২.০০ আধুনিক অসমীয়া গীতত ঐতিহ্যচেতনা

## ২.০১.১ ঐতিহ্যচেতনা

ঐতিহ্যচেতনা কোনো এটা জাতিৰ জাতীয় জীৱনৰ বাবে অনুপ্ৰেৰণাৰ উৎস। ইতিহাসক পাহৰি যোৱা সমাজ এখনে কেতিয়াও নিজকে ভালদৰে প্ৰতিষ্ঠাপিত কৰিব নোৱাৰে আৰু স্বাভিমানো বৰ্তাই ৰখাত অপাৰগ হয়। এই প্ৰসংগতে সাহিত্যৰ সৈতে ঐতিহ্যচেতনাৰ দিশটোও ওতঃপ্ৰোতভাৱে সম্পৰ্কিত। 'ঐতিহ্য' শব্দটিৰ ব্যুৎপত্তিগত অৰ্থ 'শব্দকল্পদ্ৰুম' গ্ৰন্থই এনেদৰে নিৰূপণ কৰিছে— "ঐতিহ্যমনুমানচ্চ্য প্ৰত্যক্ষমপি চাগমম। য়ে হি সম্যক পৰীক্ষ্যন্তে কুতস্তেষামবুদ্ধিতা"[১] অৰ্থাৎ ঐতিহ্য হ'ল অনুমান, প্ৰত্যক্ষ আৰু প্ৰমাণ এই তিনিটা প্ৰক্ৰিয়াৰে যিজনে পৰীক্ষা কৰি চাব তেওঁৰ বুদ্ধি ভ্ৰষ্ট হ'ব নোৱাৰে। কোষ গ্ৰন্থখনিত 'ঐতিহ্য' শব্দটিৰ আন এটি অৰ্থ নিৰূপিত কৰিছে এনেদৰে— "ঐতিহ্যং নাম আপ্ত পদেশৈঃ বেদাদিঃ"[২] অৰ্থাৎ বেদ আদি শাস্ত্ৰৰ আপ্ত বাক্যখিনিয়ে দিয়া উপদেশক 'ঐতিহ্য' বুলি কোৱা হয়। আনহাতে 'ঐতিহ্য' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Heritage'। এই শব্দটিৰ মূল হ'ল "ফ্ৰান্স ভাষাৰ 'Eritage>Inherent'।"[৩] এনে ব্যুৎপত্তিগত অৰ্থলৈ দৃষ্টিনিক্ষেপ কৰি আমি ক'ব পাৰো যে ঐতিহ্যচেতনা হ'ল সমসাময়িক বস্তুবাদী জগতৰ মাজতে চিৰন্তনতাৰ সন্ধানৰ সমান্তৰালভাৱে অতীত গৰিমামণ্ডিত আৰু সনাতন মূল্যবোধৰ প্ৰতি থকা সচেষ্ট দৃষ্টিভংগী। ঐতিহ্যচেতনা এক ব্যাপক অভিজ্ঞতাৰ সমষ্টি। "ই পূৰ্বপুৰুষসকলৰপৰা পৰম্পৰাগতভাৱে আহৰণ কৰা সম্পদ হোৱাৰ বিপৰীতে কঠোৰ পৰিশ্ৰমৰ মাজেৰেহে আহৰণ কৰা এক গভীৰ উপলব্ধি।"[৪] যিয়ে বৰ্তমানৰ মাজত অতীতৰ অৱস্থিতি অনুভৱ

কৰায়। প্ৰহ্লাদ কুমাৰ বৰুৱাই আধুনিক অসমীয়া কবিতাত ঐতিহ্যচেতনা আৰু আধুনিকতা শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰিছে যে "ঐতিহ্য আৰু আধুনিকতা এই দুয়োটাই বিমূৰ্ত ধাৰণা (abstract idea) মাথোন আচলতে ঐতিহ্যৰ ধাৰণাটো অতীতমুখী। ঐতিহ্যৰ ধাৰণাটো প্ৰাচীন মূল্যবোধৰ সৈতে জড়িত। সংক্ষেপে ক'বলৈ গ'লে ঐতিহাসিক বিৱৰ্তনৰ মাজেদি বৈ যোৱা সাংস্কৃতিক আৰু বৌদ্ধিক মূল্যবোধেই ঐতিহ্য।"[৫] মন কৰিবলগীয়া যে অতীতৰ আটাইবোৰ ঘটনা বা নীতি-নিয়মৰ সমষ্টিয়েই ঐতিহ্য হ'ব নোৱাৰে। ঐতিহ্য হ'ল অতীতৰ তেনেধৰণৰ সামাজিক কাৰ্য, ধ্যান-ধাৰণা, চিন্তা-চেতনা যিবোৰে পৰৱৰ্তী কালৰ সমাজ এখন বিকাশৰ পথত কল্যাণকামী ভূমিকা গ্ৰহণ কৰে। আমাৰ নিৰ্বাচিত দুয়োগৰাকী গীতিকাৰৰ গীতবোৰত প্ৰকাশিত ঐতিহ্যচেতনা একমাত্ৰ পৰম্পৰা আশ্ৰয়ী সংযুতিৰ সমষ্টি হোৱাৰ বিপৰীতে অতীতৰ মূলৰবোধসম্পন্ন ধ্যান- ধাৰণা, চিন্তা-চেতনাৰ সহায়ত এখন নৱ্য বিকশিত কল্যাণকামী সমাজ প্ৰতিষ্ঠাৰ মানসিকতাও স্পষ্ট।

**২.০১.২ সমাজচেতনা ঃ**

সাহিত্যক সমাজৰ দাপোণ বুলি অভিহিত কৰা হয়। কিয়নো সাহিত্যকৰ্মত মানৱৰ ভাৱানুভূতিৰ অৱলোকন আৰু সামাজিক ব্যৱস্থাৰ প্ৰতিচ্ছবি প্ৰকাশিত হয়। অৰ্থাৎ মানুহৰ কৰ্ম, চিন্তা, অভিজ্ঞতা আৰু অনুভৱৰ সামগ্ৰীক ৰূপায়ণ হয় সাহিতকৰ্মৰ জৰিয়তে। "সাহিত্যত প্ৰকাশ পোৱা অভিজ্ঞতা আৰু অনুভূতিবোৰ আমাৰ দৈনন্দিন অভিজ্ঞতা-অনুভূতিৰ নিচিনাই হ'লেও এইবিলাক অধিক ব্যাপক আৰু স্থায়ী। কেৱল কি হৈছেই নহয়, বৰঞ্চ কি হৈছিল আৰু হ'ব পাৰে তাকো সাহিত্যৰ অনুভূতিয়ে সামৰি লয়। এনে অনুভূতিবোৰ সাধাৰণীকৰণৰ যোগেদি সামাজিক অনুভূতিৰ স্তৰলৈ উঠিলে সেইবোৰে সামাজিক চেতনাৰ সৃষ্টি কৰে। উপযুক্ত সাহিত্যই এইদৰে একোটা জাতিক গঢ় দিব পাৰে, বা দি আহিছে। সাহিত্যত প্ৰকাশিত ব্যক্তিৰ বিশিষ্ট অনুভূতিয়ে সৃষ্টি কৰা স্পন্দনে সামাজিক ক্ষেত্ৰত নতুন স্পন্দন আনি দিব পাৰে।"[৬] অৰ্থাৎ সাহিত্যক আমি উদ্দেশ্যধৰ্মী বুলি ক'ব পাৰোঁ। সাহিত্যই মনোৰঞ্জন প্ৰদান কৰাৰ লগতে মানৱ মনৰ শুদ্ধিকৰণ তথা পৰিস্কৰণৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা দেখা যায়।

সাহিত্যৰ কাঠামো নিৰ্মিত হয় সমাজৰ পৃষ্ঠভূমিতেই। যিহেতু সাহিত্যকৰ্মৰ প্ৰেৰণাও সমাজক কেন্দ্ৰ

কৰিয়েই সেয়ে  সমাজৰ অমংগল নাশ সাহিত্যৰ এক অন্যতম বিশেষত্ব। এইক্ষেত্ৰত সাহিত্য শব্দটিৰ ব্যুৎপত্তিগত অৰ্থটিলৈও মন কৰিব পাৰি—

*"হিতং সন্নিহিতং তৎ সাহিত্যম।*

*সহিতং ৰসেন যুক্তং তস্য ভাৱ ঃ সাহিত্যম।*

হিতসাধন মানৰ মনোবৃত্তিৰ তৃপ্তি অথবা উন্নয়ন আদিৰ ভাব সাহিত্য শব্দৰ অৰ্থত নিহিত হৈ আছে।"[৭] সাহিত্যই সমাজৰ মংগল সাধন কৰে আৰু সমাজ একোখনক সংগঠিত আৰু একত্ৰিত কৰি ৰাখে। গতিকে আমি ক'ব পাৰোঁ যে লেখক বা কবি সমাজখনৰপৰা একেবাৰে প্ৰভাৱমুক্ত হৈ সাহিত্যকৰ্ম সৃষ্টি কৰাটো কল্পনাতীত। যিহেতু লেখক, স্ৰষ্টা, কবি, পাঠক, আলোচক প্ৰতিজনেই একো একোখন বিশেষ সমাজৰ অংশীদাৰ সেয়ে তেওঁলোকৰ দ্বাৰা সৃষ্ট সৃষ্টিৰাজিতো সংশ্লিষ্ট সমাজ একোখনৰ অন্যান্য দৃষ্টিকোণ তথা বিষয়বস্তুৰে প্ৰাধান্য পোৱাৰ লগতে সমাজচেতনাৰ প্ৰসংগটোৰেও এক বিশেষ অংশ অধিকাৰ কৰি থকা পৰিলক্ষিত হয়।

**২.০১.৩ অসমীয়া আধুনিক গীতত ঐতিহ্যচেতনা ঃ**

মৌখিক সাহিত্যৰ বুকুৰেদি আত্মপ্ৰকাশ কৰা অসমীয়া গীতি-সাহিত্যৰ ঊনবিংশ শতিকাৰ তৃতীয়-চতুৰ্থ দশকতহে ন ৰূপত ক্ৰমবিকাশ হৈ আধুনিক অসমীয়া গীত হিচাপে সমাদৰ লাভ কৰিবলৈ ধৰে। ইয়াৰ পৃষ্ঠভূমিত তদানীন্তন অসমৰ সমাজ-সাংস্কৃতিক পৰিৱৰ্তনৰ প্ৰেক্ষাপটতো ওতপ্ৰোতভাৱে জড়িত। বিশেষকৈ ১৮২৬ চনৰ ইয়াণ্ডাবু চুক্তি মৰ্মে বৃটিছৰদ্বাৰা অসম শাসন আৰু আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলৰ তৎপৰতাত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক উদ্ধাৰৰ সবল প্ৰচেষ্টা। শিৱসাগৰৰপৰা মিছনেৰীসকলে 'অৰুণোদয়' কাকত প্ৰকাশ কৰি উলিয়াই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ পুনৰুত্থানত বিশেষ বৰঙণি আগবঢ়াইছিল। আধুনিক অসমীয়া গীতৰ জগতখনতো প্ৰথমাৱস্থাত মিছনেৰীসকলে আগভাগ লোৱা পৰিলক্ষিত হয়। "মিছনেৰীসকলে খৃষ্টধৰ্ম প্ৰচাৰৰ অৰ্থ পশ্চিমীয়া ধাৰাৰ ধৰ্মীয় সংগীতৰ প্ৰৱৰ্তন কৰে। ইংৰাজী 'humn' বা pslam জাতীয় প্ৰাৰ্থনা গীতৰ অসমীয়া অনুবাদ নাইবা সেই আৰ্হিত নতুনকৈ অসমীয়া ভাষাত ৰচিত গীত গিৰ্জাসমূহত ধৰ্মীয় উপলক্ষ্যত গোৱাৰ বাবে ৰচিত হয়।

সেই সময়ছোৱাত ৩৭৮টা গীতৰ এটি সংকলন 'খৃষ্টীয় ধৰ্ম গীত' (Christain Humnal in Assamese) প্ৰকাশ হৈছিল (৫ম তাঙৰণ, ১৯৭২ চন)। এনে গীতৰ প্ৰখ্যাত লেখক আছিল নেথান ব্ৰাউন, মাইলছ ব্ৰনচন, নিধিলিৱাই ফাৰৱেল ইত্যাদি (দত্ত, ২০০১, পৃঃ ৮০)। তলত নিধিলিৱাই ফাৰৱেলে লিখা তেনে এটি গীতৰ নমুনা দিয়া হ'ল—

*'ঈশ্বৰ মন্দিৰলৈ যাওঁ*
*আহা হে ধাৰ্মিক প্ৰাণ*
*তাত সোমাই প্ৰভুৰ গুণ-মালা গাওঁ*
*হৈ সবে এক মন।"*[৮]

এনেধৰণৰ গীতসমূহ মূলতঃ ইংৰাজী গীতৰ অনুবাদ কৰ্ম হোৱাৰ বাবে এইখিনি গীতত পাশ্চাত্যৰ সুৰ এটি সহজেই অনুভূত হোৱা পৰিলক্ষিত হয় যদিও পৰৱৰ্তী সময়ছোৱাত অসমীয়া নাম, ঘোষা আদিৰ সুৰৰ মাধ্যমতো অসমীয়া ভাষাত খৃষ্টীয় ধৰ্মীয় গীত ৰচনা কৰা হৈছিল। ইংৰাজী ধৰ্মীয় গীতৰ সমান্তৰালভাৱে তদানীন্তন সময়ত অসমীয়া গীতত বংগীয় যাত্ৰাগীতৰ প্ৰভাৱৰ ফলত গীতিকাৰসকলে বঙলুৱা ঠাঁচত গীত চৰ্চা কৰাত আধুনিক অসমীয়া গীতৰ পথাৰখনত শূন্যতাই গা কৰি উঠা দেখা যায়। আধুনিক অসমীয়া গীতৰ এনে সংকটাপূৰ্ণ সময়ছোৱাত ভোলানাথ দাস, ৰমাকান্ত চৌধুৰী আদিয়ে বঙলুৱা প্ৰভাৱমুক্ত গীত চৰ্চা কৰাত আশাশুধীয়া প্ৰচেষ্টা এটা চলোৱা পৰিলক্ষিত হয়; যদিও সফল হোৱা বুলি ক'ব নোৱাৰি। অসমীয়া গীতৰ পৰা বঙলুৱা প্ৰভাৱ দূৰ কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা লোৱা গীতিকাৰসকলৰ ভিতৰত সত্যনাথ বৰা, পদ্মনাথ গোহাঁই বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, লক্ষ্মীৰাম বৰুৱা, ৰাধানাথ ফুকন অন্যতম। মন কৰিবলগীয়া যে লক্ষ্মীৰাম বৰুৱাৰ সংগীতকোষ, সংগীত সাধনা আৰু সত্যনাথ বৰাৰ গীতাৱলী পুথিয়ে আধুনিক অসমীয়া গীতৰ ধাৰাটোক ন ৰূপত আগুৱাই লৈ যোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা যায়।

প্ৰাক্‌স্বাধীনতা কালত 'অ' মোৰ আপোনাৰ দেশ' শীৰ্ষক গীত ৰচি আলোড়নৰ সৃষ্টি কৰা লক্ষ্মীনাথ বেজবৰুৱাই আধুনিক অসমীয়া গীতক বৈচিত্ৰ্যতা প্ৰদান কৰে। উল্লেখনীয় যে পৰৱৰ্তী সময়ছোৱাত 'অ' মোৰ আপোনাৰ দেশ' শীৰ্ষক গীতটি অসমৰ জাতীয় সংগীতৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়।

সহজ-সৰল ভাষা আৰু কাব্যিক সৌন্দৰ্যৰে পৰিপূৰ্ণ গীত ৰচনা কৰাৰ লগতে বেজবৰুৱাৰ গীত দেশাত্মবোধৰ ভাৱটোও পৰিস্ফুট হোৱা পৰিলক্ষিত হয়। তদুপৰি বেজবৰুৱাৰ গীতত ভাৰতীয় ঐতিহ্য তথা পৰম্পৰাৰ সৈতে জড়িত দিশসমূহেও স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতীয় তথা অসমীয়া সমাজ ব্যৱস্থাত জন্মদাতা মাতৃক শ্ৰদ্ধা, সেৱা কৰাৰ সমান্তৰালভাৱে জন্মভূমিক শ্ৰদ্ধা, পূজা-অৰ্চনা কৰাটোও ভাৰতীয় ঐতিহ্যৰ পৰিচায়ক। বেজবৰুৱাৰ গীতটো মাতৃভূমিৰ প্ৰতি থকা প্ৰতিগৰাকী সন্তানৰ শ্ৰদ্ধা আৰু স্নেহভাবেৰে উন্মুক্ত প্ৰকাশ ঘটিছে সাৱলীলভাৱে—

*“অ’ মোৰ ওপজা ঠাই*
*অ’ মোৰ অসমী আই*
*চাই লওঁ এবাৰ*
*মুখনি তোমাৰ*
*হেঁপাহ মোৰ পলোৱা নাই।”*[১]

জননী জন্মভূমিৰ গৌৰৱগাঁথা ভিন্ন সময়ত একো একোজন মহান পুৰুষৰ কৰ্মৰাজি তথা সৃষ্টিৰাজিৰদ্বাৰা প্ৰকাশ হৈ জনমানসত প্ৰচলিত হৈ থাকে। অসম ৰাজ্যখনো এই দিশৰপৰা ব্যতিক্ৰম নহয়। অসম প্ৰদেশতো ভিন্ন সময়ত আৱিৰ্ভাৱ হোৱা পুৰোধা ব্যক্তিসকলৰ কৰ্মৰাজি তথা সৃষ্টিৰাজিয়ে অসমীয়া জাতিৰ ঐতিহ্য বা স্বকীয়তাক মহীয়ান কৰি তোলা পৰিলক্ষিত হয়। এনে ব্যক্তিসকলৰ ভিতৰত অগ্ৰণী এগৰাকী হ’ল শংকৰদেৱ। ১৫ শতিকাত সমগ্ৰ অসমজুৰি নৱবৈষ্ণৱ ধৰ্মৰ গুৰি-ব’ঠা ধৰি জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোকে এক কৰাৰ যি দৰ্শনৰ সূত্ৰপাত ঘটালে, তাৰ ফলত বৃহত্তৰ অসমীয়া জাতিয়ে বিশ্বৰ বুকুত ন ৰূপত প্ৰতিষ্ঠিত হ’বলৈ সক্ষম হৈছে। ঠিক তেনেদৰে অসমীয়া সমাজ জীৱনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত এটা ঐতিহাসিক চৰিত্ৰ লাচিত বৰফুকন। ইতিহাস প্ৰসিদ্ধ শৰাইঘাটৰ যুঁজত আহোম সেনাপতি লাচিত বৰফুকনৰ নেতৃত্বত মোগল সেনাক আহোমসকলে পৰাজিত কৰিবলৈ সক্ষম হৈছিল। আহোম সেনাৰ এই সফলতাৰ আঁৰৰ ব্যক্তিজনেই আছিল লাচিত বৰফুকন। বৰফুকনৰ সবল নেতৃত্ব, দুৰ্দান্ত সাহস, সততা, বিচক্ষণতা, অসমীয়া জাতিৰ চিৰআদৰ্শ হৈ প্ৰৱাহিত হৈ থাকিব। অনুৰূপভাৱে আহোম যুগৰে আন এগৰাকী মহিয়সী নাৰী হ’ল জয়মতী কুঁৱৰী। যিগৰাকী নাৰীয়ে সতীত্ব দেশ আৰু স্বামী ৰক্ষাৰ কাৰণে শত শত অত্যাচাৰ সহ্য কৰিও পৰৱৰ্তী সময়ত মৃত্যুক সাবটি ল’বলৈ

কুণ্ঠাবোধ কৰা নাছিল। জয়মতী কুঁৱৰীৰ সাহস, দৃঢ় প্ৰতিজ্ঞা আৰু আত্মত্যাগ অসমীয়া জাতীয় জীৱনৰ অন্যতম গৌৰৱপূৰ্ণ অধ্যায়। বেজবৰুৱাই গীতৰ মাজেৰে অতীত অসমৰ এনে ঐতিহ্যমণ্ডিত ঘটনাসমূহৰ বিষয়ে এনেদৰে কৈছে—

*"আমি অসমীয়া, নহওঁ দুখীয়া, কিহৰ দুখীয়া হ'ম?*
*সকলো আছিল, সকলো আছে, নুশুনো নলওঁ গম।*
*শংকৰে দিলে বিশুদ্ধ ধৰম, লাচিতে বাহুত বল,*
*সতী জয়মতীৰ সতীত্ব তেজেৰে অসমীয়া আই প্ৰবল।"*[১০]

বুৰঞ্জীৰ এটা ঐতিহাসিক চৰিত্ৰ হ'ল শংকলাদিব বা শংকলদেৱ। "ফিৰিস্তাৰ বুৰঞ্জী মতে, উত্তৰ ভাৰতৰ ৰজা কেদাৰ ব্ৰাহ্মণক পৰাস্ত কৰি শংকলাদিবে লক্ষ্ণাৱতী নগৰ স্থাপন কৰে।"[১১] অতি অহংকাৰী আৰু জাকমকতা প্ৰিয় এই ৰজাজনৰ "৪০০০ হাতী, ১০০০০ ঘোঁৰা আৰু ৪০০০ পদাতিকেৰে গঠিত এটা বিৰাট সৈন্যবাহিনী আছিল। পাৰস্য বিজয়ী আফ্ৰিচিয়াব সেনাপতিৰ সৈতে শংকলাদিবৰ ঘোঁৰাঘাট পৰ্বতত যুদ্ধ সংঘটিত হয়। 'আফ্ৰিচিয়াবে বোধকৰো শাংকলৰপৰা কৰ দাবী কৰি বিমুখ হৈছিল। ইয়াতে ক্ৰুদ্ধ হৈ আফ্ৰিচিয়াৰে ৫০,০০০ মংগোলেৰে এটা শকত বাহিনী শাংকলৰ বিৰুদ্ধে প্ৰেৰণ কৰে। ঘোৰাঘাটৰ ওচৰত কোচ ৰজাৰ পাহাৰীয়া অঞ্চলত ভয়াৱহ যুদ্ধ লাগে। মংগোলবিলাক যুদ্ধত হাৰি পৰ্বতীয়া অঞ্চললৈ পলাই যায়।"[১২] অতীত অসমৰ এই গৌৰৱপূৰ্ণ গাঁথাই বেজবৰুৱাৰ গীতত স্থান লাভ কৰি অসম-অসমীয়াৰ ঐতিহ্যৰ কথা সোঁৱৰাই প্ৰতিজন অসমীয়াক আগুৱাই যাবলৈ প্ৰেৰণা প্ৰদান কৰিছে এনেদৰে—

*"উত্তৰ ভাৰতৰ কেদাৰ ব্ৰাহ্মণ মহাবলৱন্ত ৰজা*
*কামৰূপাধিপতি শংকলাদিবে ঘটুৱালে কেনে বুজা।*
*চাৰি লাখ পদাতী, লাখ অশ্বাৰোহী, চাৰি হেজাৰেক হাতী*
*শংকলাদিবৰ বীৰ্য-বিক্ৰমৰ ভাৰত বিয়পা খ্যাতি।*
*পাৰস্য-বিজেতা আফ্ৰিচিয়াব, আঠ লাখ মোগল সেনা*
*ঘটুৱাই শংকলে ঘোঁৰাঘাট পৰ্বতত কীৰ্তি ৰাখিলে জানা।"*[১৩]

লক্ষ্মীনাথ বেজবৰুৱাৰ পৰৱৰ্তী সময়ৰ এগৰাকী গীতিকাৰ চন্দ্ৰকুমাৰ আগৰৱালাৰ গীতটো জননী-জন্মভূমিৰ অৰ্থাৎ অসম মাতৃৰ গুণানুকীৰ্তন কৰা ঐতিহ্যই স্থান পোৱাৰ লগতে প্ৰাচীন কামৰূপৰ

ভৌগোলিক সৌন্দৰ্যৰো প্ৰকাশ ঘটিছে সাৱলীল ভাষাত—

*"অসমা-সুষমা-কামৰূপা*
*জয়তু*
*জননী ধৰিত্ৰী-দুহিতা*
*হিমাচলোতুঙ্গ ঔদীচি দিশা*
*জীমূত-ভূত-সলিলা*
*লৌহিত্য-মধ্য প্ৰবাহশীলা।"* [১৪]

অসমীয়া সমাজ জীৱনত বৈষ্ণৱ ধৰ্ম বা বৈষ্ণৱবাদে এক বিশেষ স্থান অধিকাৰ কৰি আছে। খৃষ্টীয় পঞ্চদশ শতিকাত শংকৰ-মাধৱে প্ৰৱৰ্তন কৰি যোৱা বৈষ্ণৱ ধৰ্মৰ ঐতিহ্য-পৰম্পৰাই আজিলৈকে অসম-অসমীয়াক সমৃদ্ধ কৰি থকা পৰিলক্ষিত হয়। শংকৰ-মাধৱে ভিন্ন গীত-পদ সৃষ্টি কৰাৰ লগতে অসমৰ ভিন্ন প্ৰান্তত সত্ৰ, নামঘৰ আদি প্ৰতিষ্ঠা কৰি বৈষ্ণৱ দৰ্শনৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ উপৰি সমগ্ৰ বিশ্বৰ ভিতৰতে অসমক এক সুকীয়া আসন প্ৰদান কৰিবলৈ সক্ষম হৈছে। "ষোড়শ শতিকাত অনন্ত কন্দলিয়ে "শংকৰদেৱৰপৰা অনুমতি লৈ আৰু তেওঁৰ আদৰ্শতেই কন্দলিয়ে দশমস্কন্ধ ভাগৱত পুৰণৰ উত্তৰাৰ্ধৰ পদ ভাঙনি কৰে।"[১৫] সমসাময়িকভাৱে ৰাম সৰস্বতীয়ে "প্ৰাচীন অসমীয়া কবিসকলৰ ভিতৰত সকলোতকৈ সৰহসংখ্যক পদ ৰচনা কৰি আৰু শতসহস্ৰ মহাভাৰতৰ বেছিভাগ শ্লোকেই অসমীয়া পদলৈ অনুবাদ"[১৬] কৰি অসমীয়া জাতীয় জীৱনত ঐতিহাসিকভাৱে শক্তিশালি কৰি তোলাত সক্ষম হয়। তৰুণৰাম ফুকনে গীতৰ জৰিয়তে অসমীয়া জাতীয় জীৱনৰ এনে ঐতিহ্যপূৰ্ণ গাঁথাক গীতৰ মাজেৰে প্ৰতীয়মান কৰি তুলিছে এনেদৰে—

*"ওপজি যি ঠাইত শংকৰ-মাধৱে বৈষ্ণৱ ধৰ্মৰ সাধিলে জয়,*
*আজিও যি ধৰ্ম ভাৰতত বৰিষে ভকতি প্ৰাণত চৰণে লয়।*
*অনন্ত কন্দলি ৰাম সৰস্বতী যাৰ কীৰ্তি দিলে বিয়পি দেশ।"*[১৭]

অতীতৰে পৰা ভাৰতবৰ্ষত এক আধ্যাত্মিক পৰিৱেশ বিৰাজমান। ইতিহাসৰ পাত লুটিয়াই চালে সহজেই অনুমান কৰিব পাৰি যে প্ৰাচীন কালৰেপৰা যুগে যুগে ভাৰতভূমিত মহান মহান সাধু-সন্ত, ধাৰ্মিক-জ্ঞানী ঋষিয়ে জন্মগ্ৰহণ কৰি তেওঁলোকৰ কৰ্মৰাজি আৰু দৰ্শনৰদ্বাৰা ভাৰতীয় ঐতিহ্য-পৰম্পৰাক

নতুন গতি প্ৰদান কৰিছিল। তেনে মুনিসকলৰ ভিতৰত মহাভাৰত স্ৰষ্টা বেদব্যাস, বৌদ্ধধৰ্ম বা দৰ্শনৰ প্ৰৱৰ্তক বুদ্ধদেৱকে আদি কৰি কপিল, বশিষ্ঠ ইত্যাদি সন্তৰ কৰ্মৰাজি তথা দৰ্শনে ভাৰতীয় ঐতিহ্যক যুগে যুগে মহিমামণ্ডিত কৰি তোলা পৰিলক্ষিত হয়। চন্দ্ৰধৰ বৰুৱাই গীতৰ মাজেৰে ভাৰতীয় সভ্যতাৰ এনেধৰণৰ ঐতিহ্যৰ কথা সুঁৱৰিছে এনেদৰে—

*"ব্যাস, বশিষ্ঠ, কপিল, গৌতম, বুদ্ধদেৱ আদি কৰি*
*কতনো ঋষিয়ে সাধনা কৰিলে, ইয়াতে জনম ধৰি*
*যাৰ কৰমৰ সুফল ভুগিছে গোটেই জগতখনে।"*[১৮]

হিন্দু মহাকাব্য তথা আখ্যানসমূহত উল্লেখ থকা অনুসৰি অসম দেশখনক প্ৰাগজ্যোতিষপুৰ, প্ৰাচীন কামৰূপ, কামৰূপ ইত্যাদি নামেৰে ঐতিহাসিকভাৱে উপস্থাপন কৰি অহা হৈছে। অতীতৰেপৰা অসম ভূখণ্ডৰ এক সুকীয়া আৰু স্বকীয় ঐতিহ্য আছে। অন্যান্য দিশৰ উপৰি ৰাজনৈতিকভাৱেও বিশেষ গুৰুত্ব থকা অসমভূমিত কেইবাগৰাকীও দক্ষ আৰু বিচক্ষণ ৰজাই শাসনভাৰ চলোৱা আৰু তেওঁলোকৰ কৰ্মৰাজিৰদ্বাৰা অসম ভূমিৰ গৌৰৱগাঁথা পৰিস্ফুট হোৱা অন্য ইতিহাসৰ পাতে পাতে উপলব্ধ। ভাৰতীয় মহাকাব্যৰ অন্যতম আদিগ্ৰন্থ 'মহাভাৰত'ত উল্লেখ থকা এগৰাকী বীৰ তথা ৰজা হ'ল নৰকাসুৰৰ পুত্ৰ ভগদত্ত। "মহাভাৰতত ভগদত্তক পূৰ্ব দেশৰ এজন পৰাক্ৰমী ৰজা বুলি বহুবাৰ উল্লেখ কৰা হৈছে। সভা পৰ্বমতে অৰ্জুনে তেওঁৰ ৰাজ্য 'প্ৰাগজ্যোতিষ' আক্ৰমণ কৰিছিল। বহুসংখ্যক কিৰাট আৰু চীনকে ধৰি সাগৰৰ পাৰত ভগদত্তৰ অসংখ্য যোদ্ধা থকা সত্বেও আঠদিন তয়াময়া যুদ্ধৰ পিছত ভগদত্তই অৰ্জুনৰ ওচৰত নতি স্বীকাৰ কৰি তেওঁক কৰ দিবলৈ বাধ্য হয়। কৌৰৱ-পাণ্ডৱৰ শেষ যুঁজত ভগদত্তই এটা অতি শক্তিশালী সৈন্য দল লৈ দুৰ্যোধনৰ পক্ষক যোগ দিয়েগৈ। মহাভাৰতৰ দ্ৰোণ পৰ্বৰ প্ৰায় চাৰিটা অনুচ্ছেদত কুৰুক্ষেত্ৰৰ ৰণত ভগদত্তই দেখুওৱা বীৰত্বৰ বৰ্ণনা পোৱা যায়।"[১৯] এওঁ প্ৰাচীন কামৰূপ ৰাজ্যৰ অধিপতি আছিল। মহাভাৰতৰ যুদ্ধত ভগদত্তই দুৰ্যোধনৰ পক্ষ লৈ সাহসিকতাৰে যুদ্ধত অৱতীৰ্ণ হোৱা বুলি মহাকাব্যত উল্লেখ আছে। ভগদত্তৰ দৰে আন এগৰাকী অসম ভূমিত ৰাজত্ব কৰা ৰজা হ'ল বাণ বা বাণাসুৰ। আব্দুছ ছাত্তাৰে 'প্ৰসংগকোষ' গ্ৰন্থত বাণ সম্পৰ্কে কৈছে— "এওঁ শোণিতপুৰৰ ৰজা

আছিল। এওঁ শিৱভক্ত আছিল। তেজপুৰত থকা মহাভৈৰৱ আৰু ৰুদ্ৰপদ মন্দিৰ এৰেঁই সজায়।"[২০] পৌৰাণিক তথ্য অনুসৰি সমালোচকসকলে বাণ কিৰাট ৰজা আছিল বুলি মত পোষণ কৰা পৰিলক্ষিত হয়। কামৰূপ ৰাজ্যত ৰাজশাসন চলোৱা বৰ্মন ৰাজবংশৰ এগৰাকী খ্যাতনামা ৰজা তথা বীৰ হ'ল কুমাৰ ভাস্কৰ বৰ্মন। ভাস্কৰ বৰ্মন অসম বুৰঞ্জীৰ এটি ঐতিহাসিক চৰিত্ৰ। এওঁ উত্তৰ ভাৰতৰ ৰজা হৰ্ষবৰ্দ্ধনৰ সমসাময়িক আছিল। "হৰ্ষবৰ্দ্ধনৰ এজন পাৰিষদে লিখা বিৱৰণ মতে, হৰ্ষবদ্ধনে তেওঁৰ ককায়েকৰ পিছত ৰাজ সিংহাসনত আৰোহণ কৰে। প্ৰায় একে সময়তে কামৰূপৰ ৰাজপাটত বহা ভাস্কৰ বৰ্মনে তেওঁৰ সৈতে বন্ধুত্ব স্থাপনৰ মানসেৰে হংসবেগ নামেৰে এজন দূতক বহু উপহাৰৰ সৈতে থানেশ্বৰলৈ পঠিয়াইছিল। এই বহুমূলীয়া উপহাৰসমূহৰ মাজত আছিল ভগদত্ত আৰু কামৰূপৰ অন্যান্য ৰজাসকলৰ দিনৰ কেতবোৰ আ-অলংকাৰ, ৰত্ন, পাটৰ কাপোৰ, গন্ধকলাই, কৰ্পূৰ, তামোল, চোঁৰৰ, সাঁচিপুথিৰ পুথি, এটা অলৌকিক ছাতি (বৰুণ দেৱতাই এই ছাতিটো নৰক ৰজাক দিছিল) ইত্যাদি।"[২১] আনকি ভাস্কৰ বৰ্মাৰ শাসনভাৰৰ সময়ছোৱাত "কামৰূপ ৰাজ্যৰ সীমা পশ্চিমে বিহাৰ আৰু ওড়িশাৰ ওচৰ পাইছিলগৈ।"[২২] বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত আহোম ৰজাসকলৰ অৱদান সৰ্বজনবিদিত। আহোম ৰজা জয়ধ্বজ সিংহৰ পৰৱৰ্তী সময়ছোৱাত চক্ৰধ্বজ সিংহই আহোম ৰাজপাটত উঠে। এইজন "চক্ৰধ্বজ সিংহৰ ৰাজত্ব কালতে আহোম সৈন্যই নগা-মিৰি অভিযান সফল কৰাৰ লগতে মোগলৰ সৈতে সংঘটিত হোৱা ঐতিহাসিক শৰাইঘাটৰ যুঁজত লাচিতৰ সেনাপতিত্বত আহোমসকলে মোগলক পৰাস্ত কৰিবলৈ সক্ষম হৈছিল। যাৰ ফলত মানাহ নদীলৈকে আহোম আৰু মোগলৰ সীমা নিৰ্দ্ধাৰণ হয়।"[২৩] প্ৰাচীন কামৰূপ তথা অসমভূমিৰ এনে গৌৰৱান্বিত আৰু বুৰঞ্জীপ্ৰসিদ্ধ গীতিগাঁথা তথা চৰিত্ৰসমূহৰ ঐতিহ্যক ৰাধানাথ ফুকনে গীতৰ মাজৰে বৰ্ণাইছে সাৱলীল ভাষাত—

*"কিয়নো পাহৰা অসমীয়া হেৰা*
*চিৰকাল তুমি আছিল স্বাধীন*
*ভগদত্ত বাণে কুমাৰ ভাস্কৰে*
*চক্ৰধ্বজ আদি আৰু কত বীৰে*
*অখণ্ড প্ৰতাপে মেদিনী কঁপালে*
*অসমীয়া জাতি আছিল প্ৰধান।"* [২৪]

অতীতৰে পৰা পৱিত্ৰ অসম ভূমিত বীৰ পুৰুষসকলে জন্মগ্ৰহণ কৰি অসমী আইক সমৃদ্ধ কৰাৰ লেখীয়াকৈ এচাম মহিয়সী নাৰীয়েও এই আই মাতৃৰ বুকুত জন্মলাভ কৰি তেওঁলোকৰ কৰ্মৰাজিৰদ্বাৰা জননী-জন্মভূমিৰ গৌৰৱগাঁথাক সৰবৰহী কৰি তোলা পৰিলক্ষিত হয়। এই মহীয়সী নাৰীসকলৰ ভিতৰত অন্যতম হ'ল বাণ ৰজাৰ জীয়ৰী ঊষা, কৃষ্ণৰ প্ৰণয়প্ৰাৰ্থী ৰুক্মিণীকে আদি কৰি সতী বেউলা, জয়া ইত্যাদি। এওঁলোকৰ ত্যাগ, আদৰ্শ আৰু কৰ্মৰাজিয়ে যুগে যুগে আই মাতৃক এক বিশেষ স্থানত অধিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। অসম ভূমিত জন্মগ্ৰহণ কৰা এই মহীয়সী নাৰীসকলক পদ্মধৰ চলিহাই গীতৰ মাজেৰে স্মৰণ কৰিছে এনেদৰে—

*"অসীম মহিমাধাৰিণী অসম জন্মভূমি*
*বাণৰ জীয়ৰী ঊষা পটেশ্বৰী*
*কৃষ্ণ বিমোহিনী ৰুক্মিণী সুন্দৰী*
*সতী কুল ৰাণী বেউলা-জয়াৰ জন্মধাৰিণী তুমি*
*দিয়াচোঁ জননী...।"* [২৫]

নানা জাতি-জনগোষ্ঠীৰ মিলনভূমি হ'ল অসম। অতীতৰেপৰা ভিন্ন ভাষা-ভাষী, জাতি-জনগোষ্ঠীয় লোকে সমন্বয়ৰ মাজেৰে নিজকে অসম মাতৃৰ সন্তান হিচাপে পৰিচয় দি অহা পৰিলক্ষিত হয়। এই জাতি-জনগোষ্ঠীয় তথা আৰ্য-অনাৰ্যৰ সংমিশ্ৰণত বৃহত্তৰ অসমীয়া জাতিটোৱে ঠন ধৰি উঠিবলৈ সক্ষম হৈছে। গীতিকাৰ কমলানন্দ ভট্টাচাৰ্যৰ গীতত অসম ভূ-খণ্ডত শান্তি-সম্প্ৰীতিৰে বসবাস কৰা জাতি-জনগোষ্ঠীয় সমন্বয়ৰ ঐতিহ্যই ভুমুকি মাৰিছে সাৱলীল ভাষাত—

*"মণিপুৰী, অকা, ভোট, ডফলা লুচাই*
*আবৰ, মিচিমি, নগা সহোদৰ ভাই;*
*সহোদৰ ভাই কোচ, কছাৰী কি টাই*
*খামটি, খাছীয়া, গাৰো, ভিন-পৰ নাই।"* [২৬]

ভাৰতীয় তথা অসমীয়া সমাজ জীৱনত সামাজিক উৎসৱ হিচাপে 'বিবাহ' অনুষ্ঠানৰ এক বিশেষ ভূমিকা আছে। অতীতৰে পৰা ভাৰত তথা অসমত বিবাহ উৎসৱৰ প্ৰচলন থকা দেখা যায়। এই বিবাহ অনুষ্ঠানৰ সৈতে সংশ্লিষ্ট জাতি একোটাৰ সাংস্কৃতিক দিশটো বহু পৰিমাণে জড়িত হৈ থাকে। অসমীয়া সমাজখনত প্ৰচলিত বিবাহ অনুষ্ঠানৰ জৰিয়তেও অসমীয়া মানুহৰ লোকাচাৰ, পৰম্পৰা, বিশ্বাস আদিৰ

বিষয়ে অৱগত হ'ব পাৰি। আধুনিক অসমীয়া গীতসমূহতো অসমীয়া বিবাহ অনুষ্ঠানৰ ঐতিহ্য তথা পৰম্পৰাৰ মুক্ত প্ৰকাশ ঘটা দেখা যায়। এইক্ষেত্ৰত দ্বিজেন্দ্ৰমোহন শৰ্মাৰ 'মাহ হালধিৰে নোৱালে ধুৱালে' শীৰ্ষক গীতটিলৈ আঙুলিয়াব পাৰি—

*"মাহ হালধিৰে নোৱালে ধুৱালে*
*কইনা সজালে কোনে দাপোণমতীক*
*কইনা সজালে কোনে?*
*ডিঙিত জ্বলিলে হীৰা নে মুকুতা*
*মুগাৰে পাটৰে কি সাজে শুৱালে*
*গুণাৰ বটা বছা ফুলে*
*সোণৰে ৰূপৰে গহণা জিলিকে*
*ডিঙিত জোনবিৰি জ্বলে।"*[২৭]

অতীতৰে পৰা অসমীয়া নাৰীসকল সাংস্কৃতিকভাৱে আগবঢ়া আৰু সৌন্দৰ্য সচেতন হোৱা পৰিলক্ষিত হয়। অন্যান্য সাজ-পোছাকৰ লগতে অসমীয়া নাৰীয়েও বিভিন্ন ধৰণৰ অলংকাৰ পৰিধান কৰি স্বকীয় ঐতিহ্যক মহীয়ান কৰি তোলা দেখা যায়। অসমীয়া লোকগীত, বিয়ানাম আদিৰ লেখিয়াকৈ আধুনিক অসমীয়া গীততো বিশেষকৈ আনন্দিৰাম দাসৰ গীততো অসমীয়া নাৰীয়ে পৰিধান কৰা বিভিন্ন অলংকাৰক ঐতিহ্যই মূৰ্তমান হৈ উঠিছে এনেদৰে—

*"অসমৰ শুৱনি জীয়ৰী-বোৱাৰী*
*কাণত মিনা কৰা কেৰু*
*ডিঙিত সাতেসৰী বুকুত জোনবিৰি*
*হাতত সোণৰ গামেখাৰু।"*[২৮]

ভাৰতীয় সমাজত মহাভাৰতীয় কাহিনী "কৌৰৱ আৰু পাণ্ডৱসকলৰ মাজৰ কুৰুক্ষেত্ৰৰ যুদ্ধ"[২৯]ৰ বৰ্ণনা বহুলভাৱে প্ৰচলিত। উল্লেখযোগ্য যে কৌৰৱ পক্ষৰ অমানৱীয় নীতিৰ প্ৰবল বিৰোধিতাৰে পাণ্ডসকলে কৌৰৱসকলক যুদ্ধত পৰাজিত কৰি ৰাজসূয় যজ্ঞ সমাপন কৰাৰ যি ঐতিহাসিক গাঁথা, সেই ৰাজসূয় যজ্ঞৰ ঐতিহ্যই অম্বিকাগিৰী ৰায়চৌধুৰীৰ গীতত প্ৰতীয়মান হৈছে এনেদৰে—

*"দূৰ-দ্বাপৰত শুনিছোঁ পাণ্ডৱে জয় কৰি*
*সপ্ত ধৰিত্ৰী*
*যজ্ঞ ৰাজসূয় হেলাৰে সম্পাদিলে, সম্ৰাট*

*হৈ একছত্ৰী।”*[৩০]

আধুনিক অসমীয়া গীতক ন ন কৌশলেৰে সজীৱ কৰি তোলাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান অতুলনীয়। তেওঁৰ গীতত জনতাৰ জাগৰণ, নতুনৰ জয়গান, অতীত গৌৰৱেৰে গৌৰৱোজ্জ্বল অসমীয়া জাতিৰ স্বকীয় ঐতিহ্যই স্থান লাভ কৰা পৰিলক্ষিত হয়। অসমীয়া জাতিৰ সাহস, বীৰত্ব আৰু স্বাভিমান জড়িত হৈ থকা ঐতিহাসিক শৰাইঘাটৰ যুদ্ধ যিখন “১৮৭১ চনত সংঘটিত হৈছিল মোগল সাম্ৰাজ্য (Kachwaha ৰজা ৰাম সিংহৰ নেতৃত্বত) আৰু আহোম ৰাজ্যৰ (লাচিত বৰফুকনৰ নেতৃত্বত) মাজত। এই যুদ্ধ ব্ৰহ্মপুত্ৰৰ শৰাইঘাটত (বৰ্তমানৰ গুৱাহাটীত হৈছিল)। এই যুদ্ধৰদ্বাৰা মোগলে অন্তিমবাৰৰ বাবে অসমলৈকে নিজৰ সাম্ৰাজ্য বিস্তাৰিত কৰাৰ প্ৰচেষ্টা কৰিছিল। পিছলৈমোগলে গুৱাহাটী অধিকাৰ কৰিছিল যদিও ১৬৮২ চনত আহোমে গুৱাহাটীখন নিজৰ অধীনলৈ আনে।”[৩১] এই যুদ্ধত আহোমসকলৰ জয়ন্তীয়া, কছাৰী ৰাজ্যৰ ৰজাসকলেও সহায় আগবঢ়ায়। অসম বুৰঞ্জীৰ এনে ঐতিহাসিক প্ৰসংগ আগৰৱালাই গীতৰ মাজেৰে প্ৰতিফলিত কৰিছে এনেদৰে—

*“ময়ে অসমীয়া শৰাইঘাটৰ*
*চোকা তৰোৱাল লওঁ লাচিতৰ*
*মোমাই তামুলীগড়ৰ*
*দুৰ্জ্জয় অগ্নিগড়ৰ ময়েই*
*নাই মোৰ সমসৰ*
*ময়েই খাছীয়া*
*মই জয়ন্তীয়া*
*ডফলা-আবৰ-আঁকা।”*[৩২]

আধুনিক অসমীয়া গীতিসাহিত্যক সমৃদ্ধ কৰা অন্যতম এগৰাকী গীতিকাৰ হ’ল পাৰ্বতিপ্ৰসাদ বৰুৱা। স্বদেশৰ প্ৰাকৃতিক সৌন্দৰ্য, প্ৰকৃতিপ্ৰেম, স্বদেশৰ প্ৰতি গভীৰ শ্ৰদ্ধা, গাঁৱলীয়া জীৱনৰ প্ৰতি বিশেষ অনুৰাগ ইত্যাদি বৈশিষ্ট্যই বৰুৱাই গীতত স্থান পোৱাৰ উপৰি ঐতিহ্য চেতনাৰ দিশটিও প্ৰতিফলিত হোৱা দেখা যায়। উনৈশ শতিকাৰ অসমৰ সমাজ-ৰাজনৈতিক জীৱনৰ সৈতে জড়িত এটি নাম হ’ল মণিৰাম দেৱান। “১৯৭৫ চনত শেষৰ ফালে মণিৰাম দেৱানে চাৰিং ৰজা কন্দৰ্পেশ্বৰ সিংহক সমগ্ৰ উজনি অসমত ৰজা পাতিবলৈ বৃটিছক অনুৰোধ কৰাৰ উদ্দেশ্যে তেতিয়াৰ বৃটিছ ৰাজধানী কলিকতালৈ যায়। সেই সময়তে

ভাৰতত চলি থকা চিপাহী বিদ্ৰোহৰ কথা জানিব পাৰি বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ কৰিবলৈ সাজু হ'বৰ বাবে কলিকতাৰপৰা কন্দৰ্পেশ্বৰ সিংহলৈ এখন পত্ৰ প্ৰেৰণ কৰে। সেই পত্ৰখন বৃটিছ আৰক্ষী বিষয়া হৰনাথ ডাৰোগাৰ হাতত পৰে। হৰনাথে সেইখন শিৱসাগৰ জিলাৰ জিলাধিপতি হলউডক দিয়ে। চিঠিখনৰ দ্বাৰা মণিৰাম দেৱানে বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ পৰিকল্পনা কৰা বুলি সন্দেহ কৰাত তেওঁক তেতিয়াই কলিকতাত বন্দী কৰে আৰু যোৰহাটলৈ আনি বিচাৰ কৰি ১৮৫৮ চনৰ ২৬ জানুৱাৰীত যোৰহাট নগৰৰ মাজমজিয়াত মুকলিকৈ জনচক্ষুৰ আগত ফাঁচী দিয়ে।"[৩৩] স্বদেশ আৰু স্বজাতিৰ হিতৰ কাৰণে বৃটিছ শাসনৰ বিৰুদ্ধে ধাৰাবাহিক সংগ্ৰাম কৰি আত্মবলিদান দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। মণিৰাম দেৱানৰ প্ৰসংগৰ উল্লেখেৰে গীতৰ জৰিয়তে পাৰ্বতি প্ৰসাদ বৰুৱাই অসমীয়া জাতিৰ সাহস আৰু বীৰত্বৰ ঐতিহাসিক মুহূৰ্তক অংকন কৰিছে এনেদৰে—

*"চালত মলঙিলে চালদৈ কোমোৰা*
*টেকেলিত মলঙিল লোণ*
*মাটিত মলঙিলে মণিৰাম দেৱান ঐ*
*নেকান্দি থাকিব কোন।...*
*সেয়ে ৰিঙিয়াই গায়*
*ৰঙা টুনি আজি কেইটা নহয়*
*ক'লা টুনি জাক জাক*
*জাগ অসমীয়া জাগ*
*মণিৰামৰ মৰণে গায়*
*জাগ অসমীয়া জাগ।"*[৩৪]

আধুনিক অসমীয়া গীতিসাহিত্যক গণমুখী কৰি তোলাত বিষ্ণুপ্ৰসাদ ৰাভাৰ অৱদান উল্লেখযোগ্য। স্বদেশ প্ৰেম, জাতীয়তাবাদী মনোভংগী আৰু সৰ্বহাৰাৰ মুক্তিৰ হকে গীত সৃষ্টি কৰা ৰাভাই স্বদেশ-স্বজাতিৰ ঐতিহ্যমণ্ডিত গৌৰৱগাঁথাসমূহৰ উল্লেখেৰেও গীত ৰচি অসম আৰু অসমীয়া জাতিৰ ঐতিহ্যক প্ৰতিপন্ন কৰি তুলিছে সাৱলীল ভাষাত—

*"দুৰ্গম নদ পাথৰ গিৰি*
*লঙিছিলে ডেকাগিৰী*
*সুন্দৰ শংকৰে লৰি*

*কৰিছিলে তল।*
*দেখুৱাইছিল জগতজুৰি*
*অসীম বাহুৰ বল*
*কীৰ্তন দশম নামঘোষা*
*হওক আমাৰ শৌৰ্য*
*নাট গীত নাম বৰগীতত*
*হওক আমাৰ তুৰ্থ।"*[৩৫]

উপৰোক্ত গীতফাঁকিৰ জৰিয়তে ৰাভাই অসমীয়া জাতীয় জীৱনক নতুন বাটৰ সন্ধান দিয়া শংকৰদেৱ আৰু তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱৰ বলিষ্ঠ নেতৃত্ব আৰু সৃষ্টিৰাজিৰ ঐতিহ্যক প্ৰতিভাত কৰি তুলিছে।

পঞ্চাশৰ দশকত অসমীয়া আধুনিক গীতৰ জগতখনত খলকনিৰ সৃষ্টি কৰা এগৰাকী গীতিকাৰ হ'ল ভূপেন হাজৰিকা। ভিন্ন বিষয়-বৈচিত্ৰ্যৰে অসমীয়া আধুনিক গীতক নতুন গতি প্ৰদান কৰা হাজৰিকাৰ গীতত স্বদেশ-স্বজাতি প্ৰেম, সমন্বয় চেতনা, জাতি-জনগোষ্ঠীয় ঐতিহ্য, সমাজ চেতনা ইত্যাদি বিষয়বস্তুৱে স্থান পোৱা পৰিলক্ষিত হয়। তদুপৰি ভূপেন হাজৰিকাৰ গীতত অসমীয়া জাতি, ভাষা, সাহিত্য-সংস্কৃতিৰ ঐতিহ্যই মূৰ্তমান হৈ উঠা পৰিলক্ষিত হয়। অসমীয়া জাতি বিভিন্ন জাতি-জনগোষ্ঠীয় সংমিশ্ৰণৰ সমষ্টি। আৰ্য-অনাৰ্যৰ সমন্বয়ত সৃষ্ট অসমীয়া জাতিটোৰ লেখীয়াকৈ অসমীয়া ভাষাটোও বিভিন্ন জাতি-জনজাতিৰ ভাষিক উপাদানেৰে সমৃদ্ধ। যাৰ ফলত এই ভাষাটোৱেও জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত ভাতৃত্ববোধৰ এনাজৰী কটকটীয়া কৰাত অৰিহণা যোগাইছে। ভূপেন হাজৰিকাই অসমীয়া ভাষা-সাহিত্যৰ এনে ঐতিহ্যক গীতৰ ভাষাৰে দাঙি ধৰিছে—

*"ভাষা-সাহিত্যৰ কথাকে কিমান লিখিম*
*জনজাতিৰ ভাষাৰ দান কিমান বখানিম হে।*
*বড়ো তিৱা হাজং ৰাভা এ দেউৰী মণিপুৰী*
*টাই ভাষাই অসমীয়া ৰাখে দৃঢ় কৰিহে।*
*চৰৰ ন অসমীয়া আৰু চাহ বাগিচাৰ ভাষা*
*অসমীয়া সাহিত্যলৈ আনে ৰঙীণ আশাহে।"*[৩৬]

এই সময়ছোৱাৰে আন এগৰাকী গীতিকাৰ কেশৱ মহন্তই বিশেষকৈ থলুৱা লোকসংগীতৰ শৈলীত অসমীয়া আধুনিক গীত চৰ্চা কৰি অসমীয়া আধুনিক গীতক ন ৰূপত উদ্ভাসিত কৰি তুলিছে। অসমীয়া

লোকগীতৰ অন্তৰ্ভুক্ত বিয়ানামৰ শৈলীত সৃষ্টি কৰা কেশৱ মহন্তৰ তেনে এটি গীত হ'ল—

*"অ' ফুলপাহ হালিছ জালিছ*
*অ' ফুলপাহ কি কথা পাতিছ*
*কিনো বতাহ ছাটি*
*তই বাৰে বাৰে আমনি কৰিছ।"*[৩৭]

ভাৰতীয় সংস্কৃতিত 'কৃষ্ণ' চৰিত্ৰৰ প্ৰাসংগিকতা সৰ্বজনবিদিত। দেৱকাৰ্য সাধন কৰাৰ বাবে নন্দ-যশোদাৰ গৃহত লালিত-পালিত হোৱা কৃষ্ণই নিজ কাৰ্য সমাপনৰ উদ্দেশ্যে বৃন্দাৱনৰপৰা মথুৰালৈ স্থানান্তৰিত হোৱাত বৃন্দাৱনবাসী যি দুৰ্ভাগ্যজনক অৱস্থাৰ সন্মুখীন হৈছিল তাৰ সবিশেষ বৰ্ণনা মধ্যযুগীয় ভাৰতীয় সাহিত্য তথা বৈষ্ণৱীয় সাহিত্যতো উপস্থাপন হোৱা পৰিলক্ষিত হয়। গীতিকাৰ কেশৱ মহন্তৰ গীততো 'কৃষ্ণ'কেন্দ্ৰিক সেই ঐতিহ্যই ভুমুকি মাৰিছে সাৱলীল ভাষাত—

*"যায় অ' কানু বায় বেণু*
*কোন দূৰণিৰ মথুৰালৈ' যায়*
*সোণৰ ৰথে পথে পথে সাঁচ বহুৱাই*
*শুদা মন বিৰিন্দাবন উঠে উচপ খাই।"*[৩৮]

পঞ্চাশৰ দশকতে বিশেষকৈ অসমীয়া জাতীয় চিন্তা-চেতনাৰে সমৃদ্ধ গীত সৃষ্টি কৰি আত্মপ্ৰকাশ কৰা অন্যতম এগৰাকী হ'ল গীতিকাৰ ৰুদ্ৰ বৰুৱা। বিষয়-বৈচিত্ৰ্যৰে পৰিপূৰ্ণ বৰুৱাৰ গীতসমূহত অতীত অসমৰ ঐতিহ্যময় গাঁথাসমূহেও স্থান পোৱা দেখা যায়। অতীতৰেপৰা অসমীয়া নাৰীসকলে কৰ্মদ্যোম আৰু স্বাৱলম্বিতাৰ পৰিচয় দি আহিছে। অসমীয়া সমাজত প্ৰাচীন কালৰে পৰা নেওঠনী পদ্ধতিৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। "কপাহ পেৰি পেৰি গুটি গুচোৱা পদ্ধতিটোক নেওঠনী বুলি কোৱা হয়।"[৩৯] অসমীয়া নাৰীয়ে নিজৰ ঘৰতেই কপাহৰ খেতি কৰিছিল আৰু নেওঠনী পদ্ধতিৰে সূতা উলিয়াই কপাহী কাপোৰ উৎপাদন কৰিছিল। এই কপাহী কাপোৰেৰে আন এটি নাম কৱচ কাপোৰ। স্বাধীনতা সংগ্ৰামীসকলৰ মাজত এই কাপোৰৰ বিশেষ সমাদৰ আছিল। অসমীয়া সমাজত প্ৰচলিত এটা লোকবিশ্বাস অনুসৰি "এৰাতিতে বৈ দিয়া এনে কৱচ পিন্ধি ৰণলৈ গ'লে ৰণত মৃত্যু নহয়।"[৪০] অসমীয়া শিপিনীয়ে উৎপাদন কৰা কৱচ কাপোৰৰ ঐতিহ্যক ৰুদ্ৰ বৰুৱাই গীতৰ মাজেৰে প্ৰতীয়মান কৰিছে সাৱলীলভাৱে—

*"ৰাতি কপাহ ধুনি ৰাতিতে নেওঠি*

*ৰাতি পাঁজি সেৰা কাটি*
*মোৰ শিপিনীয়ে পুৰালৈ দিছিলে*
*কঁকালত টঙালি আঁটি।"*[৪১]

এই সময়ছোৰাৰে আন এগৰাকী গীতিকাৰ লীলা গগৈয়ে ন ন বিষয়বস্তুৰে অসমীয়া আধুনিক গীতক সমৃদ্ধ কৰিছে। লীলা গগৈৰ গীতসমূহতো অসম-অসমীয়াৰ জাতীয় জীৱনৰ ঐতিহ্য পৰম্পৰাই আত্মপ্ৰকাশ লাভ কৰা দেখা যায়। অসমৰ জাতীয় জীৱনৰ এগৰাকী বুৰঞ্জীপ্ৰসিদ্ধ নাৰী জয়মতী কুঁৱৰী। জনমানসত জয়মতীক জয়া বুলিও অভিহিত কৰা হয়।

"এওঁ লাইথেপেনা বৰগোহাঁইৰ জীয়েক আৰু মহাৰাজ গদাধৰ সিংহৰ ভাৰ্যা। ল'ৰাৰজাৰ ভয়ত গদাধৰ সিংহ (গদাপাণি) পলাই ফুৰোঁতে ল'ৰাৰজাই এওঁক ধৰাই নি নানা শাস্তি দিয়াতো গিৰিয়েকৰ বাতৰি নক'লে।"[৪২] কেইবাদিনো লালুকসোলা বৰফুকনৰ অমানৱীয় অত্যাচাৰত তেজেৰে লুতুৰি-পুতুৰি হৈ স্বদেশ-স্বজাতিৰ কাৰণে জেৰেঙা পথাৰত (শিৱসাগৰ জিলা) জয়মতীয়ে অকাল মৃত্যুক সাৱটি লয়। জয়মতীৰ এই ঐতিহাসিক ত্যাগ আৰু আদৰ্শই অসমীয়া জাতীয় জীৱনক সমৃদ্ধ কৰিছে। গীতিকাৰ লীলা গগৈয়ে জয়া ওৰফে জয়মতীৰ সেই ঐতিহাসিক কীৰ্তিক গীতৰ ভাষাৰে প্ৰকাশ কৰিছে সাৱলীল ভাষাত—

*"জেৰেঙাৰে বিৰিণা ৰাঙলী কাৰ তেজেৰে*
*চেকুৰা চেকুৰে ৰ'ল;*
*কাৰ চকুলোৰে সাগৰ উপচিলে*
*বেদনা বাগৰি গ'ল।"*[৪৩]

যাঠিৰ দশকত আত্মপ্ৰকাশ কৰা নিৰ্মলপ্ৰভা বৰদলৈয়ে গীতসমূহৰ জৰিয়তে স্বদেশৰ প্ৰাকৃতিক সৌন্দৰ্য, সাংস্কৃতিক পৰম্পৰাৰ চিত্ৰায়ণ, গাঁৱলীয়া জীৱনৰ প্ৰতি বিশেষ অনুৰাগ, সাধাৰণ মানুহৰ ইচ্ছা-আকাংক্ষাৰ নামাতে ঐতিহ্য চেতনাক দিশটোকো পৰিস্ফুট কৰা পৰিলক্ষিত হয়। হিন্দু মহাকাব্যৰ ঐতিহাসিক নায়ক-নায়িকা ক্ৰমে— কৃষ্ণ আৰু ৰাধা প্ৰসংগই বৰদলৈৰ গীতৰ মাজৰে প্ৰতীয়মান হৈছে এনেদৰে—

*"গকুলতে কৃষ্ণ আছে*
*গকুলতে ৰাধা*

*ৰাধা, ৰাধা, ৰাধা*
*ৰাধা, ক'তে আছা।"* [৪৪]

তদুপৰি ভাগৱত পুৰাণ আৰু বিষ্ণু পুৰাণত উল্লিখিত এক কাহিনী অনুযায়ী প্ৰাচীন কালত শোণিতপুৰ (বৰ্তমানৰ তেজপুৰ) ৰাজ্যৰ ৰজা বাণৰ ঊষা নামেৰে এজনী পৰম ৰূপৱতী কন্যা আছিল। শ্ৰীকৃষ্ণৰ নাতি আৰু প্ৰদ্যুম্নৰ পুত্ৰ অনিৰুদ্ধই ঊষাৰ সখীয়েক চিত্ৰলেখাৰ মায়াৰ বলত ঊষাৰ সৈতে গন্ধৰ্ব বিবাহ সমাপন কৰিছিল। নিৰ্মলপ্ৰভা বৰদলৈৰ গীতটো সেই ঐতিহাসিক প্ৰসংগই বাস্তৱসন্মত ৰূপত প্ৰকাশি উঠিছে এনেদৰে—

*"মোৰ নাম অনিৰুদ্ধ*
*এক অপৰূপ সৌন্দৰ্য স্বপ্নই*
*মোক কৰি থৈছে মুগ্ধ।*
*এক ৰমণীয় ঊষাৰ পোহৰে*
*উন্মনা মোক কৰে*
*সীমাৰ পৰিধি সমাজৰ বিধি*
*ভাঙি ছিঙি গতি লৰে*
*দুৰ্গম এক পথ অতিক্ৰম*
*আনিম ৰশ্মি দীপ্ত।"* [৪৫]

সত্তৰ-আশীৰ দশকত অসমীয়া আধুনিক গীতক সমৃদ্ধ কৰা এগৰাকী অন্যতম গীতিকাৰ হ'ল অপূৰ্ব বেজবৰুৱা। সহজ-সৰল গ্ৰাম্য জীৱনৰ পৰম্পৰা, ৰীতি-নীতি, নাৰীৰ প্ৰেম-ভালপোৱা, স্বজাতি প্ৰেম ইত্যাদিক বিষয়বস্তু হিচাপে লৈ বেজবৰুৱাই পাঁচশৰো অধিক গীত ৰচনা কৰিছে। অপূৰ্ব বেজবৰুৱাই বিহুগীত, বনগীত, বিয়ানাম ইত্যাদি লোকসংগীতৰ সুৰক আশ্ৰয় কৰি ভালেমান অসমীয়া আধুনিক গীত ৰচনা কৰা পৰিলক্ষিত হয়। অসমীয়া জাতীয় জীৱনৰ বাপতি-সাহোন ব'হাগ বিহুৰ সৈতে অসম-অসমীয়াৰ ভিন্ন লোকাচাৰে ক্ৰিয়া কৰি অহা অতীতৰে পৰা দেখা যায়। আন আন লোকাচাৰৰ লগতে ব'হাগ বিহুৰ প্ৰথম দিনাখন সৰুৱে ডাঙৰজনাক সেৱা কৰাৰ বিপৰীতে ডাঙৰজনাই সৰুক আশীৰ্বাদ দিয়াৰ দৰে প্ৰণয়াসিক্ত প্ৰেমিক-প্ৰেমিকাসকলে মনৰ ভাবানুভূতি বিনিময় কৰা পৰম্পৰা অতীতৰে পৰা চলি আহিছে। ব'হাগ বিহুৰ এই দিনটোতে প্ৰেমিকাসকলে প্ৰেমিকসকলক শ্ৰদ্ধা আৰু মৰমৰ চিন হিচাপে তাঁতশালত নিজ হাতেৰে তৈয়াৰ কৰা একোখনকৈ ফুলাম গামোচা উপহাৰ হিচাপে প্ৰদান কৰাৰ

পৰম্পৰা অসমীয়া সমাজত প্ৰচলিত আছে। আনকি বিহুগীতসমূহতো এনেধৰণৰ কথাই স্থান পাই আহিছে। অপূৰ্ব বেজবৰুৱাৰ গীততো ব'হাগৰ প্ৰথম দিনটোৰ এই পৰম্পৰাগত লোকাচাৰে আত্মপ্ৰকাশ কৰিছে এনেদৰে—

*"ফুলাম বিহুৱান এইবাৰ লাগিব*
*ব'হাগৰ প্ৰথম দিনতে*
*মৰমজৰীৰে বান্ধিব লাগিব*
*এইবাৰ ব'হাগতে*
*তাঁতৰ শালত আজি বহিছনে নাই?"* [৪৬]

তদুপৰি অসম তথা অসমীয়াৰ ব'হাগৰ বিহুটিত প্ৰতিজন অসমীয়া ডেকা-গাভৰুকে আদি কৰি আবাল-বৃদ্ধ-বণিতা সকলোৱে মিলি আনন্দ প্ৰকাশৰ লগতে গীত-নৃত্যও পৰিৱেশন কৰে। ধাননি পথাৰ তথা মুকলি ঠাইত এই গীত-নৃত্যত অংশগ্ৰহণ কৰোঁতে অসমীয়া গাভৰু বা নাৰীসকলে স্বকীয় পৰম্পৰাৰে সম্পৃক্ত সাজ-পাৰ, আ-অলংকাৰ পৰিধান কৰা পৰিলক্ষিত হয়। নাৰীসকলে পৰিধান কৰা এনে ধৰণৰ প্ৰসাধনে অসমীয়া নাৰীসকলৰ সাংস্কৃতিক ঐতিহ্যৰ স্বৰূপটোকে প্ৰতিনিয়ত কৰে। অপূৰ্ব বেজবৰুৱাই তেওঁৰ গীতৰ জৰিয়তে বিহু নৃত্য-গীতৰ সৈতে জড়িত সাংস্কৃতিক স্বকীয়তাক উন্মুক্ত কৰিছে সাৱলীলভাৱে—

*"কেৰুমণি থুৰীয়া আৰু গামখাৰু*
*খোপাতে বনৰ কপৌ ফুল।*
*দুহাততে সানিলোঁ জেতুকাৰে ৰং*
*ওঁঠত বঢ়মথুৰি বোল।*
*মুগা ৰিহা মেখেলাৰে*
*নিজকে সজাও আজি নিজকে সজাওঁ।"* [৪৭]

এইদৰে আধুনিক অসমীয়া গীতত ঐতিহ্যচেতনা অতি সুন্দৰ তথা শক্তিশালী ৰূপত প্ৰতিফলিত হোৱা দেখা যায়।

### ২.০১.৪ অসমীয়া আধুনিক গীতত সমাজচেতনা ঃ

সাহিত্য জীৱনৰ আলোচনা। সাহিত্য কোনো এজন ব্যক্তিৰ সৃষ্টিশীল ক্ষমতা। উল্লেখযোগ্য যে লেখক তথা ব্যক্তিগৰাকী নিৰ্দিষ্ট সমাজ এখনৰ অংশীদাৰ। লেখকজনৰ সংশ্লিষ্ট সমাজ আৰু লেখকৰ ব্যক্তিগত

ভাবানুভূতি তথা দৰ্শনৰ সমন্বয়ত সাহিত্যই আত্মপ্ৰকাশ লাভ কৰে বুলি ক'ব পাৰি। সে.য়ে সাহিত্যই সমাজখনৰ অৱলোকন কৰে বুলি কোৱা হয়। অৰ্থাৎ সমাজ আৰু সাহিত্যৰ মাজত এক এৰাব নোৱৰা সম্পৰ্ক বিৰাজমান। সাহিত্যকৰ্মই পাঠক বা শ্ৰোতাক ৰস আস্বাদিত কৰাই মনোৰঞ্জনৰ যোগান ধৰাৰ লগতে সমাজ আৰু সামাজিক সমস্যাসমূহৰো প্ৰসংগ উত্থাপনৰ দ্বাৰা তাৰ সমাধান সূত্ৰৰো দিক্ দৰ্শন কৰোৱা সততে পৰিলক্ষিত হয়। আধুনিক অসমীয়া সাহিত্যৰ এটি অন্যতম ভাগ অসমীয়া আধুনিক গীতসমূহো এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। সুস্থ, গতিশীল আৰু বৈষম্যহীন সমাজ এখন প্ৰতিষ্ঠা কৰাৰ বাবে আধুনিক অসমীয়া গীতে জন্মলগ্নৰে পৰা অৰিহণা যোগাই আহিছে। এই শ্ৰেণীৰ গীতসমূহে অসমৰ সমাজ জীৱনৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক ইত্যাদি প্ৰতিটো ক্ষেত্ৰতে সৰ্বসাধাৰণক সজাগ-সচেতন আৰু একত্ৰিত হ'বলৈ আহ্বান জনোৱা পৰিলক্ষিত হয়। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক ৰক্ষণাবেক্ষণ দিয়াৰ ক্ষেত্ৰতো আধুনিক অসমীয়া গীতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

জন্মলগ্নৰে পৰা অসমীয়া আধুনিক গীতি সাহিত্যই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক প্ৰতিষ্ঠা আৰু ৰক্ষণাবেক্ষণৰ বাবে যথেষ্ট গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হয়। অসমীয়া সমাজ জীৱনক নখ দৰ্পণত লৈ লক্ষ্মীৰাম বৰুৱা, সত্যনাথ বৰা, ভোলানাথ দাস, ৰমাকান্ত চৌধুৰী, পদ্মনাথ গোহাঞি বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা প্ৰভৃতি গীতিকাৰসকলে গীত চৰ্চা কৰি সৰ্বসাধাৰণৰ মন-মগজুত জাতীয়তাবাদী ভাবধাৰাৰ উন্মেষ ঘটাবলৈ প্ৰয়াস কৰা দেখা যায়। স্বদেশ-স্বজাতি প্ৰেম, প্ৰাচীন অসমৰ গৌৰৱোজ্জ্বল কীৰ্তি-ঘটনা ইত্যাদিৰ প্ৰতি সচেতন হৈ গীত চৰ্চা কৰা লক্ষ্মীনাথ বেজবৰুৱাৰ গীতত অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিক উদ্ধাৰ আৰু সংৰক্ষণ কৰাৰ মানসিকতা স্পষ্ট। সেয়ে বেজবৰুৱাই তেওঁৰ গীতৰ মাজেৰে অসমীয়া ভাষা-সাহিত্যক অন্ধকাৰৰ পৰা মুক্ত কৰি সাহিত্যৰ বিজয় ঘোষণা কৰা বৰেণ্য ব্যক্তিসকলৰ কৰ্মৰাজিক স্মৰণেৰে নৱ প্ৰজন্মক জীৱনৰ লক্ষ্য স্থিৰ কৰি জ্ঞান-বুদ্ধিৰে পৰিচালিত হৈ সমাজ তথা জাতিক গতিশীল কৰি তুলিবলৈ আহ্বান জনাইছে স্পষ্টভাৱে—

*"হেমকোষ' ৰচি হেমচন্দ্ৰ হেৰা ভাষা-আকাশৰ জোন,*

*স্বদেশী ভাষাত এনে শব্দকোষ ভাৰতত ৰচিলে কোন?*
*তামুলী ফুকন, গুণাভি বৰুৱা, বুৰঞ্জী জ্ঞানত জ্ঞানী,*
*স্বাধীন ব্যৱসা দেশৰ হিতত, জগন্নাথ মাণিক মানী।*
*হেৰা অসমীয়া, নোহোৱা দুখীয়া, কিহৰ দুখীয়া হ'বা?*
*নিজক নাপাহৰি বিভুক সুঁৱৰি, লাগাচোন সুফল পাবা।"*[৪৮]

সেই সময়ৰে আন এগৰাকী গীতিকাৰ হেমচন্দ্ৰ গোস্বামীয়ে তৎকালীন অসমৰ সমাজ-ৰাজনৈতিক পৰিস্থিতিৰ বুজ লৈ অসমীয়া জাতিয়ে প্ৰচুৰ সম্পদৰ অধিকাৰী হোৱাৰ পিচতো যে স্বকীয় কৰ্ম সংস্কৃতিৰ অভাৱতে জন্মভূমিৰ জয়গান ঘোষণা কৰিব পৰা নাই, সেই কথা উপলব্ধি কৰি প্ৰতিভাৱান অসমীয়াক কৰ্ম সংস্কৃতিমুখী হ'বলৈ গীতৰ মাজেৰে আৱাহন জনাইছে এনেদৰে—

*"অযোগ্য সন্তান আমি স্বৰ্গীয় জনমভূমি*
*কৰ্তব্য পাহৰি সৱে কি হ'লো নোচোৱা গমি।*
*আমাৰ জনমভূমি নাছিল একোতে কমি*
*আমিহে বিপদগামী হ'লো পুত্ৰ অকৰমী।"*[৪৯]

লক্ষ্মীনাথ বেজবৰুৱাৰ সংগীত কোষ গ্ৰন্থত সন্নিৱিষ্ট ৰাধানাথ ফুকনৰ 'কিয়েনো পাহৰা' শীৰ্ষক গীতটোত শংকৰদেৱ-মাধৱদেৱৰ সৃষ্টিৰাজি, আদৰ্শৰ কথা উনুকিয়াই এলাহ-ভাগৰ ত্যাগ কৰি আদৰ্শ সমাজ এখন গঢ়াৰ পোষকতা কৰিছে এনেদৰে—

*"মাধৱ-শংকৰ অক্ষয় কীৰিতি*
*বেদগান গালে কবি সৰস্বতী*
*সকলোকে আজি পাহৰিলা তুমি*
*এলাহে ভাগৰে হ'লা অচেতন।"*[৫০]

সমান্তৰালভাৱে ১৯৫৭ চনৰ চিপাহী বিদ্ৰোহক কেন্দ্ৰ কৰি সমগ্ৰ ভাৰততে যি জাতীয়তাবাদী আন্দোলনৰ সূত্ৰপাত হৈছিল, তাক আলম হিচাপে লৈয়ো অসমীয়া জনসাধাৰণৰ মাজত স্বাধীনতাৰ স্পৃহা বৃদ্ধি কৰিবলৈ ৰাধা নাথৰ  গীতৰ ভাষাত কৈছে—

*"কিয়নো পাহৰাঁ, অসমীয়া হেৰাঁ*
*চিৰকাল তুমি আছিলা স্বাধীন।*
*ভাৰতৰ মাজে তোমাৰ জননী*
*বীৰ-প্ৰসৱিনী আছিলে এদিন।"*[৫১]

গীতিকাৰ নবীন চন্দ্ৰ বৰদলৈৰ গীততো সমাজ সংস্কাৰকামী মনোভাৱ সাৱলীল ৰূপত প্ৰকাশ লাভ কৰা দেখা যায়। প্ৰাক স্বাধীনতা কালছোৱাত অসমীয়া সমাজখন বিভিন্ন অন্ধবিশ্বাস, কুসংস্কাৰেৰে পৰিপূৰ্ণ হৈ থকাৰ লগতে এচাম অসমীয়াই কানি-ভাং সেৱন কৰি নিচাগ্ৰস্ত হৈ অসম-অসমীয়াৰ স্বকীয়তাক পাহৰি বিপথে পৰিচালিত হোৱা দৃশ্য বৰদলৈৰ গীতত উদ্ভাসিত হৈছে। "ব্ৰহ্মপুত্ৰ উপত্যকাৰ অধিভাযীসকলৰ মাজত কানিৰ বহুল প্ৰচলন আছিল। ভাৰতৰ আন আন ঠাইৰ লোক এওঁলোকৰ দৰে কনিসেৱী নাছিল। এই অঞ্চলত স্থানীয় লোকে প্ৰচুৰ পৰিমাণে কানি খেতি কৰিছিল। কেতিয়াৰ পৰানো এই নিচাযুক্ত দ্ৰব্য অসমত ব্যৱহৃত হৈছিল জনা নাযায়। আহোম ৰজা পুৰন্দৰ সিংহৰ ভূতপূৰ্ব দেৱানে মিলক জনোৱা মতে লক্ষ্মী সিংহ স্বৰ্গদেউৰ দিনত পোনপ্ৰথমে অসমত কানি খেতি কৰিছিল। কিন্তু আমি জনাত ১৭৯৩ খৃঃ সময়ছোৱাত কেপ্টেইন ৱেলছ অসমলৈ আহোঁতেও কানি খেতিৰ প্ৰচলন আছিল। ৰজা গৌৰীনাথ সিংহই দিনে নিশাই কানি সেৱন কৰাৰ বাবে ৰাজসভাত যাৱতীয় কাৰ্য সম্পাদন কৰিবলৈ অক্ষম হৈছিল বুলি ৱেলছৰ বিৱৰণত উল্লেখ আছে।"[৫২] কানি সেৱন কৰাৰ লগতে অসমী আইৰ নিজা সম্পদৰাজিয়ো এচামৰ কৰ্মহীনতা আৰু ষড়যন্ত্ৰৰ ফলত বহিৰাগতই আজি কিদৰে আত্মসাৎ কৰাৰ উপক্ৰম হৈছে, সেই কথাও বৰদলৈয়ে গীতৰ মাজেৰে বৰ্ণনা কৰিছে এনেদৰে—

*"তোৰে পো-জীয়ৰী কানীয়া-ভঙুৱা তোকে যে নোবোলে আই*
*সোণালী পথৰ ধানে হাঁহিচে, ভৰিব পৰৰে ঘৰ*
*তোৰ যে সন্তানে নিছিলা-হজুৱা, হাড়ে-ছালে কলেৱৰ*
*পৰ পদাঘাত কতনো সহিবি..."*[৫৩]

সমাজ এখন গঠিত হয় পুৰুষ-নাৰীৰ সংমিশ্ৰণত। গতিকে সুস্থ সবল সমাজ এখন প্ৰতিষ্ঠা কৰিবলৈ হ'লে পুৰুষসকলৰ সমান্তৰালভাৱে আগুৱাই যাব লাগিব অৰ্থাৎ সমাজখনত বসবাস কৰা নাৰীসকলো স্বাধীন আৰু মুক্তভাৱে সামাজিক সমস্যাসমূহৰ বিৰুদ্ধে সজাগ আৰু সচেতন হৈ সাম্যবাদী সমাজ নিৰ্মাণত আগ-ভাগ ল'ব লাগিব। অতীতৰে পৰা অসমভূমি তেনে নাৰী শক্তিৰ আৱিৰ্ভাৱ হোৱা দেশ। গীতিকাৰ পদ্মধৰ চলিহাই তেওঁৰ গীতৰ মাজেৰে অসমভূমিত জন্মগ্ৰহণ কৰা নাৰী শক্তিৰ জ্বলন্ত নিদৰ্শন মূলাগাভৰুৰ কথা উল্লেখ কৰি সমগ্ৰ নাৰী শক্তিকে একত্ৰিত হ'বলৈ আহ্বান জনাইছে এনেদৰে—

*“তোমাৰ সমান আছেনে কোনোবা জননী ভাগ্যৱতী*
*তোমাৰ হস্তে কত জীয়ৰীয়ে*
*সমৰভূমিত প্ৰাণ বলি দিয়ে*
*তোমাৰ ৰমণী মূল্য বীৰাংগনা শক্তিমতী দিয়াচোঁ....।”*[৫৪]

অসমীয়া আধুনিক গীতক ন-চিন্তা-ভাবেৰে সমৃদ্ধ কৰা আৰু গতি প্ৰদান কৰাৰ ক্ষেত্ৰত গীতিকাৰ অম্বিকাগিৰি ৰায় চৌধুৰী অন্যতম। চৌধুৰীৰ সৰহসংখ্যক গীততে জাতীয়তাবাদী আৰু সময় সংস্কাৰকামী চিন্তা-চেতনাই মূৰ্তমান হোৱা পৰিলক্ষিত হয়। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিমৰ্মে সমগ্ৰ ভাৰতৰে শাসনভাৰ ইংৰাজৰ হাতলৈ যায়। ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি ব্ৰিটিছসকলে সমগ্ৰ ভাৰতে শোষণ আৰু দমন নীতিৰ আশ্ৰয় লয়। ফলস্বৰূপে ভাৰতৰ সম্পদৰাজিৰ লগতে ভাৰতীয় মানুহৰ গণতান্ত্ৰিক প্ৰমূল্যক নস্যাৎ কৰি মূল সত্তাটোক গ্ৰাস কৰিবলৈ কিদৰে উঠি-পৰি লাগিছিল, সেই কথা হৃদয়ংগম কৰি গীতিকাৰ অম্বিকাগিৰি ৰায়চৌধুৰীয়ে প্ৰতিগৰাকী ভাৰতীয়ক সজাগ-সচেষ্ট হ'বলৈ গীতৰ জৰিয়তে আহ্বান জনাইছে সাৱলীল ভাষাত—

*“ভাত-কাপোৰে ওপচা তোৰ জন্মভূমিৰ পাৰ,*
*তথাপিতো দেশজুৰি হায়! ভাতৰ হাহাকাৰ।*
*তোৰ চোতালত আনে তোলে কিমান চমকনি,*
*তই দেখোঁ হায়! ঘৰৰ চুকুত আছে, প্ৰমাদ গণি।”*[৫৫]

তদুপৰি উচ্চ-নিম্ন, গোলাম-মালিক, হিংসা দ্বেষ, স্বাৰ্থ-ভেম, খিয়লাখিয়লি ইত্যাদিয়ে সমাজত সৃষ্টি কৰা বৈষম্যই যে এখন প্ৰগতিশীল সমাজ গঢ় দিয়াত হেঙাৰৰূপে থিয় দিয়ে সেই কথাক সৰ্বসাধাৰণৰ মন-মগজুত সোমাই দি তেনে চিন্তাধাৰাৰ পৰা মুক্ত হৈ এখন গতিশীল সমাজ প্ৰতিষ্ঠা কৰাৰ মানসেৰে চৌধুৰীদেৱে গাইছে এনেদৰে—

*“হিংসা-দ্বেষৰ, ভেদাভেদৰ*
*ঘৃণা-ঘৃণী স্বাৰ্থ ভেমৰ*
*কত যে কি মলি মামৰ*
*ভৰি জাতিৰ জীৱন যায়*
*বীৰ বোকেৰে ধৰ ঝাড়ু ধৰ*
*জাতিৰ জীৱন কৰ মনোহৰ*
*সাৰি-পুচি চুকে-কোণে*

*য'ত যি আছে জাহি-জাৰৰ।"*[৫৬]

অম্বিকাগিৰি ৰায় চৌধুৰীৰ সমসাময়িক মিত্ৰদেৱ মহন্তৰ গীততো সংস্কাৰকামী, বিকাশশীল সমাজ এখন প্ৰতিষ্ঠা কৰিবলৈ হ'লে যে নৱ প্ৰজন্মই ক্ষুত্ৰ ক্ষুদ্ৰ স্বাৰ্থ পৰিত্যাগ কৰি শান্তি আৰু মৈত্ৰীৰ জৰিয়তে সকলোৱে কেন্দ্ৰীয় বিন্দু এটাত মিলিত হ'ব লাগিব সেই কথা গীতেৰে বৰ্ণনা কৰিছে এনেদৰে—

*"গোৱা অসমৰ বীৰ সন্তান*
*বিশ্ববিজয়ী জাতীয় গান*
*পাহৰি দৈন্য অতীত য়েদ*
*পাহৰি স্বাৰ্থ পাহৰি ভেদ*
*সাম্য মৈত্ৰী স্বাধীন মান*
*একোটি লক্ষ্য একোটি ধ্যান।"*[৫৭]

অসমীয়া আধুনিক গীতৰ জগতখনত ভালেসংখ্যক গীতৰ যোগান ধৰি সুকীয়া আসন এখন দাবী কৰা গীতিকাৰসকলৰ ভিতৰত  কমলানন্দ ভট্টাচাৰ্য অন্যতম। ভট্টাচাৰ্যৰ গীততো সমাজ সংস্কাৰমূলক মনোভাবৰ স্পষ্ট আভাস দেখা যায়। ভাৰত তথা অসমভূমিৰ মূল্যৱান প্ৰাকৃতিক সম্পদসমূহ এচাম বহিৰাগতই আহি লুণ্ঠন কৰি নিয়াৰ পিচতো অদূৰদৰ্শী অসমীয়াই বিৰোধিতা কৰিব নোৱাৰা প্ৰসংগৰ কথা উল্লেখেৰে গীতিকাৰগৰাকীয়ে সৰ্বস্তৰৰ লোককে স্বকীয় সম্পদৰ ওপৰত থকা অধিকাৰ সম্বন্ধে সজাগ কৰিছে এইদৰে—

*"তোৰ বননিৰ অগৰু চন্দনৰ*
*লোকে বান্ধি নিয়ে নাও,*
*তথাপিও আমি ভিখাৰী ঘৰতে*
*পৰ মুখলৈ চাওঁ।"*[৫৮]

আধুনিক অসমীয়া গীতক উচ্চস্থানত অধিষ্ঠিত কৰোৱা ব্যক্তিসকলৰ ভিতৰত জ্যোতিপ্ৰসাদ আগৰৱালা অন্যতম। জ্যোতিপ্ৰসাদে আধুনিক অসমীয়া গীতত নতুনত্বৰ সংযোজন ঘটাই গীতৰ জগতখনত নতুনত্বৰ প্ৰতি শ্ৰদ্ধা, সমাজ-ৰাজনৈতিক চিন্তা সাম্যবাদী দৰ্শন, সাংস্কৃতিক চেতনা, জাতীয়তাবোধ ইত্যাদি বৈশিষ্টতাৰে পৰিপূৰ্ণ জ্যোতিপ্ৰসাদৰ গীতসমূহ আধুনিক অসমীয়া গীতি সাহিত্যৰ উজ্জ্বল নক্ষত্ৰ। জাতীয় চেতনাৰ প্ৰতি সদা সচেতন জ্যোতিপ্ৰসাদে তদানীন্তন প্ৰেক্ষাপটতে সূক্ষ্মভাৱে লক্ষ্য কৰিছিল সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰৰ অসূয়া-অপ্ৰীতি, সংস্কৃতিৰ নামত দুষ্কৃতিৰ পূজা-অৰ্চনা। এচাম

তথাকথিত ভণ্ডলোকে কিদৰে সমাজৰ চকুত ধূলি দি ষডযন্ত্ৰ কৰি সৰ্বসাধাৰণৰ মুখৰ ভাত কাঢ়ি নি সুখ-সমৃদ্ধিৰে জীৱন অতিবাহিত কৰিছে আৰু তাৰ বিপৰীত মেৰুত সৰ্বহাৰাই নীৰৱে চকুলো টুকিছে। এনেধৰণৰ বৈষম্যমূলক আচৰণে জ্যোতিপ্ৰসাদক হতচকিত কৰি তুলিছে, সেয়ে গীতৰ ভাষাৰে শাসক শ্ৰেণীৰ অন্যায় আৰু শোষণৰ বিৰুদ্ধে গৰজি উঠিছে—

*'কোন দুখীয়াৰ ভাত মুঠি কাঢ়ি*
*সোণৰ কাঁহীত খাৱ*
*কোন দুখিতৰ চকু-টোপালেৰে*
*মুকুতাৰ মালা সীয়?"*[৫৯]

স্বদেশ আৰু স্বজাতিক ধ্বংস কৰিব পৰা ষড়যন্ত্ৰকাৰীৰ ষড়যন্ত্ৰৰ পৰা উদ্ধাৰ কৰিবৰ বাবে জ্যোতিপ্ৰসাদে প্ৰতি ভাৰতীয় তথা অসমীয়াক স্বকীয় অধিকাৰ আৰু প্ৰাপ্য সম্পৰ্কে গীতৰ মাজেৰে সজাগ কৰিছে এইদৰে—

*"এই মাটি মোৰ অধিকাৰ*
*মোৰ ভাত, মোৰ কাপোৰ*
*মোৰ দেশ আজি মই নিজে ৰখাওঁ*
*কালৰ মূৰ্তি ধৰি শতৰু মুখত*
*আকাশৰ স্বৰগ পেলাওঁ।"*[৬০]

জ্যোতিপ্ৰসাদৰ সময়ছোৱাতে গীত চৰ্চা কৰা আন এগৰাকী গীতিকাৰ অতুলচন্দ্ৰ হাজৰিকা। হাজৰিকাৰ গীততো সুস্থ-সবল সমাজ এখন গঢ়াৰ মানসিকতাই স্থান পোৱা দেখা যায়। অৰ্থনৈতিক বিপ্লৱ অবিহনে কোনো এটা জাতি বা সমাজে স্বাৱলম্বী হ'ব নোৱাৰে অৰ্থাৎ পথাৰ আৰু বজাৰ নিজৰ ওপৰত নিয়ন্ত্ৰণাধীন হৈ নাথাকিলে সংশ্লিষ্ট জাতি তথা সমাজখনে ধ্বংসৰ গৰাহলৈ গতি কৰাটো নিশ্চিত। সেয়ে গীতিকাৰ হাজৰিকাই সৰ্বসাধাৰণক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ গীতৰ মাজেৰে আহ্বান জনাইছে সাৱলীল ৰূপত—

*"হালৰ মুঠিত ধৰ ভাই*
*হালৰ মুঠিত ধৰ*
*নদন বদন সোণৰ খেতিত*
*সেৱা এটি কৰ ভাই*

*আহক হাজাৰ বিঘিনি সৈন্য*
*কিহৰ দুখ, কিহৰ দৈন্য?”* [৬১]

অসমীয়া আধুনিক গীতক প্ৰাণৱন্ত আৰু জীপাল কৰি তোলা গীতিকাৰসকলৰ ভিতৰত পাৰ্বতিপ্ৰসাদ বৰুৱা অগ্ৰণী। জাতীয় সভ্যতা-সংস্কৃতিৰ প্ৰতি সচেতন হৈ গীত চৰ্চা কৰা বৰুৱাৰ গীতত সমাজ সচেতনমূলক ভাবধাৰায়ো প্ৰকাশিত হোৱা দেখা যায়। শ্ৰেণী বৈষম্য বা শ্ৰেণী সংঘাতে সমাজ একোখনক বহুধা বিভক্ত কৰে যাৰ ফলত সমাজখনৰ লগতে সমাজত বসবাস কৰা ব্যক্তিসকলৰো সৰ্বতো প্ৰকাৰৰ বিকাশত বিৰূপ প্ৰভাৱ পেলায়। সমাজখনত সম্পৃক্ত হৈ থকা এনে তথাকথিত ধ্যান-ধাৰণাক পুলিয়ে-পোখাই উৎখাত কৰিব নোৱাৰিলে এখন সৰ্বাংগ সুন্দৰ বৈষম্যহীন সমাজ আশা কৰা টান। সেয়ে বৰুৱাই তেখেতৰ গীতৰ জৰিয়তে শ্ৰেণী বৈষম্যৰ ছবিখন উন্মোচন কৰি ভোগ-বিলাসত মত্ত তথাকথিত ধনীক শ্ৰেণী আৰু সৰ্বহাৰা শ্ৰেণীৰ মাজৰ সীমাৰেখাডালক নস্যাৎ কৰি এখন সাম্যবাদী সমাজ গঢ়াৰ প্ৰবল আগ্ৰহ প্ৰকাশ কৰিছে এইদৰে—

*“মানুহৰ দেহাতে জীৱই কলেমলাই*
*খাবলৈ খুদকণ নাই*
*মানুহৰ ভোগতে ভোগ পৰমাণও*
*খুদকণ কমিলেই দায়।”* [৬২]

এই সময়চোৱাৰে আন এগৰাকী গীতিকাৰ মুক্তিনাথ শৰ্মা বৰদলৈৰ গীততো সমাজৰ অপশক্তিসমূহক বিনাশ কৰি হিংসা বিদ্বেষৰ বিপৰীতে প্ৰেম আৰু ভাতৃত্ববোধেৰে নৰপ্ৰজন্মক আগুৱাই যাবলৈ অনুৰোধ কৰিছে—

*“মলিন সংসাৰ জোক সমূলে নিপাত*
*প্ৰেমৰ অমৃত বওক উজ্বলি হিয়াত*
*তোক দুঃখ দীনতাৰ হোক যেন ক্ষয়*
*বোলা জয় জয় হোক জয়।”* [৬৩]

আধুনিক অসমীয়া গীতক তেজস্বী গতি প্ৰদান কৰাৰ ক্ষেত্ৰত বিষ্ণু ৰাভাই উল্লেখযোগ্য ভূমিকা পালন কৰে। সমাজ-ৰাজনৈতিক দৰ্শনৰ প্ৰতি সদা সচেতন ৰাভাৰ গীতত সমাজত প্ৰচলিত তথাকথিত শোষণ-নিষ্পেষণৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰা পৰিলক্ষিত হয়। দীঘলীয়া যুঁজ-বাগৰৰ অন্তত ব্ৰিটিছৰ হাতৰ

পৰা ভাৰতবাসী স্বাধীন হ'ল যদিও ৰাজশাসনৰ কবলৰ পৰা সৰ্বসাধাৰণ মুক্ত হ'বলৈ সক্ষম নহ'ল। এচাম পুঁজিপতি, বণিক, ধনপতিৰ হাতত ভাৰতবৰ্ষক শোষণ আৰু লুণ্ঠন কৰিবলৈ এৰি দিয়া হ'ল। যাৰ পৰিপ্ৰেক্ষিতত গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱাৰ বিপৰীতে দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰে গা কৰি উঠাত সৰ্বহাৰাৰ সংখ্যা দুৰ্ভাগ্যজনকভাৱে বাঢ়িবহে ধৰিলে। এই দৃশ্যই বিষ্ণু ৰাভাক হতচকিত কৰাত তেওঁৰ গীতৰ মাধ্যমৰে সৰ্বসাধাৰণক সজাগ তথা সচেষ্ট কৰাৰ প্ৰয়াস কৰিলে—

*"সেই সময়ত য'ত হালোৱা-বনুৱা*
*মুকুতিৰ আশাতেই হ'লহি ৰণুৱা*
*জাঁপ দিলে হাঁহিমুখে ভীষণ যুঁজত*
*লাখে লাখে সেনাৰূপে হ'ল হতাহত*
*ৰণ বিৰতিৰ পাছে হ'ল কাৰাবাস*
*পুনৰ ধনীৰ হ'ল দাস।"* [৬৪]

সেয়ে শোষণহীন, শ্ৰেণীহীন, সাম্যবাদী সমাজ গঢ়াত বিশ্বাসী বিষ্ণু ৰাভাই নৱ প্ৰজন্মৰ কৃষক, বনুৱা অৰ্থাৎ শ্ৰমজীৱী শ্ৰেণীটোক নিজৰ নিজৰ অধিকাৰ আৰু প্ৰাপ্য আঁজুৰি আনিবলৈ গীতৰ মাজেৰে অনুৰোধ কৰিছে—

*"ব'ল ব'ল ব'ল ব'ল*
*কৃষক শক্তি দল*
*অ' বনুৱা সমনীয়া*
*আগবাঢ়ি যাওঁ ব'ল।"* [৬৫]

স্বদেশ-স্বজাতিৰ উন্নতি, জাতীয় গৌৰৱ, জাতীয় সংহতি আদি বিষয়ক আশ্ৰয় কৰি অসমীয়া আধুনিক গীতক সমৃদ্ধ কৰা গীতিকাৰসকলৰ ভিতৰত পুৰুষোত্তম দাস অন্যতম। দাসৰ 'শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে' শীৰ্ষক গীতটোত সমন্বয় চেতনাৰ দিশটো স্পষ্ট ৰূপত প্ৰতিভাত হৈছে। বিভিন্ন জাতি, উপ-জাতিৰ সংমিশ্ৰণত সৃষ্টি হোৱা অসমীয়া জাতিয়ে উমৈহতীয়া সমন্বয়ৰ জৰিয়তে সংস্কৃতিৰ বৰ বেটি নিৰ্মাণ কৰিবলৈ সক্ষম হোৱাৰ লগতে সাংস্কৃতিকবাৱে অসম তথা অসমীয়াক টনকিয়াল কৰা পৰিলক্ষিত হয়। গীতিকাৰ পুৰুষোত্তম দাসেও গীতৰ জৰিয়তে অসমীয়া জাতিৰ সাংস্কৃতিক চেতনাক মূৰ্তমান কৰি তুলিছে এনেদৰে—

*"শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে*
*উছৰৰ মধু আলোড়ন*
*ভেদাভেদ পৰিহৰি কত জাতি উপ-জাতি*
*মহাপীঠ কৰে নিৰমান*
*ওলাহ অধীৰ ছন্দে কোটি কোটি কণ্ঠে*
*গায় শৰে মিলনৰ গান।"* [৬৬]

এই সময়ছোৱাৰে আন এগৰাকী গীতিকাৰ পৰাগধৰ চলিহাই তেওঁৰ গীতৰ জৰিয়তে এখন সুস্থ-সবল সাম্যবাদী সমাজ গঢ়াৰ পোষকতা কৰা দেখা যায়। ভিন্ন ধৰ্মাৱলম্বী লোকৰ ৰম্যভূমি ভাৰতবৰ্ষক নিচিনা এখন বিশাল দেশত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে প্ৰতিজন ভাৰতীয়ই হিংসা, বিভেদ ইত্যাদি অপশক্তিক নাশ কৰি শান্তি, মৈত্ৰী আৰু ভাতৃত্ববোধেৰে একত্ৰিত হৈ আগবাঢ়িব পাৰিলেহে সাম্যবাদী সমাজ এখন প্ৰতিষ্ঠা কৰিব পাৰিব, সেই কথা চলিহাই গীতৰ মাজেৰে প্ৰতীয়মান কৰিছে এনেদৰে—

*"আজি পুন্যতিথি ঈশ্বৰ সাক্ষী কৰি*
*বিভেদৰ প্ৰাচীৰ ভাঙা ঐ ভৈয়াই*
*বিভেদৰ প্ৰাচীৰ ভাঙা*
*বেদ, বাইবেল, কোৰাণ লৈ সকলোকে এক হৈ*
*গোৱা দেশবাসীৰ জয় ঐ ভৈয়াই।"* [৬৭]

পঞ্চাশৰ দশকত অসমীয়া আধুনিক গতিক সমৃদ্ধ কৰা গীতিকাৰসকলৰ ভিতৰত এগৰাকী অন্যতম হ'ল খগেন মহন্ত। মহন্তৰ গীতসমূহত অসমৰ শ্ৰমজীৱী লোকৰ দুখ-দুৰ্গতি, অৰ্থনৈতিক সংকটকে আদি কৰি বিভিন্নধৰণৰ সামাজিক সমস্যাই স্থান লাভ কৰাত গীতসমূহ আকৰ্ষণীয় হৈ উঠিছে। যাৰ পৰিপ্ৰেক্ষিতত মহন্তৰ গীতসমূহে সামাজিক দায়বদ্ধতাক বৰ্তাই ৰাখিবলৈ সক্ষম হৈছে। সমাজখনত বসবাস কৰা এচাম তথাকথিত ভণ্ডই খাটিখোৰা শ্ৰমজীৱী লোকসকলক দীৰ্ঘ দিন ধৰি কৰি অহা শোষণ-নিষ্পেষণৰ হৃদয়বিদাৰক ছবি মহন্তই গীতৰ মাধ্যমেৰে প্ৰকাশ কৰিছে এনেদৰে—

*"বিড়ালীৰ তেজ নীলা নাকত নাই লাজ*
*বিড়ালী পৰৰ খোৱা নিজে নকৰে কাজ।*
*বিড়ালে তপস্যা কৰে মৎস্যক নাপাই*
*খাটি খোৱা মানুহবোৰে সেইটো বুজি পায়।"* [৬৮]

তদুপৰি তদানীন্তন সময়ৰে পৰা অসমীয়া সমাজখনৰ এটা চামে স্বকীয় ঐতিহ্য পৰম্পৰাক পিঠি

দিয়াৰ লগতে নিজৰ সাংস্কৃতিক অৰ্থনৈতিক, ৰাজনৈতিক অধিকাৰ সম্পৰ্কেও একেবাৰে সজাগ-সচেষ্ট নোহোৱাৰ পৰিপ্ৰেক্ষিতত নিজ দেশতে আলহী হোৱাৰ লেখীয়া পৰিস্থিতি এটা উদ্ভৱ হোৱাৰ উপক্ৰম হোৱা দেখা যায়। মহন্তই অসমীয়া সমাজখনৰ এই নৈতিক বিপৰ্যয়ক গীতৰ মাজেৰে আঙুলিয়াইছে সাৱলীল ভাষাত—

*"দেহা ক'লা হ'লে থাকে দুদিনলৈ*
*মন ক'লা হ'লে ভাগে....*
*ক'ত কোন স'তে নিজৰে ঘৰতে*
*আলহী হ'লো মই কিয়....।"* [৬৯]

অসমীয়া আধুনিক গীতৰ জগতৰ এটি পৰিচিত নাম হ'ল চৈয়দ আব্দুল মালিক। জাতি-মাটি-ভেটিৰ প্ৰতি অসীম শ্ৰদ্ধা-ভালপোৱা থকা মালিকৰ সৰহসংখ্যক গীততে মানৱতাৰ জয়গান ঘোষণা কৰা পৰিলক্ষিত হয়। এখন সৰ্বাংগসুন্দৰ বিকাশশীল আৰু সাম্যবাদী সমাজ গঢ় দিবলৈ হ'লে সমাজৰ অন্তৰ্ভুক্ত প্ৰতিটো শ্ৰেণীৰ লোকে দৈনন্দিন জীৱন পৰিচৰ্যা কৰোতে লাভ কৰিবলগীয়া প্ৰাথমিক অধিকাৰসমূহ সমান অনুপাতে ভোগ কৰিবলৈ সুযোগ-সুবিধা লাভ কৰাটো অতি আৱশ্যক। অৰ্থাৎ শ্ৰেণীবৈষম্য আৰু শোষণ, নিষ্পেষণ মনক সমাজৰ পৰা নস্যাৎ কৰিব পাৰিলেহে সুস্থ-সবল সমাজ এখনৰ পোষকতা কৰিব পাৰি।

চৈয়দ আব্দুল মালিক, কেশৱ মহন্তই তেখেতৰ গীতৰ জৰিয়তে এনেধৰণৰ সামাজিক দায়বদ্ধতাক আঙুলিয়াইছে সাৱলীলভাৱে—

*"এই স্বাধীনতা কাঙাল দলৰ*
*সৰ্বহাৰাৰ দুৰ্বল সকলোৰ এই স্বাধীনতা মোৰ*
*জনতাৰ যুগ নামি আহে আজি জনতাৰ ৰাজ*
*পতিত, শোষিত, সৰ্বস্বান্ত আজি ভাৰত অধিৰাজ*
*কোটি প্ৰাণ আজি উজ্জ্বল কৰি।"* [৭০]

পঞ্চাশৰ দশকতে আত্মপ্ৰকাশ কৰি অসমীয়া আধুনিক গীতৰ জয় যাত্ৰাত বিশেষ বৰঙণি আগবঢ়োৱা এগৰাকী অন্যতম গীতিকাৰ হ'ল ভূপেন হাজৰিকা। হাজৰিকাৰ গীতসমূহত মানৱীয় প্ৰেম, জাতীয় চেতনা, সমাজ-বৈপ্লৱিক চিন্তা, সাম্যবাদী চিন্তা ইত্যাদি বিষয় বৈচিত্ৰ্যই স্থান লাভ কৰা পৰিলক্ষিত হয়।

অৰ্থাৎ হাজৰিকাৰ গীতসমূহত সমাজ সচেতন মূলক মনোভংগীয়ে স্থান লাভ কৰা দেখা যায়। মাক্সবাদী আদৰ্শত বিশ্বাসী হাজৰিকাদেৱে সমসাময়িক সমাজখনত প্ৰত্যক্ষ কৰা এচাম মুষ্টিমেয় শোষণকাৰীৰ দমন নীতি আৰু ঠগ-প্ৰৱঞ্চনাৰ পৰা সৰ্বসাধাৰণক মুক্ত কৰি তুলিবলৈ গীতৰ মাজেৰে সজাগ সচেতন কৰিবৰ মানেসেৰে উদ্দাত্ত কণ্ঠেৰে গাইছে—

*"সমাজৰ মুষ্টিমেয় শোষকে*
*বনুৱাক সদায় ঠগিব খোজে*
*আলাসৰ লাডু বহি খোৱাহঁতে*
*যদি শ্ৰমৰ মৰ্যাদা নুবুজে*
*তেনে নিৰ্ভীক প্ৰতিবাদ কৰিবনো কোনে?*
*তুমি তুমি তুমি।"* [৭১]

পৰম্পৰাগত ৰক্ষণশীল সমাজব্যৱস্থাত শ্ৰেণী সংঘাতে সমাজখনৰ বিকাশত বাধাৰ প্ৰাচীৰ হিচাপে থিয় দিয়ে। সমাজৰ অংশীদাৰ হিচাপে প্ৰতিগৰাকী মানুহৰে স্বতন্ত্ৰ মূল্য থাকে কিন্তু বহু সময়ত সামাজিক কুসংস্কাৰ তথা বিভেদকামী শক্তিয়ে ব্যক্তি স্বতন্ত্ৰতাক মষিমূৰ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হয়। এনেধৰণৰ অপশক্তিসমূহৰ পৰা সমাজখনক মুক্ত কৰিব নোৱাৰিলে কেতিয়াও সুস্থ-সৰল সামবিকাশত সমাজ এখন গঢ় লৈ উঠিব নোৱাৰে। হাজৰিকাই তেখেতৰ গীতৰ মাজেৰে এনেধৰণৰ সামাজিক সমস্যাৰ কথা উন্মোচন কৰিছে, 'মদাৰ' ফুলক আলম হিচাপে লৈ—

*"মদাৰৰে ফুল হেনো পূজাতো নেলাগে*
*মদাৰৰে ফুল হেনো সবাহত নেলাগে*
*লাগে পিছে ব'হাগতে ৰং সানিবলে'*
*লাগে পিছে আকাশতে জুই জ্বলাবলে'।*
*কোনোবাই মোক হেনো মদাৰেৰে ৰিজালে*
*আমাৰ দৰে লোক হেনো কামে-কাজে নেলাগে*
*লাগে পিছে সমাজতে ৰং সানিবলে'*
*লাগে পিচে আকাশতে জুই জ্বলাবলে।"* [৭২]

এইখিনি সময়ছোৱাতে গীত চৰ্চা কৰা আন এগৰাকী গীতিকাৰ হ'ল লক্ষ্যহীৰা দাস। প্ৰাকৃতিক সৌন্দৰ্যবোধ আৰু মানৱৰ সুখ-দুখৰ সাৱলীল বৰ্ণনাৰ লগতে দাসৰ গীতসমূহত সামাজিক দায়বদ্ধতাৰ দিশটোও উন্মোচিত হৈছে। কৰ্মসংস্কৃতি অবিহনে কোনো এখন সমাজেই বৰ্তি থাকিব নোৱাৰে। নিজেই

নিজক কৰ্ম সংস্কৃতিৰ জৰিয়তে স্বাৱলম্বী কৰিব পাৰিলেহে নিজৰ লগতেই সমাজখনো বিকাশৰ পথলৈ আগুৱাই যাবলৈ সক্ষম হ'ব। দাসে তেওঁৰ গীতৰ জৰিয়তে অসমীয়া জাতিক সুৰক্ষিত কৰাৰ স্বাৰ্থত ভয়, এলাহ, ভাগৰ, তন্দ্ৰাক পৰিহাৰ কৰি প্ৰতিটো শ্ৰেণীকে নতুন উদ্যমেৰে কৰ্মমুখী হ'বলৈ আহ্বান জনাইছে এনেদৰে—

*"কমাৰ কুমাৰ অ' কাৰিকৰ*
*মন ঢালি অ' কামত ধৰ*
*অ' শুনাহি শতৰু দুৱাৰতে*
*অ' কাৰি পাই হিলৈ ভাৰ*
*ৰণ সাজে সাজ পাৰ*
*হেংদাং তুলি ধৰ হাতে হাতে...."*[৭৩]

ষাঠিৰ দশকত আকাশবাণী কেন্দ্ৰৰ যোগেদি আত্মপ্ৰকাশ কৰি অসমীয়া আধুনিক গীতক নতুন গতি প্ৰদানেৰে জনপ্ৰিয় কৰি তোলা গীতিকাৰসকলৰ ভিতৰত নিৰ্মলপ্ৰভা বৰদলৈ অন্যতম। "প্ৰকৃতি আৰু মানৱ জীৱনৰ ৰূপ সৌন্দৰ্যৰ মাজত থকা বাস্তৱতা আৰু প্ৰতিশ্ৰুতিত অনুপ্ৰাণিত হৈ মানৱ হৃদয়ৰ শুকান বালিতো সজীৱতা আনি দিয়াৰ প্ৰবল কামনা আৰু নতুন প্ৰতিশ্ৰুতিৰে ৰচনা কৰা নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰাজি অসমৰ সংগীত জগতৰ উল্লেখযোগ্য অৱদান।"[৭৪] বৰদলৈৰ গীতসমূহত অসমীয়া সমাজ-সাংস্কৃতিক প্ৰেক্ষাপটে ভুমুকি মৰাৰ লগতে সামাজিক দায়বদ্ধতাৰ দিশটোও উন্মোচিত হোৱা দেখা যায়। সমাজ এখনক সামগ্ৰিকভাৱে বিকাশশীল কৰি তুলিবলৈ হ'লে সংশ্লিষ্ট সমাজখনৰ পুৰুষসকলৰ সমান্তৰালভাৱে নাৰীসকলকো সমঅধিকাৰ আৰু সমমৰ্যাদাৰে আগবাঢ়ি যোৱাৰ সুযোগ-সুবিধা প্ৰদান কৰিব লাগিব। সেয়ে পূৰ্বৰ নাৰীৰ তুলনাত নতুন নাৰীসকল স্বাধীন, মুক্ত আৰু দূৰদৰ্শী চিন্তাৰ অধিকাৰিণী। এই নতুন নাৰীয়ে পৰিৱৰ্তিত সমাজব্যৱস্থাৰ সৈতে খাপ খাই চলিবলৈ হ'লে বন্দীত্বৰ পৰা মুক্ত হৈ কিদৰে ন্যায্যপ্ৰাপ্তিৰ বাবে নিজৰ অধিকাৰ সাব্যস্ত কৰি জীৱন যুঁজত আগুৱাই যাব লাগিব, তাৰ সবিশেষ বৰ্ণনা বৰদলৈ গীতৰ মাজেৰে দাঙি ধৰিছে এনেদৰে—

*"বন্দী কাৰাগাৰৰ শিকলি ছিঙো*
*পূৰ্ণ সূৰ্য নমাই আনো*

*দৃপ্ত কণ্ঠে গাই যাওঁ আজি*
*এই যুগত নাৰী পুৰুষৰ*
*সমান অধিকাৰ*
*গতি দুৰ্নিবাৰ।"* [১৫]

অসমীয়া আধুনিক গীতক সমৃদ্ধ কৰা আন এজন গীতিকাৰ হ'ল মহেশ চন্দ্ৰ দেৱগোস্বামী। গোস্বামীৰ গীতত‌ো জাতীয় জীৱনৰ ঐতিহ্য আৰু প্ৰগতিশীল সমাজ গঢ়াৰ মানসিকতা স্পষ্ট। গোড়ামী, হিংসা, অসূয়া আৰু বিভেদৰ পৰিবৰ্তে কৰ্ম-সংস্কৃতি আৰু সমন্বয় সাধনৰ জৰিয়তেহে যে সমাজ এখনে উন্নতিৰ জখলা বগাবলৈ সক্ষম হয় সেই কথা গোস্বামীয়ে গীতেৰে ব্যক্ত কৰিছে—

*"কোৰ, কটাৰী, নাঙল, যুৱলি*
*কামে কামে লাগি ব'ল।*
*হিংসা অসূয়া কটাকটি ভাই*
*লুইতৰ বুকুত দে উটুৱাই*
*ধৰমৰ দন, মাটিৰ কাজিয়া*
*এৰি দি হাতত হাত মিলাই*
*সাজি ল প্ৰীতিৰ দ'ল।"* [১৬]

অসমীয়া আধুনিক গীতি সাহিত্যৰ ভঁৰালক টনকিয়াল কৰাত গীতিকাৰ ৰুদ্ৰ বৰুৱাৰ অৱদান অনস্বীকাৰ্য। তেখেতৰ সৰহসংখ্যক গীতৰ মাজেৰে স্বদেশ-স্বজাতিৰ সাংস্কৃতিক ঐতিহ্য, সাধাৰণ মানুহৰ আৱেগ-অনুভূতি, সাংসাৰিক জীৱনৰ চিত্ৰপট লগতে সমাজখনক উত্তৰণৰ দিশলৈ গতি কৰোৱাৰ মানসিকতাও সাৱলীলভাৱে প্ৰকাশিত হোৱা দেখা যায়। বিভিন্ন প্ৰাকৃতিক সম্পদৰ ৰহঘৰ। অসম সম্পদৰ ফালৰ পৰা অতীতৰ পৰাই অত্যন্ত চহকী। প্ৰাকৃতিক সম্পদসমূহৰ মোহত পৰি এচাম লোলুপ স্বাৰ্থপৰ বহিৰাগত বণিকে সময়ে সময়ে আহি অসমৰ এই সম্পদসমূহ লুণ্ঠন কৰা কাৰ্যক বৰুৱাই গীতৰ মাজেৰে উদ্ভাসিত কৰিছে বাস্তৱসন্মতভাৱে—

*"মোৰ অসমীয়া হাবি-বননিয়ে*
*চেঁকুৰা চেঁকুৰা সোণে জিকেমিকাই আছে।*
.......... .............. .................
*পনীয়া সোণৰে উঠে ইয়াতে লহৰি*
*অসমীয়ে চেনেহ চুমা জাতিকে যাচে*
*মৰমৰ জুতি পাই আলহীৰে শেষ নাই*

*সময়ৰে ছেগ চাই শোৱাপাটী পাৰে।”*[১৭]

অসমৰ সম্পদৰাজিৰ ওপৰত পৰা এনে অপদৃষ্টিসমূহৰ পৰা অসমৰ মূল্যৱান সম্পদসমূহক ৰক্ষণাবেক্ষণ দিবলৈ সকলোকে সজাগ-সচেষ্ট হৈ থাকিবলৈ গীতৰ দ্বাৰা আহ্বান জনাইছে এনেদৰে—

*“ফেটী সাপে আহি দেশৰে ঢাপতে*
*চাহি পাতিছে গুল।*
*বগুৱা বাই বাই মজিয়া পালেহি*
*শতৰু ক'লীয়া গোম*
*ধুটিব লাগিলে দেশৰ ঘৰে ঘৰে*
*উঠিব কান্দোনৰ ৰোল*
*নেযাবি নেযাবি ভোল।”*[১৮]

ষাঠিৰ দশকৰ শেষৰফালে আত্মপ্ৰকাশ কৰা গীতিকাৰ লীলা গগৈৰ গীতসমূহতো জাতীয় চেতনা আৰু সমাজখনক উত্তৰণৰ দিশলৈ আগুৱাই নিয়াৰ মানসিকতা স্পষ্ট। অতীত অসমৰ বীৰ, বীৰাংগনাসকলৰ পথকে অনুসৰণ কৰি অৰ্থাৎ লাচিত, জয়মতী, মূলাগাভৰু আদি সাহসী যোদ্ধাৰ প্ৰসংগ উত্থাপেনেৰে নতুন প্ৰজন্মকো দ্বিধা-সংকোচ, ভয়, দৈন্যতা আদিক পৰিহাৰ কৰি জ্ঞানৰ দ্বাৰা এখন সমাজবাদী সমাজ গঠন কৰিবলৈ গগৈয়ে গীতৰ দ্বাৰা অনুৰোধ কৰিছে এইদৰে—

*“দীনতাৰ হীনতাৰ*
*নীচতাৰ ভীৰুতাৰ হ'ব অৱসান,*
*জ্ঞানৰ জেউতি ঢালি*
*প্ৰাণৰ বন্তি জ্বলি*
*আমি গাম জীৱনৰ মহাগান।”*[১৯]

সত্তৰ আশীৰ দশকত বিহুসুৰীয়া ঠাঁচত অসমীয়া গীত চৰ্চা কৰি অসমীয়া আধুনিক গীতৰ জগতখনত উল্লেখযোগ্য স্থান গ্ৰহণ কৰা এগৰাকী অন্যতম গীতিকাৰ হ'ল অপূৰ্ব বেজবৰুৱা। অসমীয়া লোক সমাজখনৰ প্ৰেম-বিষাদ, পৰম্পৰা-ঐতিহ্যক গীতৰ বিষয়বস্তু হিচাপে গ্ৰহণ কৰি বেজবৰুৱাই সৰহসংখ্যক গীত ৰচনা কৰিছিল যদিও গীতসমূহত সামাজিক দায়বদ্ধতাৰ দিশটোও উন্মোচিত হোৱা পৰিলক্ষিত হয়। জীৱকূলৰ ভিতৰত মানৱকেই শ্ৰেষ্ঠ বুলি অভিহিত কৰা হয়। কিন্তু এচাম মানুহৰ কিছু কিছু কাৰ্য আৰু দুমুখীয়া স্থিতিয়ে মানৱ সমাজ তথা জাতিটোক বিপথে পৰিচালিত কৰি মানৱীয় প্ৰমূল্যবোধক মষিমূৰ কৰি সমাজখনক কলুষিত কৰাৰ অপচেষ্টা অহৰহ চলাই আহিছে। সমাজখনৰ এই শ্ৰেণীটোৰ

নৈতিক স্খলনৰ উন্মুক্ত ছবি বেজবৰুৱাই গীতৰ মাজেৰে ব্যক্ত কৰিছে সাৱলীলভাৱে—

*"আপোন হৈয়ো পৰ হোৱাৰ*
*কৌশল মানুহৰ মাজতে*
*মিচিকিয়া হাঁহিৰ মাজতে*
*কলুষতা থাকে গুপুতে।*
*মনত স্বাৰ্থৰ ষড়যন্ত্ৰ*
*সন্মুখত আদৰা দেখিলো।"*[৮০]

তদুপৰি তদানীন্তন সময়ছোৱাৰ পৰিবৰ্তিত সমাজখনত ভোগ-বিলাসত নিমজ্জিত আৰু আত্মকেন্দ্ৰিকতাই এচামক ইমানেই প্ৰভাৱিত কৰিছিল যে একাংশ অসমীয়াই নিজৰ মাটিডৰাকো মহাজনৰ হাতত বন্ধক থ'বলগীয়া হৈছিল। আনকি বন্ধকৰ ঋণ পৰিশোধ কৰিব নোৱৰাৰ বাবে বহুতৰ মাটি-ভেঁটিয়ো আন মানুহৰ হাতত বিক্ৰী কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছিল। অসমীয়া সমাজৰ এনে বিবেকহীন আৰু অদূৰদৰ্শী কৰ্মৰাজিৰ কথাও  বেজবৰুৱাই গীতৰ দ্বাৰা উল্লেখ কৰি সমাজখনক সচেতন কৰাৰ প্ৰচেষ্টা চলোৱা পৰিলক্ষিত হয়। যেনে—

*"বন্ধকীৰ মাটিডৰা*
*মোকলাব নোৱাৰিলো,*
*মহাজনে পালে চল*
*ভাত মুঠিৰ চিন্তাই*
*খুলি খুলি খায়*
*খেত মাটি গ'ল ৰসাতল।"*[৮১]

অসমীয়া আধুনিক গীতৰ জয়যাত্ৰাত বৰঙণি যোগোৱা আন এগৰাকী গীতিকাৰ হ'ল ব্ৰজেন বৰুৱা। বৰুৱাৰ 'এইখন সমাজ আমাৰ সমাজ' শীৰ্ষক গীতটোত স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাৰ পৰিবৰ্তিত সমাজ ব্যৱস্থাৰ নগ্ন স্বৰূপটোক বাস্তৱসন্মত ৰূপত দাঙি ধৰিবলৈ সক্ষম হৈছে। তথাকথিত আধুনিকতাৰ বশৱৰ্তী হৈ পাশ্চাত্য সভ্যতা-সংস্কৃতিৰ অন্ধ অনুকৰণত মুগ্ধ হৈ অসমীয়া সমাজখনে কিদৰে স্বকীয় সাহিত্য-সংস্কৃতি-সভ্যতাক জলাঞ্জলি দিবলৈ কুণ্ঠবোধ কৰা নাই সেই প্ৰসংগক গীতৰ ভাষাৰে উদঙাইছে সাৱলীল ৰূপত—

*"উদং বাহু উদং পিঠি*
*নাইলন চুলিৰে লেডী কৈলাসপতি*

*আহিলে ইয়ালৈ পাব অতি লাজ*
*এঙাৰ কলীয়া ৰং হ'লেও*
*বিলাতী চাহেব ঢং*
*বিহুগীত নালাগে বৰগীত নালাগে*
*গাঁও আমি মডাৰ্ণ পপ চং।।"*[৮২]

বিংশ শতিকাৰ শেষৰ পিনে আত্মপ্ৰকাশ কৰা আৰু সাম্প্ৰতিক সময়লৈকে গীত চৰ্চা কৰি অসমীয়া আধুনিক সংগীতৰ জগতখনত ইতিহাস সৃষ্টি কৰা এগৰাকী অন্যতম সুৰকাৰ, গীতিকাৰ হ'ল জুবিন গাৰ্গ। গাৰ্গৰ গীতসমূহেও সমাজখনক গতিশীল কৰি তোলাৰ পোষকতা কৰা দেখা যায়। অসমভূমিত ভিন্ন সময়ত ঘটি অহা ৰাজনৈতিক অস্থিৰতা বিশেষকৈ ভাষা আন্দোলন, ছবছৰীয়া বিদেশী বহিষ্কাৰ আন্দোলন, আলফা প্ৰভৃতি সংগঠনসমূহৰ স্বাধীন ভূমি বিচাৰি কৰা সশস্ত্ৰ সংগ্ৰাম আৰু এই সংগ্ৰামসমূহৰ পৰিণতিয়ে সমাজখনত শান্তি, প্ৰগতি আৰু মানৱীয় প্ৰমূল্যবোধ গঢ়ি উঠাত যে বাধাৰ প্ৰাচীনৰূপে থিয় দিছে, সেই কথা হৃদয়ংগম কৰি জুবিন গাৰ্গে গীতৰ জৰিয়তে জনতাক আহ্বান জনাইছে এনেদৰে—

*"মুক্ত হোৱাৰ সপোন দেখি পণ্ড হোৱাৰ কিমানবাকী*
*জীৱন দিয়াৰ ক্ষমতানো কাৰ*
*জীৱন লোৱাৰ ক্ষমতা অপাৰ*
*জন্ম লোৱাৰ অৰ্থ বিশাল*
*অৰ্থ নৰ'ল হ'ল মহাকাল।"*[৮৩]

---

**প্ৰসংগটীকা ঃ**

১। ৰাধাকান্ত দেৱ, *শব্দকল্পদ্ৰুম,* পৃষ্ঠা-৩০০।
২। *উল্লিখিত।*
৩। Https//www.etymonline.com/word heritage
৪। ৰেণুভূঞা শইকীয়া, *ড° নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতা আৰু গীত,* পৃষ্ঠা-১৩৫।
৫। প্ৰহ্লাদ কুমাৰ বৰুৱা, *কবিতাৰ সৌৰভ,* পৃষ্ঠা-৩৪।
৬। নীৰজনা মহন্ত বেজবৰা, *'সাহিত্যৰ সমাজতত্ত্ব সিদ্ধান্ত আৰু প্ৰয়োগ',* পৃঃ ১২।
৭। উল্লিখিত।
৮। অজন্তা দাস, *ভূপেন হাজৰিকাৰ গীতি-সাহিত্যত নাৰী ঃ এটি আলোচনা,* অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, পৃষ্ঠা-৩৮, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৬।
৯। অৰুণলোচন দাস (সম্পাঃ), *অসমৰ সুৰদী সুৰীয়া গীত,* পৃষ্ঠা-২৯
১০। অসম শিশু সাহিত্য ন্যাস, *স্বদেশপ্ৰেমমূলক গীত,* পৃষ্ঠা-২

১১। আব্দুছ ছাত্তাৰ, *প্ৰসংগকোষ*, পৃষ্ঠা-৩৩৫
১২। চেনেহী বেগম, *অসম বুৰঞ্জী* (অনুবাদ), পৃষ্ঠা-১৬
১৩। অসম শিশু সাহিত্য ন্যাস, *স্বদেশপ্ৰেমমূলক* গীত, পৃষ্ঠা-৩
১৪। অৰুণলোচন দাস (সম্পাঃ) *পূৰ্বোল্লিখিত গ্ৰন্থ*, পৃষ্ঠা-২৭
১৫। মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃষ্ঠা-১২৭
১৬। সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃষ্ঠা-১৪৫
১৭। অসম শিশু সাহিত্য ন্যাস, *পূৰ্বোল্লিখিত গ্ৰন্থ*, পৃষ্ঠা-৭
১৮। অসম শিশু সাহিত্য ন্যাস, *পূৰ্বোল্লিখিত গ্ৰন্থ*, পৃষ্ঠা-১২
১৯। চেনেহী বেগম, *অসম বুৰঞ্জী*, (অনুঃ) পৃষ্ঠা-১২
২০। আব্দুছ ছাত্তাৰ, *পূৰ্বোল্লিখিত গ্ৰন্থ*, পৃষ্ঠা-২২৬
২১। চেনেহী বেগম, *পূৰ্বোল্লিখত গ্ৰন্থ*, পৃষ্ঠা-২৩
২২। ভূপেন্দ্ৰনাথ চৌধুৰী, *সোণৰ অসম*, পৃষ্ঠা-১৬
২৩। https//as.m.wikipedia.org/wiki/%.E0%A6%9A%E0%A7% 8/%.E0%.A6%AA%E0% a7%&1%Eo12/09/2020, 8:42PM
২৪। অসম শিশু সাহিত্য ন্যাস, *পূৰ্বোল্লিখিত গ্ৰন্থ*, পৃষ্ঠা-৬
২৫। *উল্লিখিত গ্ৰন্থ*, পৃষ্ঠা-২৩
২৬। *উল্লিখিত গ্ৰন্থ*, পৃষ্ঠা-৫৬
২৭। অৰুণলোচন দাস (সম্পাঃ) *পূৰ্বোল্লিখিত গ্ৰন্থ*, পৃষ্ঠা-৯১
২৮। *উল্লিখিত গ্ৰন্থ*, পৃষ্ঠা-৮১
২৯। https//as.m.wikipedia.org/wiki/%.E0%A6%AE%E0%A6%B9/%.23/09/20, 9:39\]';.,PM
৩০। সত্যেন্দ্ৰনাথ শৰ্মা (সম্পাঃ) *অম্বিকাগিৰি ৰায়চৌধুৰী ৰচনাৱলী*, পৃষ্ঠা-৪৩৮
৩১। https//as.m.wikipedia.org/wiki/%.E0%A6%B6%E0%A7%B0/%A6%BE.24/09/20, 10:21PM
৩২। হৰিচৰণ দাস (সম্পাঃ), *ৰূপকোঁৱৰ শিল্পী দিৱস উদ্‌যাপন সমিতি*, বিলাসীপাৰা ২০১০, পৃষ্ঠা-২০০
৩৩। https//as.m.wikipedia.org/wiki/%.E0%A6%AE%E0%A6%A3/%E0%A6%BF%Eo% A1%E0%A6% .02/01/21, 10:39PM
৩৪। পবনাথ শৰ্মা (সম্পাঃ) *পাৰ্বতিপ্ৰসাদ বৰুৱা ৰচনাৱলী*, পৃষ্ঠা-২১৯
৩৫। তিলক দাস, *কলাগুৰু বিষ্ণু ৰাভা*, পৃষ্ঠা-৫৫
৩৬। সূৰ্য হাজৰিকা, (সম্পাঃ) *ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ*, পৃষ্ঠা-২২২
৩৭। পাৰ্থপ্ৰতিম হাজৰিকা (সম্পাঃ), *খগেন মহন্ত অসাধাৰণ শিল্পী, সাধাৰণ মানুহ*, পৃষ্ঠা-৩১
৩৮। অৰুণলোচন দাস (সম্পাঃ) *পূৰ্বোল্লিখিত গ্ৰন্থ*, পৃষ্ঠা-৩২৫
৩৯। https://as.vikaspedia.in/education/9859b87ac9f0 9b89829b89cd...... 18.12.29, 9:40pm
৪০। উল্লিখিত
৪১। ৰাম গোস্বামী (সম্পাঃ), *ৰুদ্ৰ বৰুৱাৰ গীত*, পৃষ্ঠা-১২
৪২। আব্দুছ ছাত্তাৰ, *উল্লিখিত গ্ৰন্থ*, পৃঃ-১২৪
৪৩। প্ৰদ্যুৎ হাজৰিকা (সম্পাঃ) *লীলা গগৈৰ ৰচনাৱলী* (প্ৰথম খণ্ড, পৃ-৮৪৪)
৪৪। পৰাগ কুমাৰ ভট্টাচাৰ্য (সম্পাঃ) *ড° নিৰ্মলপ্ৰভা বৰদলৈ ৰচনাৱলী*, পৃষ্ঠা-১৯৫
৪৫। *উল্লিখিত*, পৃষ্ঠা-১৭৬
৪৬। অৰুন্ধতী বেজবৰুৱা (সম্পাঃ) *অপূৰ্ব বেজবৰুৱাৰ ৫০১ গীতৰ সম্ভাৰ*, পৃষ্ঠা-১৭৪
৪৭। *উল্লিখিত*, পৃষ্ঠা-১২০
৪৮। অসম শিশু সাহিত্য ন্যাস, *পূৰ্বোল্লিখিত গ্ৰন্থ*, পৃষ্ঠা-৪
৪৯। *উল্লিখিত*, পৃষ্ঠা-৫
৫০। *উল্লিখিত*, পৃষ্ঠা-৬
৫১। *উল্লিখিত*, পৃষ্ঠা-৬

৫২। চেনেহী বেগম, *পূৰ্বোল্লিখত গ্ৰন্থ,* পৃষ্ঠা-২৮৭
৫৩। অসম শিশু সাহিত্য ন্যাস, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৯
৫৪। *উল্লিখিত,* পৃষ্ঠা-২৩
৫৫। *উল্লিখিত,* পৃষ্ঠা -১৫
৫৬। সত্যেন্দ্ৰনাথ শৰ্মা, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৪৪৬
৫৭। অসম শিশু সাহিত্য ন্যাস, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৩৩
৫৮। *উল্লিখিত,* পৃষ্ঠ-৫৮
৫৯। হীৰেন গোহাঁই, *জ্যোতিপ্ৰসাদ ৰচনাৱলী,* পৃষ্ঠা-৭৩
৬০। *উল্লিখিত,* পৃষ্ঠা-
৬১। অসম শিশু সাহিত্য ন্যাস, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৬৭
৬২। পবনাথ শৰ্মা (সম্পাঃ), *পাৰ্বতিপ্ৰসাদ বৰুৱা, ৰচনাৱলী,*পৃষ্ঠা-২১৯
৬৩। অসম শিশু সাহিত্য ন্যাস, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৬৭
৬৪। তিলক দাস, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৪৪
৬৫। অৰুণলোচন দাস (সম্পাঃ) *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৬৭
৬৬। অসম শিশু সাহিত্য ন্যাস, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৮৯
৬৭। *উল্লিখিত,* পৃষ্ঠা-১৬
৬৮। প্ৰাৰ্থপ্ৰতিম শৰ্মা (সম্পাঃ) *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৪
৬৯। *উল্লিখিত,* পৃষ্ঠ-১৬
৭০। অসম শিশু সাহিত্য ন্যাস, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৯৩
৭১। সূৰ্য হাজৰিকা (সম্পাঃ), *ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰ,* পৃষ্ঠা-৪১৭
৭২। *উল্লিখিত,* পৃষ্ঠা-৩৮২
৭৩। অসম শিশু সাহিত্য ন্যাস, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৯৬
৭৪। উমেশ দাস (সম্পাঃ) *সাহিত্য-সংস্কৃতিৰ মুকুৰ,* পৃষ্ঠা-৪৩
৭৫। পৰাগ কুমাৰ ভট্টাচাৰ্য (সম্পাঃ), *ড° নিৰ্মলপ্ৰভা ৰচনাৱলী,* পৃষ্ঠা-২০৯
৭৬। অসম শিশু সাহিত্য ন্যাস, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৯৬
৭৭। ৰাম গোস্বামী (সম্পাঃ), *ৰুদ্ৰ বৰুৱাৰ গীত,* পৃষ্ঠা-৮৬
৭৮। *উল্লিখিত,* পৃষ্ঠা-১০৩
৭৯। প্ৰদ্যুৎ হাজৰিকা (সম্পাঃ), *লীলা গগৈৰ ৰচনাৱলী,* পৃষ্ঠা-৮৫৬
৮০। অৰুন্ধতী বেজবৰুৱা (সম্পাঃ), *পূৰ্বোল্লিখিত* পৃষ্ঠা-...
৮১। *উল্লিখিত,* পৃষ্ঠা-১৪২
৮২। অৰুণলোচন দাস (সম্পাঃ), *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৩৩
৮৩। উল্লিখিত, পৃষ্ঠা-১৯১

## তৃতীয় অধ্যায়

# ৩.০০ পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা

### ৩.০১.১ পাৰ্বতিপ্ৰসাদ বৰুৱাৰ জন্ম আৰু ব্যক্তিগত জীৱন ঃ

"১৯০৪ চনৰ ১৯ আগষ্টৰ দিনা শিৱসাগৰৰ পুণ্যতোৱা দিখৌ নদীৰ পাৰতেই পাৰ্বতিপ্ৰসাদৰ জন্ম।"[১] তেওঁৰ পিতৃৰ নাম আছিল ৰাধিকাপ্ৰসাদ বৰুৱা আৰু মাতৃৰ নাম হিমলা দেৱী। "পাৰ্বতিপ্ৰসাদ বৰুৱাৰ পূৰ্বপুৰুষ আছিল কৃষ্ণ দাস। তেওঁ হ'ল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বাৰভূঞা বংশৰ লহকৰ ভূঞাৰ ঠালৰ সন্ততি। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ কলাবাৰীৰপৰা কৃষ্ণ দাস, দুটিৰাম আৰু কৃষ্ণ ৰামে ঊনৈশ শতিকাত ক্ৰমে যোৰহাট, মাজুলীৰ দক্ষিণপাট আৰু শিৱসাগৰৰ চাৰিঙলৈ গৈ তাত বসতি কৰিবলৈ লয়। এই তিনিওটি পৰিয়ালৰ মূল ঘৰ এখনেই আছিল। কৃষ্ণ দাস আহোম স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ সমবয়সীয়া আছিল। কৃষ্ণ দাসে চন্দ্ৰকান্ত সিংহৰ দিনতেই 'ভড়ালী বৰুৱা' আৰু কৃষ্ণ দাসৰ পুত্ৰ যাদুৰাম বৰুৱাই 'বৰভাণ্ডাৰ বৰুৱা' বিষয় পায়। যাদুৰামক 'ডেকা বৰুৱা' বোলা হৈছিল। যাদুৰাম ডেকা বৰুৱাই প্ৰথম অসমীয়া অভিধান প্ৰণয়ন কৰে (১৮৩৯)। যাদুৰাম ডেকা বৰুৱাই বৃটিছৰ সময়ত 'মনসুপ' আৰু 'সদৰামিন' বিষয় লাভ কৰিছিল। যাদুৰাম ডেকা বৰুৱাৰ পুত্ৰ দুজন, কৃষ্ণপ্ৰসাদ আৰু দুৰ্গাপ্ৰসাদ। দুৰ্গপ্ৰসাদে শিৱসাগৰ মহকুমাৰ দক্ষিণ-পূবত থকা অভয়পুৰ মৌজাত স্থায়ীভাৱে থাকিবলৈ লয়। দুৰ্গাপ্ৰসাদৰ তিনিজন পুত্ৰ, তেওঁলোক ক্ৰমে— ৰাধিকাপ্ৰসাদ, ভৱানীপ্ৰসাদ আৰু তাৰিণীপ্ৰসাদ।"[২]

"ৰাধিকাপ্ৰসাদে ইংৰাজ চৰকাৰৰ 'ৰায়চাহেব' খিতাপ পাইছিল আৰু তেওঁ অসম কাউন্সিলাৰ মেম্বাৰ আছিল। ৰাধিকাপ্ৰসাদে যোৰহাটৰ চাহ খেতিয়ক ৰায়বাহাদুৰ বিষ্টুৰাম বৰুৱাৰ দুহিতা হিমলা দেৱীক বিয়া কৰায়। তেওঁলোকৰ পুত্ৰ সন্তানকেইগৰাকী হ'ল ক্ৰমে— ভাগৰতীপ্ৰসাদ, পাৰ্বতিপ্ৰসাদ, কমলাপ্ৰসাদ আৰু মোক্ষদাপ্ৰসাদ। কন্যা সন্তানকেইগৰাকী হ'ল— কমলা, মধুলতা আৰু প্ৰতিমা। পাৰ্বতিপ্ৰসাদ

বৰুৱাৰ শৈশৱকাল অতিবাহিত হৈছিল শিৱসাগৰৰ আমোলাপট্টিত। তেওঁৰ শৈশৱকাল আছিল অতি মধুৰ, হাঁহি-ধেমালিৰ সঁফুৰা। দিনত জিঞা-পখিলা, গধুলি জোনাকী পৰুৱা ধৰা, দিখৌৰ বালিত বালি ঘৰ সজা, সাঁতোৰা এইবোৰ তেওঁৰ শৈশৱৰ প্ৰিয় কাৰ্য আছিল। ইয়াৰ বাহিৰেও ধুনীয়া ৰং-বিৰঙৰ পখিলাৰ পাখিৰে এলবাম সজোৱাতো তেওঁৰ শৈশৱ কালৰ চখ আছিল।"[৩]

'পাৰ্বতিপ্ৰসাদ বৰুৱাই সোণাৰিৰ পাঠশালা স্কুলত পঢ়ি আঠ বছৰ বয়সত শিৱসাগৰৰ স্বৰ্গীয় ৰাধানাথ শৰ্মাই খোলা ফুলেশ্বৰী ইনষ্টিটিউচনত প্ৰথম ছাত্ৰ হৈ ছয় শ্ৰেণীমান পঢ়ে। তাৰ পিছত শিৱসাগৰ চৰকাৰী হাইস্কুলৰপৰা ১৯২১ চনত প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে। পাৰ্বতিপ্ৰসাদ বৰুৱাই হাইস্কুলীয়া শিক্ষা সাং কৰি উচ্চ শিক্ষাৰ বাবে কটন কলেজৰ বিজ্ঞান শাখাত নামভৰ্তি কৰে।'[৪] 'আই এছ চি পৰীক্ষা পাছ কৰাৰ পিছত তেওঁ বিজ্ঞান শাখাৰ সলনি কলা শাখাত উচ্চ শিক্ষা লোৱাৰ সিদ্ধান্ত কৰি ১৯২৫ চনত কলিকতাৰ স্কটিছ ছাৰ্চ কলেজত বি এ শ্ৰেণীত নামভৰ্তি কৰে। কলিকতাত তেওঁ কবি যতীন্দ্ৰনাথ দুৱৰাৰ সৈতে ভাৱ বিনিময় কৰাৰ সুযোগ লাভ কৰিছিল আৰু দুয়োগৰাকীৰ মাজত সাহিত্য সম্বন্ধীয় বিষয়ৰ লগতে সংগীতৰো আলোচনা হৈছিল।'[৫]

ছাত্ৰৱস্থাৰপৰাই শিল্পকৰ্মৰ প্ৰতি ধাউটি থকা বৰুৱাই সাহিত্য, সংগীত, নৃত্য, অভিনয় ইত্যাদি বিষয়ত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল। 'লক্ষ্মীৰাম বৰুৱা আৰু পদ্মধৰ চলিহাৰ ওচৰত ৰবীন্দ্ৰ সংগীতৰ শিক্ষা লৈছিল।"[৬] "আনকি অভিনয় শিক্ষাও ছাত্ৰৱস্থাতে আৰম্ভ হৈছিল, কিয়নো পাৰ্বতিপ্ৰসাদ বৰুৱাই ন-দহ বছৰ বয়সৰ পৰাই কেইবাবছৰো ধৰি জয়মতী নাটৰ গদাপানীৰ ভাও লৈ দৰ্শকৰ মন মোহিত কৰিছিল।'[৭]

'জীৱিকা হিচাপে পাৰ্বতিপ্ৰসাদ বৰুৱাই বাছি লৈছিল চাহ ব্যৱসায়ক। ১৯২৯ চনত পোনতে তেওঁ মোমায়েক শিৱপ্ৰসাদ বৰুৱাৰ সৰু চৰাই চাহ বাগিচাত কাম শিকিবলৈ লয়। পাৰ্বতিপ্ৰসাদ বৰুৱাই প্ৰথমে এপ্ৰেণ্টিছ হৈ বাগিচাত কৰ্ম জীৱনৰ পাতনি মেলে।'[৮] পৰৱৰ্তী সময়ছোৱাত বৰুৱাই কেইবাবছৰো বাগিচাৰ মেনেজাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। '১৯৩৯ চনত নিজাববীয়াকৈ ৰাইডাং চাহ বাগিচাখন কিনি ৰজাবাৰী বাগিচাৰ মেনেজাৰ পদৰপৰা অব্যাহতি লয়। ১৯৪৭ চনত সোণাৰি চাহ বাগিচাখন কিনি সেইখনো নিজে পৰিচালনা কৰিবলৈ লয়। পাৰ্বতিপ্ৰসাদ বৰুৱাই কিছুদিনৰ বাবে লোকেল ব'ৰ্ডৰ সভ্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। পাৰ্বতিপ্ৰসাদ বৰুৱাই ১৯৩৪ চনত পদ্মকুমাৰীক বিয়া কৰায়। তেওঁলোকৰ

সন্তানকেইগৰাকী হ'ল ক্ৰমে— সান্ত্বনা বৰুৱা, বন্দনা হাজৰিকা, প্ৰণৱিৰাম বৰুৱা, কল্পনা বৰকাকতি, মানৱীৰা বৰুৱা, ভাৰৱীৰাম বৰুৱা আৰু অৰ্পণা দত্ত। পাৰ্বতিপ্ৰসাদ বৰুৱাৰ ১৯৬৪ চনৰ ৭ জুন তাৰিখে জীৱনৰ প্ৰধান কৰ্মস্থলী সোণাৰি সোণালী পামত দেহাৱসান ঘটে।[৯]

### ৩.০১.২ পাৰ্বতিপ্ৰসাদ বৰুৱাৰ সাহিত্যকৃতি ঃ

সাহিত্য-চৰ্চাৰ ক্ষেত্ৰখনত পাৰ্বতিপ্ৰসাদ বৰুৱাই ছাত্ৰকালৰ পৰাই ব্ৰতী আছিল। "স্কুলত পঢ়ি থকা অৱস্থাত তেওঁ ঘৰত এটা সৰু অফিচ পাতি লৈ 'থুপিতৰা' নামেৰে এখনি মাহেকীয়া আলোচনী উলিয়াই তাত তেওঁ 'ভাগুণা' নামৰ কবিতা আৰু 'নকও' নামৰ এটি প্ৰবন্ধ লিখিছিল।"[১০]

তলত পাৰ্বতিপ্ৰসাদ বৰুৱাই সৃষ্টি কৰা ৰচনাৰাজিক শ্ৰেণী বিভাগ কৰি দেখুওৱা হ'ল—

**(ক) গীতৰ পুথি ঃ** ***লুইতী আৰু গুণগুণনি, ময়াপী, মৌ টোকাৰী***।

**(খ) গীতিকাব্য ঃ** ***শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল***।

**(গ) গীতি-নাটিকা ঃ** ***সোণৰ সোলেং আৰু লখিমী***।

**(ঘ) কবিতা ঃ** ***ভঙা টোকাৰীৰ সুৰ, খেল ভঙা খেল***।

**(ঙ) অনুদূতি কবিতা ঃ** ***ভঙা কবিতা***।

**(চ) যুটীয়া ৰচনা ঃ** ***এতিয়া আৰু তেতিয়া***।

**(ছ) গদ্য ৰচনা ঃ** ***অসম সাহিত্য সভাৰ ঊনত্ৰিংশ অধিৱেশনৰ সংগীত সন্মিলনৰ সভাপতিৰ অভিভাষণ***।

**(জ) অন্যান্য ৰচনা ঃ যেনে—** ***সমিধান, ৰূপকোঁৱৰৰ কথাশিল্প সম্বন্ধে একাষাৰ, বিদায় সভাৰ প্ৰত্যুত্তৰ আৰু জোনাকী মেল***।

### ৩.০১.৩ পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতত ঐতিহ্যচেতনা

### ৩.০২.১ আধ্যাত্মিক ঐতিহ্যচেতনা ঃ

ভাৰতীয় ঐতিহ্য তথা পৰম্পৰাত জননী জন্মভূমিক দেৱীৰূপে উপস্থাপিত কৰি যথা উপাচাৰেৰে পূজা-অৰ্চনা কৰাটো ভাৰতীয় সভ্যতাৰ অংগস্বৰূপ। ভাৰতীয় সাহিত্যৰ দৰে অসমীয়া সাহিত্যতো জননী জন্মভূমিক সেৱা কৰা দৃশ্য অতীতৰ পৰাই পৰিলক্ষিত হয়। পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতসমূহতো স্বদেশ-স্বজাতিৰ প্ৰতি গভীৰ মোহ থকা দেখা যায়। বৰুৱাৰ গীততো দেৱীৰূপত জননীক ৰত্ন

সিংহাসনত উপৱিষ্ট কৰাই সেৱা যাঁচিছে নৈৱদ্য সহকাৰে আৰু অতি উৎসাহেৰে জননীৰ পূজা-অৰ্চ্চনাত ব্ৰতী হোৱাৰ প্ৰতিচ্ছবি প্ৰতিফলিত কৰিছে এইদৰে—

*"ৰতনৰে সিংহাসনত জননী বহিছে।*
*সুৱৰ্ণৰে বন্তি গছি উজ্বলি জ্বলিছে।।*
*ভ্ৰমৰে গুঞ্জন কৰে মৃদু মৃদু ৰাৱ।*
*মলয় পৱন বহে লহু লহু ভাৱ।।"*[১]

ভাৰতীয় তথা অসমীয়া সমাজ ব্যৱস্থাত জন্মভূমিক শ্ৰদ্ধা, পূজা-অৰ্চনা কৰাৰ সমান্তৰালভাৱে জন্মদাতা আই বা মাতৃৰ প্ৰতিয়ো গভীৰ শ্ৰদ্ধা আৰু সন্মান প্ৰদান কৰাটোও ভাৰতীয় ঐতিহ্যৰ অন্যতম আধাৰ। আই মাতৃৰ চৰণ সেৱা কৰা প্ৰতিজন ভাৰতীয়ৰ বাবে ব্ৰতস্বৰূপ। জীৱনৰ যিকোনো কৰ্মতে কৃতকাৰ্যতা লভিবলৈ হ'লে মাতৃৰ অবিহনে সেই কৰ্ম যেন ফলপ্ৰসূ হোৱাৰ সম্ভাৱনা নিচেই ক্ষীণ বুলি প্ৰতিজন ভাৰতীয়ৰ লগতে অসমীয়াৰো গভীৰ বিশ্বাস। গীতিকাৰ পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ গীততো আই মাতৃৰ প্ৰতি যথা উপাচাৰেৰে পূজা-অৰ্চনা কৰি জীৱনযুজঁত আগবাঢ়ি যোৱাৰ আহ্বান প্ৰকাশিত হৈছে এনেদৰে—

*"পূজোঁ আহা আই মাতৃৰ চৰণকমল*
*উঠক বাজি জয় ধ্বনি পৰম মংগল*
*পূজাৰ দ'লৰ চন্দন চ'ৰা*
*বন্তি জ্বলাই উজ্বল কৰা*
*সুপৱিত্ৰ কৰা ঢালি শান্তিয়নী জল।"*[২]

ভাৰতীয় আধ্যাত্মিক চিন্তাধাৰাত ৰহস্যবাদৰ স্থান অতি প্ৰাচীন। ইয়াৰ ঘাই সম্পৰ্ক মূলতঃ বেদ আৰু উপনিষদৰ সৈতে। "জাগতিক বৈচিত্ৰ্যৰ অন্তৰালত লুকাই থকা পৰমশক্তিকে মন্ত্ৰদ্ৰষ্টা ঋষিসকলে উপনিষদত প্ৰতিষ্ঠা কৰিছে।"[৩] বেদ, উপনিষদৰ পৰা বিকশিত হোৱা দাৰ্শনিক ৰহস্যবাদে মধ্যযুগত বিভিন্ন ধৰ্ম আন্দোলনৰ মাজেৰে ভক্তিমূলক ৰহস্যবাদৰূপে আত্মপ্ৰকাশ কৰা পৰিলক্ষিত হয়।

প্ৰাচীন ভাৰতীয় কাব্য, মহাকাব্য, ধৰ্মগ্ৰন্থ, দৰ্শনশাস্ত্ৰ তথা ভাৰতীয় দৰ্শনৰ প্ৰতিফলন সমৃদ্ধ ভিন্ন ঘটনা আখ্যান-উপাখ্যানৰ মাজত নিহিত ভাবধাৰাই অসমীয়া ৰোমাণ্টিক সাহিত্যক প্ৰভাৱান্বিত কৰাৰ লেখিয়াকৈ অসমীয়া গীতি সাহিত্যকো প্ৰভাৱিত কৰিছিল। পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ গীততো গীতিকাৰগৰাকীয়ে প্ৰকৃতিৰ ৰূপ সৌন্দৰ্যৰ মাজত সুৰৰ এক মায়াৱী আৱেশ আছে বুলি উপলব্ধি কৰিছে। দূৰ-দূৰণিত বাজি উঠা

মোহনৰ বাঁহীৰ সূৰে গীতিকাৰগৰাকীক ব্যাকুল কৰিছে আৰু তাৰ মাজতেই অসীম সৌন্দৰ্যৰ সমাহাৰ তথা নেদেখা শক্তিৰ উপস্থিতি গীতৰ জৰিয়তে উল্লেখ কৰিছে—

*"দূৰ-দূৰণিত বাজিল বাজি*
*কোন মোহনৰ বাঁহী*
*সুৰৰ ৰাগীত কঁপে পোহৰ*
*চৰাইৰ ডিঙিত সুৰৰ লহৰ*
*ফুলৰ পাহিত হাঁহি কিহৰ*
*কিহৰ ইমান হাঁহি।"*[৪]

ভাৰতীয় দৰ্শন অনুযায়ী বিশ্ব-ব্ৰহ্মাণ্ডৰ প্ৰতিটো বস্তুৰ মূলতেই এটা বিশেষ সত্তাই ক্ৰিয়া কৰি আছে। প্ৰকৃতিত উপলব্ধ সৰু-বৰ প্ৰতিতো বস্তুৰ মাজতে এক মহান সত্তাৰ অস্তিত্ব অনুভৱ কৰে ৰহস্যবাদী ধ্যান- ধ্যাৰণাত বিশ্বাসীসকলে। বৰুৱাৰ গীততো এই চিৰ আনন্দময় সত্তাৰ উপলব্ধিয়ে যেন সমগ্ৰ বিশ্ব জগতখনকেই মহীয়ান কৰি তুলিছে, তাৰ আভাস পোৱা যায় নিম্নোক্ত গীত শাৰীত—

*"তোমাৰ প্ৰাণত যি ৰং আছে*
*তাৰ পৰশত*
*ৰংচুৰা বিশ্ব জগত*
*ফুলাই নতুন ফুল।"*[৫]

ৰহস্যবাদী দৰ্শন অনুযায়ী মানৱ জীৱনটো সাগৰ সদৃশ। সাগৰৰ প্ৰচণ্ড ঢৌৱে যিদৰে পথিকক যাত্ৰা পথত লটি-ঘটি কৰে, ঠিক তেনেদৰে সাংসাৰিক জীৱনৰ লোভ, মায়া, মোহ আদিয়ে মানৱক বিপথে পৰিচালিত কৰি পৰমজনাৰ সান্নিধ্য লাভৰপৰা বঞ্চিত কৰে। যাৰ পৰিপ্ৰেক্ষিতত সাংসাৰিক জীৱনত মানৱে অশেষ দুখ-যাতনা ভুগিবলগীয়া হয়, আৰু ইয়াৰ পৰা পৰিত্ৰাণ বিচাৰি হাবাথুৰি খাবলগীয়া হয়। শংকৰদেৱ, মাধৱদেৱৰ দ্বাৰা ৰচিত বৰগীততো মানৱ জীৱনৰ এনে তাত্ত্বিক দিশসমূহে স্থান পোৱা পৰিলক্ষিত হয়। পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীততো গীতিকাৰ গৰাকীয়ে সাগৰৰূপী লুইতত নাও মেলি দিশহাৰা হৈ পৰমজনাক সংসাৰ যাত্ৰাৰ ভয়াৱহতাৰ পৰা উদ্ধাৰৰ বাবে কাতৰে প্ৰাৰ্থনা জনাইছে এইদৰে—

*"গুৰিয়াল কাই*
*নাও মোৰ কেনিবা যায়*
*ভৰা লুইতত দিক হেৰুৱাই*

*তুমি জানা ক'ত সত্ৰৰ সিপাৰৰ ঘাট*
*ক'ত সত্ৰৰ আছে কৰাপাত*
*তুমি গুৰি ধৰি নিয়া পাৰ কৰি*
*দিয়া বাট দেখুৱাই।"*[৬]

ভাৰতীয় পৰম্পৰা তথা ঐতিহ্যত উপনিষদীয় বাণীসমূহৰ বিশেষ স্থান পৰিলক্ষিত হয়। ইয়াৰ সহায়ত পৰমপুৰুষ ভগৱন্তৰ স্বৰূপ সম্পৰ্কে আভাস পাব পাৰি বুলি সকলোৱে বিশ্বাস কৰে। পাৰ্ৱতিপ্ৰসাদে উপনিষদৰ আশ্ৰয়ত পুৰুষোত্তম ভগৱানৰ স্বৰূপ তথা ৰহস্য উদ্‌ঘাটন কৰিবলৈ যত্ন কৰিছে। পাৰ্ৱতিপ্ৰসাদৰ কাব্য চেতনা উপনিষদীয় ৰূপৰ চেতনাৰে উদ্দীপ্ত।[৭] বৰুৱাৰ গীতসমূহতো সোণৰ সোলেঙৰ পমখেদি, বীণ বৰাগীৰ ৰূপ লৈ যি যাত্ৰা আৰম্ভ কৰিছে, সেই যাত্ৰাত আধ্যাত্মিকতা বিৰাজমান। আত্মাৰ পৰমআত্মালৈ যি যাত্ৰা পথ তাত অন্তৰ্নিহিত হৈ আছে অভেদ ৰহস্য। 'গীতা'তো উল্লেখ কৰা হৈছে সমগ্ৰ জীৱাত্মাৰ হৃদয়ত পৰমপুৰুষ ভগৱন্ত বিদ্যমান। দৰাচলতে তেওঁ নিজৰ মায়াৰ আৱেশেৰে হৈ থকা বাবে তেওঁৰ সান্নিধ্য লাভ কৰাৰ পৰা আমি বঞ্চিত হ'ব লাগে। মন কৰিবলগীয়া যে তেৰাৰ সান্নিধ্য সামগ্ৰিকভাৱে লাভ কৰিব নোৱাৰিলেও সামান্য আভাস এটি জীৱাত্মাই লাভ কৰিবলৈ সক্ষম হয়। বৰুৱাৰ গীততো উপনিষদীয় তত্ত্বৰ আভাস মূৰ্ত্তমান হৈ উঠিছে এনেদৰে—

*"মহাজীৱনৰ বন্তি জ্বলিছে চৌদিশ উজ্জ্বলাই*
*দূৰণিৰ পৰা এফেৰি আভাস মাথোঁ দেখিবলৈ পায়।*
*জীৱনৰ ছগা উৰা মাৰি যায়,*
*ধৰোঁ, ধৰোঁ কৰে বিচাৰি নেপায়।"*[৮]

উপনিষদীয় দৰ্শন মতে পৰমাত্মা স্বৰূপ পৰম পুৰুষৰ তত্ত্ব তথা ৰহস্যময় তত্ত্ব যাত্ৰাপথৰ সকলো যাত্ৰীয়ে বুজিব নোৱাৰে। কিন্তু তেওঁৰ সান্নিধ্য লাভৰ বাবে যি ব্যাকুল যাত্ৰা, সেই যাত্ৰাৰ পথছোৱাটেই যেন বিশ্বাত্মা তথা পুৰুষোত্তমৰ সন্ধান লাভ কৰে। গীতিকাৰ গৰাকীৰ গীততো এনেধৰণৰ দাৰ্শনিক বিষয়বস্তুৰ প্ৰতিফলন ঘটা পৰিলক্ষিত হৈছে—

*"ছিগক আজি মনৰ বান্ধোন*
*বাঁহীৰ সুৰত মিলক কান্দোন*
*পূৰ্ণ প্ৰাণৰ সুৰে সুৰে"*[৯]

ভাৰতীয় সাহিত্যৰ দৰে অসমীয়া সাহিত্যতো অতীতৰ পৰা শৰৎকালে উল্লেখনীয় ভূমিকা পালন

কৰি আহিছে। বেদ, ৰামায়ণ, মহাভাৰত, কালিদাস, ৰবীন্দ্ৰনাথ ঠাকুৰৰ সাহিত্যৰাজিকে আদি কৰি অসমীয়া সাহিত্যৰ বৈষ্ণৱযুগ, ৰমন্যাসিক যুগ আৰু পৰৱৰ্তী সময়ৰ সৃষ্টিৰাজিতো শৰৎ কালৰ বৰ্ণনাই বিশেষ ঠাই অধিগ্ৰহণ কৰি আছে। পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ গীততো শৰৎকালে এক বিশেষ স্থান অধিকাৰ কৰি আছে। শৰতৰ প্ৰতি থকা দুৰ্বাৰ আকৰ্ষণে বৰুৱাৰ গীতত শৰৎ কালক এটি চৰিত্ৰ হিচাপে অংকন কৰিছে—

*"আহিনমহীয়া শেৱালি সৰিলে*
*নিয়ৰত তিতিলে বন*
*জোনাকত ওপঙিল কিহবাৰে ৰাগী*
*কেনেবা কৰিলে মন*
*বান্ধৈ ঐ*
*কেনেবা কৰিলে মন"*[১০]

পাৰ্ৱতিপ্ৰসাদৰ দৃষ্টিত শৰৎ মাথোঁ এটি ঋতুৱেই নহয়, ইয়াৰ বিপৰীতে শৰৎ এক অৱয়ৱিক উপলব্ধিহে। সেয়ে শৰতক আই লখিমী বুলি সম্বোধন কৰি গীতিকাৰ গৰাকীয়ে শৰৎ কালৰ ঐতিহ্যৰ বৰ্ণনা দাঙি ধৰিছে এইদৰে—

*"আজি নীল আকাশতে শুকুলা ডাৱৰ*
*ধূলি উৰুৱাই*
*সৌ পদূলিয়ে আহিছে হ'বলা*
*শাৰদী লখিমী আই।"*[১১]

**৩.০২.২ সাংস্কৃতিক ঐতিহ্যচেতনা**

কোনো এটা জাতিৰ স্বকীয় ভাষা সংস্কৃতিয়েই জাতিটোৰ মেৰুদণ্ড স্বৰূপ। স্বকীয় সাংস্কৃতিক ঐতিহ্যৰে সৃষ্টিৰাজিসমূহ সমৃদ্ধ কৰিব পাৰিলেহে তাৰ দ্বাৰা জাতি তথা সমাজ একোখন লাভান্বিত হ'ব পাৰে। এইটো দৃষ্টিকোণৰ পৰা পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ গীতসমূহো ব্যতিক্ৰম নহয়। বৰুৱাৰ গীততো অসমীয়া লোক-সাংস্কৃতিক সমলৰ সংযোজনে সাংস্কৃতিক ঐতিহ্যক মূৰ্ত্তমান কৰি তোলাত সহায় কৰিছে। অসমীয়া লোকসাহিত্যৰ বহল অংশ আগুৰি থকা বিহুনাম, দেহবিচাৰৰ গীত, আইনাম, বিয়ানাম, টোকাৰী গীত, নিচুকণি গীত, বনগীত আদিৰ সুৰৰ সংমিশ্ৰণ তথা আলমত পাৰ্ৱতিপ্ৰসাদ বৰুৱাই ভালেমান গীত ৰচনা কৰিছে। যাৰ জৰিয়তে বৰুৱাৰ গীতসমূহত অসম-অসমীয়াৰ স্বাভিমান তথা ঐতিহ্য

সুন্দৰভাৱে প্ৰকাশিত হৈ উঠা পৰিলক্ষিত হয়। অসমীয়া সমাজ জীৱনত আইনামসমূহৰ এক ভূমিকা আছে। অসমীয়া সমাজত আইনামৰ যোগেদি বসন্ত ৰোগৰ অধিষ্ঠাত্ৰী দেৱীক সন্তুষ্ট কৰিবলৈ সবাহ অনুষ্ঠিত কৰা হয়। আইনামৰ জৰিয়তে অসমীয়া নাৰীমনৰ সবল বিশ্বাস আৰু ভক্তিৰ মহিমা সাৱলীলভাৱে পৰিস্ফুত হয়। আইনামত অংশগ্ৰহণকাৰী আয়তীসকলে দেৱীক সন্তুষ্ট কৰিব পৰা উপাচাৰৰ অভাৱ অনুভৱ কৰাৰ সমান্তৰালভাৱে সেৱা আগবঢ়োৱা কাৰ্যক্ৰমণিকাত দোষ-ত্ৰুটিৰ মাৰ্জনাৰে প্ৰাৰ্থনা কৰাৰ পৰম্পৰাগত যি ঐতিহ্য, সেই ঐতিহ্য বা পৰম্পৰাৰ বৰ্হিঃপ্ৰকাশ বৰুৱাৰ গীতত সাৱলীলভাৱে প্ৰতিভাত হৈছে। যেনে—

*"আই মোৰ নিচিনা সেৱকৰ নিংকিন পূজাভাগ*
*নিঘিনি লোৱা আই তুলি*
*দুখীয়া নিচলা বুলি।"*[১২]

ভাৰতীয় সমাজৰ দৰে অসমীয়া সমাজ ব্যৱস্থাও মূলতঃ কৃষিকেন্দ্ৰিক আৰু ইয়াৰ অন্যতম সমল গো-ধন। অসমীয়া সমাজ ব্যৱস্থাত অতীতৰে পৰা খেতি-বাতিকে আদি কৰি মানৱৰ ভিন্ন কাৰ্য পৰিচালিত গৰু-ম'হসমূহ চোৱাচিতাকে আদি কৰি অন্যান্য লাগতীয়াল সা-সুবিধাখিনি প্ৰদান কৰাৰ পৰিপ্ৰেক্ষিতত একোজনকৈ হোজা কৰ্মঠ ব্যক্তি নিয়োগ কৰা হৈছিল যাক 'গৰখীয়া' বুলি সম্বোধন কৰা হয়। গৰখীয়া ল'ৰাই পথাৰৰ বা নৈৰ চাপৰিত গৰু-ম'হ চৰাওতে নিজৰ কষ্ট লাঘৱ কৰিবলৈ আৱেগ-অনুভূতি সিক্ত যি গীত গায়, সেয়াই 'গৰখীয়া' গীত। থলুৱা তথা স্থানীয় সমাজ জীৱনক নখ দৰ্পনত লৈ গীত চৰ্চা কৰা বৰুৱাৰ গীততো গৰখীয়া চৰিত্ৰ আৰু গৰখীয়া গীতৰ সুৰৰ সংযোজনে পৰম্পৰাগত ঐতিহ্যৰ ছবিখন অংকন কৰাৰ লগতে শৈশৱকালৰ ৰঙীন স্মৃতিসমূহক জীপাল কৰি তুলিছে—

*"গৰখীয়া হেৰ' গৰখীয়া*
*কি সুৰ বজালি দুপৰীয়া*
*সুৰৰ ধ্বনি শুনি কলিজাত কঁপনি*
*ৰঙত ঘনে ঘনে লাগে,*
*কোনোবা ল'ৰালিৰ কাহিনী*
*মনত মনে মনে জাগে।"*[১৩]

বনগীতসমূহ অসম-অসমীয়াৰ বাবে আপুৰুগীয়া সম্পদ। মানুহ আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্ক ওতঃপ্ৰোত।

প্ৰকৃতিৰ আৱেদনময়ী ৰূপৰ সৌন্দৰ্যৰ সৈতে নিজৰ ভাৱানুভূতি প্ৰকাশৰ মানসেৰে ৰচনা কৰা গীতবোৰক 'বনগীত' বুলি অভিহিত কৰা হয়। এই গীতসমূহ সাধাৰণতে নিৰ্জনস্থলী বা বনৰ মাজত সমবেত হৈ গোৱা হৈছিল। য'ত যৌৱনৰ যৌন বাসনাৰ উন্মুক্ত ভাৱৰ প্ৰকাশ ঘটাও পৰিলক্ষিত হৈছিল। পাৰ্বতিপ্ৰসাদ বৰুৱাৰ ভালেসংখ্যক গীতত বনগীত সুৰীয়া ঠাচঁ তথা শৈলী বিদ্যমান। বিশেষকৈ 'লুইতী'ত সন্নিৱিষ্ট গীতসমূহত বনগীতৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে—

*"বৰ নৈৰ পাৰৰে আঁহত জুপি*
*তিনি ফেৰেঙীয়া ডাল*
*বাহটি সাজিলে ভাল।"* [১৪]

বনগীত, বিহুগীত, আইনাম ইত্যাদিৰ দৰে ম'হ-গুৱালৰ গীতে অসমৰ সাংগীতিক ঐতিহ্যত বিশেষ স্থান অধিকাৰ কৰি আছে। সেয়ে গীতিকাৰ গৰাকীৰ গীতত ম'হ-গুৱালৰ গীতৰ প্ৰসংগ উত্থাপনে গীতসমূহক আকৰ্ষণীয় কৰি তোলাৰ লগতে অসমীয়া লোকসংগীতৰ প্ৰাচীন আৰু বৰ্ণিল ধাৰাটোৰ ঐতিহ্যকে সোঁৱৰাই দিয়া দেখা যায়। যেনে—

*"ক'ত ম'হ-গুৱালৰ গীত*
*মুকলি পথাৰ ভেদি*
*বতাহত উটি উটি যায়*
*কতনো নাৱৰীয়াই*
*লুইতত ৰিঙিয়াই*
*বনগীত গায়।"* [১৫]

অসমীয়া সমাজত বহুলভাৱে প্ৰচলিত দেহবিচাৰৰ গীতসমূহে সাংস্কৃতিক ক্ষেত্ৰখনক অতীতৰে পৰা মহিমামণ্ডিত কৰি ৰাখিছে। এই গীতসমূহ সাধাৰণতে আধ্যাত্মিক ভাৱসম্পন্ন। দেহবিচাৰৰ গীতত সংসাৰখনক বন বা সাগৰৰ লগত আৰু শৰীৰ তথা দেহটোক কেতিয়াবা নাও আৰু কেতিয়াবা ঘৰৰ লগত তুলনা কৰি জীৱনৰ গূঢ় ৰহস্যৰ সন্ধান দিবলৈ যত্ন কৰা হয়। হেমন্ত কুমাৰ শৰ্মাই 'অসমীয়া সাহিত্যত দৃষ্টিপাত' শীৰ্ষক গ্ৰন্থত দেহবিচাৰৰ গীত সম্পৰ্কে কৈছে - "জীৱনটো যে অনিত্য, দেহৰ ভিতৰতে যে চৈধ্য ব্ৰহ্মাণ্ড আছে আৰু হৰি নামেই যে শ্ৰেষ্ঠ মূলধন, এনেবোৰ তত্ত্ব গীতবোৰত পোৱা যায়।"[১৬] পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীততো দেহবিচাৰৰ গীতৰ প্ৰভাৱ সুস্পষ্ট। দেহবিচাৰৰ গীতক সংসাৰখনক সাগৰৰ সৈতে ৰিজাই চোৱাৰ পৰম পুৰুষ সান্নিধ্য অবিহনে এই সংসাৰ যাত্ৰা বিপথগামী হোৱাৰ ফলত

মানৰে নানা দুখ-কষ্ট ভুঞ্জিব লগা হয়, সেই কথা বৰুৱাৰ গীতত প্ৰতীয়মান হৈছে এনেদৰে—

*"চাইনো চাই বুলিবা বাট সমনীয়া*
*চাইনো চাই বুলিবা বাট,*
*দেহৰে ভিতৰত আছে খলাবমা*
*পিছলি পৰিবা তাত।"*[১৭]

অসমীয়া লোক-সংগীতৰ অন্যতম এটি প্ৰশাখা হ'ল নিচুকণি গীতসমূহ। অসমীয়া সমাজত সৰু ল'ৰা-ছোৱালীক টোপনি নিয়াবলৈ নিচুকণি গীত পৰিৱেশন কৰা হয়। এনে গীতত শিশুৰ পৰিচিত জোন, বেলি, তৰা, ফুল, চৰাই, হাতী, শিয়াল আদি জন্তুক আলম হিচাপে লৈ কাল্পনিক ৰহন বোলাই মনোৰমভাৱে বৰ্ণনা কৰা হয়। "এই গীতবোৰৰ প্ৰধান আকৰ্ষণ হ'ল সুৰ আৰু লয়, লগতে অবাক আৰু নিষ্কলুষ কল্পনা।"[১৮] পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীততো শিশু মনস্তত্বৰ সৈতে নিচুকণি গীতৰ ঠাঁচ প্ৰতিফলিত হৈছে এনেদৰে—

*"ঘুমটি হৰিলে কোনে এ*
*আজি মোৰ ঘুমটি হৰিলে ঐ*
*জোনৰে কাষৰে একেটি তৰা এ*
*কিবা সাধুকথা কয়;*
*মন মোৰ অবাক হয়।"*[১৯]

অসম-অসমীয়াৰ জাতীয় জীৱনৰ অন্যতম ধাৰক তথা বাহক বিহুনামসমূহ জাতীয় ঐতিহ্যৰ ঘাই সমল। অসমীয়া জাতিৰ সাংস্কৃতিক সম্পদ বিহুনামসমূহত লোকজীৱনৰ আশা-আকাংক্ষা, প্ৰকৃতিৰ বৰ্ণনা, জীৱন-ধাৰণ শৈলী, ডেকা-গাভৰুৰ প্ৰেম-যৌৱনৰ চিত্ৰায়ন, পৰম্পৰা বিশ্বাস, লোকভাষা, ভোগলিক অৱস্থিতি ইত্যাদিৰ প্ৰাচুৰ্যতা মন কৰিবলগীয়া। লোকসংগীতৰ প্ৰতি গভীৰ অনুৰাগৰ পৰিপ্ৰেক্ষিতত বৰুৱাৰ গীততো বিহুনামৰ সুৰ, ভাৱ, ভাষা, শৈলীৰ সুন্দৰ সংমিশ্ৰণ দেখিবলৈ পোৱা যায়। গীত একোটাৰ মাজে মাজে কৌশলপূৰ্ণভাৱে বিহুনামৰ ঘোষা বা পংক্তি সুমুৱাই দি গীতিকাৰ গৰাকীয়ে বিহুনামৰ ঐতিহ্যক ন-চামৰ মাজত প্ৰসাৰিত কৰিছিল এনেদৰে—

*"হাতী হেৰুৱালো লিহিৰি বনত ঐ*
*ঘোঁৰা হেৰুৱালো ৰণত,*
*পাই হেৰুৱালো সৰগৰ মুকুতা*

*চোতালৰ দুবৰি বনত।"*[২০]

আকৌ কেতিয়াবা বৰুৱাই বিহুনামৰ পৰিৱেশন শৈলীত ন-ন ভাৱবস্তুক সাৱলীলভাৱে প্ৰতীয়মান কৰি তোলা পৰিলক্ষিত হয়। যেনে—

*"কোটিকলীয়া বুঢ়া আঁহতৰ*
*চিকুণ কুমলীয়া পাত,*
*তাতোকে চিকুণ এধানি টিপচী*
*গীত জোৰে জাঁত জাঁত।"*[২১]

লোককথা বা সাধুকথাসমূহৰ মাজেৰে কোনো এটা জাতিৰ জাতীয় জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱা দেখা যায়। জাতি এটাৰ জাতীয় ঐতিহ্যৰ ভালেখিনি সমল পৰম্পৰাগতভাৱে প্ৰচলিত সাধুকথাসমূহৰ পৰা আহৰণ কৰিব পাৰি। সাধুকথা প্ৰসংগত শশী শৰ্মাই মত পোষণ কৰিছে, "সাধুকথাক লোকসমাজৰ সাংস্কৃতিক ইতিহাস বুলিব পাৰি; লোকসমাজৰ ৰীতি-নীতি, বাধা-নিষেধ, আচাৰ-আচৰণ আদি সাধুকথাত যিদৰে চিত্ৰিত হয়, সাহিত্যৰ আন কোনো দিশতেই তেনেদৰে চিত্ৰিত নহয়।"[২২] উক্ত কথাৰ পৰাই সাধুকথাসমূহে জাতীয় ঐতিহ্যৰ প্ৰৱাহমানতাত কিদৰে অৰিহণা যোগায়; তাৰ উমান সহজেই উপলব্ধি কৰিব পাৰি। বৰুৱাই তেখেতৰ গীতত অসমীয়া সমাজত বহুলভাৱে প্ৰচলিত সাধুকথাৰ পৰা সমল সংগ্ৰহ কৰি মনোৰমভাৱে গীত চৰ্চা কৰা দেখা যায়। অসমৰ পাহাৰে-ভৈয়ামে বহুল আৰু বিস্তাৰিতভাৱে প্ৰচলিত 'তেজীমলাৰ সাধু' শীৰ্ষক সাধুকথাটি গীতৰ জৰিয়তে সাৱলীলভাৱে তথা অতি দক্ষতা সহকাৰে বৰ্ণনা কৰিছে—

*"তুমি নাওৰীয়া নাও বাই আহিছা*
*কেলেই ধৰিছা শৰ?*
*ভেলেঙীৰ দেহাটি, জাতেই আলসুৱা*
*কলিজা কোমল বৰ।"*[২৩]

অসম ভূ-খণ্ডৰ পূবপিনৰ পৰা পশ্চিমলৈ লোকসমাজত বহুলভাৱে সমাদৃত আন এটা সাধু হ'ল 'তুলা আৰু তেজা'। গীতিকাৰ পাৰ্বতিপ্ৰসাদ বৰুৱাই অতি কৌশলপূৰ্ণভাৱে 'তুলা আৰু তেজা' শীৰ্ষক সাধুকথাটিৰ ভাৱবস্তুক গীতৰ দ্বাৰা উপস্থাপন কৰিছে এনেদৰে—

*"কোনে জানে হায় ক'ৰে তেজা বাই*
*ফুলতী গাভৰু হ'ল,*

*এটি দুটি কৰি পাত জহি সৰি*
*কপউ ভুৰুঙি গ'ল।"*[২৪]

এনেদৰে সাধুকথাসমূহৰ বিষয়বস্তুক গীতৰ মাজেৰে সাৱলীলভাৱে প্ৰকাশ কৰাৰ ফলত গীতসমূহে জাতীয় ঐতিহ্যৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। সমান্তৰালভাৱে এই গীতসমূহৰ দ্বাৰা সাধুকথাবোৰো ভৱিষ্যত প্ৰজন্মৰ বাবে সংৰক্ষিত হৈ থাকিব বুলি আশা কৰিব পাৰি।

**৩.০২.৩ ইতিহাস আশ্ৰিত ঐতিহ্যচেতনা ঃ**

বিশ্বৰ প্ৰতিটো জনগোষ্ঠীৰে সুকীয়া সুকীয়া ইতিহাস আছে। শক্তিশালী ঐতিহাসিক সমল অবিহনে কোনো এটা জাতিয়ে দীৰ্ঘদিনলৈ নিজা নিজা অস্তিত্ব অক্ষুন্ন ৰখাত ব্যৰ্থ হয়। সেয়ে প্ৰতিটো জাতিয়ে স্বকীয় ইতিহাস বা বুৰঞ্জী সম্পৰ্কে সজাগ হোৱা দেখা যায়। সাহিত্য যিহেতু সমাজখনৰ দলিলস্বৰূপ সেয়ে সাহিত্যৰ মাধ্যমেৰে ইতিহাসৰ তথ্য বা সমলসমূহো আত্মপ্ৰকাশ কৰাটো নিতান্তই স্বাভাৱিক। অসমীয়া গীতি সহিত্যসমূহে এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। পাৰ্বতিপ্ৰসাদ বৰুৱাইয়ো তেখেতৰ গীতৰ মাজেৰে অসম তথা অসমীয়াৰ ঐতিহ্যমণ্ডিত কীৰ্তি, গাথা, গ্ৰন্থ, মহাপুৰুষ, ঐতিহাসিক ঘটনা, চৰিত্ৰ আদিৰ পুংখানুপুংখ বিৱৰণ দাঙি ধৰিছে।

জন্মদাতা মাতৃ আৰু জন্ম লাভ কৰা স্থানৰ প্ৰতি গভীৰ শ্ৰদ্ধা তথা ভক্তি নিবেদন কৰা ভাৰতীয় দৰ্শন বা ঐতিহ্যৰ অন্যতম লক্ষণ। ভাৰতীয় সাহিত্যৰ মাজেদিয়ো অতীতৰে পৰা মাতৃ তথা জন্মভূমিৰ জয়গান ঘোষণা কৰাৰ প্ৰসংগই স্থান পাইছে। বৰুৱাৰ গীততো মাতৃভূমিৰ জয়গান সাৱলীলভাৱে ঘোষিত হৈছে—

*"আই মোৰ সোণৰে অসমৰ সোণৰে মন্দিৰ*
*ৰ'দত চিকেমিকে কৰে।*
*সোণৰে কলচী, সৰগ পৰশি*
*জ্বলমল জেউতি সৰে।"*[২৫]

জননী জন্মভূমিৰ গৌৰৱ গাঁথা সময়ে সময়ে সৰ্বজনবিদিত হৈ আহিছে একো একোজন মহানপুৰুষৰ কৰ্মৰাজি তথা সৃষ্টিৰাজিৰ দ্বাৰা। অসম প্ৰদেশতো ভিন্ন সময়ত আৰ্বিভাৱ হোৱা পুৰোধা ব্যক্তিসকলৰ কৰ্মৰাজি তথা সৃষ্টিৰাজিয়ে অসমীয়া জাতিৰ ঐতিহ্যক মহীয়ান কৰি তোলা পৰিলক্ষিত হয়। পঞ্চদশ শতিকাত অসম প্ৰদেশত নৱবৈষ্ণৱ ধৰ্ম গুৰি বঠা ধৰা শংকৰদেৱ আৰু পৰৱৰ্তী মাধৱদেৱে জাতি-ধৰ্ম-

বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত আধ্যাত্মিক ভাৱাদৰ্শেৰে সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ অহোপুৰুষাৰ্থ কৰাৰ পৰিপ্ৰেক্ষিতত অসমী আই তথা অসমীয়া জাতিয়ে বিশ্বৰ বুকুত ন-ৰূপত চিনাকী দিবলৈ সক্ষম হৈছে। শংকৰ-মাধৱৰ জীৱনাদৰ্শ বা সৃষ্টিৰাজিসমূহ অসমীয়া জাতিৰ আপুৰুগীয়া সম্পদ। তদানীন্তন সময়ৰ অসমৰ সমাজিক-ৰাজনৈতিক পটভূমি সম্পৰ্কে বিশদভাৱে অধ্যয়ন কৰিবলৈ হ'লে শংকৰ-মাধৱৰ সৃষ্টিৰাজিয়ে যে নতুন বাটৰ সন্ধান দিব পাৰিব, সেইকথাৰ প্ৰতি সদা-সচেতন আৰু গভীৰভাৱে বিশ্বাসী বৰুৱাই তেখেতৰ গীতৰ মাজেৰে এই মনোভাৱ ব্যক্ত কৰিছে এনেদৰে—

*"আই মোৰ আইৰে থাপনাত কত পূজাৰীয়ে*
*কতনো পূজা যোগালে।*
*শংকৰ পুৰুষে কীৰ্ত্তন পঢ়িলে*
*মাধৱে বৰগীত গালে।"*[২৬]

বিশ্বৰ প্ৰতিখন ৰাজ্য তথা ৰাষ্ট্ৰৰে নিজা নিজা চাৰিসীমা আছে। নিৰ্দিষ্ট চাৰিসীমাৰ আওঁতাৰ মাজত প্ৰতিখন ৰাজ্য বা ৰাষ্ট্ৰই ৰাজনৈতিক, অৰ্থনৈতিক, সামৰিক, সামাজিক, সাংস্কৃতিক কাম-কাজসমূহ নিজা নিজা ৰীতি-নীতি, আইন-কানুনৰ দ্বাৰা সমাপন কৰা দেখা যায়। ৰাজনৈতিক, আৰ্থ-সামাজিক কাৰণবশতঃ ৰাজ্যবোৰৰ পূৰ্বৰ চাৰিসীমাৰ কিছু সাল-সলনি হোৱাও পৰিলক্ষিত হয়। মন কৰিবলগীয়া যে জাতি একোটাৰ সামাজিক-সাংস্কৃতিক উত্তৰণ তথা উৎসভূমিৰ তথ্য আহৰণ কৰিবলৈ হ'লে জাতিটোৰ ঐতিহাসিক, ভৌগোলিক অৱস্থিতি সম্পৰ্কে জ্ঞান লাভ কৰাটো বাঞ্ছনীয়। বৰুৱাৰ গীতত প্ৰাচীন কামৰূপ তথা বৰ্তমানৰ অসমৰ ভৌগোলিক অৱস্থিতিৰ সীমা সম্পৰ্কীয় তথ্যৰ সংযোজনৰ দ্বাৰা প্ৰাচীন কামৰূপ আৰু বৰ্তমান অসমৰ ঐতিহ্যমণ্ডিত বা গৌৰৱপূৰ্ণ ইতিহাস কথাও গীতিকাৰ গৰাকীয়ে সোঁৰৰিছে এইদৰে—

*"আই মোৰ আইৰে চৰণত ভকত চাপিছে*
*চৰণ সেৱা কৰো বুলি।*
*সোণপীঠ, কামপীঠ, ৰতনপীঠ মিলিছে*
*শিৰত লৈ চৰণৰ ধূলি।"*[২৭]

বুৰঞ্জীত উল্লেখ থকা মতে প্ৰাচীন কামৰূপ তথা বৰ্তমান অসমৰ সীমা পূৱে শদিয়া অঞ্চলৰ দিকৰাই নৈৰ পৰা পশ্চিমে ভাটী ৰংপুৰৰ কৰতোৱা নৈলৈকে আছিল। তেতিয়া এই সীমা চাৰিটা ভাগত বিভক্ত

আছিল। সেই ভাগকেইটা হ'ল— কামপীঠ, ৰত্নপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ। "ব্যংগ দেশৰ বগুৰা মহকুমাৰ অন্তৰ্গত কৰতোৱা নদীৰ পৰা স্বৰ্ণকোষ নদী পৰ্যন্ত 'ৰত্নপীঠ'। স্বৰ্ণকোষ নদী কোচবিহাৰৰ পূব আৰু গোৱালপাৰাৰ পশ্চিম সীমা। স্বৰ্ণকোষৰ পৰা ৰূপীকা নদী পৰ্যন্ত কামপীঠ। এই ৰূপীকা এতিয়াৰ নগাঁও (আগৰ খাগৰিজান) জিলালৈ ৰূপহী নদী। কোনো কোনো লোকে কামৰূপ জিলাৰ উত্তৰ পাৰৰ পূব সীমা আৰু দৰং জিলাৰ পশ্চিম সীমা বৰনদীকো এই ৰূপীকা বুলি কয়। ৰূপীকাৰ পৰা ভৈৰৱী নৈ পৰ্যন্ত স্বৰ্ণপীঠ। এই ভৈৰৱী তেজপুৰৰ অলপ উজনিৰ ভৰলু নদী। ভৈৰৱীৰ পৰা দিক্কৰবাহিনী পৰ্যন্ত সৌমাৰপীঠেই এতিয়াৰ পৰা উজনিৰ খণ্ড বা ওপৰ আসাম, স্বৰ্ণপীঠেই মধ্য আসাম আৰু কামপীঠেই নিম্ন আসাম।"[২৮]

ঊনৈশ শতিকাৰ অসমৰ সমাজ জীৱনৰ সৈতে জড়িত এটি ঐতিহাসিক চৰিত্ৰ হ'ল 'মণিৰাম দেৱান'। মানৰ অত্যাচাৰৰ পৰা দেশখনক ৰক্ষা কৰি দেশৰ শান্তি আৰু ন্যায় প্ৰতিষ্ঠাৰ পৰিপ্ৰেক্ষিতত বৃটিছ সৈন্যৰ কাষ চাপিছিল যদিও বৃটিছ চৰকাৰৰ অন্যায়-অত্যাচাৰ, দমন-নিৰ্যাতন আৰু সুবিধাবাদী নীতিৰ স্বৰূপ উপলব্ধি কৰি বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি অসম তথা অসমীয়াক সজাগ-সচেতন কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। কিন্তু বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰোষ আৰু দাৰোগাৰ কু-চক্ৰান্তত পৰি দেশ মাতৃৰ বাবে মণিৰাম দেৱানে প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছিল। মণিৰাম দেৱানৰ এই ঐতিহাসিক আত্ম বলিদানৰ প্ৰসংগই পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীততো স্থান পাইছে—

*"চালত মলঙিলে চালদৈ কোমোৰা*
*টেকেলিত মলঙিলে লোণ*
*মাটিত মলঙিলে মণিৰাম দেৱান ঐ*
*নেকান্দি থাকিব কোন।"*[২৯]

দেশ আৰু স্বজাতিৰ বাবে আত্মত্যাগ কৰা ঐতিহাসিক চৰিত্ৰ মণিৰাম দেৱানৰ জীৱন আৰু আদৰ্শৰে অনুপ্ৰাণিত হৈ বৃটিছ অপশাসনৰ বিৰুদ্ধে মণিৰাম দেৱানে অসমীয়া সত্ত্বাক একত্ৰিত কৰাত সক্ষম হোৱাৰ দৰে বৰুৱাইয়ো মণিৰাম দেৱানৰ প্ৰসংগ উল্লেখ কৰি অসমীয়া জাতিটোক আগুৱাই যাবলৈ উদ্‌গনি যোগাইছে—

*"সেয়ে ৰিঙিয়াই গায়*
*ৰঙা টুনি আজি কেইটা নহয়*

*কলা টুনি জাক জাক*
*জাগ অসমীয়া জাগ*
*মণিৰামৰ মৰণে গায়*
*জাগ অসমীয়া জাগ।”*[৩০]

ভাৰতবৰ্ষৰ প্ৰতিটো প্ৰান্ততে বসবাস কৰা হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ এজন অন্যতম জনপ্ৰিয় দেৱতা হ’ল শিৱ বা মহাদেৱ। যিসকল হিন্দু ধৰ্মাৱলম্বী লোকে শিৱকেই প্ৰধান দেৱতা বুলি জ্ঞান কৰে আৰু ভক্তি সহকাৰে পূজা-অৰ্চনা কৰে তেওঁলোকক ‘শৈৱ’ বুলি অভিহিত কৰা হয়। ভোলানাথ, জটাধাৰী, ৰুদ্ৰ, নীলকণ্ঠ ইত্যাদি নামেৰে পৰিচিত শিৱই অশুভ শক্তিক নাশ কৰে বুলি ভাৰতীয় সমাজ ব্যৱস্থাই বিশ্বাস কৰে। পাৰ্ৱতিপ্ৰসাদ বৰুৱাইয়ো তেওঁৰ গীতত শিৱ বা মহাদেৱৰ প্ৰসংগৰে উঠি অহা প্ৰজন্মক সাহস আৰু দৃঢ়তাৰে জীৱন যুঁজত সন্মুখীন হোৱা কঠিন প্ৰত্যাহ্বানসমূহক ওফৰাই দি আগুৱাই যাবলৈ আহ্বান জনাইছে এনেদৰে—

*“সৌ টিঙত বহি আছে তেৰা*
*ৰুদ্ৰ যি মহাদেৱ,*
*তই কৰিব লাগিব সেৱ।*
*এই গিৰি পৰ্বত লংঘন কৰি*
*উঠিব লাগিব শিৰ;*
*হেৰ’ নিৰ্ভীক তই বীৰ।*
*তই ভাঙিব লাগিব পৰ্বত-শীল*
*কাটিব লাগিব বাট।”*[৩১]

কোনো এটা জাতিৰ সভ্যতাৰ বুৰঞ্জী ফঁহিয়াই চালে দেখা যায় সেই সভ্যতাৰ বিকাশ আৰু অগ্ৰগতিত প্ৰাকৃতিক জগতখনৰো অৰিহণা অন্যতম। প্ৰকৃতিৰ উপাদানবোৰৰ ভিতৰত নদ-নদীসমূহেও অতীতৰে পৰা উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। অসমৰ সভ্যতা-সংস্কৃতিৰ ক্ষেত্ৰতো লৌহিত্য বা ব্ৰহ্মপুত্ৰ নদে অতীতৰে পৰা দিক্-নিৰ্ণায়ক ভূমিকা পালন কৰি আহিছে। বৰুৱাৰ গীততো লুইতে আত্মপ্ৰকাশ কৰাৰ লগতে অসমীয়া সমাজ জীৱন যে নৈৰ পাৰৰ লগত ওতঃপ্ৰোত ভাৱে সম্পৰ্কিত সেই কথা গীতৰ মাজেৰে সাৱলীলভাৱে উপস্থাপন কৰিছে। পূৰ্বতে অসমৰ বাসিন্দাৰ লগতে বহিঃৰাজ্যৰ সৈতে বহা বেপাৰীকে আদি কৰি অন্যান্য কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে সুবিধাজনক যাতায়ত ব্যৱস্থা আছিল জলপথ। আনকি উজনি অসমৰ ভিন্ন ঠাইলৈ নামনি অসমৰ পৰা সামগ্ৰী সৰবৰাহ কৰা হৈছিল

লুইতৰ বুকুৰেদি। বৰুৱাৰ গীতত তাহানিৰ লুইতপৰীয়া ঐতিহ্য বিৰিঙি উঠিছে হৃদয়স্পৰ্শী ৰূপত—

*“লুইতৰ চাপৰিত কৰে নাৱৰীয়া*
*বালি ভাতে ৰান্ধি খায়;*
*সাউদৰ ডিঙৰা বগা পালে তৰা*
*উজনিৰ দেশলৈ যায়।”*

সাহিত্যৰ মাজেদিয়ে কোনো এটা জাতি বা জনগোষ্ঠীৰ সমাজ-সাংস্কৃতিক ক্ষেত্ৰখনে আত্মপ্ৰকাশ কৰা দেখা যায়। আধুনিক অসমীয়া গীতৰ জৰিয়তেও ভাৰতীয় তথা অসমীয়া সমাজ তথা সাংস্কৃতিক ঐতিহ্যই ভুমুকি মৰা দেখা যায়। বৰুৱাৰ গীততো অসমীয়াৰ বাপতি সাহোন তথা হিয়াৰ আমঠু ৰঙালী বিহুৰ সৈতে অসমীয়া সমাজ তথা সাংস্কৃতিক জীৱন যে ওতঃপ্ৰোতভাৱে সম্পৃক্ত; সেই কথা গীতিকাৰ গৰাকীয়ে গীতৰ জৰিয়তে ব্যক্ত কৰিছে—

*“আহা সমনীয়া গাৱলীয়া*
*ডেকা গাভৰু হেঙেলীয়া*
*বীণৰ সুৰতে ঢোলৰ বোলতে*
*নাচোনৰ চেৱতে জীৱনটি ওলাই*
*আহিছে ৰঙৰে দিনা।”*[৩৩]

ভাৰতীয় সমাজ ব্যৱস্থাত সামাজিক বান্ধোন হিচাপে ‘বিবাহ’ৰ যথেষ্ট গুৰুত্ব আৰু তাৎপৰ্য আছে। ইয়াৰ দ্বাৰা এগৰাকী পুৰুষ আৰু নাৰীৰ মাজত পাৰিবাৰিক সম্পৰ্ক স্থাপন কৰা হয়। এনে প্ৰথা অতীতৰে পৰা পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আহিছে। আনকি ‘বেদ’ত সন্নিৱিষ্ট মন্ত্ৰটো বিবাহৰ কথা উল্লেখ থকাৰ প্ৰমাণ পোৱা গৈছে। বিবাহ ভাৰতীয় তথা অসমীয়াৰ এক মাংগলিক অনুষ্ঠান। বৈদিক ৰীতি-নীতি তথা উপাচাৰেৰে বেদধ্বনি, মন্ত্ৰ উচ্চাৰিত কৰি এই মাংগলিক কাৰ্য সমাধা কৰা হয়। অতীতৰে পৰা অসমীয়া বিবাহ অনুষ্ঠানত আয়তীসকলে স্বকীয় ৰীতি-নীতি পৰম্পৰাৰে পৰিপুষ্ট বিবিধ কাৰ্য সমাপন কৰাৰ লগতে বিয়ানাম পৰিৱেশন কৰাও পৰিলক্ষিত হয়; যিয়ে বৈদিক ঐতিহ্যৰ ধাৰাবাহিকতাক অক্ষুন্ন ৰাখিছে। বৰুৱাৰ গীততো বিবাহ অনুষ্ঠানৰ সৈতে জড়িত মাংগলিক ক্ৰিয়া-ক্ৰমৰ ঐতিহ্য প্ৰতীয়মান হৈ উঠিছে বাস্তৱসন্মতভাৱে। যেনে—

*“আম্ৰডালি ভৰাই আনা স্বৰ্ণ ভোগজৰা।*
*লুহিতৰে পানী আনি ঘট পূৰ্ণ কৰা।।*
*আয়তীসকলে মিলি মংগল গোৱা।*

*উৰুলিৰে ধ্বনি তুলি দিগন্ত কঁপোৱা।।"*[৩৪]

শক্তি উপাসনাৰ দেশ ভাৰতবৰ্ষ। ভাৰতৰ উত্তৰ-পূৰ অঞ্চল অসম তথা প্ৰচীন 'কামৰূপাও' শক্তি পূজাৰে কেন্দ্ৰস্থল বুলি বহুত প্ৰাচীন গ্ৰন্থত উল্লেখ থকাৰ উপৰিও সময়ে সময়ে ইয়াৰ প্ৰমাণো উপলব্ধ হৈ আহিছে। শাক্তধৰ্মত ইষ্ট দেৱ-দেৱীক সন্তুষ্ট কৰাৰ পৰিপ্ৰেক্ষিতত জীৱ-জন্তু তথা নৰবলি দিয়া প্ৰথাৰে প্ৰচলন থকাৰ উমান বিভিন্ন প্ৰাচীন গ্ৰন্থৰ পৰা পাব পাৰি। অৰ্থাৎ কেঁচা তেজৰ বিনিময়তহে দেৱ-দেৱীৰ পৰা ভক্তসকলে মনোবাঞ্চা কৰা ফলাফল লাভ কৰিব বুলি এক প্ৰবল বিশ্বাস আছিল। ভাৰতীয় ঐতিহ্য তথা পৰম্পৰাৰ এই বিশিষ্ট লক্ষণে বৰুৱাৰ গীততো স্থান পোৱা পৰিলক্ষিত হয়। গীতিকাৰ গৰাকীৰ গীততো দেৱী বন্দনাৰ উপাচাৰ হিচাপে কেঁচা কলিজাৰ উল্লেখ থকা কথাটিলৈ আঙুলিয়াব পাৰি—

*"মৰণ জয়ীৰ মৃত্যুৰ ভয় নাই;*
*যায় আগবাঢ়ি জীৱনৰ জয় গাই*
*কেঁচা কলিজাৰ তপত তেজৰ ধাৰ*
*জননী পূজাৰ সেয়ে হক উপাচাৰ*
*ব'লা সমুখলৈ বিঘিনী গুচাই*
*জয় যাত্ৰাৰ সমদল*
*জয় জয় জয় জয়, অসমবাসীৰ জয়।"*[৩৫]

ভাৰতবৰ্ষৰ ইতিহাসত গুৰুজনা বা মহান পুৰুষক জাতি একোটাক প্ৰকৃত জ্ঞানৰে সমৃদ্ধ কৰি ভৱিষ্যৎ প্ৰজন্মক পথ প্ৰদৰ্শন কৰোৱা মহান ব্যক্তিসকলৰ প্ৰতি পূৰ্বৰে পৰা গভীৰ শ্ৰদ্ধা আৰু সেৱা নিৱেদন কৰি অহা পৰিলক্ষিত হয়। এয়া প্ৰতিজন ভাৰতীয়ৰে উদাৰনৈতিক আৰু সংস্কাৰকামী মানসিকতাৰ চূড়ান্ত নিদৰ্শন। অসমীয়া সমাজ জীৱন তথা সাহিত্য-সংস্কৃতিৰ বৰভেঁটি নিৰ্মাণ কৰা গুৰু দুজনাৰ প্ৰসংগয়ো বৰুৱাৰ গীতত স্থান লাভ কৰি ভাৰতীয় পৰম্পৰা আৰু ঐতিহ্যৰ সংস্কাৰকামী মনোভাৱটোকে প্ৰতীয়মান কৰাবলৈ সক্ষম হৈছে। গুৰু দুজনাৰ জীৱনাদৰ্শ আৰু সৃষ্টিৰাজিসমূহ প্ৰত্যেকজন অসমীয়াৰে পথ প্ৰদৰ্শক হিচাপে বৰ্তমানেও ক্ৰিয়াশীল হৈ আছে; সেই কথাও গীতিকাৰ গৰাকীয়ে গীতৰে উল্লেখ কৰিছে—

*"জাগা পূৰবাসী জাগা হে।*
*মহাপুৰুষ তিথি উছৱত*
*নতুন উছাহে লাগা হে।*
*গোৱা সকলোৱে মিলিত কণ্ঠে*

*জয় মাধৱদেৱ*
*ভকত বৃন্দে প্ৰাণত শিৰে*
*পাৱে পৰি কৰা সেৱা"।* [৩৬]

**৩.০৩.০০ পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতত সমাজচেতনা ঃ**

সাহিত্যৰ মাজেদি সমাজ একোখনৰ সামগ্ৰিক দিশৰ ৰূপায়ণ হোৱা পৰিলক্ষিত হয়। সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপটত ঘটি থকা আটাইবোৰ দিশেই সাহিত্যৰ বুকুৱেদি প্ৰতিফলিত হয়। কবি বা স্ৰষ্টা গৰাকীয়ে সাহিত্য কৰ্মৰ দ্বাৰা বৃহত্তৰ সমাজখনৰ পৰিকাঠামোৰ প্ৰতি সততে সচেতন হৈ সাহিত্য সৃষ্টি কৰা দেখা যায়। পাৰ্বতিপ্ৰসাদ বৰুৱাই তেওঁৰ গীতসমূহতো ভাৰতীয় তথা অসমীয়া সামাজিক-সাংস্কৃতিক প্ৰমূল্যসমূহক স্থান দি এখন বৃহত্তৰ সুস্থ-সবল সমাজ গঢ়াৰ পোষকতা কৰা দেখা যায়। বৰুৱাৰ গীতত মানবীয় সত্ত্বাৰ আভ্যন্তৰীণ বিপৰ্যয়, তথাকথিত সমাজ ব্যৱস্থাৰ ভণ্ডামি, স্বদেশানুৰাগ, শ্ৰেণী সচেতনতা, পৰিৱেশ সচেতনতা, মানৱীয় প্ৰমূল্যবোধ, বৈষম্যহীন সমাজ গঢ়াৰ মানসিকতা স্পষ্ট ৰূপত প্ৰতিফলিত হোৱা দেখা যায়।

**৩.০৩.১ অৰ্থনৈতিক চেতনা ঃ**

সমাজ এখনৰ সৰ্বতোপ্ৰকাৰ উত্তৰণৰ ক্ষেত্ৰখনত সমাজখনৰ অৰ্থনৈতিক ব্যৱস্থাই বিশেষ ভূমিকা গ্ৰহণ কৰে। অৰ্থনৈতিকভাৱে শক্তিশালী আৰু স্বাৱলম্বী হ'ব নোৱাৰিলে কোনো এখন সমাজ বা কোনো এটা জাতিয়ে বেছিদিনলৈ নিজৰ ঐতিহ্য অক্ষুণ্ণ ৰাখিবলৈ সক্ষম নহয়; লগতে সমাজখনক সামগ্ৰিকভাৱে উন্নয়নমুখী কৰি তোলাত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা পৰিলক্ষিত হয়। অসমীয়া সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপটক নখ দৰ্পনত লৈ গীত সৃষ্টি কৰা বৰুৱাই তেখেতৰ গীতৰ মাজেৰে তদানীন্তন কৰ্মবিমুখ আৰু ভোগবাদী অসমীয়া সমাজখনক কৰ্মমুখী কৰি তুলিবলৈ লগতে নিজ মাটি-ভেঁটিৰ সুৰক্ষাৰ স্বাৰ্থত এনেদৰে লিখিছে—

*"নিজৰ ভেঁটি*
*কাকনো বেছি*
*কৰিলি ধনী?*
*হেৰাই হাতৰ ধন, বিচাৰ'*
*পৰশমণি।"* [৩৭]

সমান্তৰালভাৱে তদানীন্তন অসম তথা অসমীয়াৰ অৰ্থনৈতিক দৈন্যতাই সৰ্বসাধাৰণ জনতাক কোঙা

কৰি পেলাইছে, সেই দুৰৱস্থাৰ ছবিখনো বৰুৱাৰ গীতত হৃদয়স্পৰ্শী ৰূপত অংকন কৰিছে। সেয়ে অৰ্থনৈতিক ভেঁটিটোক শক্তিশালী কৰি তুলিবলৈ ন-প্ৰজন্মক উনুকিয়াইছে এইদৰে ঃ

*"অতীতত তোৰ কি ধন আছিলে*
*কেলেই লাগিছে মোক?*
*এতিয়া যে তই নিচেই নিছলা*
*দুবেলা নুগুচে ভোক।"*[৩৮]

**৩.০৩.২ স্বদেশ-স্বজাতিচেতনা ঃ**

দেশ তথা সমাজ এখনক গতিশীল কৰি তুলিবলৈ হ'লে প্ৰতিজন মানুহকে একতাৰ এনাজৰী এডালেৰে সংলগ্ন কৰি ৰখাৰ লগতে স্বদেশ তথা জাতিটোৰ প্ৰতি দায়বদ্ধ কৰি তুলিব লাগিব। বৰুৱাৰ গীততো জনসাধাৰণক স্বদেশ আৰু স্বজাতিৰ প্ৰতি দায়বদ্ধ আৰু কৰ্তৃত্বশীল হ'বলৈ বলিষ্ঠ কণ্ঠেৰে আহ্বান জনাইছে—

*"নোবোলো তোক সোণৰ অসম*
*মাটিৰ অসম আই*
*সোণতকৈয়ো যে চৰা এই মাটি*
*এয়ে মোৰ ওপজা ঠাই।*[৩৯]

কোনো এটা জাতিৰ জাতীয় জীৱনক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত মহান পুৰুষ বা মনিষীসকলৰ জীৱনাদৰ্শ আৰু সৃষ্টিৰাজিসমূহে ব্যাপক অৰিহণা যোগায়। অসমীয়া সমাজ জীৱনকো ন-ৰূপত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সাংস্কৃতিকভাৱে শক্তিশালী কৰি তোলাত মহাপুৰুষ দুজনাৰ সৃষ্টিৰাজিয়ে তাহানিৰপৰা বৰ্তমানলৈকে ক্ৰিয়াশীল হৈ আছে। সেয়ে বৰুৱাই গীতৰ মাজেৰে ব্যক্ত কৰিছে ঃ

*"আই মোৰ আইৰে থাপনাত কত পূজাৰীয়ে*
*কত পূজা যোগালে*
*শংকৰ পুৰুষে কীৰ্তন পঢ়িলে*
*মাধৱে বৰগীত গালে।"*[৪০]

**৩.০৩.৩ ৰাজনৈতিকচেতনা ঃ**

সমাজ এখনক প্ৰগতিশীল কৰি তুলিবলৈ হ'লে সমাজখনত বসবাস কৰা ব্যক্তিসকলক ৰাজনৈতিকভাৱেও কিছু পৰিমাণে দক্ষ তথা সজাগ সচেতন কৰি তুলিব লাগিব। বৰুৱাই সততে এই দিশটিৰ প্ৰতি লক্ষ্য ৰাখিছিল। স্বাধীনতাৰ পূৰ্ববৰ্তী সময়ছোৱাত অৰ্থাৎ বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ

শাসনকালত অসমত বিৰাজ কৰা ৰাজনৈতিক অস্থিৰতাৰ প্ৰসংগই বৰুৱাৰ গীতত স্থান লাভ কৰিছে। বৃটিছৰ অপশাসন, নিৰ্যাতন-নিপীড়ন আদিৰ পৰা ৰক্ষা কৰি অসমীয়া জাতিক ৰাজনৈতিকভাৱে শক্তিশালী কৰি তোলা 'মণিৰাম দেৱান'ৰ কৰ্মৰাজিৰ বিৱৰণী বৰুৱাৰ গীতত প্ৰকাশি উঠিছে—

*"মণিৰামৰ মৰণে নাই*
*ফাঁচি দি মাৰিলে মণিৰাম দেৱানক*
*মাটিত নপৰিল তেজ,*
*মণিৰামৰ বিনে মৰা জীয়াবলৈ*
*আনটো নাছিলে বেজ।*[৪১]

মণিৰাম দেৱানৰ উদাৰনৈতিক আৰু বিপ্লৱী চিন্তা-চেতনাৰ পূৰ্বতে যে কোনো এজন অসমীয়াই দমন নীপিড়নৰ তীব্ৰ বিৰোধিতা কৰাৰ সাহস গোটাব পৰা নাছিল, অসমবাসীৰ সেই ৰাজনৈতিক অপৰিপক্কতাক গীতটিৰ জৰিয়তে সুন্দৰভাৱে প্ৰকাশ কৰিছে। সমান্তৰালভাৱে মণিৰাম দেৱানৰ জীৱন আৰু কৰ্মৰাজিয়ে প্ৰতিজন অসমীয়াৰে সমাজ-ৰাজনৈতিক চিন্তা-চৰ্চাক নতুন উদ্যমেৰে প্ৰভাৱিত কৰিলে আৰু এখন শোষণমুক্ত সমাজ গঢ়াৰ বাবে সকলোৰে সৈতে ঐক্যবদ্ধ সংগ্ৰাম চলাই নিজৰ প্ৰাপ্য আঁজুৰি আনিবলৈ প্ৰতিজ্ঞাবদ্ধ কৰাৰ সাৱলীল প্ৰচেষ্টাক গীতৰ মাজেদি প্ৰতিফলিত কৰিছে সুন্দৰভাৱে ঃ

*"সেয়ে ৰিঙিয়াই গায়*
*ৰঙা টুনি আজি কেইটা নহয়*
*কলা টুনি জাক জাক,*
*জাগ অসমীয়া জাগ।"*
*মণিৰামৰ মৰণে গায়*
*"জাগ অসমীয়া, জাগ।"*[৪২]

শ্ৰেণী বৈষ্যম বা শ্ৰেণী সংঘাতে সমাজ একোখনক বহুধা বিভক্ত কৰে আৰু সমাজখনৰ লগতে সমাজত বসবাস কৰা ব্যক্তিসকলৰো সৰ্বাংগীন বিকাশত বাধাৰ প্ৰাচীৰৰূপে থিয় দিয়ে। সমাজ ব্যৱস্থাৰ পৰা তথাকথিত এই ধ্যান ধাৰণাসমূহ পুলিয়ে-পোখাই উৎখাত কৰিব নোৱাৰিলে এখন সৰ্বাংগসুন্দৰ সাম্যবাদী সমাজ ব্যৱস্থাৰ পোষকতা কৰা সম্ভৱপৰ নহয়। বৰুৱাৰ গীততো শ্ৰেণী সংগ্ৰামৰ ছবিখন উন্মোচন কৰি ভোগ বিলাসত মত্ত তথাকথিত ধনীক শ্ৰেণী আৰু সৰ্বহাৰা শ্ৰেণীৰ মাজৰ সীমা ৰেখাডালক নস্যাৎ কৰি এখন মানৱদৰদী সমাজ গঢ়াৰ প্ৰবল আগ্ৰহ প্ৰকাশ কৰিছে এইদৰে—

*"মানুহৰ দেহাতে জীৱই কলেমলাই*

*খাবলৈ খুদকণ নাই*
*মানুহৰ ভোগতে ভোগ পৰমানত*
*খুদকণ কমিলেই দায়।”*[৪৩]

সমাজত বসবাস কৰা প্ৰাণীৰূপী প্ৰত্যেক মানৱৰ দৈহিক-জৈৱিক, কামনা-বাসনা, আশা-আকাংক্ষা, তৃপ্তি-বিষাদ, দুখ-যন্ত্ৰণা ইত্যাদি সকলোৰে আছে। সেয়ে সমাজৰ প্ৰতিজন ব্যক্তিয়ে সমাজখনত বসবাস কৰা সৰু-বৰ সকলোৰে একেবাৰে সাধাৰণ প্ৰয়োজনীয়তাখিনিৰ প্ৰতি সহানুভূতিশীল হ'ব লাগে। অন্যথা পৃথিৱীত কেতিয়াও সৰ্বাংগসুন্দৰ মানৱ সমাজ এখনৰ আশা কৰিব নোৱাৰি। বৰুৱাই এনে গভীৰ বিষয়বস্তুক হৃদয়ংগম কৰি লিখিছে ঃ

*“পেটৰ অগনিয়ে সবাকো দংশিব*
*জীৱৰে সৰু-বৰে নাই,*
*মানুহে মানুহক মোৰ নুবুলিলে*
*মানুহে মানুহক খায়।”*[৪৪]

**৩.০৩.৪ নৈতিকচেতনা ঃ**

চেতনাৰ দায়বদ্ধতাৰ প্ৰতি সদা সচেতন হৈ থকা পাৰ্বতিপ্ৰসাদ বৰুৱাই সমাজ এখনক গতিশীল কৰি তুলিবলৈ হ'লে যে নতুন উদ্যমেৰে ডেকা শক্তিক বিশেষভাৱে অনুপ্ৰাণিত কৰিব লাগিব, সেই সম্পৰ্কে সচেষ্ট আছিল। সমাজত প্ৰচলিত হৈ থকা অসূয়া-অপ্ৰীতি, শঠতা-ভণ্ডামিয়ে কেতিয়াও প্ৰগতিশীল সমাজ গঢ়িব নোৱাৰে; সেই সম্পৰ্কে নতুন ডেকা শক্তিক অৱগত কৰাই সমাজত থকা অপশক্তিসমূহক নাশ কৰি সমাজখনত ইতিবাচক পৰিৱেশ এটা সৃষ্টি কৰাব আহ্বান জনাইছে—

*“এই গিৰি পৰ্বত লংঘন কৰি*
*উঠিব লাগিব শিৰ,*
*হেৰ'নিৰ্ভীক তই বীৰ*
*তই ভাঙিব লাগিব পৰ্বত শিল*
*কাটিব লাগিব বাট।”*[৪৫]

গীতিকাৰগৰাকীয়ে নতুন প্ৰজন্মক নতুন বাটৰ সন্ধান অৰ্থাৎ সোঁতৰ বিপৰীতে অৱস্থান কৰাটো অত্যন্ত জটিল আৰু কণ্টকময় বুলি অভিহিত কৰিছে। আনকি শুভ শক্তিৰ এই জয়যাত্ৰা অকলশৰীয়া হ'লেও, বিভিন্ন ভয়, বাধা, বিঘিনি অতিক্ৰম কৰি আগুৱাই যাবলৈ নৱ প্ৰজন্মক সাহস দিছে। সমান্তৰালভাৱে সমাজত ভদ্ৰতাৰ মুখা পিন্ধি থকা অপশক্তিসমূহৰ প্ৰকৃত স্বৰূপটো উদঙাই দি সমাজখনক প্ৰগতিশীল

কৰি তোলাৰ পোষকতা কৰিছে বলিষ্ঠ কণ্ঠেৰে ঃ

*"তই জিনিব লাগিব ভয়*
*তই আনিব লাগিব জয়।*
*তই ভাঙিব লাগিব বান্ধোন*
*ছিঙিব লাগিব জাল;*
*এই মিছাৰ মোহিনী জাল।*
*তই চলাব লাগিব সাৰথি বিহীন*
*জীৱনৰ মহাৰথ*
*তোৰ কণ্টকময় পথ।"*[৪৬]

**৩.০৩.৫ সমন্বয়চেতনা ঃ**

সমাজ ব্যৱস্থাত পুৰণি আৰু নতুন দুয়োটাৰে মাজত এক অংগাংগী সম্পৰ্ক বিদ্যমান। সামাজিক প্ৰাণী হিচাপে মানৱে কিছুমান সমাজে নিৰ্দ্ধাৰণ কৰা ৰীতি-নীতি, আইন-কানুন, মানি চলি অহা অতীতৰ পৰাই লক্ষ্য কৰা যায়। এই ক্ষেত্ৰত মন কৰিবলগীয়া যে ইতিবাচক পৰম্পৰা আৰু প্ৰাসংগিকতা অনুযায়ী নতুন দৃষ্টিভংগীৰ সংযোজন বা সমিল মিলে জাতি একোটাক সমৃদ্ধিশালী কৰি তোলাৰ লগতে ন-ন ৰূপত বিশ্বৰ সন্মুখত জাতিটোৰ জয়গান ঘোষণা কৰিব পাৰে। বৰুৱাৰ গীতত প্ৰতীকী অৰ্থত ন-পুৰণিৰ সমন্বয়ৰ ইতিবাচক দিশটিৰ ছবি অংকিত হৈছে এনেদৰে ঃ

*"পুৰণি আঁহত  পুৰণি পৃথিৱী*
*পুৰণি আকাশ নীল;*
*ন-কুঁহিপাত নতুন টিপচী*
*ন-পুৰণিৰ মিল।"*[৪৭]

অসম ভূমিত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ অন্যতম উৎসৱ হ'ল 'বিহু'। এই বিহু উৎসৱতে আবাল-বৃদ্ধা-বনিতা সকলোৰে আনন্দত মতলীয়া হৈ নৃত্য গীতত অংশগ্ৰহণ কৰে সকলোকে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে একতাৰ ৰছীৰে বান্ধি সমন্বয় সাধক প্ৰক্ৰিয়াক অধিক কটকটীয়া কৰি তোলে। বৰুৱাৰ গীততো বিহু উৎসৱে যে সকলোৰে মাজত সমন্বয়ৰ প্ৰতীক হিচাপে কাম কৰিছে, তাৰ সজীৱ চিত্ৰায়ন দাঙি ধৰিছে এইদৰে ঃ

*"আহা সমনীয়া গাৱলীয়া*
*ডেকা গাভৰু ছেঙেলীয়া*
*বীণৰ সুৰতে ঢোলৰ বোলতে*

*নাচোনৰ চেৰতে জীৱনটি ওলটে*
*আহিছে ৰঙৰে দিন।”* [৪৮]

**৩.০৩.৬ পৰিৱেশচেতনা ঃ**

সৃষ্টিৰ পাতনিৰে পৰা প্ৰকৃতি আৰু মানুহৰ মাজত বিদ্যমান এক নীবিড় আত্মীয়তা। প্ৰকৃতিৰ ৰূপ, ৰস, গোন্ধ, স্পৰ্শই যিদৰে মানুহক আহ্লাদিত কৰি আহিছে, সেইদৰে প্ৰকৃতিয়ে মানুহক যোগান ধৰিছে অদম্য শক্তি, সাহস আৰু কৰ্ম প্ৰেৰণাৰ। সেয়ে প্ৰকৃতিৰ প্ৰতি মানৱৰ দায়বদ্ধতাও অপৰিসীম। পাৰ্বতি প্ৰসাদ বৰুৱাই তেখেতৰ গীতত অতি কৌশলৰে মানৱ সভ্যতা সুস্থভাৱে বৰ্তি থাকিবলৈ প্ৰকৃতি সংৰক্ষণৰ প্ৰয়োজনীয়তা যে অধিক, সেই কথা গীতৰ মাজেৰে প্ৰতীকী অৰ্থত উপস্থাপন কৰিছে—

*“অৰণ্যৰ মাজতে অজান পখীয়ে*
*পুৰতি প্ৰসংগ গালে;*
*লতাই বিৰিখ ফুল কলিবোৰে*
*মূৰ তুলি তুলি চালে।”*

প্ৰাকৃতিক পৰিঘটনাৰ ফলতেই আকৌ প্ৰাণীজগত তথা উদ্ভিদ জগত আলৈ-আথানিৰ সন্মুখীন হ'বলগীয়া হয়; এই দিশটিৰ প্ৰতিও যেন গীতিকাৰ সজাগ আছিল। বৰুৱাই প্ৰতীকি অৰ্থত অসমৰ বানপানী সমস্যাই কিদৰে অসমবাসীক সৰ্বস্বান্ত কৰে, সেই কথা গীতৰ জৰিয়তে ব্যক্ত কৰিছে মৰ্মস্পৰ্শী ৰূপত—

*“নৈৰ কাষৰ পচতীয়া জোপা*
*গৰা খহনীয়াত গ'ল*
*গৰাৰে লগতে টুনীৰো বাহটি*
*এধানি এবানি হ'ল।”* [৫০]

**৩.০৩.৭ সাংস্কৃতিকচেতনা ঃ**

পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ অসমৰ সাংস্কৃতিক বৈচিত্ৰতাৰ প্ৰতি গভীৰ মোহ থকা কথাটি প্ৰতীয়মান হয়; তেখেতৰ সৃষ্টিৰাজিসমূহৰ মাজেদি। বৰুৱাৰ গীতসমূহৰ মাজেদিয়ো অসমৰ সমাজ-সাংস্কৃতিক ক্ষেত্ৰখনক নতুনত্ব প্ৰদান কৰাৰ মানসিকতা এটাও স্পষ্টভাৱে পৰিলক্ষিত হয়। বৰুৱাই গীত চৰ্চা কৰা সময়খিনিত অসমীয়া সমাজত ৰবীন্দ্ৰ নাথৰ কাব্য আৰু সংগীতৰ ব্যাপক সমাদৰ আছিল। সেয়ে বৰুৱাৰ গীতত ৰবীন্দ্ৰনাথৰ কিছু প্ৰভাৱ থাকিলেও স্বদেশৰ মাটিৰ ৰূপ, ৰস, গোন্ধও স্পষ্টভাবে পৰিলক্ষিত হয়। বৰুৱাই

গীত চৰ্চা কৰা সময়ছোৱাত অসমৰ থলুৱা গীত-মাতসমূহ বাংলা গীতৰ প্ৰভাৱত জাঁহ যোৱাৰ নিচিনা অৱস্থা হোৱাৰ সময়তে বাংলা সংস্কৃতিৰ সৰ্বগ্ৰাসী প্ৰক্ৰিয়াৰ বিৰোধিতা কৰি পাৰ্বতি প্ৰসাদ বৰুৱাই অসম তথা অসমীয়া জাতিৰ সাংস্কৃতিক সমলসমূহক তেখেতৰ গীতত স্থান দিয়া কাৰ্যই বৰুৱাৰ জাতীয় দায়বদ্ধতাক প্ৰকাশ কৰাৰ সমান্তৰালভাৱে থলুৱা, ধাইনাম, বিয়ানাম, বিহুনাম, গোঁসাই নাম ইত্যাদি স্বকীয় অনুষ্ঠানসমূহকো ভৱিষ্যৎ প্ৰজন্মৰ বাবে গীতৰ মাজেৰে সংৰক্ষণ আৰু প্ৰসাৰণ কৰাৰ যি প্ৰবল হেঁপাহ, সেই আশা-আকাংক্ষাক মূৰ্তমান কৰি তোলাৰ লগতে অসমীয়াৰ সাংস্কৃতিক স্বকীয়তাকো নতুন ৰূপত মানুহৰ মাজলৈ উলিয়াই আনিবলৈ সক্ষম হৈছিল। উদাহৰণস্বৰূপে— ত্ৰিমাত্ৰিক ছন্দৰ অসমীয়া গোসাঁইনামৰ সুৰত ৰচনা কৰা এই গীতটিলৈ আঙুলিয়াব পাৰি—

*"আহিন মহীয়া শেৱালি সৰৰি*
*নিয়ৰত তিতিলে বন;*
*জোনাকত ওপঙিল কিহবাৰে ৰাগি*
*কেনেবা কৰিলে মন*
*বান্ধৈ ঐ*
*কেনেবা কৰিলে মন।"*[৫১]

সময়ৰ বিৱৰ্তনৰ লগে লগে অসমীয়া জাতিৰ ৰঙৰ উৎসৱ বিহু অনুষ্ঠানটিৰ প্ৰতিয়ো যেন ক্ৰমাৎ সৰ্বসাধাৰণৰ আকৰ্ষণ কমি অহাৰ প্ৰেক্ষাপট এটি পাৰ্বতি প্ৰসাদ বৰুৱাই লক্ষ্য কৰিছে। বিহুৰ সৈতে জড়িত লোকাচাৰ বা নৃত্য-গীতসমূহৰ ভাৱ, ভাষা, শৈলী সম্পৰ্কে যেন নতুন প্ৰজন্মই অৱগত নহয় বা অৱগত হ'বলৈ ইচ্ছা প্ৰকাশ কৰাৰ বিপৰীতে গৰাকীক হঠচকিত কৰি তুলিছে। অসমীয়া জাতিৰ এই দুৰ্দশাগ্ৰস্ত পৰিস্থিতিৰ চিত্ৰায়নো গীতিকাৰ গৰাকীয়ে তেওঁৰ গীতৰ মাজেৰে পৰিস্ফুত কৰিছে এনেদৰে ঃ

*"নহয় বুৰঞ্জী আই, আমাৰ গাত বিহু লগা*
*নাই, কিন্তু লগাবলৈহে বিহুৱা কোঁৱৰক বিচাৰিছোঁ।*
*আজি চোন কিবা গীত গায়ো মনত ৰং লগা নাই।"*[৫২]

বৰুৱাই তেখেতৰ গীতত অসমীয়া লোকগীত, খণ্ডবাক্য, জঁতুৰাঠাচ ইত্যাদিৰ সংমিশ্ৰণত গীত সৃষ্টি কৰাৰ বাবে গীতসমূহ আকৰ্ষণীয় হোৱাৰ উপৰিও এনেধৰণৰ গীতসমূহে নৱপ্ৰজন্মক সাংস্কৃতিকভাৱে সমৃদ্ধ কৰাৰ পথো প্ৰশস্ত কৰা পৰিলক্ষিত হয়। যেনে—

*"হাতী হেৰুৱালো লিহিৰ বনত*

*ঘোঁৰা হেৰুৱালো ৰণত*
*পাই হেৰুৱালো সৰগৰ মুকুতা*
*চোতালৰ দুৱৰি বনত।”*[৫৩]

অসমীয়া সমাজ জীৱনত লোকক্তিসমূহৰ প্ৰতি এক গভীৰ আস্থা তথা বিশ্বাস পোষণ কৰা পৰিলক্ষিত হয়। এই লোকক্তিসমূহ ভিন্ন পাৰিপাৰ্শ্বিক পৰিস্থিতিৰ পৰা আহৰণ কৰা বিশেষ ধৰণৰ অভিজ্ঞতাৰ সমষ্টি; যাৰ জৰিয়তে জ্যেষ্ঠ তথা অভিজ্ঞতা পুষ্ট চহা লোকসকলে তেওঁলোকৰ পূৰ্বৰ অভিজ্ঞতাৰ ভিত্তিত উত্তৰ প্ৰজন্মক বিষয় একোটাৰ ইতিবাচক আৰু নেতিবাচক দিশ সম্পৰ্কে দিহা-পৰামৰ্শ প্ৰদান কৰি, আহিবলগীয়া বিপদ-বিঘিনী তথা ভাল-বেয়া গুণৰ বিষয়ে সকীয়াই দিয়া পৰিলক্ষিত হয়। যাৰ ফলত মানৱে বহুক্ষেত্ৰত সম্ভাৱনীয় বিপদৰ পৰাও পৰিত্ৰাণ পাবলৈ সক্ষম হয়। লোকক্তিসমূহে মানুহক মানসিকভাৱে সচেতন কৰি তোলে। বৰুৱাৰ গীততো লোকক্তিৰ প্ৰয়োগেৰে মানুহৰ ভোগবাদী জীৱন চৰ্চাৰ আন্তঃসাৰশূন্যতাক উদঙাইছে সাৱলীলভাৱে ঃ

*“ধনকে ধন কৰি ধনকে ঘটিছা*
*পৰেম যতন কৰি*
*ধন যায় উচলি দেহা যায় পিছলি*
*লগত যায় দুচলি খৰি।”*[৫৪]

**৩.০৩.৮ মানৱীয়চেতনা ঃ**

স্বদেশ, স্বজাতি আৰু সৰ্বহাৰাৰ প্ৰতি বৰুৱাৰ গভীৰ সহানুভূতি আছিল। সেয়ে বৰুৱাই তদানীন্তন সমাজ ব্যৱস্থাৰ নগ্ন, তথা ফোঁপোলা স্বৰূপটো অনুধাৱন কৰি ভোগবাদত নিমজ্জিত হৈ থকা এটা শ্ৰেণীক গীতৰ মাজেৰে সকীয়নি প্ৰদান কৰিছে। সমান্তৰালভাৱে আঙুলিয়াই যে ধন-সোণে মানুহৰ একমাত্ৰ সুখ বা সম্বল হ'ব নোৱাৰে তাৰ বিপৰীতে মানুহৰ সৈতে গঢ়ি উঠা আত্মীয়তা বা মানৱীয়তাইহে মানৱক বিপদৰ পৰা উদ্ধাৰ কৰিব পাৰে। সমাজখনক প্ৰগতিৰ দিশত আগবঢ়াই নিয়া এই গুৰুত্বপূৰ্ণ দিশটিক বৰুৱাই গীতৰ জৰিয়তে উদ্ভাসিত কৰিছে এনেদৰে—

*“হেৰা ধনবৰ ধনকে চিনিলা*
*বঙহক কৰিলা পৰ*
*আপদৰ কালতে ধনে নেতাৰিব*
*বঙহে হে আপোন বৰ।”*[৫৫]

**৩.০৩.৯ মূল্যবোধচেতনা ঃ**

শিপাই গছ এজোপাক দৃঢ় বা থিয় হৈ থকাত মুখ্য ভূমিকা গ্ৰহণ কৰা দেখা যায়। কিবা কাৰণবশতঃ গছডালৰ শিপা ক্ষতিগ্ৰস্ত হ'লেই গছডালৰো অস্তিত্ব সংকটাপন্ন হয়। অনুৰূপেভাৱে কোনো এটা জাতিৰ ভাষা সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰখনো মূল উৎস বা শিপাৰ পৰা বিচ্ছিন্ন হৈ যায়, তাৰ ফলশ্ৰুতিত সংশ্লিষ্ট জাতিটোৰ ভাষা সাহিত্য সংস্কৃতিৰ অস্তিত্ব বৰ বেছি দীঘলীয়া সময়লৈকে যে বৰ্তি থাকিব নোৱাৰে সেয়া নিশ্চিত। স্বকীয় ভাষা সাহিত্য সংস্কৃতিক মনে প্ৰাণে ভালপোৱা বৰুৱাই তেখেতৰ গীতৰ মাজেৰে জাতিটোক প্ৰাণৱন্ত কৰি শিপা বা উৎসৰ জয়গান ঘোষণা কৰিছে ঃ

*"জাগা পূৰবাসী জাগা হে*
*মহাপুৰুষৰ তিথি উছৱত*
*নতুন উছাহে লাগা হে*
*গোৰা জয় নৰোত্তম (নমো নমো নমো)*
*পুৰুষ সত্তম (নমো নমো নমো)*
*জয় যুগন্ধৰ সাহিত্য গুৰুহে।"*[৫৬]

সমাজ এখনত উন্নয়নমুখী গতিধাৰা অব্যাহত ৰাখিবৰ বাবে সময়ে সময়ে সন্মুখীন হোৱা সমস্যাসমূহক সমাধানৰ ফালে আগবঢ়াই নিবলৈ হ'লে মানৱৰ সংশয়হীন কাম-কাজ, সততা-নিষ্ঠা, কৰ্মপ্ৰেৰণা ইত্যাদিৰ গুৰুত্ব অপৰিসীম। সেয়ে বৰুৱাই গীতৰ দ্বাৰা প্ৰতীকী অৰ্থত নৱ প্ৰজন্মক অনুপ্ৰেৰণা প্ৰদান কৰিছে কৌশলপূৰ্ণভাৱে—

*"ডাৱৰৰ যুঁজতে সুৰুয জিকিলে*
*এন্ধাৰ ক'ৰবালে গ'ল*
*পোহৰৰ কাঁড়েৰে ডাৱৰ সৰকালে*
*বতৰ ফৰকাল হ'ল।"*[৫৭]

বৰুৱাই তদানীন্তন জাতিটোৰ দুৰাৱস্থা তথা কৰ্মবিমুখতা প্ৰত্যক্ষ কৰি জাতিটোক শক্তিশালী কৰ্মমুখী কৰি তোলাৰ মানসিকতাৰ উদাত্ত কণ্ঠে গাইছে—

*"কাটি কৰি মনৰ এলাহ-ভাগৰ*
*সাঁতোৰ মেলি পাৰ হৈ যা সাগৰ*
*ঢউৰ নাচত তাল দিবলৈ*
*বান্ধ বুকুত বল।"*[৫৮]

শেষত যেন গীতিকাৰ গৰাকীয়ে সমাজখনৰ পৰা ইতিবাচক দিশ এটিৰ উকমুকনিৰ আভাস পাইছে। সুস্থ চিন্তা আৰু কাজ-কৰ্মই সমাজৰ পৰা হিংসা আঁতৰাই সকলোৰে মাজত মানৱীয়তাৰ জয়ধ্বনিৰে প্ৰগতিশীল সমাজ গঢ়িব বুলি গীতৰ জৰিয়তে কৰাৰ আশা ব্যক্ত কৰিছে —

*"জয় জয় পোহৰৰ*
*পূণ্য জেউতি সৰগৰ*
*পোহৰৰ বাট চিনি পাই*
*আগুৱাই জয়গান গাই*
*আঁতৰক ভ্ৰান্তি মনৰ*
*জয় জয় জয় পোহৰৰ।"*[৫৯]

নৈতিক আৰু মূল্যবোধৰ চেতনা অবিহনে কোনো এখন সমাজ সুস্থিৰভাৱে পৰিচালিত হ'ব নোৱাৰে। সমাজ এখনক সৰ্বতোপ্ৰকাৰে বিকাশশীল কৰি তুলিবলৈ হ'লে সমাজত বসবাস কৰা মানুহখিনিক মূল্যবোধ শিক্ষাৰ দ্বাৰা পৰিপুষ্ট কৰি তুলিব লাগিব। বৰুৱাৰ গীততো নৈতিক প্ৰমূল্যবোধৰ বিষয়টিয়ে গীতসমূহক অধিক সমাজমুখী কৰি তোলা পৰিলক্ষিত হয়। বৰুৱাই গীত চৰ্চা কৰা সময়ছোৱাত এচাম অসমীয়াই ভোগ বিলাসত মগ্ন হৈ প্ৰাসংগিক-অপ্ৰাসংগিক বিষয়ৰ পৰ্যালোচনা নকৰি ৰঙীন স্বপ্নত আত্মবিভোৰ হৈ থকাৰ ফলত জাতিটো যে বহু পৰিমাণে পিছপৰি থাকিবলগীয়া হৈছিল বা বহু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল, সেই কথা সোঁৱৰাই দি বৰুৱাই নতুন প্ৰজন্মক সজাগ-সচেষ্টা হ'বলৈ গীতৰ মাজেৰে আহ্বান জনাইছে —

*"কিহৰ ৰাগীত জ্বলা কলা হ'লি*
*কোন পাগলৰ বিজয় মালা ল'লি*
*কোন ৰূপহৰ ৰূপত ভোল গ'লি*
*উজ্জ্বল জ্যোতি চাই অন্ধলা হ'লি*
*জ্বলক তবক বাট নেপাৱ চিনি*
*থৰক বৰক যাৱ যেনি-তেনি।"*[৬০]

সমান্তৰালভাৱে মানৱে ব্যৱহাৰিক তথা দৈনন্দিন জীৱন পৰিচৰ্যা কৰোতে বিভিন্নধৰণৰ লোভৰ বশৱৰ্তী হৈ নানা অৰ্থনৈতিক বা অসামাজিক কাম-কাজ সম্পন্ন কৰাৰ ফলত পৰৱৰ্তী সময়ত বিভিন্নধৰণৰ সমস্যাৰ সন্মুখীন হ'ব লগা হয়, সেই কথা উল্লেখ কৰি বৰুৱাই গীতৰ দ্বাৰা সকলোকে সকীয়নি প্ৰদান কৰিছে আৰু জীৱন সংক্ৰান্তীয় সিদ্ধান্তসমূহ চালি-জাৰি চাই গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে—

*“চাইনো চাই বুলিবা বাট সমনীয়া*
*চাইনো চাই বুলিবা বাট,*
*দেহৰে ভিতৰত আছে খলাবমা*
*পিছলি পৰিবা তাত।”*[৬১]

সামৰণিত আমি ক’ব পাৰোঁ যে অসমীয়া আধুনিক গীতক নতুন মাত্রা প্রদান কৰা বৰুৱাৰ গীতসমূহক ভাৰতীয় ঐতিহ্য ভিন্ন দিশকে আদি কৰি ভাৰত তথা অসমৰ ঐতিহাসিক কীৰ্তি, গাথা, সাংস্কৃতিক স্বকীয়তাৰ ভালেমান দিশ সাৱলীলভাৱে উন্মোচিত কৰিছে। যাৰ ফলত বৰুৱাৰ গীতসমূহ ভাৰতীয় তথা অসমীয়া জাতীয় জীৱনৰ উল্লেখযোগ্য সম্পদ হিচাপে পৰিগণিত হৈছে। সমান্তৰালভাৱে বৰুৱাৰ গীতসমূহত সমসাময়িক সমাজ ব্যৱস্থাৰ ভণ্ডামি, সততা, মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয়, অৰ্থনৈতিক সংকটকে আদি কৰি শ্রমজীৱী মানুহখিনিৰ জীৱনৰ বাস্তৱ ছবি অংকিত হোৱাৰ লগতে তেওঁলোকক সজাগ-সচেষ্টা কৰাৰ প্ৰৱণতাও গীতসমূহত বিৰিঙি উঠিছে।

---

**প্রসংগটীকা ঃ**

১। পবনাথ শৰ্মা (সম্পাঃ) *পাৰ্বতিপ্ৰসাদ বৰুৱা ৰচনাৱলী, আগকথা,* পৃষ্ঠা- ৫
২। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৪
৩। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-২
৪। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৪
৫। *উল্লিখিত গ্ৰন্থ*
৬। বৈকুণ্ঠ ৰাজবংশী, *পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু ৰুদ্ৰ বৰুৱাৰ গীতি-সাহিত্য এক তুলনামূলক অধ্যায়ন, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ,* পৃষ্ঠা-৭
৭। *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৩
৮। *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-২৮
৯। *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৩
১০। *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৯
১১। পবনাথ শৰ্মা (সম্পাঃ) *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা- ১১৭
১২। নন্দ তালুকদাৰ ঃ *কবি আৰু কবিতা,* পৃষ্ঠা- ৭
১৩। পৰনাথ শৰ্মা (সম্পাঃ) ঃ *পূৰ্বোল্লেখিত গ্ৰন্থ,* পৃষ্ঠা-১১৬
১৪। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৯৬

১৫। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১১৩
১৬। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১০৯
১৭। কৰবী ডেকা হাজৰিকা (সম্পাঃ), *পাৰ্বতিপ্ৰসাদ বৰুৱাৰ কৃতি আৰু কৃতিত্ব,* পৃষ্ঠা-১৫৯
১৮ ।পৱনাথ শৰ্মা(সম্পাঃ), *পূৰ্বোল্লেখিত গ্ৰন্থ,* পৃষ্ঠা-২৪৫
১৯। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-২৬৬
২০। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৬২
২১। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৬৪
২২। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১১৫
২৩। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১০৫
২৪। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৩০
২৫। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৪৭
২৬। হেমন্ত কুমাৰ শৰ্মা, *অসমীয়া সাহিত্যত দৃষ্টিপাত,* পৃষ্ঠা-২২
২৭। পৱনাথ শৰ্মা (সম্পা ঃ), *পূৰ্বোল্লেখিত গ্ৰন্থ,* পৃষ্ঠা-১৩৮
২৮। মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* পৃষ্ঠা-২০২
২৯। পৱনাথ শৰ্মা (সম্পা ঃ), *পূৰ্বোল্লেখিত গ্ৰন্থ,* পৃষ্ঠা-১১২
৩০। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৭২
৩১। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৩০
৩২। শশী শৰ্মা, *অসমৰ লোক সাহিত্য,* পৃষ্ঠা-১৩৫
৩৩। পৱনাথ শৰ্মা (সম্পা ঃ), *পূৰ্বোল্লেখিত গ্ৰন্থ,* পৃষ্ঠা-১৩৫
৩৪। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১২৯
৩৫। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১১৫
৩৬। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১১৫
৩৭। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১১৫
৩৮। মহেশ্বৰ নেওগ (সম্পা ঃ), *স্নাতকৰ কথাবন্ধ,* পৃষ্ঠা-৫৬
৩৯। পৱনাথ শৰ্মা (সম্পা ঃ), *পূৰ্বোল্লেখিত গ্ৰন্থ,* পৃষ্ঠা-২১৯
৪০। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-২১৯
৪১। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১২০
৪২। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৪০
৪৩। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৫৯
৪৪। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১১৭
৪৫। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৯০
৪৬। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৮৮
৪৭। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৮৭
৪৮। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১১৮
৪৯। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১১৮
৫০। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১১৫
৫১। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-২১৯
৫২। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-২২০
৫৩। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৫১
৫৪। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৫১
৫৫। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১২০
৫৬। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১২০
৫৭। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৩০
৫৮। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৪৫
৫৯। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৩৩

৬০। *উল্লিখিত গ্রন্থ*, পৃষ্ঠা-১৩৬
৬১। *উল্লিখিত গ্রন্থ*, পৃষ্ঠা-১৬২
৬২। *উল্লিখিত গ্রন্থ*, পৃষ্ঠা-২৪৯
৬৩। *উল্লিখিত গ্রন্থ*, পৃষ্ঠা-১৭২
৬৪। *উল্লিখিত গ্রন্থ*, পৃষ্ঠা-১৫০
৬৫। *উল্লিখিত গ্রন্থ*, পৃষ্ঠা-১৫০
৬৬। *উল্লিখিত গ্রন্থ*, পৃষ্ঠা-১৮৮
৬৭। *উল্লিখিত গ্রন্থ*, পৃষ্ঠা-১৬৬
৬৮। *উল্লিখিত গ্রন্থ*, পৃষ্ঠা-২১৭
৬৯। *উল্লিখিত গ্রন্থ*, পৃষ্ঠা-১৮১
৭০। *উল্লিখিত গ্রন্থ*, পৃষ্ঠা-২৪৪
৭১। *উল্লিখিত গ্রন্থ*, পৃষ্ঠা-১৩৮

## চতুৰ্থ অধ্যায়

# ৪.০০ নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনা

### ৪.০১.১ নিৰ্মলপ্ৰভা বৰদলৈৰ জন্ম আৰু ব্যক্তিগত জীৱন

"নিৰ্মলপ্ৰভা বৰদলৈৰ জন্ম হৈছিল ১৯৩৩ চনৰ ২০ জুন তাৰিখে শিৱসাগৰত।"[১] "তেওঁৰ পিতৃৰ নাম আছিল প্ৰয়াত ধৰ্মেশ্বৰ শৰ্মা বৰদলৈ আৰু মাতৃৰ নাম মুক্তাবালা দেৱী। তেওঁ এক নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰিছিল আৰু সেই সময়ৰ নিয়ম অনুসাৰে তেওঁ বাল্যকালতে বিবাহ পাশত আৱদ্ধ হ'ব লগা হৈছিল।"[২] বাল্যকালতে বিবাহ পাশত আৱদ্ধ হ'ব লগা হোৱা নিৰ্মলপ্ৰভা বৰদলৈৰ সাংসাৰিক জীৱন কন্যা সন্তান এটিৰ জন্ম দিয়াৰ পিছমুহূৰ্ততে যতি পৰে।

শৈশৱ কালৰ পৰাই পঢ়া-শুনাত আগবঢ়া নিৰ্মলপ্ৰভা বৰদলৈয়ে প্ৰাথমিক আৰু মজলীয়া স্কুল উত্তীৰ্ণ হোৱাৰ পৰৱৰ্তী সময়ছোৱাত "শিৱসাগৰৰ কৃতি শিক্ষক পূৰ্ণেশ্বৰ দিহিঙীয়াৰ গৃহ শিক্ষকতাত সংস্কৃত, ভূগোল, গণিত আৰু সাহিত্য অধ্যয়ন কৰে। ১৯৪৮ চনত তেওঁ প্ৰাইভেটকৈ মেট্ৰিক পৰীক্ষা দি তিনিটা বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। পিছত শিৱসাগৰ কলেজত নৃতত্ত্ব (Anthropology) বিষয়ত অনাৰ্ছ লৈ গুৱাহাটীৰ সন্দিকৈ মহাবিদ্যালয়ত স্নাতক প্ৰথম বাৰ্ষিকত নামভৰ্তি কৰে। ইয়াৰ পিছত ১৯৫৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অসমীয়া বিভাগত সুখ্যাতিৰে স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৭২ চনত নিৰ্মলপ্ৰভা বৰদলৈয়ে ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ তত্ত্বাৱধানত 'The Treatment of Nature in Assamese poetry' শীৰ্ষক বিষয়ত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডক্টৰেট উপাধি লাভ কৰে।"[৩]

নিৰ্মলপ্ৰভা বৰদলৈয়ে কৰ্ম জীৱনৰ শুভাৰম্ভ কৰে বি বৰুৱা কলেজৰ অধ্যাপিকা হিচাপে। পৰৱৰ্তী সময়ছোৱাত বৰদলৈয়ে '১৯৭৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত যোগদান কৰি এই বিভাগৰ মুৰব্বী অধ্যাপক তথা ১৯৯০ চনত জৱাহৰলাল নেহৰু অধ্যাপক পদত অধিষ্ঠিত হয়।'[৪]

ইয়াৰোপৰি বৰদলৈয়ে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত গৱেষণামূলক কৰ্মৰাজিৰেও সমৃদ্ধ কৰে। আনকি অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি পদত অধিষ্ঠিত হৈয়ো সভাৰ কাৰ্যাৱলী পৰিচালনা কৰে।

**৪.০১.২ নিৰ্মলপ্ৰভা বৰদলৈৰ সাহিত্য কৃতি ঃ**

সৰু কালৰেপৰা সাহিত্যচৰ্চাৰ প্ৰতি আগ্ৰহী নিৰ্মলপ্ৰভা বৰদলৈৰ সাহিত্যিক জীৱনৰ আৰম্ভণি ঘটে 'সেউজীয়া' নামৰ কবিতা এটিৰ জৰিয়তে। 'নতুন অসমীয়া', 'ৰামধেনু' আদি আলোচনী, কাকত-পত্ৰত বৰদলৈয়ে নিয়মিতভাৱে লিখা-মেলা কৰিছিল। বৰদলৈয়ে অসমীয়া সাহিত্যৰ প্ৰায় আটাইকেইটা শাখাৰ লগতে ক্ষেত্ৰখনতো গীতৰ বৰঙণি আগবঢ়ায়। তলত বৰদলৈৰ সাহিত্যৰাজিৰ পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল—

(ক) গীতৰ সংকলন ঃ *'সোণ বৰণী আই'* (১৯৮০), *'সুৰুযমুখী'* (১৯৮৫) আৰু *'ফুলৰ এই মেলাতে'* (২০০২)।

(খ) শিশু গীতৰ সংকলন ঃ *'চিল্ চিল্ চিলা'* (১৯৫৯), *'অসমীয়া ওমলা গীত'* (১৯৭৮), *'নতুন অসমীয়া ওমলা গীত'* (২০০০), *'সুৱদী মাত'* (১৯৯০), *'সুৰীয়া মাত'* (১৯৮২)।

(গ) নাটক ঃ *'তৃতীয় অংক', 'অগ্নিগৰ্ভা', 'মহাকাল'*।

(ঘ) কাব্য নাটক ঃ *'ফুলকোঁৱৰ', 'মেঘদূত', 'মেঘমল্লাৰ'*।

(ঙ) গীতি নাট্য-নাটিকা ঃ *'উৰ্বশী', 'বেউলা', 'অশ্বঘোষ', 'ৰাজা', 'বন্ধু', 'সোণ বৰণী আই', 'পুতলা নাচ'* আৰু *'বিহুৰে বিৰিণা পাত'*।

(চ) ভ্ৰমণ কাহিনী ঃ *'চেৰী ফুলৰ দেশ'*।

(ছ) সম্পাদনা গ্ৰন্থ ঃ *'কবিতা মঞ্জৰী'* (গুৱাহাটী বিশ্ববিদ্যালয়ৰদ্বাৰা অনুমোদিত), *'এশ বছৰৰ অসমীয়া কবিতা', 'অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিত আৰ্যভিন্ন উপাদান'* আৰু *'পাঞ্চালী বিবাহ'*।

(জ) কবিতা পুথি ঃ *'বন ফৰিঙৰ ৰং'* (১৯৫৭), *'সমীপেষু'* (১৯৭৭), *'দিনৰ পিছত দিন'* (১৯৭৭), *'অন্তৰংগ'* (১৯৭৮), *'শব্দ'* (১৯৯৪), *'নিৰ্বাচিত কবিতা'* (১৯৯৫), *'The Dawn'* (English Poems), *'বন্ধুকোকী আৱাজ চে সুৱহ হৌতী হেঁ ক্যা'* (২০০০) (নিৰ্বাচিত কবিতাৰ হিন্দী অনুবাদ)।

(ঝ) অন্যান্য গ্ৰন্থ ঃ *'কবিতা দেশী বিদেশী', 'কবিতা আৰু প্ৰকৃতি', 'অসমৰ লোক কবিতা', 'কবিতাৰ কথা', 'আধুনিক কবিতা', 'সাহিত্য আৰু সংস্কৃতি', 'কাৰ্বি সমাজ আৰু সংস্কৃতিৰ এচেৰেঙা', 'দেৱী',*

*‘শিৰ’, ‘সূৰ্য’* ইত্যাদি।

**৪.০২.০০ নিৰ্মল প্ৰভা বৰদলৈৰ গীতত ঐতিহ্যচেতনা ঃ**

**৪.০২.১ আধ্যাত্মিক ঐতিহ্যচেতনা ঃ**

ভাৰতীয় সমাজ ব্যৱস্থাত জন্মদাতা আই বা মাতৃ ঐতিহাসিকভাৱে দেৱীতুল্য। প্ৰতিজন ভাৰতীয়ৰ বাবে মাতৃ আধ্যাত্মিক শক্তি; মাতৃৰ সান্নিধ্যত উপলব্ধি কৰা মৰম-স্নেহ আৰু ত্যাগ স্বীকাৰ কৰিব পৰা মহিমাৰ বাবে আই তথা মাতৃ যুগে যুগে পূজনীয় হৈ আহিছে। প্ৰত্যেক ভাৰতীয়ৰ কাৰণে মা বা আই আদৰ্শ ব্যক্তি, তেওঁ শিক্ষিত হওঁক বা অশিক্ষিত হওঁক সকলোৱে আই বা মাতৃৰ সেৱাত মুগ্ধ। অৰ্থাৎ জন্মদাতা মাতৃগৰাকীক অত্যন্ত শ্ৰদ্ধা আৰু ভক্তিৰে প্ৰণিপাত জনোৱা ভাৰতীয় পৰম্পৰাগত ঐতিহ্যৰ ব্ৰতস্বৰূপ। নিৰ্মলপ্ৰভা বৰদলৈৰ গীততো ভাৰতীয় আদৰ্শৰ এই বিশিষ্ট লক্ষণটি প্ৰতিভাত হৈছে মৰ্মস্পৰ্শী ৰূপত এইদৰে—

*“তুমি মহালক্ষ্মী*
*তুমি বৰদাত্ৰী*
*তুমি কাত্যায়নী আই*
*তোমাৰ সন্মানে*
*নেজানে একোকে*
*দোষ দায় ক্ষমিব পায়।”*[৫]

স্বদেশ-স্বজাতিৰ প্ৰতি অসীম শ্ৰদ্ধা, ভক্তি আৰু আন্তৰিকতা পোষণ কৰা ভাৰতীয় ঐতিহ্যৰ ধাৰক তথা বাহক। ভাৰতবৰ্ষ অৰ্থাৎ দেশৰ অতীত গুণানুকীৰ্তনো ঐতিহ্যচেতনাৰে মূৰ্ত্ত প্ৰকাশ। বৰদলৈৰ গীতসমূহতো জন্মভূমি ভাৰতবৰ্ষৰ ৰূপ-গুণৰ মাহাত্ম্য প্ৰকাশিত হোৱাৰ লগতে মাতৃভূমি অসমৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা আৰু ভক্তিৰ মহিমা প্ৰকাশ পাইছে স্পষ্ট ভাষাত—

*“ভাৰত আমাৰ মাতৃ*
*অসম জন্মদাত্ৰী*
*সুজলা সুফলা শস্য শ্যামলা*
*বাৰে বৰণীয়া কৃষ্টি*
*জাতি-উপজাতি-জনজাতি মিলি*
*ৰচে অনুপম সৃষ্টি।”*[৬]

ভাৰতীয় সমাজ ব্যৱস্থাত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা এটি আধ্যাত্মিক চিন্তাৰে পৰিপুষ্ট কৰ্ম হ’ল থাপনাৰ কাষত তুলসী গছ ৰোপণ কৰা। ভাৰতীয় সমাজত গভীৰ বিশ্বাস যে এই তুলসী গছৰ তলত

সন্ধিয়া দিয়া চাকি-বন্তি দিলে আৰু প্ৰণিপাতে জনালে ই গৃহস্থক আহিবলগীয়া সম্ভাব্য বিপদ-বিঘিনিৰ পৰা ৰক্ষা কৰাৰ উপৰিও চাকিৰ উজ্জ্বল পোহৰে অন্ধকাৰক নাশ কৰি সকলোকে পোহৰাই তুলিব। বৰদলৈৰ গীততো ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ এই বিশিষ্ট ভাৰধাৰাটিয়ে আত্মপ্ৰকাশ লাভ কৰিবলৈ সক্ষম হৈছে এনেদৰে—

*"থাপনা কাষত- তুলসী তলৰ*
*আমি যেন সৰু বন্তি*
*ঘৰ পোহৰোৱা বাট উজ্জ্বলোৱা*
*আকাশমুখী মনটি।"*[৭]

ভাৰতীয় আধ্যাত্মিক ঐতিহ্য তথা পৰম্পৰাত ৰহস্যবাদৰ এক বিশেষ স্থান থকা পৰিলক্ষিত হয়। ভাৰতীয় সমাজ আৰু সংস্কৃতিত ৰহস্যবাদী চিন্তা-চৰ্চা তথা দৰ্শনে তাহানিৰে পৰা ক্ৰিয়া কৰি আহিছে। প্ৰতিজন ভাৰতীয়ৰে মন-মগজুত বেদ, উপনিষদ, গীতা ইত্যাদি শাস্ত্ৰসমূহৰ গভীৰ আধ্যাত্মিক দৰ্শনে অহৰহভাৱে ক্ৰিয়া কৰি আহিছে। আধ্যাত্মিকতাবাদী জীৱনশৈলীৰ সৈতে মানৱে সহৱস্থান কৰাৰ পিছতো ভাৰতীয়সকলে পাপ-পূণ্য, সৎ-অসৎৰ ওপৰত চোকা দৃষ্টি আৰু আস্থা ৰাখি স্বকীয় কাম-কাজ সম্পাদন কৰা প্ৰতীয়মান হয়। বৰদলৈৰ গীততো ৰহস্যবাদী দৰ্শনত উপলব্ধ আত্মা-পৰমাত্মাৰ সম্পৰ্ক, কৰ্মফলবাদ, সাংসাৰিক জীৱনৰ বিপৰ্যয়ৰ কাৰণ, আত্মাৰ অবিনশ্বৰতা আদি দাৰ্শনিক তথা তত্বগধুৰ বিষয়বস্তুৱে স্থান লাভ কৰা দেখা যায়।

ভাৰতীয় দৰ্শনৰ দ্বাৰা পৰিপুষ্ট ৰহস্যবাদী চিন্তাই মানুহক জীৱনৰ ক্ষণস্থায়িত্বৰ প্ৰতি লক্ষ্য ৰাখি সত্য আৰু অহিংসাৰ মাজেৰে জীৱন অতিবাহিত কৰিবলৈ অনুপ্ৰাণিত কৰে। বৰদলৈৰ গীততো এনেধৰণৰ ধ্যান-ধাৰণাই প্ৰকাশি উঠিছে—

*"এৰি যাব লাগে ধূলিৰ বুকুত*
*তথাপি সাৰটি ৰখাৰ*
*অসীম তৃষ্ণা কিয়নো*
*হাঁহিৰ ৰদালি জোনাক পোহৰ*
*পৰাণে পৰাণে*
*নিয়ৰৰ কণা মৰুৰ মাজত*
*জানিও চকুলো বাগৰে কিয়নো।"*[৮]

ৰহস্যবাদী দৰ্শন অনুসৰি ভাৰতীয়সকলে আত্মা আৰু পৰমাত্মাৰ মিলনৰ পোষকতা কৰে। কিন্তু পৰম প্ৰিয়জনৰ সৈতে মিলনৰ এই তীব্ৰ আকাংক্ষা সুলভ নহয়। হয়তো সমগ্ৰ জীৱন পৰিক্ৰমায়ো এই মিলনৰ বাবে যথেষ্ট নহ'ব পাৰে। মন কৰিবলগীয়া যে ৰহস্যবাদী চিন্তাত বিশ্বাসীসকলে প্ৰাৰ্থনাৰ জৰিয়তে তেনে এটি বিৰল মুহূৰ্তৰ সাক্ষী হ'ব পাৰে বুলি দৃঢ় বিশ্বাসী। জীৱনজোৰা এনেধৰণৰ সাধনাৰ অন্তত যেতিয়া পৰমাত্মাৰ সৈতে মহামিলনৰ লগ্ন উপস্থিত হ'ব; সেইদিনাই যেন মানৱাত্মইয়ো পৰিপূৰ্ণতা লাভ কৰিবলৈ সক্ষম হ'ব। সমান্তৰালভাৱে মনৰ অন্ধকাৰচ্ছন্নতা, বিষাদগ্ৰস্ততা, পংকিলতা আঁতৰি গৈ দশোদিশ যেন উদ্ভাসিত হৈ পৰিব। নিৰ্মলপ্ৰভা বৰদলৈৰ গীততো এনেধৰণৰ আধ্যাত্মিক শক্তিয়ে ভূমুকি মাৰিছে—

*"তুমি আহিছা জীৱনৰ নদী*
*প্ৰাণেৰে ওপচি গ'লে*
*তোমাৰ মুখৰ পোহৰত*
*জীৱন সোণবৰণীয়া হ'ল।"*[৯]

ভাৰতীয় সমাজ ব্যৱস্থাত ৰহস্যবাদী দৰ্শনৰ অনুগামী সকলৰ মতে বিশ্ব ব্ৰহ্মাণ্ড আৰু সকলো জীৱ-জড় সৃষ্টিৰ মূল উৎস একেটাই। সময়ৰ বিৱৰ্ত্তনৰ লগে লগে জীৱবোৰে মূল উৎস তথা সত্ত্বাটোৰ পৰা জন্ম লাভ কৰি পৃথিৱীত জীৱন-যাপন কৰে আৰু মৃত্যুৰ পিছত পুনৰ এই একেটা উৎসলৈ উভতি যাবলগীয়া হয়। ৰহস্যবাদীসকলৰ মতে জন্ম মানেই যেন সাংসাৰিক মায়াজালত আৱদ্ধ শ্বাসৰুদ্ধকৰ জীৱনচৰ্যা আৰু মৃত্যু মানেই চূড়ান্ত মুক্তি। শৰীৰৰ আত্মাই মুক্তি লাভ কৰি পৰমাত্মাৰ সৈতে লীন হ'ব পাৰে বুলি, এই তত্বত বিশ্বাসীসকলৰ গভীৰ আস্থা। সেয়ে মায়াময় সাংসাৰিক জীৱনৰ পৰা মুক্তি পালেই যেন সকলো দুখ-কষ্ট, লোভ-মোহ, পাপ ইত্যাদিৰ পৰা উদ্ধাৰ হোৱাৰ মানসেৰে পৰম পুৰুষ জনাৰ ওচৰত কাতৰ প্ৰাৰ্থনা কৰা ৰহস্যবাদীসকলৰ অন্যতম কৰ্ম। বৰদলৈৰ গীততো পৰম পুৰুষ জনাক বিচাৰি কাতৰ প্ৰাৰ্থনা জনোৱা পৰিলক্ষিত হৈছে এনেদৰে—

*"তুমিয়েই পোহৰ এন্ধাৰতো কিয়*
*হাবাথুৰি আমি খাওঁ*
*কাকুতি মিনতি প্ৰভু নাজানো মই*
*ইবাৰো উধাৰি নিয়া*
*প্ৰভু মোৰ ইবাৰ উধাৰি নিয়া*
*আৰু ক'ত দুখ দিয়া।"*[১০]

ভাৰতীয় আধ্যাত্মিক ক্ষেত্ৰখনত অনাৰ্য দেৱতা শিৱ বা মহাদেৱৰ এক সুকীয়া ঐতিহ্য আছে। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত বসবাস কৰা হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ এজন জনপ্ৰিয় আৰু শক্তিশালী দেৱতা হ'ল শিৱ। ভোলানাথ জঁটাধাৰী, ৰুদ্ৰ, নীলকণ্ঠ ইত্যাদি নামেৰে জনাজাত শিৱই যুগে যুগে অশুভ শক্তিক নাশ কৰে আৰু সত্যক প্ৰতিষ্ঠিত কৰে বুলি ভাৰতীয় সমাজ ব্যৱস্থাই বিশ্বাস কৰে। ভাৰতীয়সকলে শিৱক পূজা-অৰ্চনা তথা বন্দনা কৰাৰ যি পৰম্পৰাগত ঐতিহ্য, সেই ঐতিহ্যই বৰদলৈৰ গীততো প্ৰকাশিত উঠিছে সাৱলীলভাৱে—

*"ঘোৰ তপস্যাত আমি যে ৰুদ্ধ*
*নেজানো স্তুতি নেজানো মন্ত্ৰ*
*তাণ্ডৱ নাচি কৰিছোঁ ভষ্ম*
*অন্ধকাৰে যি আমাক গ্ৰাসিছে*
*যুগে যুগে তোমাৰ জয়*
*মঙ্গলময়, মহগলময়*
*সত্য, শিৱ হে সুন্দৰ*
*কল্যাণময় হে তমোহৰ*
*প্ৰণামো প্ৰণামো তোমাৰ চৰণ*
*মঙ্গলময়, মঙ্গলময়।"*[১১]

**৪.০২.২ ইতিহাস আশ্ৰিত ঐতিহ্যচেতনা ঃ**

বিশ্বৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰে সুকীয়া সুকীয়া ইতিহাস আছে। অতীত ঐতিহ্য তথা পৰম্পৰাৰ সৈতে শক্তিশালী সংযোগ অবিহনে কোনো এটা জাতিয়ে স্বকীয় ঐতিহ্য তথা স্বাভিমানক পুনৰুদ্ধাৰ কৰিব নোৱাৰে। অতীতৰ গৌৰৱজ্জ্বল ঘটনা ক্ৰিয়াকৰ্ম সৃষ্টিৰাজিয়েই যদি সাম্প্ৰতিক প্ৰেক্ষাপটত এখন সমাজ তথা দেশক যুগে যুগে প্ৰভাৱিত কৰাৰ লগতে দেশ তথা জাতিটোৰ কাৰণে ঐতিহাসিক পৰিচয়ৰ স্বাক্ষৰ বহন কৰাত সহায় কৰে। তেনেধৰণৰ ঘটনা, ক্ৰিয়া কৰ্ম, সৃষ্টিৰাজিয়েই সংশ্লিষ্ট দেশ বা জাতিটোৰ ঐতিহ্যৰ দিশটোকে উন্মোচন কৰে। ভাৰতীয় ঐতিহাসিক ঐতিহ্যৰ বহল এটা অংশ বেদ, উপনিষদ, গীতা ইত্যাদি শাস্ত্ৰই আগুৰি আছে। তদুপৰি ভাৰতীয় ৰাষ্ট্ৰীয় ঐতিহ্যৰ অন্যতম বাহক ৰাধা-কৃষ্ণ, ৰামায়ণ, মহাভাৰতীয় চৰিত্ৰকে আদি কৰি ভিন্ন ঐতিহাসিক ঘটনা, মহান যোদ্ধা তথা বীৰ, মুক্তি যুজাঁৰু, প্ৰসিদ্ধ ভৌগলিক স্থান ইত্যাদিয়ে ভাৰতৰ ঐতিহাসিক পটভূমি তথা কৰ্মৰাজিৰ বিৱৰণ দাঙি ধৰাৰ লগতে বিশ্ব দৰবাৰত ভাৰতীয়

ঐতিহ্য পৰম্পৰাক স্বকীয়তা প্ৰদান কৰিছে। এনেবোৰ ঘটনাই ভাৰতীয় ঐতিহাসিক ঐতিহ্যক যুগে যুগে চিৰস্মৰণীয় ৰূপত উপস্থাপন কৰি অহা পৰিলক্ষিত হয়।

নিৰ্মল প্ৰভা বৰদলৈৰ গীত সমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে তেখেতৰ গীত সমূহৰ মাজতো ভাৰতীয় ঐতিহাসিক পৰম্পৰাৰ দিশটি শিল্পীত আৰু পৰমাৰ্জিত ৰূপত প্ৰকাশি উটিছে। ভাৰতীয় ৰাষ্ট্ৰীয় ঐতিহ্যৰ বাহক ঐতিহাসিক নায়ক-নায়িকা ক্ৰমে কৃষ্ণ আৰু ৰাধা প্ৰসংগই বৰদলৈৰ গাতৰ মাজেৰে ভুমুকি মাৰিছে এনেদৰে—

*"গকুলতে কৃষ্ণ আছে*
*গকুলতে ৰাধা*
*ৰাধা, ৰাধা, ৰাধা*
*ৰাধা, ক'তে আছে।"*[১২]

হিন্দু মহাকাব্য ৰামায়ণৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰ সীতা ভাৰতীয় ঐতিহ্যৰ এক উজ্জ্বল নক্ষত্ৰ। অতীতৰে পৰা ভাৰতীয় সমাজত সীতাক আদৰ্শ হিন্দু নাৰী চৰিত্ৰৰ প্ৰতীক হিচাপে মান্যতা প্ৰদান কৰি অহা পৰিলক্ষিত হয়। স্বামী ধৰ্ম পৰায়না, আত্মত্যাগী, পবিত্ৰতা, সাহসিকতা আৰু অত্যন্ত ধৈৰ্য্যশীলা গুণৰ অধিকাৰী হোৱা বাবে সীতা হিন্দু নাৰী সকলৰ তথা ভাৰতীয় নাৰী সকলৰ প্ৰতিনিধিত্বমূলক আদৰ্শ সত্বা। বৰদলৈৰ গীততো সীতা চৰিত্ৰটি ঐতিহাসিক গুণাৱলী ক্ৰিয়া-কৰ্মই স্থান লাভ কৰিছে এনেদৰে—

*"বন্দিনী আছিলো মই অশোক বনত*
*ৰাম নাম, ৰাম জপ কেৱল মনত*
*অগ্নি পৰীক্ষা প্ৰভু পুনৰ লাঞ্ছনা*
*সীতাই বোলে আৰু দিয়া কিমান যাতনা"।*[১৩]

মহাভাৰতৰ এজন অন্যতম বীৰ, যোদ্ধা তথা চৰিত্ৰ হ'ল অৰ্জুন-সুভদ্ৰাৰ পুত্ৰ অভিমন্যু চৰিত্ৰ। ভাৰতীয় সমাজত অভিমন্যু চৰিত্ৰটিক সাহস আৰু বীৰত্বৰ প্ৰতীক হিচাপে তাহানিৰে পৰা স্বীকৃতি প্ৰদান কৰি অহা হৈছে। অফুৰন্ত সাহস আৰু অস্ত্ৰবিদ্যাত পাৰ্গত থকা সত্বেও কৌৰৱ সেনাপতি দ্ৰোণাচাৰ্যৰ পৰিকল্পনা আৰু ষড়যন্ত্ৰৰ ফলত চক্ৰবেহুত প্ৰৱেশ কৰাৰ পিছত তাৰ পৰা পৰিত্ৰাণ বা ওলাই আহিব নোৱাৰি তাতে প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছিল। মহাভাৰতৰ এই ঐতিহাসিক ঘটনা তথা চৰিত্ৰই বৰদলৈৰ গীতত মূৰ্ত্তমান হৈ উঠিছে বাস্তৱসন্মত ৰূপত—

*এশখন তৰোৱাল লৈ*

*মই যুঁজিব পাৰো*
*যুদ্ধত জিকাব পাৰো*
*অথচ কি লাভ*
*জয়েই বা কি?*
*পৰাজয়েই বা কি?*
*অভিমন্যুৰ কি হ'ল?*
*সপ্ত বেহুৰ মাজত*
*কিয় সোমাল অভিমন্যু*
*অভিমন্যুয়ে কি দোষ কৰিছিল।"*[১৪]

ভাৰতীয় সমাজত মহাকাব্য মহাভাৰতৰ প্ৰভাৱ অপৰিসীম। জীৱন যুঁজত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত সততে প্ৰতিজন ভাৰতীয়ই মহাভাৰতীয় চিন্তা দৰ্শন, নীতি-নিৰ্দেশনাক আগস্থান দিয়া পৰিলক্ষিত হয়। আনকি ভাৰতীয় লোক সকলোৰে নৈতিক, আধ্যাত্মিক চৰিত্ৰ গঠনতো মহাভাৰতীয় চৰিত্ৰসমূহে ক্ৰিয়া কৰি অহা দেখা যায় অৰ্থাৎ মহাভাৰতীয় চৰিত্ৰসমূহক অনুসৰণ কৰি প্ৰায়ে সিদ্ধান্ত তথা মতামত গ্ৰহণ কৰা দেখা যায়। ইতিবাচক বা নেতিবাচক যিকোনো প্ৰসংগৰে মমাৰ্থ ততালিকে হৃদয়গম কৰিবলৈ মহাভাৰতীয় চৰিত্ৰসমূহৰ স্মৰণ সততে কৰি অহা দৃষ্টিগোচৰ হয়। বৰদলৈৰ গীততো তেনে এটি অন্যতম মহাভাৰতীয় চৰিত্ৰ ধৃতৰাষ্ট্ৰ হস্তিনাপুৰৰ ৰজা তথা দুৰ্যোধনৰ পিতৃৰ উল্লখিনে মহাভাৰতীয় চৰিত্ৰৰ ঐতিহ্যৰ কথাকে সূচায়। ভাৰতীয় সমাজত ধৃতৰাষ্ট্ৰ চৰিত্ৰটি দৃষ্টিহীনতাৰ এনে এক দৃষ্টান্ত যাৰ কেৱল নিজৰ চাক্ষুষ দৃষ্টিয়ে নাছিল এনে নহয়, ধৃতৰাষ্ট্ৰৰ মন-মগজুৰো দৃষ্টি নাছিল, উচিত চিন্তা কৰি উচিত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ. আনকি ইচ্ছা শক্তিৰ সৎ আৰু নায্য সিদ্ধান্ত গ্ৰহণ কৰাত ধৃতৰাষ্ট্ৰ যেন অপৰাগ। এজন ব্যক্তিৰ চাক্ষুস দৃষ্টি শক্তি নাথাকিলেই সম্পূৰ্ণ অন্ধ নহয়, সম্পূৰ্ণ অন্ধ তেতিয়াহে হয়, যেতিয়া চকুৰ আগত মনৰো দৃষ্টি শক্তি লোপ পায়। মনৰ অক্ষমতা আৰু অন্ধত্ব প্ৰসংগত যুগে যুগে মানৱ সমাজে ধৃতৰাষ্ট্ৰৰ মান প্ৰতীকাত্মক ৰূপত ব্যৱহাৰ কৰি আহিছে সমান্তৰালভাৱে শাসনৰ দুৰ্বল আৰু স্থিতি স্থাপকতাৰ জলন্ত উদাহৰণ ধৃতৰাষ্ট্ৰৰ প্ৰসংগই বৰদলৈৰ গীতত স্থান লাভ কৰিছে এইদৰে—

*"সঞ্জয়, মোৰ অন্ধ নয়ন*
*নেজানিলো একো শাস্ত্ৰ*
*ৰজা হ'লো মই পিতৃ নহ'লো*
*অক্ষম ধৃতৰাষ্ট্ৰ।।*

*প্ৰজাৰ পিতা নোৱাৰিলো হ'ব*
*শিথিল ন্যায়ৰ দণ্ড*
*সিংহাসনত বহি মাথো মই*
*শিকিলো ভোগৰ মন্ত্ৰ*
*সময়ে বজ্ৰ কণ্ঠেৰে ক'লে*
*মই ক্লীৱ, মই ৰিক্ত।।"*[১৫]

ভাগৱত পুৰাণ আৰু বিষ্ণুপুৰাণ অনুযায়ী প্ৰাচীন কালত শোণিতপুৰ (বৰ্তমানৰ তেজপুৰ) ৰাজ্যৰ ৰজা বাণৰ উষা নামেৰে এজনী পৰম ৰূপৱতী কন্যা আছিল। শ্ৰীকৃষ্ণৰ নাতি আৰু প্ৰদ্যুন্নৰ পুত্ৰ অনিৰুদ্ধই উষাৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হৈ প্ৰহৰীবেষ্টিত বাণৰ প্ৰসাদত গোপনে প্ৰৱেশ কৰি উষাৰ সৈতে গন্ধৰ্ব বিবাহ সম্পন্ন কৰিছিল। নিৰ্মলৰপ্ৰভা বৰদলৈৰ গীততো এই ঐতিহাসিক ঘটনাই বাস্তৱ সন্মত ৰূপত প্ৰতিফলিত হৈছে—

*"মোৰ অনিৰুদ্ধ*
*এক অপৰূপ সৌন্দৰ্য স্বপ্নই*
*মোক কৰি থৈছে মুগ্ধ।*
*এক ৰমণীয় উষাৰ পোহাৰে*
*উন্মনা মোক কৰে*
*সীমাৰ পৰিধি সমাজৰ বিধি*
*ভাঙি ছিঙি গতি লৰে*
*দুৰ্গম এক পথ অতিক্ৰম*
*আনিম ৰশ্মি দীপ্ত।।"*[১৬]

অসমীয়া সমাজ জীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে এটা ঐতিহাসিক চৰিত্ৰ হৈছে লাচিত বৰফুকন। লাচিত বৰফুকন আহোম সাম্ৰাজ্যৰ এজন অন্যতম শক্তিশালী সেনাপতি আছিল। ১৬৭১ চনত সংঘটিত আহোম মোগলৰ শেষৰখন ৰণ অৰ্থাৎ শৰাইঘাটৰ যুদ্ধত বৰফুকনৰ নেতৃত্বত মোগল সৈন্য বাহিনীক পৰাজিত কৰি অসমৰ পৰা আঁতৰাই পঠিয়াবলৈ সক্ষম হৈছিল একমাত্ৰ লাচিতৰ কৰ্তব্য পৰায়ণ কৰ্মনিষ্ঠতা, দুৰ্দান্ত সাহস, সততা, বিচক্ষণতা ইত্যাদি গুণৰ সহায়ত। যাৰ ফলত অসমৰ বুৰঞ্জীত লাচিত বৰফুকনৰ নাম সোণালী আখৰেৰে লিপিবদ্ধ হৈ আছে। বুৰঞ্জীত উল্লেখ থকা অনুসৰি যুদ্ধকালীন তৎপৰতাৰ পৰিপ্ৰেক্ষিতত এটা গড় একে ৰাতিৰ ভিতৰতে নিৰ্মাণ কৰি উলিয়াবৰ বাবে লাচিতে মোমায়েকক এই কামৰ ভাৰ দিছিল। কিন্তু শেষ ৰাতিলৈকে গড় বন্ধা কাম সম্পূৰ্ণ নোহোৱাৰ বাবে "দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি কৈ লাচিতে একেঘাপে মোমায়েকক কাটি দুচেও কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। বৰদলৈৰ গীততো বৃহত্তৰ অসমীয়া জাতিক ৰক্ষা

কৰাত বৰফুকনৰ যি ঐতিহাসিক অৱদান সেই প্ৰসংগইয়ো স্পষ্টৰূপে প্ৰতীয়মান হৈছে এনেদৰে—

*"দেশৰ হকে মোমায়েকক কাটি*
*ৰাখিলি তই যি খিয়াতি*
*শৰাইঘাটে যুগে যুগে*
*গাৱ তাৰে গীতি। আই ঐ।"*[১৭]

ইয়াৰোপৰি আহোম যুগৰ এগৰাকী অন্যতম সাহসী তথা যুঁজাৰু মহিলা হ'ল মূলাগাভৰু বা নাঙমলা গাভৰু। যি গৰাকী প্ৰৱল প্ৰতাপী মহীয়সী নাৰীয়ে আহোম সৈন্যৰ মুখ্য সেনাধক্ষ্য হিচাপে কৰ্ত্তব্য পালন কৰি মুছলমান আক্ৰমণকাৰী সেনাৰ বিৰুদ্ধে যুঁজ দিবলৈ সমগ্ৰ আহোম নাৰীকে উৎসাহিত কৰিছিল। আনকি নিজৰ মাতৃভূমি তথা সোণোৱালী দেশক তুৰ্বক সেনাৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ বা মুছলমান সেনাক সন্মুখৰৰ পৰা প্ৰতিহত কৰিবলৈ মুলাগাভৰুৱে হাতত হেংদাং লৈ যুদ্ধক্ষেত্ৰত যুঁজ দিবলৈ সকলোকে আগুৱাই আহিবলৈ আহ্বান জনাইছিল। বৰদলৈৰ গীততো আহোমৰ সেই ঐতিহ্য আৰু আহোম নাৰীৰ বীৰত্ব তথা দেশ প্ৰেমৰ চূড়ান্ত ঐতিহাসিক মুহূৰ্ত প্ৰকাশ কৰিছে সাৱলীল ভাষাত—

*" লাচিতৰ সাহ*
*মূলাৰ সাহেৰে ব'ল আগুৱাই ব'ল*
*জননী পূজাত*
*বুকুৰ তেজেৰে আহুতি দিবৰ হ'ল*
*আই নেকান্দিবি*
*আহিছো ওলাই লাখ লাখ সন্তান*
*শিৰে শিৰে বয়*
*তপত প্ৰবাহ ৰাখিম দেশৰ মান।"*[১৮]

ভাৰতবৰ্ষৰ সমাজ ৰাজনৈতিক ক্ষেত্ৰখনত ভাৰতৰ স্বাধীনতা আন্দোলনে এক বিশেষ ভূমিকা পালন কৰিছে। এই আন্দোলন বিশাল আৰু বৈচিত্ৰপূৰ্ণ দেশ ভাৰতৰ স্বাধীনতা তথা মুক্তি প্ৰাপ্তিৰ বাবে চলা এক দীঘলীয়া সংগ্ৰামৰ ইতিহাস। ১৯২১ চনৰ পৰাই সংগঠিত ৰূপত গঢ় লোৱা এই সংগ্ৰাম ক্ৰমান্বয়ে তীব্ৰতৰ হৈ আহি ১৯৪২ চনত চূড়ান্ত পৰ্যায়ত উপনীত হৈছিলহি। ১৯৪২ চনৰ ৮ আগষ্টৰ দিনা বোম্বাই চহৰত নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে ভাৰত ত্যাগ আন্দোলনৰ বৈপ্লৱিক প্ৰস্তাৱ গ্ৰহণ কৰে। এই বিপ্লৱত জাতিৰ পিতা মহাত্মা গান্ধীয়ে ভাৰত ত্যাগৰ বাণীৰে আৰু অহিংসা পথেৰে বিপ্লৱত অংশগ্ৰহণ কৰিবলৈ সমগ্ৰ ভাৰতবাসীক অনুপ্ৰাণিত কৰিবলৈ সক্ষম হৈছিল। নিৰ্মল প্ৰভাৰ গীতৰ মাজেৰেও ভাৰতৰ এই ঐতিহাসিক

বিপ্লৱে ভূমিকা মাৰিছে বাস্তৱসন্মত ৰূপত—

*"গান্ধীৰ বাণীৰে অহিংসা নীতিৰে*
*যুঁজিলে যুঁজিলে ভাৰতৰ প্ৰজা*
*স্বাধীনতা আমাৰ জন্মৰ অধিকাৰ*
*আঁতৰ হ আঁতৰ হ বিদেশীৰ ৰজা*
*গোটেই ভাৰতে অসহযোগ কৰিলে আ*
*গুজাৰি উঠিল বৃটিছৰ কামান*
*নোহোৱা নোপোজা ৰণ*
*অহিংসা মন্ত্ৰৰ ৰণ অহিংসা মন্ত্ৰৰ ৰণ।"*[১৯]

স্বাধীনতা আন্দোলনে অসমীয়া সমাজ জীৱনকো গভীৰভাৱে ৰেখাপাত কৰা পৰিলক্ষিত হয়। অৰ্থাৎ স্বাধীনতা আন্দোলনত ভাৰতৰ অন্যান্য ৰাজ্যসমূহৰ দৰে অসমেও এক ঐতিহাসিক ভূমিকা গ্ৰহণ কৰিছিল। বিশেষকৈ ১৯২১ চনতেই অসম প্ৰদেশ কমিটীৰ প্ৰথম অধিৱেশন, সমান্তৰালভাৱে মহাত্মা গান্ধীৰ অসম আগমনে অসম আৰু অসমীয়াক আন্দোলনটোৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিছিল। পৰৱৰ্তী সময়ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, মৌলানা তৈয়ুবল্লা, বিষ্ণুৰাম মেধী, ফকৰুদ্দিন আলী আহমেদ, গোপীনাথ বৰদলৈ আদিৰ নেতৃত্বত অসমতো এই আন্দোলনে ব্যাপক প্ৰসাৰতা লাভ কৰে। আন্দোলনৰ এনে সন্ধিক্ষণতে গহপুৰ থানাত ত্ৰিৰংগা পতাকা তুলিবলৈ যাওঁতে সমদল এটাৰ নেতৃত্বত থকা পাটগাভৰু কনকলতাই আৰু তেওঁৰ এগৰাকী যুৱ সতীৰ্থ মুকুন্দ কাকতিয়ে পুলিচৰ গুলিত প্ৰাণ হেৰুৱায়। তাৰ পৰৱতী সময়ছোৱাত বৃটিছ সৈন্যৰ বৰ্বৰতাত বঢ়হমপুৰত অসমৰে অন্যতম এগৰাকী যুঁজাৰু ভোগেশ্বৰী ফুকননীকে ধৰি লক্ষ্মী হাজৰিকাও শ্বহীদ হয়। ভাৰতৰ স্বাধীনতা আন্দোলনত অসম-অসমীয়াৰ যি সাহস, পৰাক্ৰম আৰু আত্মবলিদানৰ জলন্ত ইতিহাস সেই জলন্ত ঐতিহাসিক ক্ষণৰ বিৱৰণ বৰদলৈৰ গীতে উন্মোচিত কৰিছে এনেদৰে—

*"হায় ঐ ভোগেশ্বৰী আই ক'ত গ'ল*
*মুকুন্দ কাকতি ক'তে বা ৰ'ল*
*চোৱা চোৱা তিনিও তৰাটি হ'ল*
*কিনো চাই দেশৰে মূল জিলিকি ৰ'ল।"*[২০]

সাধাৰণতে পৃথিৱীৰ বিভিন্ন ঠাইৰ সভ্যতা নদীৰ পাৰত গঢ় লৈ উঠা পৰিলক্ষিত হয়। অৰ্থাৎ নদীক কেন্দ্ৰ কৰিয়ে সভ্যতাৰ আৰম্ভণি তথা উকমুকনি। পৰৱৰ্তী সময়ত মানৱ সভ্যতা কৃষিভিত্তিক হোৱা বাবে নদীৰ সৈতে মানৱৰ সম্পৰ্ক গভীৰ হৈ পৰিল। ভাৰতীয় সমাজ জীৱনো এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়।

ভাৰতীয় সাহিত্যৰ শুভাৰম্ভ হোৱা ঋকবেদতো নদীসমূহক লৈ সৃষ্টিকৰা সূক্ত পোৱা যায়। আনকি আদিম বৈদিক সংস্কৃতিৰ বিকাশতো নদীয়ে ব্যাপক ভূমিকা পালন কৰিছিল। সেয়ে তাহানিৰ পৰা সাম্প্ৰতিক কাললৈকে নদ-নদীসমূহৰ ঐতিহ্য তথা পৰম্পৰাৰ প্ৰতি মানৱৰ গভীৰ মোহ থকা দেখিবলৈ পোৱা যায়। বৰদলৈৰ গীততো ভাৰতীয় সভ্যতাৰ অগ্ৰগতিত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা গংগা নদী আৰু কাবেৰী নৈৰ উল্লিখনে নদীকেন্দ্ৰিক ঐতিহ্যৰ কথাকে প্ৰতিনিয়ত কৰে। তদুপৰি অসম-অসমীয়াৰ সভ্যতা-সংস্কৃতিৰ ধাৰাক তথা বাহক স্বৰূপ ব্ৰহ্মপুত্ৰ বা লুইতৰ যি অপ্ৰতিহত প্ৰৱাহমান গতি, সেই প্ৰসংগৰ উল্লেখনেও বৰদলৈৰ গীতক গাম্ভীৰ্যতা প্ৰদান কৰাৰ লেখিয়াকৈ লুইতৰ ঐতিহ্যকো প্ৰতীয়মান কৰিছে এনেদৰে—

*"ৰাইজৰ চোতালত কৰ আজি পণ*
*ৰাখিব লাগিব জীৱন, নেওচি মৰণ*
*লুইতক ৰোধে কোনে*
*বালি ভেটা দি।"*[২১]

**৪.০২.৩ সাংস্কৃতিক ঐতিহ্যচেতনা ঃ**

পৃথিৱীৰ প্ৰতিটো জাতি জনগোষ্ঠীয়ে নিজকে বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰিবলৈ হ'লে, সেই সংশ্লিষ্ট জাতি তথা জনগোষ্ঠীটোৱে সাংস্কৃতিকভাৱে সভ্য আৰু শক্তিশালী হোৱাটো নিতান্তই প্ৰয়োজনীয়। এই ক্ষেত্ৰত জাতি জনগোষ্ঠীসমূহৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ তথা স্বকীয় ঐতিহ্য সম্বলিত ক্ৰিয়া কৰ্মই বিশেষ অৰিহনা যোগোৱা পৰিলক্ষিত হয়। সামাজিক মাধ্যম হিচাপে সাহিত্যৰ মাজেৰেও এনেধৰণৰ সাংস্কৃতিক ঐতিহ্যৰ সমলসমূহ অতীতৰে পৰাই সময়ে সময়ে প্ৰকাশ পাই আহিছে। জন্মলগ্নৰে পৰা আধুনিক অসমীয়া গীতসমূহেও এই ক্ষেত্ৰত যথেষ্ঠ বৰঙণি আগবঢ়াই আহিছে। নিৰ্মলপ্ৰভা বৰদলৈৰ গীতসমূহেও অসম তথা বৃহত্তৰ অসমীয়া জাতিৰ স্বকীয় সাংস্কৃতিক ঐতিহ্যক সমল হিচাপে গ্ৰহণ কৰি গীত চৰ্চা কৰা পৰিলক্ষিত হয়। থলুৱা জাতি জনগোষ্ঠীয় লোকসমাজখনক নখ দৰ্পনত লৈ গীত চৰ্চা কৰা বৰদলৈৰ গীতসমূহত থলুৱা লোকগীতৰ প্ৰভাৱেও গীতসমূহক আৱেদনময়ী কৰি তুলিছে। ইয়াৰোপৰি লোকভাষাৰ ব্যৱহাৰকে ধৰি বিহুনাম, বিয়ানাম, আইনাম, নিচুকণি গীত, প্ৰবাদ, সাধুকথা ইত্যাদিৰ সংযোজনত সৃষ্টিকৰা গীতসমূহে সাংস্কৃতিকভাৱে বৰদলৈৰ গীতসমূহক চহকী কৰি তোলাৰ লগতে থলুৱা সাংস্কৃতিক ঐতিহ্যকো ন-ৰূপত নৱ প্ৰজন্মৰ মাজলৈ আগবঢ়াই দিছে।

অসমীয়া সমাজ জীৱনত লোকগীতসমূহৰ বিশেষ সমাদৰ আছে। অসমৰ পাহাৰে ভৈয়ামে প্ৰচলিত

লোক গীতবোৰ সাংস্কৃতিক ঐতিহ্যৰ পৰিচয় বহন কৰাৰ লগতে লোক জীৱনৰ আৱেগ-অনুভুতিৱোৰৰো মূৰ্ত্ত পৰিকাশ ঘটোৱা পৰিলক্ষিত হয়। নিৰ্মলপ্ৰভা বৰদলৈৰ গীতসমূহতো লোকগীতৰ প্ৰভাৱ পৰা দেখা যায়। অসমীয়া সমাজত বিশেষ আইনামৰ প্ৰভাৱ বৰদলৈৰ গীতত প্ৰতীয়মান হৈছে এনেদৰে—

*"আই মোৰ বাটা চিকুণাইছোঁ*
*আই মোৰ পথো চিকুণাইছোঁ*
*আই মোৰ ৰইছো আশাৰে পুলি*
*আই মোৰ কপালৰ ঘামেৰে*
*আই মোৰ আপদাল কৰিছোঁ।"*[২২]

বিহুগীত অসমীয়া জাতিৰ অমূল্য সম্পদ। বিহু গীত সম্পৰ্কে বহুতে মত পোষণ কৰে যে "বিহুগীত সমূহত অসমৰ প্ৰতিটো বিষয়ৰে উল্লেখ আছে নদ-নদী, পাহাৰ-পৰ্বত, জানজুৰি, নগৰ-নগৰযুক্ত জাতি-জনজাতিৰে গঠিত অসমৰ আকাশ-বতাহ, পশু-পক্ষী, চিন্তা-অনুভুতিৰ সমগ্ৰ অসমক বিহুগীতৰ মাজেৰে অনুভৱ কৰিবলৈ পোৱা যায়"।[২৩] সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি গভীৰ অনুৰাগ থকা বৰদলৈৰ গীততো বিহুগীতৰ ঠাচঁ তথা শৈলীৰ প্ৰয়োগ দেখা যায়। যেনে—

*"চ'তৰে চাপৰিও, বিহুৰে সুহৰি*
*ৰাই জাই কৰে মনে*
*নৈৰে যুঁৰলীত ৰ'দে গা ধলহি*
*কজলা শেলুৰৈ বলে।"*[২৪]

বিয়ানাম অসমীয়া বিবাহ অনুষ্ঠানত বিভিন্ন সময়ত আয়তীসকলে গোৱা ৰীতি প্ৰচলিত হৈ আহিছে। বিয়া নামত বিশেষকৈ নাৰী মনৰ ভাৱ প্ৰকাশত বেছি গুৰুত্ব আৰোপ কৰা দেখা যায়। এই বিয়ানাম সমূহৰ প্ৰচলন ভিন্ন ৰূপত সমগ্ৰ ভাৰততে থকা দেখা যায়। বিবাহ অনুষ্ঠান এখনত পালন কৰা ভিন্ন লোকাচাৰ বা ক্ৰিয়া কৰ্মসমূহৰ সবিশেষ বৰ্ণনাও বিয়ানামসমূহত উপলব্ধ হয়। বৰদলৈৰ গীতৰ মাজেৰেও বিয়ানামৰ প্ৰসংগই স্থান লাভ কৰিছে এনেদৰে—

*"কাম চৰাইৰ ৰঙা ঠোঁট*
*তাত দিলে সেন্দুৰ ফোঁট*
*জোনবাইৰ আগেৰে তৰা*
*নেজানো আছে কোন দৰা*
*কেনেকৈ এৰিমে নিজৰ ঘৰখন*
*লাগে মোৰ ভাবিলেই শোক*

*আই অ' দূৰলৈ নিদিবি মোক।"*[২৫]

পৃথিৱীৰ ন্যান্য ঠাইৰ দৰে অসমতো অতীজৰে পৰাই নিচুকণি গীতসমূহৰ বিশেষ সমাদৰ আছে। শিশুক নিচুকাবলৈ সৃষ্টি হোৱা এইবোৰ গীতৰ মাজেৰে শিশু মনৰ কল্পনা, মাতৃ হৃদয়ৰ অভিব্যক্তি, আশা-আকাংক্ষা, মৰম-চেনেহ আৰু কৃষিজীৱি সাধাৰণ মানুহৰ সৰু সৰু সপোন তথা হা-হুতাশাবোৰৰ চিত্ৰ দেখা পোৱা যায়। কল্পনা শক্তিৰ মায়া জালেৰে আবৃত্ত এই গীতবোৰ শিশুসকলক অনুসন্ধিসু প্ৰৱণ কৰি তোলে। শিশুসকলৰ মনোজগতখনক সহজেই আকৰ্ষণ কৰাৰ স্বাৰ্থত বৰদলৈয়ে নিচুকণি গীতৰ ঐতিহ্যক অক্ষুন্ন ৰাখি গীত ৰছা পৰিলক্ষিত হয়। যেনে—

*"টোপনি টোপনি হাৰলি টোপনি*
*তোৰ কল তলত ঘৰ*
*সকলো ৰাইজৰ টোপনি আহিয়ে*
*মইনাৰ চকুতে ধৰ।"*[২৬]

অসমীয়া সমাজ জীৱনত অতীতৰে পৰা ব্যৱহৃত হৈ অহা থলুৱা সাজ-পাৰৰ এক সুকীয়া আসন আছে। উল্লেখযোগ্য যে বস্ত্ৰ পৰিধান কৰা শৈলীৰ সহায়েৰে অসমীয়া সমাজত বিবাহিত, অবিবাহিত, লিংগ, বয়স, বিধৱা-সধৱা ইত্যাদিৰ সংকেত পোৱাৰ উপৰিও কিছু কিছু ক্ষেত্ৰত জাতি-বৰ্ণ, উচ্চ-নিম্ন আদিৰ অনুমান কৰিব পৰাও গৈছিল। সাজ-পাৰৰ মাজেদি নিৰ্দিষ্ট জাতি একোটাৰ সাংস্কৃতিক চেতনা আৰু জাতীয় ঐতিহ্যৰ প্ৰাচীনতা, ব্যাপকতা আৰু সাংস্কৃতিক মন সম্পৰ্কে অৱগত হ'ব পাৰি। নিৰ্মলপ্ৰভা বৰদলৈৰ গীততো অসমীয়া নাৰীৰ বাৰেবৰণীয়া সাজপাৰৰ ঐতিহ্যই ভুমুকি মাৰিছে সাৱলীল আৰু আকৰ্ষণীয় ভাবে। যেনে—

*"সোনোৱালী বুটা বছা*
*অসমীয়া পাট*
*জিকমিক কৰে চোৱা*
*সোণালী দেহাও।"*[২৭]

তদুপৰি মানৱৰ শৈল্পীক চেতনা আৰু সৌন্দৰ্যবোধৰ পৰিচয় লাভ কৰিব পাৰি মানুহে পৰিধান কৰা সাজ-পাৰৰ উপৰিও আ-অলংকাৰত। অসমীয়া সমাজখন অতিজৰে পৰা এই ক্ষেত্ৰত আগৰণুৱা আছিল। লোকসাহিত্য তথা লিখিত সাহিত্যতো প্ৰচীন তথা পৰম্পৰাগত আ-অলংকাৰৰ ব্যাপক প্ৰয়োগৰ বৰ্ণনাই অসমীয়া সমাজখন যে তাহানিৰ পৰাই সাংস্কৃতিক ঐতিহ্যৰ ক্ষেত্ৰত আগবঢ়া, সেই কথাকে প্ৰতিপন্ন কৰে। বৰদলৈৰ গীততো অসমীয়া নাৰীয়ে ব্যাপকভাৱে পৰিধান কৰা আ-অলংকাৰৰ প্ৰসংগই স্থান লাভ কৰিছে এনেদৰে—

*"কপালতে কপালী*
*ডিঙিত গ'লপতা*
*দহো আঙুলিত জ্বলে*
*হীৰা কি মুকুতা*
*কাণত এয়া লোকাপাৰ*
*হাতত মুঠি খাৰু।"*[২৮]

লোক শিল্পৰ ক্ষেত্ৰখনত অসমীয়া সমাজখন যথেষ্ট স্বাৱলম্বী আৰু আগবঢ়া। সাংস্কৃতিক ঐতিহ্যৰ পৰিৱৰ্দ্ধনত লোকশিল্পসমূহে অতীতৰে পৰা মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। আনকি অসমীয়া সংস্কৃতিক বাঁহ-বেতৰ সংস্কৃতি বুলিও অভিহিত কৰা হয়। তদুপৰি অতীতৰ দিনৰে পৰা সংস্কৃতিবান আৰু স্বাৱলম্বী অসমীয়া মহিলাই তাঁত শালত অতি পাৰ্গত বুলি সমাদৃত হৈ অহা পৰিলক্ষিত হয়। সাংস্কৃতিক ঐতিহ্যৰ এই বৰ্ণিল অধ্যায়ৰ বিষয়ে বৰদলৈয়ে গীতৰ জৰিয়তে প্ৰকাশ কৰিছে বাস্তৱ সন্মতভাৱে—

*"বাঁহৰে গৰকা*
*বাঁহৰে তাঁতশাল*
*কাঠৰে টেলোঠা, মাকো*
*আনিছো বিহুৱান*
*বিহুটি পিৰীতিৰ সাকোঁ।"*[২৯]

বিভিন্ন জাতি-উপজাতিৰ সমলেৰে সমৃদ্ধ অসমৰ বাদ্যযন্ত্ৰৰ এক স্বকীয় সাংস্কৃতিক ঐতিহ্য আছে। প্ৰাচীন মূৰ্ত্তি, শিলালেখ, ফলি, বিভিন্ন চিত্ৰ আৰু পুৰণি পুথিসমূহতো পৰম্পৰাগত থলুৱা বাদ্যযন্ত্ৰৰ উল্লেখ পোৱা যায়। বাদ্যযন্ত্ৰসমূহৰ ব্যাপক প্ৰয়োগে থলুৱা সাংস্কৃতিক ক্ষেত্ৰৰনক পৰিপুষ্টি প্ৰদান কৰি অহা পৰিলক্ষিত হয়। অসমৰ সাংস্কৃতিক জগতখনৰ প্ৰতি সততে লক্ষ্য ৰখা বৰদলৈৰ গীততো থলুৱা বাদ্যযন্ত্ৰই মূৰ্ত্তমান হৈ উঠিছে এনেদৰে—

*"বাগডুম্বা*
*সুৰৰে লগৰ এ*
*চিফুঙৰ বুকুলৈ যা*
*থৰকাৰ চেওতে*
*ঢোলৰ মাততে*
*বৈশাগু আহিছে চা।"*[৩০]

লোক-জীৱনত সাধুকথা বা সজকথাৰ এক ঐতিহাসিক গুৰুত্ব আছে। বিশ্বৰ প্ৰতিতো প্ৰান্ততে সাধুকথা

সমূহৰ প্ৰচলন থকা পৰিলক্ষিত হয়। নিৰ্দিষ্ট একোটা বিষয় বৰ্ণনাৰ জৰিয়তে নৈতিক শিক্ষা প্ৰদান কৰা আৰু সৰ্বস্তৰৰ মানৱৰ হৃদয়ক আকৰ্ষণ কৰা সাধুকথা সমূহৰ সাৰ্বজনীন বিশেষত্ব। অসমৰ লোকজীৱনতো সাধুকথাৰ ব্যাপক প্ৰচলন দেখিবলৈ পোৱা যায়, য'ত জাতীয় জীৱনৰ ঐতিহ্য-পৰম্পৰাৰ প্ৰতিফলন প্ৰতিনিয়ত হয়। অসমীয়া সমাজৰ সৰ্বস্তৰতে প্ৰসাৰিত হৈ থকা অন্যতম দুটি সাধুকথা ক্ৰমে তেজীমলা, তুলা আৰু তেজা সাধুদুটাৰ সবিশেষ বৰ্ণনা বৰদলৈৰ গীতৰ মাজেৰে উপস্থাপন হৈছে অতি বাস্তৱসন্মত ৰূপত—

*"বনিজ বেহাবলে*
*সাউদে ওলালে*
*মাহীমাক ঘৰতে ৰ'ল*
*লখিমী তেজাকে*
*শাঁখিনা পাতিলে*
*ঢেঁকীৰে খুন্দিলে দেহা*
*চোতালত পুতিলে*
*লাও হৈ গজিলে, ফুল হৈ ফুলিলে*
*ইনো কি আচৰিত বেহা।"*[৩১]

তদুপৰি অসমীয়া ঐতিহ্যৰ সৈতে গভীৰভাৱে সম্পৃক্ত প্ৰবাদ-প্ৰবচন, খণ্ডবাক্য শব্দ ইত্যাদি সংযোজনেও বৰদলৈৰ গীতক সাংস্কৃতিকভাৱে উচ্চ মৰ্যদা প্ৰদান কৰা পৰিলক্ষিত হয়। অসমীয়া লোকজীৱনত সঘনে ব্যৱহাৰ হোৱা লোকক্তিৰ প্ৰয়োগ নিৰ্মলপ্ৰভাৰ গীতত পৰিস্ফুত হৈছে এনেদৰে—

*(ক) "কোঁদোৰ বাহত দিলে*
*বান্দৰে গৈ হাত*
*কোদোৰে খণ্ডতে দিলে*
*বহুৱাই দাঁত।"*[৩২]

*(খ) "নল মাৰি মৰি জীয়ে*
*সহাঁৰি দিবাহি যুগ যুগ ধৰি*
*তেজীমলা ৰূপ লৈয়ে।"*[৩৩]

'বিহু' উৎসৱ অসমীয়া জাতিৰ অন্যতম সাংস্কৃতিক পৰিচয়। অসমীয়া জাতিৰ সাংস্কৃতিক চেতনা শীৰ্ষতম আসন গ্ৰহণ কৰা 'বিহু'ৱে বিশ্ববাসীৰ সন্মুখত অসমীয়া জাতিক এখন সুকীয়া স্থান প্ৰদান কৰা পৰিলক্ষিত হয়। অসমৰ পাহাৰে-ভৈয়ামে সিঁচৰতি হৈ থকা জাতি-জনগোষ্ঠী সমূহৰ সমন্বয়ৰ প্ৰতীক হিচাপে বিহু উৎসৱৰে পূৰ্বৰে পৰা বিশেষ ভূমিকা পালন কৰি আহিছে। বৰদলৈৰ গীতৰ মাজতো অসম-অসমীয়াৰ

বাপতি সাহোন বিহু উৎসৱৰ সৈতে জড়িত সৰ্ব-সাধাৰণৰ সামগ্ৰীক লোকাচাৰ, ক্ৰিয়াকৰ্ম, পৰম্পৰা ঐতিহ্য ইত্যাদিৰ প্ৰসংগই ভুমুকি মাৰিছে মৰ্মস্পৰ্শী ৰূপত—

*"বিহু থাকে গামোচাত*
*বিহু থাকে জেতুকাত*
*বিহু থাকে সেৰাটি কৰাত*
*মাহ আৰু হালধিৰে*
*গাটো ঐ ধোৱাত*
*বিধে বিধে চিৰা পিঠা খোৱাত*
*পিঠা পনা*
*লাডু মিঠৈ খোৱাত।।"*[৩৪]

সমান্তৰালভাৱে খেতি চপোৱাৰ ঠিক পিছতে পুহ আৰু মাঘ মাহৰ দোমাহীত মাঘ বিহু বা ভোগালী বিহু পালন কৰা হয়। এই সময়ছোৱাত শালিধান, মাহ, তিল, মগু আদি শস্য চপাই প্ৰতিজন অসমীয়াই ভঁৰাল টনকিয়াল কৰে আৰু লগে-ভাগে এসাঁজ খাই আনন্দ স্ফুৰ্তি কৰে। বৰদলৈৰ গীতত আঘোনৰ পথাৰত ধানদাই থাকোতে প্ৰতিজন ৰোৱনী-দাৱনী বা গৃহস্থৰ যি উল্লাস ভৰা ছবি সেই চিত্ৰ অংকিত হৈছে এনেদৰে—

*"সোণগুটি, চপাই আনো*
*মনৰ ভঁৰাল খুলি*
*উলাহে নধৰে হিয়া*
*গীতত পৰাণ ঢালি*
*আঘোণৰে পথাৰেৰে*
*ধান সোণোৱালী।"*[৩৫]

বিভিন্ন জাতি-জনজাতি, উপজাতিৰ সংমিশ্ৰণত সৃষ্ট বৃহত্তৰ অসমীয়া জাতিয়ে অতীতৰে পৰা একতাৰ ডোলেৰে বান্ধখাই যি সাতামপুৰুষীয়া সাংস্কৃতিক সৌধ নিৰ্মাণ কৰিলে তাৰ পৰিপ্ৰেক্ষিতত অসম প্ৰদেশ বিশ্ববাসীৰ সন্মুখত নতুন পৰিচয়ৰে সমাদৃত হোৱা পৰিলক্ষিত হয়। বৰঅসমৰ এই সুকীয়া সাংস্কৃতিক ঐতিহ্যই বৰদলৈৰ গীতত প্ৰতীয়মান হৈছে সাৱলীল ভাষাত—

*"অসমৰ পুৱত মিচিং জনজাতি*
*চুতীয়া দেউৰী*
*সোনোৱাল কচাৰীৰ*
*এইখন নিজৰে ঠাই*
*বৰ অসম গঢ়া*

*আহোম জনজাতি*
*শ শ বছৰে*
*ৰাখিলে খিয়াতি*
*এইখন অসম দেস*
*মোৰ অসম দেশ।”*[৩৬]

অসমত বসবাস কৰা চাহ জনগোষ্ঠী লোকসকলৰ মাজকত প্ৰচলিত জনপ্ৰিয় আৰু সাৰ্বজনীন কৃষি উৎসৱ এটি হ'ল কৰম পৰৱ বা কৰম পূজা। এই উৎসৱত মূখ্যতঃ গাভৰু সকলে আগভাগ লোৱা পৰিলক্ষিত হয়। সাধাৰণতে যিসকল মহিলা তিৰোতা বা ছোৱালীয়ে এই পূজাত ভাগ লয়, তেওঁলোকে পূজাৰ নিৰ্দিষ্ট দিনৰ পূৰ্বে ঢোল-বাঁহী-মাদল-আদি সংগত কৰি ধূপ-ধূণা নৈৰদ্যৰে ভক্তিভাৱেৰে নদীৰ ঘাটত সেৱা বা আৰতি কৰা পৰিলক্ষিত হয়। পূজাৰ দিনাখন উপবাসে থকা কৰনতি সকলে সন্ধ্যা পৰম্পৰাগত নৃত্য-গীতৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। যাক ঝুমুৰ নাচ গান বুলি ভিহিত কৰা হয়। নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত চাহ-জনগোষ্ঠীয়ে সাংস্কৃতিক ঐতিহ্যই প্ৰাণ পাইছে বাস্তৱসন্মতভাৱে ৰূপত—

*“ধম ধমা ধম মাদল বজা*
*ঢোলৰে দে তাল*
*ঝুম জুমা জুম নাচ আজি*
*হাতত হাতে ধৰি নাচিম*
*ক'ত আছে মিনি?*
*মনত লাগে ভালৰে ভাই*
*মনত লাগে ভাল।”*[৩৭]

ভাৰতবৰ্ষৰ হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ এটি জনপ্ৰিয় অনুষ্ঠান হ'ল হোলী বা ফাকুঁৱা উৎসৱ। ঋতুকালীন এই উৎসৱত প্ৰতিটো জাতি-জনজাতিয়ে উলাহ-মালহেৰে অংশ গ্ৰহণ কৰা পৰিলক্ষিত হয়। ভাৰতবৰ্ষৰ প্ৰতিটো প্ৰান্তত হোলী উৎসৱৰ জনপ্ৰিয়তা মন কৰিবলগীয়া। উৰিষ্যা, বিহাৰ, পশ্চিমবংগ আদিকে ধৰি অসমতো ফাকুঁৱা উৎসৱ ধুম ধামেৰে উদযাপন কৰি অহা পৰিলক্ষিত হয়। অসমত ইয়াক দৌল উৎসৱ হিচাপে অভিহিত কৰা, কৃষ্ণ ভক্তিৰে আধ্যাত্মিক প্ৰধান্য সম্পন্ন এই উৎসৱত ইজনে সিজনৰ গাত ৰং হিৰঙৰ আৱীৰ বা ফাকুৰ গুৰি সানি বা ছটিয়াই কৃষ্ণলীলাৰ সাৱলীল বৰ্ণনাৰে নৃত্য-গীতত মুখাৰিত হোৱা দেখা যায়। বৰদলৈৰ গীততো ফাকুখেলৰ সাংস্কৃতিক চেতনা মূৰ্ত্তমান হৈ উঠিছে উন্মুক্ত ৰূপত—

*“ ৰঙ ৰঙ কত ৰঙ*

*আকাশে বতাহে ৰঙ*
*ৰঙেৰে ভৰিছে মন বহুৰঙীলৈ*
*বৃন্দাবনতে গোপীয়ে গোসাইকে*
*দিছিল ফাকু যে আজিৰ দিনতে।"*[৩৮]

বড়োসকলৰ এটি অন্যতম বসন্তকালীন হ'ল বাগৰুম্বা নৃত্য। প্ৰকৃতিৰ মুকলিমূৰীয়া পৰিৱেশত চৰাই-চিৰিকটি বা পখিলা আদিৰ উৰি ফুৰা অংগ ভংগীক অনুসৰণ কৰি বড়ো নাৰীসকলে পৰম্পৰাগত সাজপাৰ তথা অলংকাৰ পৰিধানেৰে এই নৃত্যত অংশগ্ৰহণ কৰে। তদুপৰি ছিফুং-জথা-ছেৰজা, ঢোল, থৰকা ইত্যাদি বাদ্যযন্ত্ৰৰ প্ৰয়োগেও বাগডুম্বা নৃত্যক প্ৰাণস্পৰ্শী কৰি তোলা দেখা যায়। বৰদলৈৰ গীতৰ মাজেৰেও বাগডুম্বা নৃত্যৰ ঐতিহ্যৰ কথা প্ৰতিফলিত হৈছে সাৱলীলভাৱে—

*"বাগডুম্বা*
*সুৰৰ লগৰ এ*
*চিফুঙৰ বুকুলৈ যা*
*থৰকাৰ ছেওতে*
*ঢোলৰ মাজতে*
*বৌশাগু আহিছে চা।"*[৩৯]

জাতি-জনগোষ্ঠী, জনজাতি, উপজাতি, অন্যতম ৰহঁঘৰা-উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক ভেটি অত্যন্ত টনকিয়াল। উত্তৰ পূৰ্বাঞ্চলৰ অন্তৰ্গত প্ৰতিখন ৰাজ্যৰে স্বকীয়তা সম্পন্ন গীত নৃত্যৰ অনুষ্ঠানে প্ৰতিখন ৰাজ্যকে মহিমামণ্ডিত কৰি ৰাখিছে। বৰদলৈৰ গীতৰ মাজেৰেও অৰুণাচল, মেঘালয়, ত্ৰিপুৰা, নাগালেণ্ডৰ প্ৰসিদ্ধ নৃত্যই প্ৰাণ পাই উঠিছে সহজ সৰল ভাষাত। যেনে—

*"অৰুণাচল বেম্ব নাচ আছে*
*দিম মিজোৰামৰ*
*বিতোপন নংক্ৰেম মেঘালয়ৰ*
*ত্ৰিপুৰাৰ বৌ নাচ*
*কিযে মনোহৰ*
*যুদ্ধ নৃত্য কিমান*
*তেজাল চোৱা*
*নাগালেণ্ডৰ।"*[৪০]

এনেদৰে জাতি-জনগোষ্ঠী, জনজাতিসমূহৰ মাজত সমন্বয় সৃষ্টি কৰা আৰু সাংস্কৃতিক ঐতিহাসিক ন ন

ৰূপত বৰদলৈৰ গীতৰ মাজেৰে প্ৰকাশ কৰাত গীতসমূহ আকৰ্ষণীয় হৈ পৰা পৰিলক্ষিত হয়।

**৪.০২.৪ সমাজচেতনা ঃ**

সাহিত্য আৰু সমাজৰ মাজত কটকটীয়া সম্পৰ্ক বিৰাজমান। সাহিত্য কৰ্মক সমাজমুখী বা গণমুখী কৰি তুলিব পাৰিলে, তেনে সাহিত্যকৰ্মই সময়ে সময়ে সমাজক লাভ কৰিবলৈ সক্ষম হোৱা দেখা যায়। উল্লেখযোগ্য যে সাহিত্যকৰ্মৰ মাজেদিয়েই সমাজ-সংস্কৃতিক প্ৰেক্ষাপটক ভালদৰে হৃদয়ংগম কৰিব পাৰি। সেয়ে সাহিত্যৰ স্ৰষ্টা এগৰাকীয়ে বৃহত্তৰ সমাজখনৰ পৰিকাঠামোৰ প্ৰতি সততে সচেতন হৈ স্বকীয় সৃষ্টিৰাজি সম্পাদন কৰি অহা পৰিলক্ষিত হয়। নিৰ্মলপ্ৰভাৰ বৰদলৈৰ গীতসমূহো এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। বৰদলৈৰ গীতসমূহো সূক্ষ্মভাৱে পৰ্যৱেক্ষণ কৰি চালে প্ৰত্যক্ষ কৰিলে সমাজ-সাংস্কৃতিক প্ৰমূল্য তথা মূলবোৰৰ সহায়ত একেখন সুস্থ সবল আৰু আদৰ্শ সমাজ গঢ়ি কিদৰে গঢ় দিব পাৰি তাৰ প্ৰবল আকাংক্ষা পৰিলক্ষিত হয়। বৰদলৈৰ গীতত সমাজ-ৰাজনৈতিক, অৰ্থনৈতিক-সাংস্কৃতিক, চেতনা, নাৰী-চেতনা, মানৱীয় চেতনা সমন্বয় চেতনা, কৰ্মমুখী-চেতনা, সাম্যবাদী চেতনা আৰু বিপ্লৱী চেতনা প্ৰসংগই গীতসমূহক নান্দনিকতা প্ৰদান কৰাৰ লগতে অধিক গণমুখী কৰি তুলিছে।

**৪.০২.৫ অৰ্থনৈতিকচেতনা ঃ**

সমাজ তথা জাতি এটাৰ প্ৰগতি বা উত্তৰণ হ'বলৈ হ'লে সমাজত বসবাস কৰা প্ৰতিজন মানুহেই স্বাৱলম্বী হোৱাৰ লগতে নিজৰ নিজৰ নৈতিক দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সদা সচেতন হৈ থাকিব লাগিব। সময় আৰু স্বকীয় দক্ষতা-ক্ষমতাৰ সৈতে খোজত খোজ মিলাই আগুৱাই যাব পাৰিলেহে স্বকীয় অস্তিত্ব বা প্ৰভুত্বৰ সৈতে সমাজত তিষ্ঠি থাকিব পাৰিব। কৰ্মস্পৃহা আৰু বুদ্ধিমত্তাৰ সহায়ত নিজৰ নিজৰ অৰ্থনৈতিক ভেঁটি টনকিয়াল কৰাৰ স্বাৰ্থত প্ৰতিজন ব্যক্তিয়ে মনোনিৱেশ কৰা উচিত। অসমৰ নিচিনা এখন কৃষি প্ৰধান ৰাজ্যৰ অৰ্থনৈতিক কাঠামো নিজৰ হাতত ৰাখিবলৈ হ'লে অৰ্থাৎ আত্মনিৰ্ভৰশীল হ'বলৈ হ'লে যে নিজৰ মাটিডৰাতে কৃষি বিপ্লৱৰ সূচনা কৰিব লাগিব, সেই কথা বৰদলৈয়ে গীতৰ মাজেৰে কৈ গৈছে সাৱলীল ভাষাত। যেনে ঃ

*"দ হওক বাম হওক*  
*যদিও তাকৰীয়া মাটি*  
*দুডৰা দুবিঘা সি আছে হাতত*  
*তাতে মই কৰি যাম খেতি*

*মোৰে পথা*

*এমাহো নপৰে চন।।"*[৪১]

তদুপৰি কৃষি-কৰ্ম আৰু শস্যৰ উৎপাদনেই যে প্ৰতিজন মানুহৰ সপোনক সাৰ্থক আৰু সফল কৰি তুলিব পাৰিব বুলি বৰদলৈৰ দৃঢ় বিশ্বাস। সেই বিশ্বাসে গীতৰ মাজেৰে প্ৰতীয়মান হৈছে এনেদৰে ঃ

*"শস্যৰে ভৰপূৰ কৰিব লাগিব দেশ*

*তাতেই জীৱন হ'ব ধন্য।*

*শুভ সপোনৰ মন মগ্ন*

*সৃষ্টি সুফলা কৰা স্বপ্ন।"*[৪২]

**৪.০২.৬ ৰাজনৈতিকচেতনা ঃ**

মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতবৰ্ষৰ ৰাজনৈতিক ইতিহাসত অসহযোগ আন্দোলনৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। এই আন্দোলন মহাত্মা গান্ধীৰ নেতৃত্বত সমগ্ৰ ভাৰতবৰ্ষতে সফল ৰূপ পৰিধাৰন কৰিছিল। এই আন্দোলনৰ নূন্যতম উদ্দেশ্য আছিল হিংসাৰ আশ্ৰয় নোলোৱাটো অহিংসা নীতিৰে ভাৰতীয়সকলে বৃটিছসকলে নিৰ্দেশ কৰি দিয়া আটাইবোৰ কামতে সহযোগ কৰাৰ পৰা বিৰত থাকিব আৰু প্ৰতিটো স্তৰতে আত্মনিৰ্ভৰশীল হৈ  কাম-কাজ পৰিচালনা কৰিব। উল্লেখনীয় যে সমগ্ৰ ভাৰতবৰ্ষতে এই আন্দোলন ব্যাপক সঁহাৰি লাভ কৰাৰ দৃশ্য প্ৰত্যক্ষ কৰি পৰৱৰ্তী সময়ছোৱাত বৃটিছসকলে আন্দোলনকাৰীসকলৰ প্ৰতি অমানসিক অত্যাচাৰ চলায় ফলত বহু স্বাধীনতা সংগ্ৰামীয়ে আত্মবলিদান দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছিল। সেই কথা বৰদলৈৰ গীতত প্ৰকাশি উঠিছে বাস্তৱসন্মত ৰূপত—

*"গান্ধীৰ বাণীৰে অহিংসা নীতিৰে*

*যুঁজিলে যুঁজিলে ভাৰতৰ প্ৰজা*

*স্বাধীনতা আমাৰ কামৰ আদৰ্শৰ*

*আঁতৰ হ' আঁতৰ হ' বিদেশীৰ ৰজা*

*গোটেই ভাৰততে অসহযোগ কৰিলে আ...*

*গুজৰি উঠিল বৃটিছৰ কামান*

*নোহোৱা নোপোজা ৰণ*

*অহিংসা অহিংসা মন্ত্ৰৰ ৰণ।"*[৪৩]

অসমতো এই আন্দোলনে ব্যাপক বিস্তাৰ লাভ কৰিছিল। ফলস্বৰূপে কেবাজনো তেজাল অসমীয়া যুঁজাৰু যুৱক-যুৱতীয়ে (আত্মত্যাগ) বৃটিছৰ গুলীত শ্বহীদ হ'ব লগা হৈছিল। তেওঁলোকৰ ভিতৰত

কনকলতা বৰুৱা, ভোগেশ্বৰী ফুকননী, মুকুন্দ কাকতি অন্যতম আছিল। নিৰ্মলপ্ৰভা বৰদলৈৰ গীততো তদানীন্তন ভাৰতবৰ্ষৰ ৰাজনৈতিক অলিসতাই অসমতো কিদৰে প্ৰভাৱ বিস্তাৰ কৰিছিল সেয়া অসমৰ স্বাধীনতা সংগ্ৰামীসকলে এই আন্দোলনত অংশগ্ৰহণ কৰি যে হেলাৰঙে প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছিল, সেই কথা গীতেৰে প্ৰকাশ কৰিছে এনেদৰে ঃ

*"স্বাধীনতাৰ ৰণৰে কনকলতা*
*ধ্ৰুৱতৰা হ'ল কনকলতা*
*হায় ঐ ভোগেশ্বৰী আই কতনো গ'ল*
*মুকুন্দ কাকতি ক'তে বা ৰ'ল*
*চোৰা চোৰা তিনিও তৰাটি হ'ল*
*কিনো চাই দেশৰে মূল জিলিকি ৰ'ল।"*[৪৪]

**৪.০২.৭ সাংস্কৃতিকচেতনা ঃ**

অসমৰ বৰ্ণাঢ্য সংস্কৃতিৰ প্ৰতি বিশেষ আকৰ্ষণ থকা নিৰ্মলপ্ৰভা বৰদলৈৰ গীতসমূহ সূক্ষ্মভাৱে পৰ্যৱেক্ষণ কৰিলে দেখা যায় যে, বিভিন্নধৰণৰ থলুৱা লোকগীত, লোকভাষা, প্ৰবাদ ইত্যাদিক সমল হিচাপে গ্ৰহণ কৰি তেওঁ গীত সৃষ্টি কৰিছে। কিয়নো সৃষ্টি ৰাজ্যসমূহক সাংস্কৃতিক সমলেৰে সংযোজন কৰিব পাৰিলেহে সাহিত্যকৰ্মৰ সমান্তৰালভাৱে সাংস্কৃতিক উপাদানসমূহে নৱপ্ৰজন্মৰ প্ৰসাৰিত হৈ থাকিব। কিন্তু সময়ৰ বিবৰ্তনৰ লগে লগে  বস্তুকেন্দ্ৰিক আৰু ভোগবাদী সমাজ ব্যৱস্থাই যেন থলুৱা সাংস্কৃতিক সমলসমূহলৈ ভাবুকি কঢ়িয়াই অনা পৰিলক্ষিত হয়। অসম অসমীয়াৰ স্বাভিমান বিহু উৎসৱৰ সৈত জড়িত লোকাচাৰ বা পৰম্পৰাগত ক্ৰিয়া পৰ্বসমূহো কালৰ বুকুত হেৰুওৱাৰ উপক্ৰম হৈছে, সেই কথা হৃদয়ংগম কৰি বৰদলৈয়ে গীতৰ মাজেৰে উনুকিয়াইছে—

*"সৰু গাঁও এখনি*
*চোলাত দেও দি*
*খেলিছিলো আমি*
*বিহুৰে দিনাও*
*ঢোলৰ মাত শুনি*
*কেনি গ'ল সেইদিন*
*বয় চকুপানী।"*[৪৫]

অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সিঁচৰতি হৈ থকা সাংস্কৃতিক ঐতিহ্যসমূহৰ প্ৰতি গভীৰ মোহ থকা বৰদলৈৰ

গীতত পশ্চিম অসমৰ সাংস্কৃতিক কেন্দ্ৰত গৌৰীপুৰ অঞ্চলত অতীতৰে পৰা প্ৰচলিত পৰম্পৰাগত হাতী বশ কৰা প্ৰথা বা হাতী মাওতৰ গভীৰ সম্পৰ্কৰ ছবি যিয়ে পাকতে সাংস্কৃতিক চেতনাক মূৰ্ত্তমান কৰিয়ো তাৰ ছবি চিত্ৰিত হৈ উঠিছে এনেদৰে —

*"গৌৰীপুৰৰ গভীৰ বনৰ*
*হস্তী কন্যাৰ ৰূপত*
*দূৰৰ দেশৰ মাজত বন্ধু*
*কান্দে নিবিড় মোহত।"*[৪৬]

ভাষা বিভাজনৰ দৃষ্টিকোণৰ পৰা উপভাষা, আঞ্চলিক ভাষা, মান্য ভাষাৰ কোনোটোৱেই শ্ৰেষ্ঠৰ অথবা নিম্নমানৰ নহয়। প্ৰতিটো ভাষাৰেই অস্তিত্ব তথা মান্যতা সমপৰ্যায়ৰ। সাংস্কৃতিক সমলসমূহৰ ভিতৰৰে যিহেতু ভাষাও এটা অন্যতম উপাদান। সেয়ে বৰদলৈয়ে গীতত গোৱালপৰীয়া উপভাষাৰ সংযোজন কৰি প্ৰকৃত ভাষাৰ স্বকীয়তা মৰ্য্যাদা প্ৰদান কৰাৰ লগতে সুস্থ সাংস্কৃতিক চেতনাৰ প্ৰতিচ্ছবিও প্ৰতিফলিত কৰিছে এইদৰে—

*"দূৰৰ দেশৰ মাহুত বন্ধু*
*কান্দে নিবিড় মোহত*
*অ কান্দে নৌকাই বাইসৰে*
*কেমন কৰিয়া ছাড়িয়া যাইবৰে।'*[৪৭]

**৪.০২.৮ স্বদেশ স্বজাতিচেতনা ঃ**

প্ৰতিজন সভ্য ব্যক্তিৰে স্বদেশ-স্বজাতিৰ প্ৰতি দায়বদ্ধতা থকাটো উচিত। কিয়নো জাতীয় চেতনাৰ দ্বাৰা সকলোকে উদ্বুদ্ধ কৰিব নোৱাৰিলে কোনো জাতি তথা ভাষাই দীৰ্ঘ স্থায়িত্ব লাভ কৰিব নোৱাৰে। অৰ্থাৎ সৃষ্টি কৰ্মসমূহৰ দ্বাৰা কোনো এটা জাতি বা ভাষাৰ জয়গান ঘোষণা কৰি সকলোৰে মনত সংশ্লিষ্ট জাতি বা ভাষাটোৰ প্ৰতি আগ্ৰহী কৰি তুলি সকলোকে একতাৰ বান্ধোনেৰে একত্ৰিত কৰিব পৰাটোৱেই স্বদেশ চেতনা। বৰদলৈৰ গীতসমূহতো জাতীয় স্বদেশ চেতনাক প্ৰসংগই গীতসমূহক আকৰ্ষণীয় কৰি তোলা পৰিলক্ষিত হয়। যেনে ঃ

*(ক) "ইমান ধুনীয়া*
*শ্যাম বৰণীয়া*
*এইখন অসম দেশ*
*আমাৰ নিজৰ দেশ।"*[৪৮]

*(খ) "অসমৰ ভাষা*
*সকলো আপোন*
*সাহিত্য নিজৰে ৰূপ*
*তাকো বিকশাই তুলি*
*কৰিম সুন্দৰ অপৰূপ।"*[৪৯]

**৪.০২.৯ নাৰীচেতনা ঃ**

আধুনিক অসমীয়া গীতি সাহিত্যৰ সুদীৰ্ঘ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় নাৰী মনৰ ভাৱ-অনুভূতি, আশা-আকাংক্ষা, সপোন-বাস্তৱক পুৰুষ গীতিকাৰসকলে কল্পনাক আশ্ৰয় কৰি যিদৰে বৰ্ণনা কৰিছে; তাৰ বিপৰীতে কিন্তু মহিলা গীতিকাৰসকলে স্বকীয় ভাৱানুভূতিক উন্মুক্তভাৱে প্ৰকাশ কৰা পৰিলক্ষিত হয়। পঞ্চাশৰ দশকৰ পৰা গীত চৰ্চা কৰিবলৈ আৰম্ভ কৰা বৰদলৈৰ গীততেই নাৰী মনৰ সামগ্ৰিক ভাৱানুভূতিয়ে আত্ম প্ৰকাশ লাভ কৰা দেখা যায়। এই সম্পৰ্কত দিলীপ কুমাৰ দত্তই মত পোষণ কৰিছে "প্ৰথমবাৰৰ কাৰণে এগৰাকী অসমীয়া নাৰীয়ে নিজৰ হিয়া উদঙাই নিজৰ আৱেগ-অনুভূতি, কামনা-বাসনাবোৰ প্ৰকাশ কৰি এক অপূৰ্ব গীতি সাহিত্য সৃষ্টি কৰিছে। তেওঁৰ গীতৰ সহায়ত অসমীয়া সমাজে আজিৰ এক সৃষ্টিশীল নাৰীক আৰু এক অতি আদিম নাৰীক চিনিবলৈ বুজিবলৈ বিশেষ সুযোগ পাইছে।"[৫০]

পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীক গঢ় দিয়া হয় বুলি সততে শুনিবলৈ পোৱা যায়। কিয়নো নাৰী জীৱন সমাজে নিৰ্দেশ কৰি দিয়া অনুযায়ী দুখন ঘৰৰ সৈতে গভীৰভাৱে সংস্পৃক্ত। জন্ম লাভ কৰা ঘৰখন আৰু আনখন হ'ল সামাজিক বান্ধোনেৰে বান্ধ খাই থাকিবলগীয়া হোৱা স্বামী বা শহুৰ-শাহুৰ ঘৰখন। বিবাহ প্ৰক্ৰিয়াৰ দ্বাৰাই এগৰাকী নাৰীয়ে থাউকতে আন এখন অচিনাকী ঘৰৰ দায়িত্বশীল সদস্যা হৈ পৰে। প্ৰতিগৰাকী নাৰীৰ ক্ষেত্ৰতে বিয়াৰ প্ৰাক্ মুহূৰ্তৰ যি মানসিক সংঘাত, সেই সংঘাতৰ ছবি বৰদলৈয়ে গীতৰ মাতেৰে বৰ্ণনা কৰিছে— সাৱলীল ৰূপত ঃ

*"হাতত ল'লো জেতুকা/মেহেন্দীৰে ৰং*
*আহিল এয়া বিয়াৰ লগন।।*
*ভয় দুখে কঁপি উঠে মন*
*কেনেকে ল'ম নতুন জীৱন*
*বাৰে বাৰে কান্দি উঠে মন।"*[৫১]

পৰম্পৰাগত সমাজত নাৰীক যিমানে দেৱী-মাতৃৰূপে পূজা-অৰ্চনা কৰা নহওঁক কিয় তাৰ সমান্তৰালভাৱে যুগে যুগে নাৰীৰ ওপৰত সৰ্বতো প্ৰকাৰৰ লাঞ্চনা-বঞ্চনা, শোষণ-নীপিড়ন, অন্যায়-অত্যাচাৰ কৰি অহা পৰিলক্ষিত হৈছে। নাৰীৰ এই মৰ্মবেদনৰ একমাত্ৰ হৃদয়ংগম কৰিব পাৰিব আন এগৰাকী নাৰীয়েহে। সেয়ে নিৰ্মলপ্ৰভাই তেজীমলাৰ প্ৰসংগ উল্লেখ কৰি নাৰীসকলক সাহস আৰু প্ৰেৰণা কৰাৰ লগতে নাৰী যে যুগে যুগে শোষিত-বঞ্চিত সেই কথা গীততে প্ৰকাশ কৰিছে এনেদৰে—

*"সঁচা যাতনাকে*
*তুমি ঢাকিবা কিদৰে*
*নল মৰি মৰি জীয়ে*
*সঁহাৰি দিবহি যুগ যুগ ধৰি*
*তেজীমলা ৰূপ লৈয়ে।"*[৫২]

নিৰ্মলপ্ৰভা বৰদলৈয়ে উপলব্ধি কৰিছিল ভাৰতীয় সমাজত নাৰীসকল অত্যন্ত পিছপৰি থকাৰ এটা মুখ্য কাৰণ একত্ৰিত নাৰীকেন্দ্ৰিক অভাৱ। যাৰ ফলস্বৰূপে ভাৰতীয় নাৰীয়ে পদে পদে অন্যায় অবিচাৰ, দুখ-নিৰ্যাতন-সহ্য কৰি থাকিবলগীয়া হৈছে। সেয়ে বৰদলৈয়ে সমগ্ৰ নাৰী জাতিক আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনাইছিল। সমান্তৰালভাবে দীৰ্ঘদিনীয়া নাৰীৰ এই সমস্যাবোৰৰো সমাধান হ'ব বুলি বিশ্বাসী হৈ গীতৰ মাজেৰে প্ৰকাশ কৰিছে ঃ

*"পথ দুৰ্গম আমি অগনন*
*চূৰ্ণ কৰিম বাৰ্যা*
*নতুন দিনক সৃষ্টি কৰিম*
*নাই নাই একো দ্বিধা*
*শূণ্য যদিও দুহাত আমাৰ*
*শূণ্য নহয় মন।"*[৫৩]

ভাৰতীয় তথা অসমীয়া সমাজত নাৰীক সৃষ্টিৰ প্ৰতীক হিচাপে চিহ্নিত কৰাৰ সমান্তৰালভাৱে নাৰীক ধ্বংস তথা নাশৰ প্ৰতীক হিচাপেও পৰিস্থিতি পৰিপ্ৰেক্ষিতত বিবেচিত কৰি অহা হৈছে। কিন্তু নাৰীয়ে কৰা সেই ধ্বংস নতুন সৃষ্টিৰ পৰিপ্ৰেক্ষিততহে। অৰ্থাৎ আমি নাৰীক লক্ষ্মী দেৱী হিচাপে পূজা-অৰ্চনা কৰাৰ সমান্তৰালকৈ একে গৰাকী নাৰীকে দুৰ্গাৰূপে ধাৰণ কৰি অন্যায়ৰ প্ৰতীক অসুৰক বিনাশ কৰাৰ অংগীকাৰ ৰূপতো পৰ্যৱেক্ষণ কৰো। বৰদলৈৰ গীততো নাৰী মনৰ এই আন্ধাৰক নেওচি সৃষ্টিৰ প্ৰতি

থকা চৰম হাবিয়াস তাৰ প্ৰতিফলন ঘটিছে বাস্তৱসন্মত ৰূপত ঃ

*"শক্তি ৰূপিনী দুৰ্গা আমিয়ে*
*অসুৰক বৰ্জি থোৱা*
*লক্ষ্মী ৰূপেৰে কৰি যাও আমি*
*শান্তিৰ আৰাধনা।"* [৫৪]

সুস্থ-সবল বিকাশশীল সমাজ এখন গঢ়িবলৈ হ'লে পুৰুষৰ সমান্তৰালভাৱে নাৰীসকলৰো দক্ষতা, বুদ্ধি, ত্যাগ, শ্ৰম, স্থান ইত্যাদি সমানভাৱে গুৰুত্ব প্ৰদান কৰিব লাগিব। কিন্তু পৰম্পৰাগত সমাজ ব্যৱস্থাত নাৰীসকল প্ৰতিটো স্তৰতে উপেক্ষিতা, লাঞ্চিতা-বঞ্চিতা হোৱা দেখা যায়। এনে দৃশ্যই বৰদলৈক বিদ্ৰোহী কৰি তোলাৰ লগতেও নাৰী মনৰ মানসিক দ্বন্দক প্ৰকাশ কৰিছে উদাও কণ্ঠেৰে—

*"মোৰ মন যায়*
*সংকোচ এৰি আজি*
*বাটৰ বনুৱাৰ জীৱন লোৱাৰ।*
*জাৱনীজনীৰ যেন*
*কাচিখন হওঁ*
*খেতিয়কৰ যেন নাঙল হওঁ*
*কান্ধতে যেন জিৰিয়া লওঁ।"* [৫৫]

**৪.০২.১০ সমন্বয়চেতনা ঃ**

বিহু উৎসৱ অসমীয়া জাতিৰ জাতীয় পৰিচয়। বিহুৰ সৈতে জড়িত লোকাচাৰ আৰু পৰম্পৰাসমূহ অতীতৰ পৰাই অসমত বসবাস কৰা জাতি-জনগোষ্ঠীসমূহৰ কোঁহে কোঁহে সুমাই আছে। দৰাচলতে পাহাৰ ভৈয়াম এক লগ কৰা বিহু উৎসৱ হ'ল সাংস্কৃতিক সমন্বয়ৰ উৎসৱ। বিহুৱে মনৰ পংকিলতা দূৰ কৰি প্ৰতিটো জাতি-জনগোষ্ঠীৰ অন্তৰত ভাতৃত্ববোধৰ এনাজৰীডাল কটকটীয়া কৰি ৰাখিছে। নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ মাজেৰেও বৃহত্তৰ অসমীয়া জাতি বা সাতভনীৰ ৰাজ্যৰ মাজত যে বিহু উৎসৱে সমন্বয়ৰ সেঁতুডাল কটকটীয়া কৰি ৰাখিছে, সেই কথা প্ৰতিফলতি হৈছে, এনেদৰে—

*"আহিল বতৰ আহিল বিহুৰ*
*পাহাৰ-ভৈয়ামৰে অসমলৈ*
*বাৰে ৰহণীয়া মনলৈ*
*ঢোলৰ শব্দৰে*
*শিঙৰ পেঁপাৰে*

*জীৱন জগাই তোলাটো*
*বিহুতে এই কৰিমে পণ*
*বিহুতে এই বান্ধিম আমাৰে মন*
*সাতভনী আমি*
*থাকিম মিলিজুলি।”*[৫৬]

অসম দেশৰ বায়ু-পানী-মাটিৰ সৈতে গভীৰভাৱে সম্পৃক্ত বৰদলৈয়ে আন অসমীয়াৰ যি প্ৰাচীন ঐতিহ্য, সেই ঐতিহ্যক এই দেশৰে সন্তান হিচাপে মৰ্য্যাদা অক্ষুণ্ণ ৰাখিবলৈ জাগ্ৰত প্ৰহৰীৰ দৰে কাম কৰি অহা পৰিলক্ষিত হয়। জাতি-জনগোষ্ঠী, জনজাতি-উপজাতিৰ-সংমিশ্ৰত ভাণ্ডাৰস্বৰূপ বৰ অসমখনক সমন্বয়েৰে বান্ধি ৰখাৰ মনোবাঞ্চা বৰদলৈৰ গীতৰ মাজেৰে প্ৰায় মান হৈছে সাৱলীল ভাষাত—

*“মোৰ মন যায়*
*দুকাষে দুখনি গাঁৱৰ মাজেদি*
*বোঁৱতী নৈত দলং গঢ়াৰ*
*আৰু দুদালি মূৰৰ কেশ*
*চেনেহ জৰিৰে বান্ধি*
*এদালি কৰাৰ।”*[৫৭]

আকৌ ভাৰতবৰ্ষৰ আন আন অংগ ৰাজ্যসমূহৰ দৰে অসমৰো যি সাতামপুৰুষীয়া ঐক্য, সেই ঐক্য সংহতিয়ে বিশ্বৰ বুকুত ভাৰতবৰ্ষ তথা অসমক এক বিশেষ আসন প্ৰদান কৰা পৰিলক্ষিত হয়। কিন্তু সময়ে সময়ে কিছু অপশক্তিয়ে এই ঐক্যক বিনষ্ট কৰাৰ চেষ্টাত লিপ্ত হোৱাও দেখা যায় যদিও এনে কু অভিসন্ধিয়ে ভাৰত তথা অসমৰ একতাত আঘাত হানিব নোৱাৰে বুলি দৃঢ় প্ৰতিজ্ঞ বৰদলৈয়ে গীতৰ মাজেৰে কৈছে—

*“তাকে দেখি কত*
*ঈৰ্ষা অসুৰে*
*জোৰেহি অগ্নিবান*
*গগনস্পৰ্শী উঠিছে আমাৰ*
*প্ৰতিজ্ঞা ঐক্যতান*
*সংহতিৰ শক্তিৰে আমাৰ*
*ভাৰতৰ সন্তান।”*[৫৮]

যুদ্ধ বা হিংসাই কেতিয়াবা কোনো এটি বিষয়ৰে সমাধান সূত্ৰ হ’ব নোৱাৰে। সুস্থ সমাজ এখনৰ ই

কেতিয়াও কাম্য বিষয় নহয়। ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায় যে হিংসা বা যুদ্ধই আজিলৈকে কোনো সমস্যাৰ সমাধান কৰাৰ সক্ষম হোৱাৰ বিপৰীতে মানুহৰ মানবীয় গুণকহে চূড়ান্ত আঘাত। সেয়ে বৰদলৈয়ে তেখেতৰ গীতত ভাৰত-চীন যুদ্ধৰ প্ৰসংগ উল্লেখ কৰি আত্মীয়-স্বজনক হেৰুওৱাৰ মৰ্মবেদনা উপলব্ধি কৰি আৰু যুদ্ধৰ বিভীষিকাই যে কৃষ্টি, শান্তি আৰু সমন্বয় সাধনত বাধাৰ প্ৰাচীৰ হিচাপে থিয় দিয়ে সেই কথা প্ৰকাশ কৰিছে এনেদৰে—

*"আমি যে শান্তিৰ কপৌ এজাক*
*ডেউকাত লাগিলে ধোৱাৰ দাগ*
*কৃষ্টি হ'ল ছাই*
*বন্ধু হেৰাল হায়।*
*পথ পাহৰোৱা তুমি হিংসাৰ অগীন জ্বল*
*যুদ্ধ বিদায় বিদায়।"*[৫৯]

ৰাজনীতিয়ে ভাগ ভাগ কৰে আৰু সংস্কৃতিয়ে একত্ৰিত কৰে বুলি থকা দৰ্শনত বিশ্বাসী বৰদলৈয়ে গীতৰ মাজেৰে অসমত বসবাস কৰা থলুৱা জাতি-জনগোষ্ঠীসমূহৰ সমন্বয়ত যি সাংস্কৃতিক ঐক্য সংহতি উঠিছে, সেই কথা গীতৰে বৰ্ণনা কৰিছে এনেদৰে—

*"কত তৰঙ্গৰ সঙ্গম ৰূপ*
*বড়ো ৰাভা চাওতাল*
*চিফুং, থৰকা মাদল দোতোৰা*
*ডবা, কাঁহ ভোৰতাল*
*উদাস আকুল উটিয়ালী সুৰ*
*সুগভীৰ মৰ্মস্পৰ্শী।"*[৬০]

**৪.০২.১১ সাম্যবাদীচেতনা ঃ**

প্ৰতিজন মানুহেই অৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিকভাৱে মুক্ত হৈ শোষণ নীপিড়নৰ পৰা হাত সাৰি সমাজ এখনৰ অংগী ভূত সদস্য হৈ জীৱন-যাপন কৰিব পাৰিলেহে আমি এখন সৰ্বাগীন উন্নতি পুষ্ট সমাজৰ আশা কৰিব পাৰো। সমাজখনৰ প্ৰতিটো স্তৰতে কি নাৰী-পুৰুষ, অশিক্ষিত-শিক্ষিত, জাতি-ধৰ্ম-বৰ্ণ-ভাষা-কৰ্ম-সংস্কৃতি ইত্যাদি প্ৰতিটো দিশৰ পৰাই যেতিয়া সমান সমান অধিকাৰ ভোগ কৰাৰ লগে লগে নায্য প্ৰাপ্তি লাভ কৰিব, তেতিয়াহে এখন শোষণমুক্ত প্ৰগতিশীল সমাজ গঢ়ি উঠিব পাৰে। কিন্তু দুৰ্ভাগ্যজনক কথাটো হ'ল আমাৰ সমাজখনত পদে পদে সমতাই লাঞ্চিৎ-বঞ্চিত হ'বলগীয়া

হৈছে সেয়ে ন্যায় প্ৰাপ্তিৰ প্ৰতি সদা সচেতন বৰদলৈয়ে গীতৰ মাজেৰে বলিষ্ঠভাৱে কৈছে—

*"তৰ্জ্জু লাগে ন্যায়ৰ তৰ্জ্জু*
*সমতা ৰাখিম তাৰে*
*অসমতাই নইলে আমাৰ*
*জীৱন দুৰ্ব্বহ কৰে।"* [৬১]

সমাজ বা অঞ্চল একোটাক সামগ্ৰীকভাৱে উন্নয়নমুখী কৰি তুলিবলৈ হ'লে পুৰুষৰ সমানে সমানে নাৰীসকলকো সমঅধিকাৰ সমমৰ্যদা প্ৰদান কৰি সামগ্ৰীক কাম-কাজ নাৰী শক্তিক ব্যৱহৃত কৰিব লাগিব। কিছু  পৰম্পৰাগত সমাজ ব্যৱস্থাৰ অদূৰদৰ্শী চিন্তা-চৰ্চাৰ ফলত নাৰীসকল প্ৰতাৰিত হৈ আহিছে। কিন্তু আজিৰ নাৰী গতিশীল। প্ৰতিটো খোজতে পুৰুষৰ সৈতে খোজ মিলাই জীৱন যুঁজত আগুৱাই যোৱাৰ লগতে য'তেই অন্যায়-অবিচাৰ তথা বন্দীত্ব বান্ধোন আছে, সেই বান্ধোন উফৰাই পেলাবলৈও কুণ্ঠাবোধ নকৰে। বৰদলৈৰ গীততো পৰম্পৰাগত নাৰীসকলৰ বিপৰীতে নতুন যুগৰ নাৰীয়ে কিদৰে পৰাধীনতাৰ শিকলি ভাঙি-ছিঙি নায্য প্ৰাপ্তি আৰু স্ব অধিকাৰৰ বাবে যুঁজত অনতীৰ্ণ হয়। সেই কথা প্ৰতিফলিত কৰিছে এনেদৰে—

*"বন্দীকাৰাৰ শিকলি ছিঙো*
*পূৰ্ণ সূৰ্য নমাই আনো*
*দৃপ্ত কণ্ঠে গাই যাওঁ আজি*
*এই যুতাও নাৰী পুৰুষৰ*
*সমান অধিকাৰ*
*গতি দুৰ্নিবাৰ।"* [৬২]

তদুপৰি শাৰীৰিকভাৱে পুৰুষৰ তুলনাত নাৰীৰ শক্তি কম বুলি কৈ পৰম্পৰাগত সমাজখনে নাৰীৰ শ্ৰমশক্তিক যুগে যুগে অৱহেলা কৰি অহা পৰিলক্ষিত হয়। যাৰ ফলশ্ৰুতিত যুগে যুগে নাৰীসকল সমমৰ্যদা আৰু পাৰিশ্ৰমিকৰ পৰা বঞ্চিত হৈ আহিছে। এনে ধৰণৰ একপক্ষীয় বা পক্ষপাতিত্বমূলক আচৰণ ক্ষুদ্ধ হৈ নাৰীকো সমান দৃষ্টিভংগীৰে চাবলৈ বৰদলৈয়ে গীতৰ মাজেৰে উদাত্তভাৱে কৈছে—

*"মোৰ মন যায়*
*বুদ্ধিজীৱীৰ মিছা*
*ভেমৰ ভুৰা মাজ বুলি পেলোৱাৰ*
*মোৰ মন যায়*
*সংকোচ এৰি আজি*

*বাটৰ বনুৱাৰ জীৱন লোৱাৰ।"* [৬৩]

### ৪.০২.১২ মানৱীয়চেতনা ঃ

মানৱীয় প্ৰমূল্য তথা গুণৰ অধিকাৰীহোৱাৰ বাবেই মানুহক জীৱশ্ৰেষ্ঠ হিচাপে অতীতৰে পৰা অভিহিত কৰি অহা হৈছে। মানৱ সভ্যতাক আগুৱাই লৈ যাবলৈ প্ৰতিজন মানুহেই ইজনে-সিজনক মানৱীয়তাৰ দৃষ্টিভংগীৰে প্ৰত্যক্ষ কৰিব লাগিব। প্ৰতিজন ব্যক্তিয়ে মানৱদৰদী হৈ হিংসা-বিদ্বেষ বা অপশক্তিক নাশ কৰি একেখন আকাশৰ তলত হাতত হাত ধৰি থিয় হ'ব পাৰিলেহে সমাজ তথা দেশৰ লগতে মাৱৰীয় সভ্যতাও বিকশিত হৈ উঠিব। মানৱতাৰ মৰ্মবেদল হাড়ে-হিমজুহে উপলব্ধি কৰা বৰদলৈয়ে গীতৰ মাজেৰে মানৱীয়তাৰ জয়গান ঘোষণা কৰিছে সাৱলীল ভাষাত ঃ

*"এই পৃথিৱী কি যে সুন্দৰ*
*একে মানৱতা, কি যে মনোহৰ*
*সমবেত যেন গান*
*একেই মানুহ, বাযাহে বেলেগ*
*একে সুখ-দুখ, বাসনা অলেখ*
*সকলোৰে এক প্ৰাণ।"* [৬৪]

যুগে যুগে সমাজখনত এটা কথাই প্ৰাধান্য পাই অহা পৰিলক্ষিত হয়, সেইটো হ'ল অসত্য আৰু হিংসাৰ স্থান মানৱ সমাজত নাই। যদিও ব্যৱহাৰিক জীৱনত ক্ষন্তেক মুহূৰ্তৰ কাৰণে অসত্য কথা আৰু অমানৱীয় ক্ৰিয়া কৰ্মই মানৱীয় প্ৰমূল্যক আঘাত কৰে, তাৰ পৰৱৰ্তী সময়তে কিন্তু তেনেধৰণৰ অমানৱীয় ক্ৰিয়া কৰ্ম বা অসত্যই সৎ আৰু মানৱীয় সক্তিৰ আগত (মূল দোৱাবলৈ) শিৰ নত কৰিবলৈ বাধ্য হয়। বৰদলৈৰ গীততো মানৱীয়তাৰ অপৰাজেয় শক্তিৰ ধ্বনি প্ৰতিধ্বনি হৈছে, এনেদৰে—

*"শান্তি মন্ত্ৰত অগ্নি নুমাব*
*অহিংসা পথৰ যাত্ৰী আমি*
*হিংসাৰ হ'ব লয়*
*সত্যৰ হ'ব জয়।"* [৬৫]

সমাজ এখনৰ প্ৰধান দুটা অংগ হ'ল নাৰী আৰু পুৰুষ। সমাজখনক গতিশীল আৰু বিকশিত কৰি তুলিবলৈ হ'লে নাৰী আৰু পুৰুষ উভয়ে যুক্তিবাদী আৰু মানৱীয় প্ৰমূল্যবোধৰ প্ৰতি সজাগ সচেতন হ'ব লাগিব। এক কথাত ক'বলৈ সমাজ এখনত সাৰ্বিকভাৱে মানৱতা প্ৰতিষ্ঠা কৰিবলৈ হ'লে সংশ্লিষ্ট সমাজখনৰ নাৰী আৰু পুৰুষ উভয়ে সম দৃষ্টিভংগীৰে আগবাইঢ় যাব লাগিব। সেয়ে নিৰ্মলপ্ৰভা বৰদলৈয়ে

গীতৰ মাজেৰে প্ৰকৃত মানুহ সম্পৰ্কে এনেদৰে কৈছে—

*“আমি যুক্তি নৰদৃষ্টি*
*গভীৰৰ আমি বাৰ্তা*
*নাৰী পুৰুষৰ উৰ্দ্ধৰভাৰ*
*আমি মানুহৰ যাত্ৰা*
*আমাৰ চিনাকি কেৱল মানুহ।”*[৬৬]

**৪.০২.১৩ নৈতিকচেতনা ঃ**

ব্যৱহাৰিক জীৱনত এটা শিশুৰ পৰা আৰম্ভ প্ৰতিটো স্তৰৰ ব্যক্তিয়ে লোকশিক্ষা তথা নীতি শিক্ষাৰ প্ৰতি সচেতন হোৱাটো অতি জৰুৰী। নীতিৰ চেতনা অবিহনে কোনো এজন ব্যক্তিয়ে সমাজখনক ইতিবাচক চিন্তা তথা বাটেৰে আগবঢ়াই লৈ যোৱাত অক্ষম হোৱা পৰিলক্ষিত হয়। ব্যক্তি এজনৰ সাৰ্বজনীন বিকাশত অৰ্থাৎ সুস্থ সবল মানুহ এজন গঢ় দিয়াত নীতিৰ চেতনাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিশু অৱস্থাৰ পৰাই এনেধৰণৰ চেতনা সম্পৰ্কে সজাগ হ'ব পাৰিলে, পৰৱৰ্তী সময়ত এজন সফল আৰু আদৰ্শৱান ব্যক্তি হিচাপে নিজকে গঢ় দিয়াৰ লগতে সমাজখনকো প্ৰগতিৰ দিশত আগবঢ়াই নিয়াত সক্ষম হোৱা দেখা যায়। নিৰ্মল প্ৰভা বৰদলৈয়েওগীতৰ মাজেৰে ক্ৰিয়া বা খেলৰ কথা উল্লেখ কৰিছে, যিয়ে সমাজখনক প্ৰগতিৰ পিনে আগুৱাই লৈ যোৱাত সহায় কৰে। প্ৰতিজন ব্যক্তিৰ জীৱনত 'খেল'ৰ প্ৰয়োজনীয়াত সৰ্বজনবিদিত। কিয়নো খেলাৰ সঞ্চালন ক্ৰিয়াৰ যোগেদি জীৱৰ সকলো প্ৰবৃত্তিমূলক প্ৰৱণতাই এক অস্পষ্ট ৰূপত প্ৰকাশ লাভ কৰে। খেলৰ প্ৰৱণতাই শিশু বা ব্যক্তিসকলক স্বতঃস্ফূৰ্ততা, দৃঢ়, সংযমী আত্মবিশ্বাসী আৰু আনন্দ প্ৰৱণ কৰি তোলা দেখা যায় যিটো সুস্থ-সবল মানসিকতা এটা গানৰ ক্ষেত্ৰত অত্যন্ত দৰকাৰী। বৰদলৈয়ে গীতৰ মাজেৰে নৱ প্ৰজন্মক খেলৰ প্ৰতি আগ্ৰহী হ'বলৈ সজাগ কৰিছে সাৱলীল ভাষাত—

*“শৰীৰ সবল কৰিব লাগে*
*খেলো আহাঁ খেলো আহাঁ*
*মনক সতেজ কৰিব লাগে*
*খেলাই শিকাই বুদ্ধি আমাক*
*আৰু মিলাপ্ৰীতিও*
*খেলাই শিকায় সম্প্ৰীতি।”*[৬৭]

সময়ৰ ক্ৰমবিৱৰ্ত্তনৰ লগে লগে মানুহ সভ্যতা সাংস্কৃতিক ক্ষেত্ৰখনত পৰিপক্ক হৈ আহিব ধৰিছে। সমান্তৰালভাৱে সত্য আৰু পৰিৱৰ্তনমুখী সমাজ ব্যৱস্থাৰ সৈতে খোজত খোজ মিলাই আগবাঢ়ি যাবৰ বাবে ব্যক্তিৰ অন্যান্য দিশৰ জ্ঞানৰ লগত শৈক্ষিক তথা লিখা-পঢ়া জ্ঞানখিনিও অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে। শিক্ষাই যিহেতু পোহৰ বিলাই জাতি একোটাৰ মেৰুদণ্ড পোণ কৰাত অপৰিসীম অৱদান আগবঢ়ায়। সেয়ে সমাজখনৰ অন্তৰ্ভুক্ত প্ৰতিজন নাগৰিকে পঢ়িব আৰু লিখিব জনাটো বাঞ্ছনীয়। লিখা-পঢ়া নাজানিলে অন্যান্য ব্যৱহাৰিক জীৱনত লাঞ্চিত হোৱাৰ লগতে বহু পৰিমাণে পৰৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিবলগীয়াও হয়। বৰদলৈৰ গীতৰ মাজেৰেও লিখা-পঢ়াৰ যি গুৰুত্ব সেই প্ৰসংগই স্থান লাভ কৰিছে স্পষ্টভাৱে—

*“চিঠি এখন পঢ় বুলি*
*আনক ক'ব লাগে।*
*পঢ়িব নেজানে আনক*
*কুটুৰিব লাগে।*
*হয় হয় কুটুৰিব লাগে*
*হাঁয় জীৱনটোৰেই ধিক।”*[৬৮]

তদুপৰি এচাম তথাকথিত ভদ্ৰলোকে সৰ্বসাধাৰণ নিৰক্ষৰ লোকৰ অজ্ঞতা তথা লিখা-পঢ়া নজনাৰ সুযোগ গ্ৰহণ কৰি পদে পদে নিঃৰীহ এচামক প্ৰতাৰণা-প্ৰৱঞ্চনা কৰি অহা প্ৰায়ে দৃষ্টিগোচৰ হয়। একমাত্ৰ শিক্ষাৰ সাধাৰণ জ্ঞানখিনিৰ অভাৱৰ বাবে সমাজখনৰে একাংশ শ্ৰমজীৱী লোকে প্ৰতাৰণাৰ বলি হৈ সৰ্বোচ্ছ হেৰুৱাব লগা পৰিস্থিতিৰ সন্মুখীন হৈছে বা তেনেধৰণৰ শংকাত দিন অতিবাহিত কৰিবলগীয়া হৈছে, সেই কথা নিৰ্মলপ্ৰভা বৰদলৈয়ে উনুকিয়াই দি সমাজৰ প্ৰতিগৰাকী ব্যক্তিক সজাগ হ'বলৈ আহ্বান জনাইছে—

*“টিপ চহীটো দিব লাগে*
*কোনোটো কামত*
*নাজানো, কিহত চহী দিলো*
*কোন কাকতত*
*আমাক ঠগি খায় অ*
*নাজানে কাৰণে*
*জীৱনটোহে শিকা আমাৰ*
*পঢ়া অবিহনে*
*হয় লখা অবিহনে।’*[৬৯]

সামৰণিত আমি ক'ব পাৰোঁ যে অসমীয়া আধুনিক গীতক নতুন মাত্ৰা প্ৰদান কৰা বৰদলৈৰ গীতসমূহক ভাৰতীয় ঐতিহ্য ভিন্ন দিশকে আদি কৰি ভাৰত তথা অসমৰ ঐতিহাসিক কীৰ্তি, গাথা, সাংস্কৃতিক স্বকীয়তাৰ ভালেমান দিশ সাৱলীলভাৱে উন্মোচিত কৰিছে। যাৰ ফলত বৰদলৈৰ গীতসমূহ ভাৰতীয় তথা অসমীয়া জাতীয় জীৱনৰ উল্লেখযোগ্য সম্পদ হিচাপে পৰিগণিত হৈছে। সমান্তৰালভাৱে বৰদলৈৰ গীতসমূহত সমসাময়িক সমাজ ব্যৱস্থাৰ ভণ্ডামি, সততা, মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয়, নাৰী সচেতনতা, অৰ্থনৈতিক সংকটকে আদি কৰি শ্ৰমজীৱী মানুহখিনিৰ জীৱনৰ বাস্তৱ ছবি অংকিত হোৱাৰ লগতে তেওঁলোকক সজাগ-সচেষ্টা কৰাৰ প্ৰৱণতাও গীতসমূহত প্ৰকাশ পাইছে।

---

**প্ৰসংগটীকা ঃ**

১। ৰেণু ভূএগ্ৰা শৰ্মা, *ড° নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতা আৰু গীত,* পৃষ্ঠা-১
২। *উল্লিখিত গ্ৰন্থ*
৩। *উল্লিখিত গ্ৰন্থ*
৪। *উল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-২
৫। পৰাগ কুমাৰ ভট্টাচাৰ্য (সম্পাঃ) *ড° নিৰ্মলপ্ৰভা বৰদলৈ ৰচনাৱলী,* পৃষ্ঠা-৯২
৬। *উল্লিখিত,* পৃষ্ঠা-১৬২
৭। *উল্লিখিত,* পৃষ্ঠা-২২১
৮। *উল্লিখিত,* পৃষ্ঠা-২২২
৯। *উল্লিখিত,* পৃষ্ঠা-১০৮
১০। *উল্লিখিত,* পৃষ্ঠা-১৭
১১। *উল্লিখিত,* পৃষ্ঠা-২০৯
১২। *উল্লিখিত,* পৃষ্ঠা-১৯৫
১৩। *উল্লিখিত,* পৃষ্ঠা-১২৭
১৪। *উল্লিখিত,* পৃষ্ঠা-৯৯
১৫। *উল্লিখিত,* পৃষ্ঠা-২৯৫
১৬। *উল্লিখিত,* পৃষ্ঠা-১৭৬
১৭। *উল্লিখিত,* পৃষ্ঠা-৭৩
১৮। *উল্লিখিত,* পৃষ্ঠা-২০১
১৯। *উল্লিখিত,* পৃষ্ঠা-৯৮
২০। *উল্লিখিত,*
২১। *উল্লিখিত,* পৃষ্ঠা-৮২
২২। *উল্লিখিত,* পৃষ্ঠা-১৯
২৩। শশী শৰ্মা, *অসমীয়া লোক-সাহিত্য,* পৃষ্ঠা-১৮৫
২৪। পৰাগ কুমাৰ ভট্টাচাৰ্য (সম্পাঃ) পৃষ্ঠা-৮১
২৫। *উল্লিখিত,* পৃষ্ঠা-৬৪

২৬। *উল্লিখিত,* পৃষ্ঠা-২০১
২৭। *উল্লিখিত,* পৃষ্ঠা-২২৩
২৮। *উল্লিখিত,* পৃষ্ঠা-৬৫
২৯। *উল্লিখিত,* পৃষ্ঠা-৩৮
৩০। *উল্লিখিত,* পৃষ্ঠা-১৫৬
৩১। *উল্লিখিত,* পৃষ্ঠা-২৩৫
৩২। *উল্লিখিত,* পৃষ্ঠা-৫৩
৩৩। *উল্লিখিত,* পৃষ্ঠা-২৩৫
৩৪। *উল্লিখিত,* পৃষ্ঠা-২৬
৩৫। *উল্লিখিত,* পৃষ্ঠা-৩৩
৩৬। *উল্লিখিত,* পৃষ্ঠা-১৯০
৩৭। *উল্লিখিত,* পৃষ্ঠা-১২৪
৩৮। *উল্লিখিত,* পৃষ্ঠা-১৪৫
৩৯। *উল্লিখিত,* পৃষ্ঠা-১৫৬
৪০। *উল্লিখিত,* পৃষ্ঠা-৫৭
৪১। *উল্লিখিত,* পৃষ্ঠা-১৮২
৪২। *উল্লিখিত,* পৃষ্ঠা-৩৯
৪৩। *উল্লিখিত,* পৃষ্ঠা-৯৮
৪৪। *উল্লিখিত*
৪৫। *উল্লিখিত,* পৃষ্ঠা-৪৩
৪৬। *উল্লিখিত,* পৃষ্ঠা -৩১
৪৭। *উল্লিখিত*
৪৮। *উল্লিখিত,* পৃষ্ঠা-৪৩
৪৯। *উল্লিখিত,* পৃষ্ঠ-৭
৫০। দিলীপ দত্ত, *নির্মলপ্রভা গীত আৰু নাৰীৰ জীৱন নদী,* পৃষ্ঠা-১৯৬
৫১। পৰাগ কুমাৰ ভট্টাচাৰ্য (সম্পাঃ) *ড° নির্মলপ্রভা বৰদলৈ ৰচনাৱলী,* পৃষ্ঠা-২৩৪
৫২। *উল্লিখিত,* পৃষ্ঠ-২৩৫
৫৩। *উল্লিখিত,* পৃষ্ঠ-৫৬
৫৪। দিলীপ দত্ত, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠ-১৫৮
৫৫। *প্ৰাগুক্ত গ্ৰন্থ,* পৃষ্ঠা-১৮০
৫৬। *প্ৰাগুক্ত গ্ৰন্থ,* পৃষ্ঠা-২৮৯
৫৭। পৰাগ কুমাৰ ভট্টাচাৰ্য (সম্পাঃ) *ড° নির্মলপ্রভা বৰদলৈ ৰচনাৱলী,* পৃষ্ঠা-১৮২
৫৮। *উল্লিখিত,* পৃষ্ঠা-৯৩
৫৯। *উল্লিখিত,* পৃষ্ঠা-১৯০
৬০। *উল্লিখিত,* পৃষ্ঠা -৩১
৬১। *উল্লিখিত,* পৃষ্ঠা-৯৫
৬২। দিলীপ দত্ত, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-১৫৯
৬৩। *উল্লিখিত,* পৃষ্ঠা-২০৯
৬৪। *উল্লিখিত,* পৃষ্ঠা -৫১
৬৫। *উল্লিখিত,* পৃষ্ঠা -১৬৯
৬৬। দিলীপ দত্ত, *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা -৯৯
৬৭। পৰাগ কুমাৰ ভট্টাচাৰ্য (সম্পাঃ), *পূৰ্বোল্লিখিত গ্ৰন্থ,* পৃষ্ঠা-৯৯
৬৮। *উল্লিখিত,* পৃষ্ঠা -২০২
৬৯। *উল্লিখিত,* পৃষ্ঠা-৬৬

### পঞ্চম অধ্যায়

## উপসংহাৰ

অসমৰ সমাজ জীৱন আৰু জাতীয় জীৱনত গীতসমূহে অতীতৰেপৰা গুৰুত্বপূৰ্ণ আসন অধিগ্ৰহণ কৰি আছে। ইয়াৰ ইতিহাসো অৰ্বাচীন। যাৰ বীজ ৰোপিত হৈছিল লোক-সাহিত্যৰ গৰ্ভতে। অৰ্থাৎ আখৰৰ বোধ নথকা সময়ছোৱাৰ পৰাই গীতসমূহে মানুহৰ মন-মগজুক স্পৰ্শ কৰি আহিছে। নৱম-দশম শতিকামানতে বৌদ্ধ সিদ্ধাচাৰ্যসকলে ৰচনা কৰা চৰ্যাপদ নামৰ দোহাবোৰতে আৰম্ভ হোৱা এই পৰিক্ৰমা পৰৱৰ্তী কালত ৰামায়ণি আৰু মহাভৰতীয় কাহিনীগাথা আৰু ওজাপালি সংগীতৰ মাজেৰে বাট বুলি আহি প্ৰায় ত্ৰয়োদশ-ষষ্ঠদশ শতিকাৰ কালছোৱাত ৰচিত বৰগীত, ভটিমা, ঘোষা, পদ, জিকিৰ-জাৰিৰ এক বৰ্ণাঢ্য পৰম্পৰাৰে অসমীয়া সংগীতৰ চিৰযুগমীয়া সৌধ নিৰ্মাণ হৈছিল। মহাভাৰতীয় জীৱনবোধ, সমাজচেতনা আৰু সাংস্কৃতিক গৰিমাৰে অসমীয়া সমাজৰ সৈতে সমন্বিত ৰূপটো লক্ষ্যণীয়ভাৱে তাৎপৰ্যপূৰ্ণ হৈ ধৰা পৰিছিল সেই সময়ৰ অসমীয়া সংগীতৰ আত্মাৰ মাজত।[১] এনে ক্ৰমবিৱৰ্তনৰ মাজেৰে বিকশিত হৈ অসমীয়া গীতি-সাহিত্যই ঊনবিংশ শতিকাত ন ৰূপত প্ৰতিষ্ঠা লাভ কৰে। ঊনবিংশ শতিকাত প্ৰথমাৱস্থাত বাংলা গীতৰ আৰ্হিত অসমীয়া গীত সৃষ্টি হ'লেও পৰৱৰ্তী সময়ছোৱাত স্বকীয় ঐতিহ্যসম্বলিত গীতৰ সৃষ্টি হয়। আধুনিক অসমীয়া গীতৰ এই জয়যাত্ৰাত সাৰ-পানী যোগালে বিংশ শতিকাত স্থাপন হোৱা আকাশবাণী গুৱাহাটী আৰু শ্বিলং অনাতাঁৰ কেন্দ্ৰই। অৰ্থাৎ ৰোমাণ্টিক যুগৰ সময়ৰ পৰাই আধুনিক অসমীয়া গীতে ন-ন ভাৱবস্তু আৰু বিষয়বস্তুৰে পৰিপুষ্ট হৈ আধুনিক অসমীয়া গীতক সমৃদ্ধ কৰে। লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা, সত্যনাথ বৰা প্ৰমুখ্যে গীতিকাৰসকলৰ হাতত আধুনিক অসমীয়া গীতে নব্য বিশিষ্টতাৰে ঠন ধৰি উঠা পৰিলক্ষিত হয়। আধুনিক সাহিত্যৰ এটি অন্যতম ঠাল হিচাপে আৰু সামাজিক মাধ্যম হিচাপে সমাদৃত গীতসমূহে ধ্যান-ধাৰণাক প্ৰতিভাত কৰা তোলা দেখা যায়। অন্যান্য ধ্যান-ধাৰণা তথা বিশিষ্টতাৰ সমান্তৰালভাৱে আধুনিক অসমীয়া গীতে 'ঐতিহ্য চেতনা' আৰু 'সমাজ চেতনা'ৰ দিশ দুটিকো অৱলোকন কৰি অহা দৃষ্টিগোচৰ হয়। এনে ধৰণৰ

দৃষ্টিভংগীৰ সমাযোজনে গীতসমূহক আকৰ্ষণ কৰি তোলাৰ লগতে সামাজিক বাৰ্তা বহনকাৰী মাধ্যম হিচাপেও পৰিগণিত কৰি তুলিছে। আমাৰ নিৰ্বাচিত পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ দ্বাৰা ৰচিত গীতসমূহতো 'ঐতিহ্য চেতনা' আৰু 'সমাজ চেতনা' প্ৰসংগই সাৱলীল ৰূপত উপস্থাপিত হৈছে।

**আধুনিক অসমীয়া গীতত ঐতিহ্য চেতনা আৰু সমাজ চেতনা ঃ** এটি বিশ্লেষণাত্মক অধ্যয়ন (পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ বিশেষ উল্লিখনসহ) শীৰ্ষক গৱেষণা গ্ৰন্থখনি আমি চাৰিটা অধ্যায়ত উপস্থাপিত কৰিছোঁ। গৱেষণা গ্ৰন্থখনিক আৰম্ভণিত অৰ্থাৎ অৱতৰণিকাত বিষয়বস্তুৰ চমু আভাস, অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য অধ্যয়নৰ পদ্ধতি, গৱেষণাৰ সমল, গৱেষণাৰ তথ্য সংগ্ৰহ আৰু গৱেষণাৰ পৰিসৰ সম্পৰ্কে চমুকৈ আলোচনা কৰা হৈছে।

প্ৰথম অধ্যায়টিত গীতৰ স্বৰূপ সম্পৰ্কে উল্লেখ কৰি লোক-সাহিত্যৰ বুকুতে আত্মপ্ৰকাশ কৰা লোকগীতে চৰ্যাপদ, আই নাম, বিয়া নাম ইত্যাদিৰ মাজেৰে ক্ৰমবিকাশিত হৈ ৰোমাণ্টিক যুগত আধুনিক গীতলৈ ৰূপান্তৰিত হোৱাৰ পিছৰপৰা সাম্প্ৰতিক সময়লৈকে সমৃদ্ধ হোৱা গীতৰ ধাৰাবাহিকতা সম্পৰ্কে আলোকপাত কৰা হৈছে।

দ্বিতীয় অধ্যায়টিত আধুনিক অসমীয়া গীতৰ আৰম্ভণি পৰ্বৰপৰা একবিংশ শতিকাৰ আগভাগলৈকে সৃষ্ট গীতসমূহত 'ঐতিহ্য চেতনা আৰু সমাজ চেতনা'ৰ প্ৰসংগই কিদৰে ভুমুকি মাৰিছে, সেই সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

তৃতীয় অধ্যায়টোত পাৰ্বতিপ্ৰসাদ বৰুৱাৰ জীৱন আৰু কৃতি সম্পৰ্কে চমু আভাস দাঙি ধৰি সাহিত্যৰাজিৰ পৰিচয় সম্বন্ধে আলোকপাত কৰাৰ লগতে বৰুৱাৰ গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনাৰ দিশ দুটিয়ে কেনেদৰে প্ৰকাশি উঠিছে সেই সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

চতুৰ্থ অধ্যায়টিত নিৰ্মলপ্ৰভা বৰদলৈৰ জীৱন আৰু কৃতি সম্পৰ্কে চমু আভাস দাঙি ধৰি সাহিত্যৰাজিৰ পৰিচয় সম্বন্ধে আলোকপাত কৰাৰ লগতে বৰদলৈৰ গীতত ঐতিহ্যচেতনা আৰু সমাজচেতনাৰ দিশ দুটিয়ে কেনেদৰে প্ৰকাশি উঠিছে সেই সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে। আমাৰ গৱেষণা গ্ৰন্থখনিৰ উপসংহাৰত উল্লিখিত অধ্যায়কেইটাৰ সবিশেষ আলোচনা কৰি শেষত এই আলোচনাৰ অন্তত উপলব্ধ তথ্যসমূহৰ বিৱৰণ দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে—

পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভাৰ বৰদলৈ আধুনিক অসমীয়া গীতৰ জগতখনৰ দুটি পৰিচিত নাম। দুয়োগৰাকীয়ে ন ন বিষয়বস্তু আৰু শৈলীৰে আধুনিক অসমীয়া গীতৰ প্ৰাণৱন্ত আৰু সমৃদ্ধিশালী

কৰি তুলিছে। দুয়োগৰাকীৰ গীতত অসমৰ প্ৰাকৃতিক সৌন্দৰ্য অসমৰ গৌৰৱময় ঐতিহ্য, অসমীয়া-সমাজ-সংস্কৃতিৰ ভিন্ন দিশ, জাতি-মাটিৰ প্ৰতি গভীৰ শ্ৰদ্ধা ইত্যাদি দিশৰ সবল ৰূপায়ণ হৈছে।

পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ দুয়োজনৰে গীততে অসমৰ লগতে সৰ্বভাৰতীয় প্ৰেক্ষাপটৰ গৌৰৱময় ঐতিহ্য, ধ্যান-ধাৰণা, চিন্তা-চেতনা, সাংস্কৃতিক সমন্বয়, আধ্যাত্মিক বিশিষ্টতা ইত্যাদি দিশৰ সু-সমন্বয়ে গীতখিনিক কেৱল অসমীয়া সমাজ জীৱনৰে নহয়; সমগ্ৰ ভাৰতীয় সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপটৰ দলিল ৰূপে চিহ্নিত কৰিছে। এনে ধৰণৰ গীতৰ অধ্যয়নে নিশ্চিতভাৱে সংশ্লিষ্ট সমাজ একোখনক গৰিমামণ্ডিত আৰু স্বকীয় ঐতিহ্যক নতুন প্ৰজন্মৰ মাজলৈ সম্প্ৰসাৰণ ঘটোৱাত সহায় কৰিব বুলি আশা কৰিব পাৰি। বেদ, ৰামায়ণ, মহাভাৰত, উপনিষদীয় কথাৰ প্ৰসংগেৰে দুয়োগৰাকী গীতিকাৰে ভাৰতীয় ঐতিহ্য আৰু পৰম্পৰাৰ দিশটোক গীতৰ দ্বাৰা সাৱলীলভাৱে প্ৰকাশ কৰিছে। সমান্তৰালভাৱে অসমীয়া জাতীয় জীৱনক প্ৰাণৱন্ত কৰি তোলা শংকৰদেৱ, মাধৱদেৱৰ সৃষ্টিৰাজিৰ গুণ-গৰিমা, বৈষ্ণৱীয় দৰ্শনৰ ঐতিহ্য, শৈৱ, শক্তিধৰ্মৰ আৰাধনা, প্ৰাচীন অসমৰ ৰাজনৈতিক, ভৌগোলিক সীমাৰ প্ৰসংগই গীতসমূহৰ মাজেৰে আত্মপ্ৰকাশ কৰাত গীতসমূহ যেন ইতিহাসৰ নব্য সংস্কৰণ হৈ পৰিছে।

পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত অসমীয়া সমাজ জীৱনৰ সাংস্কৃতিক স্বকীয়তা সাৱলীল ৰূপত প্ৰকাশি উঠিছে। দুয়োগৰাকীৰে গীতত বিবাহ উৎসৱৰ সৈতে জড়িত লোকাচাৰকে আদি কৰি জাতি-জনগোষ্ঠীসমূহৰ মাজত প্ৰচলিত ভিন্ন উৎসৱ, পাৰ্বনৰ সৈতে সম্পৃক্ত ৰীতি-নীতিয়ে সুন্দৰ ৰূপত প্ৰতীয়মান হোৱা পৰিলক্ষিত হয়।

সমগ্ৰ বিশ্বতে সাধুকথাসমূহৰ বিশেষ সমাদৰ আছে। বহু সময়ত দেখা গৈছে যে এই সাধুকথাসমূহৰ অন্তৰ্নিহিত বক্তব্যই জাতি বা সমাজ একোটাৰ সমাজ-সাংস্কৃতিক স্বীকয়তাকো দাঙি ধৰে। পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতসমূহতো সাধুকথাৰ প্ৰসংগৰ সংযোজনৰ দ্বাৰা জাতীয় ঐতিহ্যৰ সৈতে চিনাকি হোৱাৰ পৰিৱেশ এটা গঢ় দিয়া মানসিকতাও স্পষ্ট। দুয়োগৰাকী গীতিকাৰৰ গীততে বিহুগীত, বনগীত, আইনাম, বিয়ানাম, নিচুকণি গীত ইত্যাদি লোকগীতৰ ঠাঁচৰ সংযোজনে অসমীয়া লোক-সংগীতৰ ঐতিহ্যক ন ৰূপ প্ৰদান কৰাৰ লগতে নৱ প্ৰজন্মকো অসমীয়া থলুৱা গীতৰ সুৰ, ভাব, ভাষা, শৈলীৰ লগত চিনাকি কৰি দিয়াৰ সুযোগ-সুবিধা প্ৰদান কৰা পৰিলক্ষিত হয়। তৰোপৰি দুয়োগৰাকীৰে গীতত প্ৰবাদ-প্ৰবচন, ফকৰা, জঁতুৱা ঠাঁচ ইত্যাদিৰ সংযোজনে গীতসমূহক জাতীয় সংস্কৃতিৰ ধাৰক

তথা বাহকৰূপে চিহ্নিত কৰিছে। পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত ৰামায়ণ, মহাভাৰতীয় কাহিনী তথা চৰিত্ৰই স্থান লাভ কৰিবলৈ সক্ষম হৈছিল যদিও বৰদলৈৰ গীতত সংশ্লিষ্ট চৰিত্ৰসমূহক বৰ্তমানৰ প্ৰেক্ষাপটত পৰ্য্যালোচনা কৰাৰ মানসিকতা স্পষ্টভাৱে প্ৰকাশি উঠা দেখা যায়। কিন্তু বৰুৱাৰ গীতত চৰিত্ৰসমূহক এনেধৰণৰ দৃষ্টিকোণেৰে উপস্থাপন কৰা হোৱা নাই।

দুয়োগৰাকী গীতিকাৰৰ গীতসমূহ সমাজৰ সৰ্বাংগীন বিকাশত গুৰুত্ব আৰোপ কৰাত সফল হোৱা দেখা যায়। দুয়োগৰাকী গীতিকাৰৰ গীতসমূহত বৈষম্যহীন, মানৱীয় প্ৰমূল্যবোধ সম্পৃক্ত সুস্থ-সবল সমাজ গঢ়াৰ মানসিকতাও স্পষ্ট। অজ্ঞতা আৰু কৰ্মহীনতাই সমাজ এখনক বিকলাংগ কৰি তুলিব পাৰে, তাৰ প্ৰতি সদা সচেতন কৰোৱা আৰু বৰদলৈয়ে গীতৰ মাজেৰে সৰ্বসাধাৰণক কৰ্ম-সংস্কৃতিৰ প্ৰতি মনোনিৱেশ কৰাৰ লগতে নিজৰ অধিকাৰ আৰু প্ৰাপ্যৰ প্ৰতিও সজাগ-সচেষ্ট হ'বলৈ আহ্বান জনাইছে। দুয়োগৰাকী গীতিকাৰৰ গীততে অসম তথা ভাৰতৰ ৰাজনৈতিক সংগ্ৰাম আৰু অৰ্থনৈতিক অৱস্থাৰ ৱিৰণ সুন্দৰ ৰূপত উপস্থাপিত হৈছে। শোষিত, বঞ্চিত, দুখীয়া-নিচলা, দুৰ্ভগীয়া, সৰ্বহাৰাসকলৰ প্ৰতি মৰ্মবেদনা আৰু সহানুভূতি দুয়োগৰাকী গীতিকাৰৰ গীততে প্ৰকাশি উঠিছে। কিন্তু এনে এক সংকটাপূৰ্ণ ভৱিষ্যৎ তথা অন্যায়-অবিচাৰৰ পৰা মুক্ত হোৱাৰ যি মানসিকতা অৰ্থাৎ শোষিত-নিৰ্যাতিতসকলৰ স্বকীয় অধিকাৰ আৰু নায্যপ্ৰাপ্তিৰ প্ৰতি পাৰ্বতিপ্ৰসাদ বৰুৱাৰ তুলনাত নিৰ্মলপ্ৰভা বৰদলৈৰ দৃষ্টিভংগী যথেষ্ট কঠোৰ।

পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈয়ে গীতসমূহৰ দ্বাৰা সাংস্কৃতিক জন-জাগৰণৰ পৰিৱেশ গঢ়ি তোলাত বৰঙণি আগবঢ়াইছে যদিও বৰুৱাৰ তুলনাত নিৰ্মলপ্ৰভা বৰদলৈয়ে সকলো জাতি-জনগোষ্ঠীৰ লোক-সাংস্কৃতিক উপদানসমূহকো গীতৰ মাজেৰে যথোপযুক্তভাৱে উন্মোচন কৰাত গীতসমূহ বৃহত্তৰ অসমীয়া সমাজখনৰ সমন্বয়ৰ ধাৰক আৰু বাহক হিচাপে কাৰ্যনিৰ্বাহ কৰা পৰিলক্ষিত হয়।

লিংগ বৈষম্যই সমাজ একোখনক প্ৰগতিশীল কৰি তোলাত বাধাৰ প্ৰাচীৰ হিচাপে থিয় দিয়ে। পুৰুষ আৰু নাৰী উভয়ৰে সংমিশ্ৰণতেই যিহেতু সমাজ গঠন হয়, সেয়ে সমাজ এখনক প্ৰগতিৰ ফালে আগুৱাই লৈ যাবলৈ হ'লে পুৰুষৰ দৰে নাৰীসকলো সম মৰ্যাদাৰে আগবাঢ়ি যোৱাৰ সুযোগ-সুবিধা লাভ কৰিব লাগিব। এইক্ষেত্ৰত পাৰ্বতিপ্ৰসাদ বৰুৱাৰ তুলনাত বৰদলৈৰ গীতত নাৰী চেতনাৰ দৃষ্টিভংগীয়ে অধিক বাস্তৱসন্মত ৰূপত প্ৰকাশি উঠিছে। এইক্ষেত্ৰত বৰদলৈৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতাই বিশেষভাৱে প্ৰভাৱান্বিত কৰিছিল বুলি ক'ব পাৰি।

পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতসমূহত জীৱনৰ প্ৰতি অনীহা, কল্পনাৰ বশৱৰ্তী হৈ জীৱনটোক আগবঢ়াই নিয়া দৃষ্টিভংগী এটিৰ আভাস প্ৰতিফলিত হোৱা দেখা যায় তাৰ বিপৰীতে বৰদলৈৰ গীতসমূহে বাস্তৱৰ

সৈতে সংগ্ৰাম কৰি সুস্থ সমাজ গঢ়াৰ পোষকতা কৰে। নৈতিক আৰু মানৱীয় সচেতনাতাৰ প্ৰসংগও বৰদলৈয়ে গীতসমূহৰ জৰিয়তে গভীৰভাৱে অংকন কৰা দেখা যায়।

দুয়োগৰাকী গীতিকাৰৰ গীততে স্বাধীনতা সংগ্ৰামৰ পটভূমিয়ে ক্ৰিয়া কৰা পৰিলক্ষিত হৈছে যদিও বৰুৱাৰ তুলনাত বৰদলৈৰ গীতসমূহত ৰাজনৈতিক বাতাৱৰণ তথা স্বাধীন সংগ্ৰামৰ প্ৰতিচ্ছবি সজীৱ ৰূপত উন্মোচিত হৈছে। দুয়োগৰাকীৰ গীতত মণিৰাম দেৱানৰ ৰাজনৈতিক কাৰ্যই সাৱলীলভাৱে প্ৰকাশিত হৈছে যদিও নিৰ্মলপ্ৰভাৰ গীতত স্বাধীনতা সংগ্ৰামত ওতঃপ্ৰোতভাৱে জড়িত নাৰী শক্তি কনকলতা, ভোগেশ্বৰী ফুকননী আদি চৰিত্ৰৰো ৰাজনৈতিক ধ্যান-ধাৰণাই প্ৰকাশ লাভ কৰিছে বাস্তৱসন্মত ৰূপত। ইয়াৰ উপৰিও বৰদলৈৰ গীতত নাৰী মনৰ স্বতঃস্ফূৰ্ত বাৰ্তা স্পষ্টভাৱে প্ৰতিফলিত হোৱাৰ লগতে তদানীন্তন নাৰীৰ সামাজিক স্থিতি, নাৰী মনৰ দ্বন্দ্বাত্মক স্থিতি, আশা-প্ৰত্যাশাৰ ছবিও প্ৰতিফলিত হোৱা দেখা যায়। কিন্তু পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ গীতত নাৰী মনৰ স্বতঃস্ফূৰ্ত বাৰ্তাৰ বৰ্ণনা বৰদলৈৰ তুলনাত যথেষ্ট কম পৰিমাণে পৰিস্ফূত হোৱা দেখা যায়।

পাৰ্ৱতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ ভাষালৈ মন কৰিলে দেখা যায় যে বৰুৱাৰ ভাষাটো গুৰুগম্ভীৰ আৰু ওজস্বী কিন্তু তাৰ তুলনাত বৰদলৈৰ গীতৰ ভাষা কোমল আৰু সহজ-সৰল। আনকি ঠাই বিশেষে আঞ্চলিক বা উপভাষাৰ সংমিশ্ৰণেও বৰদলৈৰ গীতসমূহক অধিক গণমুখী কৰি তুলিছে। তদুপৰি পাৰ্ৱতিপ্ৰসাদ বৰুৱা এগৰাকী পুৰুষ গীতিকাৰ আৰু নিৰ্মলপ্ৰভা বৰদলৈ এগৰাকী নাৰী গীতিকাৰ হোৱা বাবে তেওঁলোকৰ গীতৰ বিষয়বস্তুগত সাদৃশ্য থাকিলেও দৃষ্টিভংগীৰ ক্ষেত্ৰত কিছু পাৰ্থক্য পৰিলক্ষিত হয়।

ওপৰৰ আলোচনাৰ পৰা প্ৰতীয়মান হয় যে আধুনিক অসমীয়া গীতৰ জগতখনত পাৰ্ৱতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতখিনিৰ এক সুকীয়া মৰ্যাদা আছে। দুয়োৱে গীতে অসমীয়া গীতি-সাহিত্যক নতুনত্বৰ সম্ভেদ দিবলৈ সক্ষম হৈছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে বৰুৱা আৰু বৰদলৈৰ গীতসমূহ নৱ প্ৰজন্মৰ মাজত যিমান চৰ্চিত হ'ব লাগিছিল, সিমান চৰ্চিত হৈ উঠা নাই বুলি আমাৰ দৃষ্টিগোচৰ হৈছে। সেয়েহে গীতসমূহক সাম্প্ৰতিক সময়ছোৱাত ইউটিউবকে (বিকৃত নকৰাকৈ) আদি কৰি বিভিন্ন ধৰণৰ সামাজিক মাধ্যমৰ দ্বাৰা প্ৰসাৰিত কৰি তুলিব পাৰিলে গীতসমূহ সংৰক্ষণৰ লগতে জনপ্ৰিয়তাও অৰ্জন কৰিব পাৰিব বুলি আশা কৰিব পাৰি। কিয়নো বহু ক্ষেত্ৰত দেখা গৈছে যে গীত সৃষ্টি কৰা ব্যক্তিজনে সুধী সমাজত বহু পৰিমাণে উপেক্ষিত হৈ থাকে। তাৰ বিপৰীতে সংশ্লিষ্ট গীতটোৰ কণ্ঠশিল্পীজনেহে

জনমানসত অধিক পৰিচিত তথা জনপ্ৰিয় হয়। গতিকে গীতিকাৰসকলৰ সৃষ্টিৰাজীৰ সঠিক মূল্যায়ণ কৰাৰ বাবে সামাজিক মাধ্যমকে আদি কৰি গীতসমূহৰ প্ৰচাৰ-প্ৰসাৰ, মুদ্ৰণ, পুনৰ মুদ্ৰণ, ইত্যাদিত গুৰুত্ব প্ৰদান কৰিব লাগিব। সমান্তৰালভাৱে পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ ওপৰত লঘু প্ৰকল্প (Minor Project) আৰু গুৰু প্ৰকল্প (Major Project) কৰিলেও দুয়োজনৰ ৰচনাৰাজিৰ লগতে গীতখিনিৰ নতুন নতুন দিশ সম্পৰ্কে নৱ প্ৰজন্মই কিছু পৰিমাণে হ'লেও অৱগত হ'ব বুলি ক'ব পাৰি। গীতিকাৰ দুয়োজনাৰ জীৱন তথা সৃষ্টিৰাজিক আলম হিচাপে লৈ তথ্যচিত্ৰ নিৰ্মাণেও বৰুৱা আৰু বৰদলৈক জনমানসত অধিক পৰিচিত কৰি তুলিব বুলি আশা কৰিব পাৰি। অন্যথা সময়ৰ সোঁতত এই গীতসমূহ হেৰাই যোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

সীমিত পৰিসৰ আৰু সীমিত সময়ৰ প্ৰতি লক্ষ্য ৰাখি এই গৱেষণা কৰ্ম সম্পন্ন কৰিব লগা হোৱাত আমাৰ গৱেষণা কৰ্মত কিছু ভুল-ত্ৰুটি ৰৈ যোৱা স্বাভাৱিক। গৱেষণা কৰ্মৰ সীমাবদ্ধতাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি আমাৰ ক্ষুদ্ৰ গৱেষণা গ্ৰন্থত পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ তুলনামূলক অধ্যায়নৰ কাৰণে সুকীয়াকৈ অধ্যায় বিভাজন কৰি আলোচনা কৰা হোৱা নাই। উত্তৰসূৰী গৱেষকসকলে এইক্ষেত্ৰত বিদ্যায়তনিক আলোচনাৰ মাজেৰে অগ্ৰসৰ হ'ব বুলি নিশ্চিত ভাৱে ক'ব পাৰি।

সাহিত্যৰ এই অন্যতম গুৰুত্বপূৰ্ণ বিভাগ হিচাপে অতীজৰে পৰা গীতসমূহে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে সাহিত্যৰ আন আন ভাগসমূহৰ তুলনাত গীতৰ প্ৰণালীৱদ্ধ আলোচনা অত্যন্ত সীমিত পৰ্যায়তে সীমাৱদ্ধ হৈ থকা পৰিলক্ষিত হয়। সামাজিক মাধ্যম হিচাপেও ব্যাপকভাৱে সমাদৃত গীতসমূহৰ এনে ধৰণৰ বিদ্যায়তনিক আলোচনাই গীতক সাহিত্যৰ আন আন অংগসমূহৰ সমপৰ্যায়লৈ উন্নীত কৰোৱাৰ সমান্তৰালভাৱে এই গীতসমূহৰ সংৰক্ষণ, পুনঃ মুদ্ৰণ, সংস্কৰণ আৰু মূল্যায়ণতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি নিশ্চিতভাৱে আশা কৰিব পাৰি। আশা কৰিছোঁ আমি যি কাম আৰম্ভ কৰিছোঁ উত্তৰসুৰী গৱেষকবৃন্দই এই দৃষ্টিভংগীৰে আগুৱাই গৈ আধুনিক অসমীয়া গীতৰ ক্ষেত্ৰখনক ন ন দৃষ্টিকোণ আৰু চিন্তা-চেতনা সম্পৰ্কে আৰু অধিক বিস্তৃত গৱেষণাৰ বাবে উৎসাহ-উদ্দীপনাৰ লগতে নতুন বাট এটাৰ সন্ধান লাভ কৰিব।

---

**প্ৰসংগটীকা**

১। ডেইজী ৰাণী ডেকা, *অসমীয়া গীতি-সাহিত্যৰ ধাৰা,* উমেশ দাস (সম্পা.), *সাহিত্য-সংস্কৃতিৰ মুকুৰ,* পৃষ্ঠা-২৬

## গ্ৰন্থপঞ্জী

**(ক) অসমীয়া গ্ৰন্থ**


আলি, তফজ্জুল ঃ ***'বহুদিন বকুলৰ গোন্ধ পোৱা নাই',*** বনলতা, গুঃৱাঃ-১, প্ৰথম প্ৰকাশ ঃ জুন-২০০৭।

———— **'অসমীয়া আধুনিক গীতৰ সংগীতকাৰসকল'**, অসম সাহিত্য সভা, যোৰহাট, প্ৰথম প্ৰকাশ-২০০৫।

উল্লাহ, ইমদাদ ঃ ***'সৃজন আৰু মনন',*** গুঃৱাঃ বুক ষ্টল, প্ৰকাশ-২০১১।

কটকী, প্ৰফুল্ল ঃ ***'সাহিত্য সংজ্ঞা কোষ',*** জ্যোতি প্ৰকাশন, গুঃৱাঃ, প্ৰথম প্ৰকাশ- ২০১১।

কটকী, ওজা বৰ্ণালী ঃ ***'অসমৰ সাংগীতিক ঐতিহ্য আৰু অন্যান্য নিবন্ধ',*** বহ্নিমান প্ৰকাশন, তেজপুৰ, প্ৰথম প্ৰকাশ-২০১২।

গোস্বামী, ঋষিকেশ (সম্পাঃ) ঃ ***'স্বদেশ প্ৰেমমূলক গীত',*** অসম শিশু সাহিত্য ন্যাস, গুৱাহাটী, প্ৰথম সংস্ক, জানুৱাৰী-২০১০।

গোস্বামী, ত্ৰৈলোক্য নাথ ঃ ***'সাহিত্য সমীক্ষা'*** অসম প্ৰকাশন পৰিষদ, গুঃৱাঃ, প্ৰকাশ-১৯৮৯।

গোস্বামী, ৰাম ঃ ***'ৰুদ্ৰ বৰুৱাৰ গীত',*** অসম প্ৰকাশন পৰিষদ, গুঃৱাঃ, তৃতীয় সংস্ক, জুন, ২০১৪।

চৌধাৰী, ভূপেন্দ্ৰ নাথ ঃ ***'সোণৰ অসম',*** লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, গুঃৱাঃ, প্ৰথম প্ৰকাশ-১৯৯৫।

ছাত্তাৰ, আব্দুছ ঃ ***'প্ৰসংগ কোষ',*** গ্ৰন্থপীঠ, যোৰহাট-৭৮৫০০১, সংস্কৰণ-১৯৮৪।

ঠাকুৰীয়া, ৰাম মল ঃ ***'সাহিত্য বিচাৰ',*** নিউ বুক ষ্টল, গুঃৱাঃ, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী-১৯৬৪।

ডেকা, ৰাতুল ঃ ***'সাহিত্য সমালোচনা তত্ত্ব পৰিচয় আৰু প্ৰয়োগ',*** সম্প্ৰীতি, গুৱাহাটী-১৪, প্ৰথম প্ৰকাশ-২০১৭।

তালুকদাৰ, নন্দ ঃ ***'কবি আৰু কবিতা',*** বনলতা, পাণবজাৰ, পঞ্চম প্ৰকাশ- ২০১১।

দাস, অৰুণলোচন (সম্পাঃ) ঃ ***'অসমৰ সুৰদী সুৰীয়া গীত',*** ৰেখা প্ৰকাশন, পাণবজাৰ, তৃতীয় প্ৰকাশ-২০১৩।

দাস, উমেশ (সম্পাঃ) ঃ ***'সাহিত্য সংস্কৃতিৰ মুকুৰ',*** অশোক বুক ষ্টল, পাণবজাৰ, প্ৰথম প্ৰকাশ-২০১৪।

দাস, তিলক ঃ ***'কলাগুৰু বিষ্ণু ৰাভা',*** বনলতা, ডিব্ৰুগড়, তৃতীয় প্ৰকাশ-২০০১।

দত্ত, দিলীপ ঃ ***'নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী',*** শ্ৰীভূমি পাব্লিছিং কোম্পানি, সপ্তম মহাত্মা গান্ধী ৰোড, কলিকতা-১৯৮৫।

———— ঃ ***'ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ',*** বনলতা, পাণবজাৰ, পঞ্চম প্ৰকাশ, ডিচেম্বৰ-২০১১।

দত্ত, বীৰেন্দ্ৰ নাথ ঃ ***'অসমীয়া সংগীতৰ ঐতিহ্য',*** অসম সাহিত্য সভা, তৃতীয় সংস্কৰণ-২০১৭।

দাস, হৰিচৰণ (সম্পাঃ) ঃ ***'ৰূপকোঁৱৰ শিল্পী দিৱস উদ্‌যাপন সমিতি',*** বিলাসীপাৰা-২০১০।

নেওগ, ডিম্বেশ্বৰ ঃ ***'নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী',*** শুৱনী প্ৰকাশ, গুৱাহাটী, ষষ্ঠ প্ৰকাশ, ১৯৯৩।

নেওগ, মহেশ্বৰ ঃ ***'অসমীয়া সাহিত্যৰ ৰূপৰেখা',*** চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, চতুৰ্দশ সংস্কৰণ, জুন-২০১৫।

———— ঃ ***'অসমীয়া গীত সাহিত্য আৰু অন্যান্য প্ৰবন্ধাৱলী',*** চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, চতুৰ্থ প্ৰকাশ, জুলাই-২০০৮।

——— (সম্পাঃ) ঃ *'স্নাতকৰ কথা বন্ধ',* গুৱাহাটী ইউনিভাৰচিটি প্ৰেছ, ২০১১।

বেজবৰুৱা, অৰুন্ধতী (সম্পাঃ) ঃ *'অপূৰ্ব বেজবৰুৱা ৫০১ গীতৰ সম্ভাৰ',* এ ই এম প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, নৱেম্বৰ-২০১৭।

বেগম চেনেহী ঃ *'অসম বুৰঞ্জী'* (অনুঃ) লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, দ্বিতীয় সংস্কৰণ, জুন-১৯৯৮।

বৰদলৈ, নিৰ্মলপ্ৰভা ঃ *'ফুলৰ এই মেলাতে',* জ্যোতি প্ৰকাশন, পাণবজাৰ, তৃতীয় প্ৰকাশ, ২০১৪।

——— ঃ *'অসমৰ লোক কবিতা',* বীণা লাইব্ৰেৰী, গুৱাহাটী, প্ৰকাশন-১৯৮৭।

বৰুৱা, নৰকান্ত ঃ *'নৰকান্ত বৰুৱাৰ গান',* লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, দ্বিতীয় সংস্কৰণ-২০১৮।

বেজবৰা, নীৰাজনা মহন্ত ঃ *'সাহিত্যৰ সমাজতত্ত্ব' ঃ সিদ্ধান্ত আৰু প্ৰয়োগ',* বনলতা, নতুন বজাৰ, ডিব্ৰুগড়, প্ৰথম সংস্কৰণ-২০১১।

বৰুৱা, প্ৰদীপ কুমাৰ ঃ *'সাহিত্য সন্দৰ্শন',* বেদকণ্ঠ, এ টি ৰোড, পুলিবৰ, যোৰহাট-৭৮৫০০৬, প্ৰথম প্ৰকাশ, জানুৱাৰী-২০০৯।

বৰা, মহেন্দ্ৰ ঃ *'সাহিত্য উপক্ৰমণিকা',* বনলতা, (নতুন বজাৰ, ডিব্ৰুগড়-১), ষষ্ঠ সংস্কৰণ-২০১২।

——— ঃ *'ৰমন্যাসবাদ'* বাণী প্ৰকাশ (পাঠশালা), প্ৰথম প্ৰকাশ, ১৯৭৬।

বৰুৱা, লক্ষ্মীৰাম ঃ *'সংগীত কোষ',* অসম সাহিত্য সভা, যোৰহাট প্ৰকাশন, ১৯৮৬।

——— ঃ *'সংগীত সাধনা',* অমল ৰাজখোৱা, প্ৰধান সম্পাদক, অসম সাহিত্য সভা, যোৰহাট, দ্বিতীয় প্ৰকাশ-১৯৮৬।

ভট্টাচাৰ্য, পৰাগ কুমাৰ (সম্পাঃ) ঃ *'ড° নিৰ্মলপ্ৰভা বৰদলৈৰ ৰচনাৱলী',* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী সংস্কৰণ, ডিচেম্বৰ-২০১৭।

ভট্টাচাৰ্য, পূৰ্ণ ঃ *'কবিতা আৰু আধুনিক অসমীয়া কবিতা',* চন্দ্ৰ প্ৰকাশ, প্ৰথম প্ৰকাশ-১৯৯৩।

মজুমদাৰ, বিমল ঃ *'অসমীয়া কবিতাৰ বিচাৰ',* জাৰ্ণাল এম্পৰিয়াম (নলবাৰী), দ্বিতীয় প্ৰকাশ, জুন-২০০৮।

শৰ্মা, তীৰ্থনাথ ঃ *'সাহিত্য বিদ্যা পৰিক্ৰমা',* বাণী প্ৰকাশ (পাণবজাৰ), দশম প্ৰকাশ, জুলাই-২০০৮।

শইকীয়া, নগেন ঃ *'গৱেষণা পদ্ধতি পৰিচয়',* মাখন হাজৰিকা (ডিব্ৰুগড়-১), প্ৰথম প্ৰকাশ-১৯৯৬।

শৰ্মা, পৰনাথ (সম্পাঃ) ঃ *'পাৰ্বতিপ্ৰসাদ বৰুৱাৰ ৰচনাৱলী',* অসম সাহিত্য সভা, তৃতীয় সংস্কৰণ, মে'-২০১২।

শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ *'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত',* সৌমাৰ প্ৰকাশ (ৰিহাবাৰী, গুৱাহাটী-৮), দশম সংস্কৰণ, জুন-২০১১।

শৰ্মা, শশী ঃ *'অসমৰ লোক-সাহিত্য',* ষ্টুডেণ্টচ ষ্ট'ৰছ, কলেজ হোষ্টেল ৰোড, গুৱাহাটী, দ্বিতীয় সংস্কৰণ, অক্টোবৰ-২০১১।

শৰ্মা, হেমন্ত কুমাৰ ঃ *'অসমীয়া সাহিত্যত দৃষ্টিপাত',* বীণা লাইব্ৰেৰী, গুৱাহাটী, ত্ৰয়োদশ সংস্কৰণ, ছেপ্টেম্বৰ-২০১১।

শইকীয়া, ৰেণু ভূঞা ঃ *'ড° নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতা আৰু গীত',* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, প্ৰথম প্ৰকাশ, জুন-২০১২।

হাজৰিকা, কৰবী ডেকা (সম্পাঃ) ঃ *'পাৰ্বতিপ্ৰসাদ বৰুৱাৰ কৃতি আৰু কৃতিত্ব',* অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ, ২০০৪।

——— (সম্পাঃ) ঃ *সামাজিক সংস্কৃতিক প্ৰেক্ষাপটত* ***'অসমীয়া গীত আৰু গীতি কবিতা',*** সাহিত্য অকাডেমী, ৰবীন্দ্ৰ ভৱন, ৩৫ ফিৰোজ শ্বাহৰোড, নতুন দিল্লী, প্ৰথম প্ৰকাশ-২০১১।

——— ঃ *'কবিতাৰ ৰূপছায়া',* বনলতা, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ-১৯৯১।

হাজৰিকা, জ্যোতিৰেখা ঃ *'নিৰ্মলপ্ৰভাৰ নিৰ্মল আভা',* বনলতা, গুৱাহাটী, প্ৰথম প্ৰকাশ-২০০৫।

হাজৰিকা, প্ৰদ্যুত (সম্পাঃ) ঃ *'ড° লীলা গগৈৰ ৰচনাৱলী'* (প্ৰথম খণ্ড), বনলতা, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, অক্টোবৰ-২০১১।

হাজৰিকা, পাৰ্থ প্ৰতিম (সম্পাঃ) ঃ *'খগেন মহন্ত অসাধাৰণ শিল্পী, সাধাৰণ মানুহ',* সাহিত্য প্ৰকাশ, গুৱাহাটী-৩, প্ৰথম প্ৰকাশ, ২০১৫।

হাজৰিকা, সূৰ্য (সম্পাঃ) ঃ *'ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰঃ গীতাৱলী',* বাণী মন্দিৰ, চন্দ্ৰকান্ত হাজৰিকা পথ, নতুন বজাৰ, ডিব্ৰুগড়-১

হাজৰিকা, পৰীক্ষিত ঃ ***'সাহিত্য আলোচনা',*** লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, তৃতীয় প্ৰকাশ, ১৯৯২।

**(খ) আলোচনী-কাকত**

পূজাৰী, অনুৰাধা শৰ্মা (সম্পাঃ) ঃ ***'সতসৰী',*** চতুৰ্দশ বছৰ, একাদশ সংখ্যা, জুন-২০১৯।

——— ঃ ***'সাতসৰী',*** ষোড়শ বছৰ, দ্বিতীয় সংখ্যা, ছেপ্টেম্বৰ-২০২০।

শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পাঃ) ঃ ***'গৰীয়সী',*** নৱেম্বৰ, ১৯৯৮।

**(গ) পত্ৰিকা**

***'অসম সাহিত্য সভা পত্ৰিকা'*** ঃ সম্পাদক ঃ জ্যোতিৰেখা হাজৰিকা, ষটষষ্টিতম বৰ্ষ, তৃতীয় সংখ্যা, ২০১১-১২।

**(ঘ) অপ্ৰকাশিত গৱেষণা গ্ৰন্থ**

*ঠাকুৰীয়া, ৰমেন* ঃ ***'অসমীয়া গীতি-সাহিত্যলৈ মহিলা গীতিকাৰৰ অৱদান'*** (নলিনীবালা দেৱী, নিৰ্মলপ্ৰভা বৰদলৈ আৰু লক্ষ্যহীৰা দাসৰ বিশেষ উল্লিখনসহ), গুৱাহাটী বিশ্ববিদ্যালয়, অসমীয়া বিভাগ, ২০১৮।

দাস, অজন্তা ঃ ***'ভূপেন হাজৰিকাৰ গীতি-সাহিত্যত নাৰী ঃ এটি আলোচনা',*** কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়, ২০১৬।

ৰাজবংশী, বৈকুণ্ঠ ঃ ***'পাৰ্বতীপ্ৰসাদ বৰুৱা আৰু ৰুদ্ৰ বৰুৱাৰ গীতি-সাহিত্য এক তুলনামুলক অধ্যয়ন',*** অসমীয়া বিভাগ, ২০০৯।

**(ঙ) বাংলা গ্ৰন্থ**

চট্টোপাধ্যায়, বিশ্বনাথ ঃ ***'ৰোমান্টিক কবি ও কাব্য',*** উজ্বল সাহিত্য মন্দিৰ, কলিকতা, ১৯৯৭।

ত্ৰিপাঠী, দীপ্তি ঃ ***'আধুনিক বাংলা কাব্য পৰিচয়',*** দেজ পাব্লিশিং, কলিকতা, ১৯৮৮।

**(চ) ইংৰাজী গ্ৰন্থ**

Baruah, Birinchi Kumar : ***'History of Assamese Literature',*** Sahitya Akademi, New Delhi, 1978.

Baruah, Hem : ***'Assamese Literature',*** National Book Trust of India, 1965.

**(ছ) অসমীয়া অভিধান**

বৰুৱা, হেমচন্দ্ৰ ঃ ***'হেমকোষ'*** অজন্তা প্ৰকাশন, দিল্লী, একাদশ প্ৰকাশ, ২০০৩।

**(জ) সংস্কৃত অভিধান**

দেৱ ৰাধাকান্ত ঃ ***'শব্দকল্পদ্ৰুম',*** ৰাষ্ট্ৰীয় সংস্কৃত স্থান, মাণিক বিশ্ববিদ্যালয়, ৫৬-৫৭ ইনষ্টিটিউচনেল এৰিয়া, জনকপুৰ, নিউ দিল্লী-২২০০৫৮, প্ৰথম সংস্কৰণ।

**(ঝ) ইংৰাজী-অসমীয়া অভিধান**

Ajanta Prakashan : ***'Ajanta's Advaned Learner's Ditionary',*** New Delhi.

পৰিশিষ্ট (ক)

আলোকচিত্ৰ

## পাৰ্বতিপ্ৰসাদ বৰুৱা



**জন্ম ঃ ১৯০৪, ১৯ আগষ্ট**
**মৃত্যু ঃ ১৯৬৪, ৭ জুন**

## পৰিশিষ্ট (খ)

## পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ জীৱনৰ বিশেষ ঘটনাপঞ্জী

| | |
|---|---|
| ১৯০৪, ১৯ আগষ্ট | ঃ তেওঁৰ জন্মদিন। |
| ১৯১৭ | ঃ শিৱসাগৰত পদ্মনাথ গোহাঞিবৰুৱাৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশনত গীত পৰিৱেশন। |
| ১৯২১ | ঃ শিৱসাগৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰথম বিভাগত মেট্ৰিক পাছ। |
| ১৯২৫ | ঃ কলকতাৰ স্কটিছ্ কলেজত বি এ শ্ৰেণীত নামভৰ্তি। |
| ১৯২৯ | ঃ শিৱপ্ৰসাদ বৰুৱাৰ সৰু চৰাই চাহ বাগিচাত কামৰ আৰম্ভণি। |
| ১৯৩৩, ১৪ অক্টোবৰ | ঃ জ্যেষ্ঠ ভাতৃ ভগৱতীপ্ৰসাদ বৰুৱাৰ পৰিয়ালটোৰ শোকাৱহ দুৰ্ঘটনাত অকাল মৃত্যু। |
| ১৯৩৪ | ঃ জ্যোতিপ্ৰসাদ আগৰৱালাই 'জয়মতী' কথাছবিত ভূমিকা ল'বলৈ তেজপুৰলৈ মাতি পঠিয়ায়। |
| ১৯৩৯ | ঃ ৰজাবাৰীৰ বাগিচাৰ মেনেজাৰ পদৰ পৰা অব্যাহতি লয়। |
| ১৯৪০ | ঃ চতুৰ্থখন অসমীয়া বোলছবি 'ৰূপহী' নিৰ্মাণ কৰিবলৈ লয়। |
| ১৯৪৭ | ঃ সোণাৰি চাহ বাগিচাখন কিনি লয়। |
| ১৯৫৩, নৱেম্বৰ | ঃ ৰক্তচাপৰ আঘাতত শয্যাশায়ী হয়। |
| ১৯৬১ | ঃ অসম সাহিত্য সভাৰ গোৱালপাৰাত বহা সভাৰ উনত্ৰিংশ সন্মিলনত সংগীত অধিৱেশনৰ সভাপতিৰ আসন অধিগ্ৰহণ। |
| ১৯৬২ | ঃ চীনৰ আক্ৰমণৰ সময়ত প্ৰতিবাদী কাৰ্যসূচী হিচাপে জনগণত মনত উৎসাহ-উদ্দীপনাৰ জগাই তুলিবলৈ ড° ভূপেন হাজৰিকাৰ সৈতে এখন ট্ৰাক উঠি শিল্পীসকলক লগত লৈ গুৱাহাটী মহানগৰীৰ বাট-পথত দেশাত্মবোধক গীত পৰিৱেশন। |
| ১৯৬৪, ৭ জুন | ঃ পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ মৃত্যু। |

পৰনাথ শৰ্মা (সম্পা.) *পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ ৰচনাৱলীৰ* আগকথাৰ পৰা উদ্ধৃত।

পৰিশিষ্ট (গ)

## নিৰ্মলপ্ৰভা বৰদলৈ



**জন্ম ঃ ১৯৩৩, ২০ জুন**
**মৃত্যু ঃ ১৯৬৪, ৭ জুন**

# পৰিশিষ্ট (ঘ)

## নিৰ্মলপ্ৰভা বৰদলৈ জীৱনৰ বিশেষ ঘটনাপঞ্জী

| | |
|---|---|
| ১৯৩৩, ২০ জুন | ঃ তেওঁৰ জন্মদিন। |
| ১৯৪৮ | ঃ প্ৰাইভেটকৈ মেট্ৰিক পাছ। |
| ১৯৫২ | ঃ অনাৰ্ছসহ সৰ্বপ্ৰথম হৈ স্নাতক পাছ। |
| ১৯৬৪ | ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ। |
| ১৯৭২ | ঃ The treatment of nature in Assemese Poetry শীৰ্ষক বিষয়ত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট উপাধি লাভ কৰে। |
| ১৯৫৮ | ঃ বি বৰুৱা কলেজত অধ্যাপনা কৰিবলৈ লয়। |
| ১৯৭৫ | ঃ গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগত যোগদান কৰে। |
| ১৯৯০ | ঃ গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰে জৱহাৰলাল নেহৰু অধ্যাপক পদত অধিষ্ঠিত হয়। |
| ১৯৯১ | ঃ অসম সাহিত্য সভাৰ সভাপতি ৰূপে দায়িত্বভাৰ গ্ৰহণ। |
| ১৯৫৮ | ঃ সৰ্বভাৰতীয় সাহিত্যিক সন্মিলনত অংশগ্ৰহণ। (মাদ্ৰাছ) |
| ১৯৬৪ | ঃ অৰিয়েণ্টেল কনফাৰেন্সত অংশগ্ৰহণ। (গুৱাহাটী) |
| ১৯৭২ | ঃ ৰাষ্ট্ৰীয় সাহিত্যিক আলোচনাচক্ৰত অংশগ্ৰহণ। (নতুন দিল্লী) |
| ১৯৭৬ | ঃ কবি সন্মিলনত সভানেত্ৰীৰ আসন গ্ৰহণ। অসম সাহিত্য সভা অধিৱেশন। (টিহু) |
| ১৯৭৭ | ঃ পূৰ্বভাৰত সাংস্কৃতিক সন্মিলনত অংশগ্ৰহণ। (ভুৱনেশ্বৰ) |
| ১৯৭৮ | ঃ সংস্কৃতি সম্পৰ্কীয় আন্তৰ্জাতিক আলোচনাচক্ৰত অংশগ্ৰহণ। (কটক) |
| ১৯৭৮ | ঃ সভানেত্ৰী Authors Guild of Indiaৰ ৰাষ্ট্ৰীয় অভিৱৰ্তনত অংশগ্ৰহণ। (ত্ৰিবান্দ্ৰম) |

*ৰেণু ভূএগ শইকীয়াৰ 'কবিতা আৰু গীত' শীৰ্ষক গ্ৰন্থৰ পৰা উদ্ধৃত, পৃষ্ঠা ঃ ১১-১২*